● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

দিগ্‌দৰ্শন

যিয়ে শত্ৰু বনাবলৈ ভয় কৰে, তেওঁ কেতিয়াও প্ৰকৃত বন্ধু লাভ কৰিব নোৱাৰে।

উইলিয়াম হেজলিট
ইংৰাজ দাৰ্শনিক-লেখক

৭ পুনৰ অ'মিক্ৰনৰ দুটা উপপ্ৰজাতিৰ সন্ধান
১৫ জুনিয়ৰ ডেভিচ কাপ টেনিছত ভাৰত চেম্পিয়ন
৪ ধৰ্মীয় অসহিষ্ণুতা আৰু বিবেকানন্দ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৮৭তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৪ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৮ এপ্ৰিল ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 18 April 2022 মূল্য ঃ ৯.০০ টকা

■ পাঁচ শতাংশ ঢাপৰ পৰিৱৰ্তে তিনি আৰু আঠ শতাংশ হ'ব ■ ৰাজহ বৃদ্ধিৰ বাবে ৰাজ্যসমূহ তৎপৰ হোৱাৰ সময়তে সাজু জিএছটি পৰিষদ ■ জুনত অন্ত পৰিব জিএছটি ক্ষতিপূৰণৰ ম্যাদ

জিএছটিৰ নতুন কৰ গাঁথনি আসন্ন

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৭ এপ্ৰিল ঃ সাধাৰণ উপভোক্তাৰ ব্যৱহাৰযোগ্য একাংশ সামগ্ৰীৰ ক্ষেত্ৰত সম্প্ৰতি থকা সেৱা আৰু সামগ্ৰী কৰ (জিএছটি)ৰ পৰিমাণ পাঁচ শতাংশ হ্ৰাস কৰি তিনি শতাংশ কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। ইয়াৰ বিপৰীতে সম্প্ৰতি থকা পাঁচ শতাংশ হাৰৰ জিএছটিৰ আওতাৰ অধীনলৈ অহা এনে আন একাংশ সামগ্ৰীৰ ওপৰত কৰ আঠ শতাংশলৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ জৰিয়তে পাঁচ শতাংশৰ জিএছটিৰ ঢাপ নোহোৱা কৰা হ'ব। সম্প্ৰতি দেশত জিএছটি ব্যৱস্থা চাৰি তৰপীয়া। সামগ্ৰীভেদে ক্ৰমে পাঁচ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৪ শতাংশ জিএছটি আৰোপিত হয়। ইয়াৰ উপৰি সোণ আৰু সোণৰ অলংকাৰত তিনি শতাংশ কৰ ৰেহাই দিয়া হয়। তদুপৰি কিছুমান সামগ্ৰীৰ ওপৰত জিএছটি ৰেহাই দিয়া হয়। *১০ পৃষ্ঠাত চাওক*

সাম্প্ৰদায়িক সংঘৰ্ষৰ ৰেহ-ৰূপ

■ প্ৰাঞ্জলসেন ডেকা

দেশত অব্যাহত থকা চেপা সাম্প্ৰদায়িক উত্তেজনাই বহুতকে উদ্বিগ্ন আৰু বেদনাহত কৰি তুলিছে। দীৰ্ঘদিন ধৰি এনে সাম্প্ৰদায়িক চাপ সৃষ্টিকাৰী পৰিৱেশ বিৰাজ কৰি আহিছে যদিও চলিত মাহৰ ৰাম নৱমীৰ দিনাৰে পৰা এই শনিবাৰে হনুমান জয়ন্তীলৈকে স্বয়ং ৰাজধানী দিল্লীকে ধৰি কে'বাখনো ৰাজ্যত সংঘটিত সাম্প্ৰদায়িক হিংসাই দেশক জোঁকাৰিছে। বিগত সময়ছোৱাত বিভিন্ন পক্ষৰ লেকাম ছিগা ভাষ্যই এনে এক ৰক্তাক্ত সংঘৰ্ষৰ *১০ পৃষ্ঠাত চাওক*

আৰ্থিক দুৰৱস্থা সহিব নোৱাৰি অট'চালকৰ আত্মহত্যা

হোজাইত দুৰ্ঘটনাত দুজনৰ থিতাতে মৃত্যু

অগ্ৰদূত বাৰ্তা

হোজাই, ১৭ এপ্ৰিল ঃ যোৱা নিশা হোজাইৰ পশ্চিম গোপাল নগৰত এখন ট্ৰেক্টৰ দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত দুজন লোক থিতাতে নিহত হয়। নিহত দুজন হৈছে ট্ৰেক্টৰখনৰ চালক ময়বুৰ ৰহমান আৰু তেওঁৰ ভতিজাক আবু বক্কৰ ছিদিক। হোজাই আৰক্ষীয়ে দুয়োৰে মৃতদেহ উদ্ধাৰ কৰি আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালৰ লোকৰ *দুই পৃষ্ঠাত চাওক*

■ প্ৰদেশ কংগ্ৰেছত আছে মুখ্যমন্ত্ৰী-বিজেপিৰ এজেণ্ট ■ ক্ষোভেৰে সভানেত্ৰী ছোনিয়াক জনালে ■ প্ৰাক্তন সভাপতি-মন্ত্ৰীৰ দলত্যাগ

ৰাজ্যসভা নিৰ্বাচনত দলৰ প্ৰতাৰণাৰ ক্ষোভত তৃণমূলত যোগদান ৰিপুনৰ

■ সেই সংবাদমেলৰ পাছত বৰাই দলত্যাগ কৰাটো স্বাভাৱিক ঃ শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ দলৰ ৰাজ্যিক নেতৃত্বৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আজি কংগ্ৰেছ ত্যাগ কৰে ৰাজ্যসভাৰ সদ্য প্ৰাক্তন সাংসদ, প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰাই। কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীলৈ পদত্যাগপত্ৰ প্ৰেৰণ কৰিয়েই বৰা আজি কলকাতাত উপস্থিত হয় আৰু মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছত যোগদান কৰে। উল্লেখ্য যে অলপতে অনুষ্ঠিত *১০ পৃষ্ঠাত চাওক*

■ গহপুৰৰ টকৌবাৰীত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰিল বিহু দল কঢ়িয়াই নিয়া বাহন ■ শোকাকুল পৰিৱেশত একেলগে জ্বলিল চাৰিখনকৈ চিতা ■ মাত্ৰাধিক মদ্যপান চালকৰ

দুৰ্ঘটনাত মৃত্যু পাঁচ বিহুৱা-বিহুৱতীৰ

প্ৰধানমন্ত্ৰী মোদীৰ শোক প্ৰকাশ

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

তেজপুৰ/গহপুৰ/বিহালী/বিশ্বনাথ চাৰিআলি, ১৭ এপ্ৰিল ঃ ৰঙালী বিহুৰ উলহ-মালহৰ মাজতে গহপুৰ মহকুমাৰ হেলেমত সংঘটিত হ'ল এক শোকাবহ দুৰ্ঘটনা। যোৱা নিশা হেলেম আৰক্ষী থানাৰ অন্তৰ্গত টকৌবাৰীৰ এটা গ্ৰাম্য পথত সংঘটিত হোৱা এই পথ দুৰ্ঘটনাত এটা বিহু হুঁচৰি দলৰ পাঁচ বিহুৱা-নাচনীয়ে কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হয়। লগতে দুৰ্ঘটনাত বিহু দলটোৰ

একাধিক সদস্য আহত হয়। চালকে অতিপাত সুৰাপান কৰি গাড়ী চলোৱাৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উঠিছে।

উল্লেখ্য যে বিহু দলটিয়ে বিভিন্ন ঠাইত হুঁচৰি পৰিৱেশনৰ অন্তত উক্ত গাড়ীৰে ঘৰলৈ উভতিছিল। নিশা প্ৰায় ১২ বজাত এএছ-২৫ ডিচি-৭৪১৮ নম্বৰৰ বলেৰ' পিক আপ ভানখনে টকৌবাৰী-কাৰিবিল সংযোগী গ্ৰাম্য পথটোৰ এটা কেঁকুৰীত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে একে আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ *১০ পৃষ্ঠাত চাওক*

■ পৌৰ নিগমৰ নিৰ্বাচনী প্ৰচাৰত মুখ্যমন্ত্ৰী ■ ৬০ টা ৱাৰ্ডে লাভ কৰিব মুঠ ছশ কোটি টকা

জাইকা প্ৰকল্পৰ জৰিয়তে জুলাইৰ পৰা পানী যোগান ■ বেতকুছিত তিনিটা ১১ মহলীয়া বিল্ডিং

প্ৰতিজন কাউন্সিলৰে লাভ কৰিব ১০ কোটি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ সমাগত গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ বাবে আজি মহানগৰীৰ নাৰেংগী, চান্দমাৰি, গান্ধীবস্তি আৰু ফটাশিল আমবাৰীস্থিত চম্পাৱতী হাইস্কুলত বিজেপিৰ হৈ প্ৰচাৰ চলায় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ মহানগৰীৰ ভোটাৰ ৰাইজৰ আগত বিকাশ আৰু প্ৰগতিৰ প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই দিয়ে। ৰাজধানী মহানগৰীক সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ দুৱাৰমুখ বুলি অভিহিত কৰাৰ *১০ পৃষ্ঠাত চাওক*

মাহে ৰমজান

ইফটাৰ
আজি আবেলি ঃ ৫.৪৮ বজা

ছেহেৰী
কাইলৈ পুৱা ঃ ৩.৩৫ বজা

* গুৱাহাটীৰ সময়

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩১°	২১°
ডিব্ৰুগড়	২৫°	১৮°
দিল্লী	৪০°	২৬°
কলকাতা	৩৫°	২৭°
মুম্বাই	৩৩°	২৭°
চেন্নাই	৩৪°	২৮°
বাংগালুৰু	৩২°	২১°
শ্বিলং	২৪°	১৬°

১৭ এপ্ৰিল, ২০২২

চেঙা তেল



আমাৰেই ভাল দিয়ক! আই চি ইউত শেষ নিশ্বাস নোলোৱালৈকে অৱসৰ ল'ব নালাগে!

জলপ্ৰপাতত জলকেলি কৰি দুই যুৱকৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

চামগুৰি, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হদহদী জলপ্ৰপাতত আজি দুজন যুৱকৰ সলিল সমাধি ঘটে। আজি দুপৰীয়া ভাগত নগাঁও চহৰৰ পৰা দুখন মটৰ চাইকেলত অহা এগৰাকী যুৱতী আৰু তিনিজন যুৱকৰ এটি দলে চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত লুংচুং চাহ বাগিচাৰ পাছফালে অৱস্থিত বনভোজস্থলী হদহদী জলপ্ৰপাতলৈ আহিছিল। পৰৱৰ্তী সময়ত হদহদী জলপ্ৰপাতৰ সৌন্দৰ্য উপভোগ *দুই পৃষ্ঠাত চাওক*

■ ধৰ্মৰ নামত হেঁচা-প্ৰলোভনৰে বৰপেটাত অল কায়দা ইন ইণ্ডিয়ান ছাব কণ্টিনেণ্টৰ শিপা

জেএমবিক উৎখাতৰ দাবীৰ পাছতে বৰপেটাত সাংগঠনিক তৎপৰতা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ অসমত অতি সন্তৰ্পণে জেহাদী কাৰ্যকলাপে বিস্তাৰ লাভ কৰাৰ তথ্য পোহৰলৈ অহাৰ বিষয়টোৱে দেশৰ নিৰাপত্তাৰ লগত জড়িত সকলোকে উদ্বিগ্ন কৰিছে। যোৱা মাৰ্চত বাংলাদেশত মূল ঘাটি থকা অলকায়দা ইন ইণ্ডিয়ান চাব কণ্টিনেণ্ট নামৰ সংগঠনটোৰ শিপা বৰপেটাত উদ্ধাৰ হয়। তাৰপাছৰে পৰা জিলাখনৰ বিভিন্ন স্থানৰ পৰা এজন *দুই পৃষ্ঠাত চাওক*

হোটেলৰ স্বত্বাধিকাৰীক অপহৰণ, ধনদাবী কৰি জালত সাতজন

'এণ্টিকৰাপছন'ৰ বিষয়া বুলি ভাবুকি প্ৰদান

অগ্ৰদূত বাৰ্তা

হাউলী,১৭ এপ্ৰিল: হাউলী আৰক্ষীয়ে এটি অপহৰণকাৰী চক্ৰৰ মহিলাসহ সাতজনকৈ যুৱকক গ্ৰেপ্তাৰ কৰে। কালি বিয়লি হাউলীৰ কালজাৰৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষত থকা 'ৰৈশ্য *১০ পৃষ্ঠাত চাওক*

একেনিশাই দুটাকৈ অপহৰণ-ডকাইতিৰ ঘটনা হাজোত

যুৱকক অপহৰণ কৰি নি এৰি দিলে গুৱাহাটীত

অগ্ৰদূত বাৰ্তা

হাজো, ১৭ এপ্ৰিল ঃ অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে কামৰূপ জিলাৰ তীৰ্থনগৰী হাজো। একেনিশাই হাজোত সংঘটিত হ'ল দুটাকৈ চাঞ্চল্যকৰ অপহৰণ আৰু ডকাইতিৰ ঘটনা। দুয়োটা ঘটনাতে দুৰ্বৃত্তই ভুক্তভোগীক অপহৰণ কৰি নি ধন-ম'বাইল ফোন আদি লুট কৰি নিয়ে।

আৰক্ষী সূত্ৰই জনোৱা মতে, কালি সন্ধিয়া ৰাহুল আমিন নামৰ এজন যুৱকে *১০ পৃষ্ঠাত চাওক*

পুনৰ ভাৰতত কৰ'না মহামাৰীৰ অশনি সংকেত ■ চীনসহ কে'বাখনো দেশত গুৰুতৰ ৰূপ ধাৰণ ■ শেহতীয়া জৰীপত উদ্বেগজনক তথ্য

বৃহত্তৰ দিল্লী অঞ্চলত ১৫ দিনত পাঁচশ শতাংশ সংক্ৰমণ বৃদ্ধি ক'ভিডৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৭ এপ্ৰিল ঃ ব্যাপক টিকাকৰণত গুৰুত্ব আৰোপ কৰি ভাৰতৰ পৰা ক'ভিডৰ সকলো নীতি-নিৰ্দেশনা চৰকাৰে প্ৰত্যাহাৰ কৰাৰ সময়তে দেশত পুনৰ এই মহামাৰীৰ অশনি সংকেত ধৰা পৰিছে। ক'ভিডৰ দৈনিক সংক্ৰমণৰ হাৰ সমগ্ৰ দেশত অতি নিম্ন হৈ থকাৰ সময়তে শেহতীয়াকৈ দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ (দিল্লী-এন চি আৰ)ত পোহৰলৈ

আহিছে উদ্বেগজনক তথ্য। 'লোকেল চাৰ্কলছ' নামৰ এটা সংস্থাই শেহতীয়াকৈ চলোৱা এক জৰীপত বিগত ১৫ দিনৰ ভিতৰত বৃহত্তৰ অঞ্চলটোত ক'ভিড আক্ৰান্তৰ হাৰ পাঁচশ শতাংশলৈ বৃদ্ধি হোৱাৰ তথ্য পোহৰলৈ আহিছে। ১৯ শতাংশ বাসিন্দাক লৈ চলোৱা এই জৰীপত পোহৰলৈ আহিছে যে সংশ্লিষ্ট লোকসকলৰ ঘনিষ্ঠসকলৰ এজন বা ততোধিক লোক নতুনকৈ ক'ভিডত *১০ পৃষ্ঠাত চাওক*

■ ভাৰতত ধৰ্মীয় অসহিষ্ণুতা বৃদ্ধি পোৱা নাই ■ কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী নাকভিৰ মন্তব্য

মানুহে কি খাব আৰু নাখাব সেই কথা কোৱাটো চৰকাৰৰ কাম নহয়

■ নিউজ ব্যুৰ'

মুম্বাই, ১৭ এপ্ৰিল ঃ প্ৰতিজন ভাৰতীয়ৰে নিজ ধৰ্ম পালনৰ স্বাধীনতা আছে। ধৰ্মীয় সম্প্ৰদায়সমূহৰ মাজত কোনো ধৰণৰ অসহিষ্ণুতা বৃদ্ধি পোৱা নাই। এই মন্তব্য কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী মুক্তাৰ আব্বাচ নাকভিৰ। দেশৰ বিভিন্ন অংশত সাম্প্ৰদায়িক সংঘৰ্ষৰ তাৎক্ষণিক উত্তেজনাৰ মাজতে আজি কেন্দ্ৰীয় মন্ত্ৰীজনৰ এই ভাষ্যই তাৎপৰ্য বহন কৰিছে। কালি নতুন দিল্লীত হনুমান জয়ন্তীৰ শোভাযাত্ৰাত সাম্প্ৰদায়িক সংঘৰ্ষত দুজন আৰক্ষীকে ধৰি *১০ পৃষ্ঠাত চাওক*

ব্ৰহ্মপুত্ৰৰ চৰত গোপনে গৰু মজুত কৰিছে চোৰাং সৰবৰাহকাৰীয়ে

নগাঁও-মৰিগাঁৱত জব্দ ৪৫টা চোৰাং গৰু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/ভূৰাগাঁও, ১৭ এপ্ৰিল ঃ আৰক্ষীৰ চোকা দৃষ্টিৰ মাজতো ৰাজ্যত গৰুৰ চোৰাং সৰবৰাহ অব্যাহত আছে। ইয়াৰ মাজতে চোৰাং সৰবৰাহকাৰীয়ে ব্ৰহ্মপুত্ৰৰ চৰত গোপনে সৰবৰাহৰ বাবে গৰু মজুত কৰাৰ *১০ পৃষ্ঠাত চাওক*

■ বগা চাহাবে দেশলৈ নিছিল দেওহাঁহ ■ দ্ৰুতগতিত ৰাজ্যত হ্ৰাস জাতীয় পক্ষীৰ সংখ্যা ■ চাৰিটা মইনা চৰাইৰ বিনিময়ত অসমলৈ

বংশৰক্ষাৰ দায়িত্ব লৈ চেক গণৰাজ্যৰ পৰা অসমলৈ আহিল চাৰিটা দেওহাঁহ

৪৫ দিনৰ আছুতীয়াকৰণত অসম ৰাজ্যিক চিৰিয়াখানাত ৰখা হৈছে দেওহাঁহকেইটা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ চাৰিটা মইনা চৰাইৰ বিনিময়ত সুদূৰ চেক গণৰাজ্যৰ পৰা বংশ ৰক্ষাৰ দায়িত্ব লৈ গুৱাহাটীৰ ৰাজ্যিক চিৰিয়াখানালৈ আহিল চাৰিটা দেওহাঁহ। জাতীয় পক্ষী হ'লেও দেওহাঁহৰ সংখ্যা অসমত দ্ৰুতগতিত হ্ৰাস পাইছে। অৰুণাচললৈতো এইবিধ চৰাই পোৱা যায়; কিন্তু দুয়োখন ৰাজ্যৰ অৰণ্যত দেওহাঁহৰ সংখ্যা হ্ৰাস হৈ আহিছে। ইয়াকে লৈ উদ্বিগ্ন হৈ পৰিছে প্ৰকৃতিপ্ৰেমী আৰু বন বিভাগ। বিশ্বৰ আন কোনো ঠাইতে ক'লা শৰীৰ আৰু ক'লা বিন্দুসহ বগা মূৰৰ এইবিধ হাঁহ পাবলৈ নাই। ৰাজ্যিক চিৰিয়াখানাৰ বাহিৰে ভাৰতৰ আন কোনো *১০ পৃষ্ঠাত চাওক*

■ অৰুণাচলৰ উপলব্ধ খয়ৰ কাঠ অসমত সক্ৰিয় সংগঠিত চক্ৰই প্ৰেৰণ কৰে বহিঃৰাজ্যলৈ

জলপথেৰেও উত্তৰ ভাৰতৰ বিভিন্ন স্থানলৈ প্ৰেৰণ ■ অসমতে গঢ়ি উঠিছে কাঠ ফলা মিল

মূল্যবান খয়ৰ কাঠৰ বৃহৎ চোৰাং ব্যৱসায়

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ অসমত অতি মূল্যবান খয়ৰ কাঠ উৎপাদন নহয়; অথচ অসমতে এইবিধ গছক লৈ চলি আহিছে ৰমৰমীয়া চোৰাং ব্যৱসায়। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অৰুণাচল প্ৰদেশতে খয়ৰ কাঠ প্ৰচুৰ পৰিমাণে পোৱা যায়। বিশেষকৈ ৰাজ্যখনৰ লোহিত জিলাৰ কে'বাখনো বনাঞ্চলত উপলব্ধ খয়ৰ কাঠ দেশৰ বিভিন্ন ৰাজ্যলৈ চোৰাংকৈ প্ৰেৰণ কৰা হৈ আহিছে। অসমৰ মাজেৰে এই চোৰাং কাঠ সৰবৰাহ হয় আৰু ইয়াকে লৈ ৰাজ্যখনত বৃহৎ চক্ৰ সক্ৰিয় হৈ আছে। লক্ষ্যণীয়ভাৱে অতি কম পৰিমাণৰ চোৰাং খয়ৰ কাঠহে আৰক্ষী আৰু বন বিভাগৰ হাতত জব্দ হৈছে। এই সন্দৰ্ভত বন বিভাগৰ সূত্ৰই সদৰী কৰে যে অৰুণাচলৰ বনাঞ্চলৰ পৰা অহা খয়ৰ কাঠক লৈ শদিয়াত অবৈধ কাঠফলা মিলো গঢ়ি উঠাৰ তথ্য উদ্ধাৰ হৈছে। ধলা আৰু তিনিচুকীয়াতো খয়ৰ কাঠ কটা মিল গঢ়ি উঠাৰ তথ্য পোহৰলৈ অহা বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। অৰুণাচলত স্থানীয়ভাৱে গঢ়ি উঠা অস্থায়ী মিলতো খয়ৰ কাঠ সৰু সৰু টুকুৰা কৰি অসম হৈ দেশৰ বিভিন্ন ৰাজ্যলৈ প্ৰেৰণ কৰা হয়। সমগ্ৰ এই প্ৰক্ৰিয়াটোত এক বৃহৎ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গোৱালপাৰাৰ ডেকধোৱাত পথ দুৰ্ঘটনাত নিহত দুই

অগ্ৰদূত বাৰ্তা
মাটিয়া, ১৭ এপ্ৰিল ঃ গোৱালপাৰা জিলাৰ মৰনৈ থানাৰ অন্তৰ্গত ডেকধোৱাত কালি সন্ধিয়া এ এছ- ০১ জিচি- ৫৮৩৮ নম্বৰৰ ট্ৰেভেলাৰ আৰু এখন পিকআপ ভেনৰ মুখামুখি সংঘৰ্ষত দুগৰাকী লোক থিতাতে মৃত্যু হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। ডুবাপাৰা আৰক্ষী পহৰা চকীৰ আৰক্ষীয়ে সদৰী কৰা মতে, সন্ধিয়া সাত বজাত ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ ডেকধোৱাত সংঘটিত দুৰ্ঘটনাটোত ট্ৰেভেলাৰ যাত্ৰী হিৰণময়ী দাস (৪৫) আৰু বিপুল দাস (৩৮) নিহত হোৱাৰ লগতে চালক অপূৰ্ব দাস গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে নিহত ভ্ৰাতৃ-ভগ্নী হিৰণময়ী আৰু বিপুলে বৰপেটাত আত্মীয়ৰ ঘৰত তোলনীয়া বিয়া খাবলৈ গৈছিল। ইপিনে, ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথেৰে গোৱালপাৰাৰ পৰা ধূপধৰা অভিমুখে গৈ থকা সময়তে বিপৰীত দিশৰ পৰা অসুৰক্ষিত অৱস্থাত টিনপাত কঢ়িয়াই নিয়া ভানে খুন্দিওৱাত ট্ৰেভেলাৰৰ সন্মুখৰ অংশৰ সম্পূৰ্ণ আয়না ভাঙি চালকজন গুৰুতৰভাৱে আহত হোৱাৰ লগতে যাত্ৰীৰ আসনত বহি থকা হিৰণময়ী আৰু বিপুল নিহত হয়। অৱশ্যে সৌভাগ্য ক্ৰমে বাকী যাত্ৰীসকলে গুৰুতৰভাৱে আহত হোৱাৰ পৰা ৰক্ষা পৰে যদিও দুৰ্ঘটনা সংঘটিত কৰিয়েই ভেনখনে পলায়ন কৰে। ইপিনে, গুৰুতৰভাৱে আহত চালকজনক গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। চালকজনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যুৰ স'তে যুঁজি আছে। মৃত ভাই-ভনীৰ ঘৰ ধূপধৰা থানাৰ অন্তৰ্গত টিপলাই ধানবাৰী আৰু চালকজনৰ ঘৰ ৰংজুলী থানাৰ অন্তৰ্গত কামাৰপুতাত। আজি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত দুয়োগৰাকী ভ্ৰাতৃ-ভগ্নীৰ মৰণোত্তৰ পৰীক্ষা কৰি আৰক্ষীয়ে অন্তিম সৎকাৰৰ বাবে পৰিয়ালক গতাই দিয়ে। উল্লেখ্য যে ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ ডুবাপাৰাৰ পৰা গোৱালপাৰা চহৰলৈ থকা পথছোৱাৰ মেৰামতিৰ নামত দুৰ্ঘটনাস্থলীৰ পথৰ চাইডবামত খান্দি থোৱা সৰু নলা এটাৰ বাবেই দুৰ্ঘটনাৰ বলি হৈ দুগৰাকী লোকৰ অকাল মৃত্যু হোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

LOST

I have lost my original HSSLC documents. Resistration certificate, marksheet and admit card
Roll.0522 no.30006
years 2016/17
Resistration no.165308
Bhaskarjit brahma
Kokrajhar

LOST

I have lost my HSLC Admit and Registration certificate under Roll B17-040 No.0017 of 2017 having Registration No 01/PR/0085/013835/15.
Babidul Islam
S/O- Lalmahmud Dewan
Vill: Chakir bhitha.
PO: Khablar bhitha.
PS: Barpeta.
Dist: Barpeta.
Pin: 781352.

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ Guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 8099336044.

তেজপুৰত পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাৰ উদ্যোগত পাঁচগৰাকীক সম্বৰ্ধনা

ষ্টাফ ৰিপৰ্টাৰ
তেজপুৰ, ১৭ এপ্ৰিল ঃ ১৯৯৫তে স্থাপিত আৰু সম্প্ৰতি ৰূপালী জয়ন্তী উদ্‌যাপন কৰি থকা তেজপুৰৰ পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাই শোণিতপুৰৰ পাঁচগৰাকী বিশিষ্ট নাগৰিকক নৱবৰ্ষ আৰু হেঁপাহৰ ৰঙালী বিহুৰ সম্ভাষণ জ্ঞাপন কৰি অসম সাহিত্য সভাই পহিলা ব'হাগত পালন কৰি অহা নিজৰ দিন উদ্‌যাপন কৰে। শাখা সাহিত্য সভাৰ সভাপতি তথা প্ৰবীণ লেখক ভুৱন চন্দ্ৰ গগৈৰ নেতৃত্বত এটা প্ৰতিনিধি দলে প্ৰতিজন লোককে তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ একোখনকৈ ফুলাম গামোচা, অসম সাহিত্য সভাৰ ওলগনিপত্ৰৰ উপৰি গ্ৰন্থৰ টোপোলাৰে ওলগ জ্ঞাপন কৰে। শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক তথা ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ স্মৃতিগ্ৰন্থ সম্পাদক মানস প্ৰতীম শৰ্মাই আঁত ধৰা আৰু সম্পাদক তথা কবি দুগ্ধ কুমাৰ শইকীয়াই ওলগনিপত্ৰ পাঠ কৰা কাৰ্যসূচীত পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভাই ক্ৰমে প্ৰবীণ সমাজকৰ্মী, লেখক শিল্পীপ্ৰাণ কীৰ্তি বণিয়া, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সাহিত্যিক সুৰেন্দ্ৰ মোহন নাথ, সাহিত্য একাডেমী বঁটা বিজয়ী অনুবাদক লেখক জ্ঞান বাহাদুৰ ছেত্ৰী, বিশিষ্ট কবি, সংগঠক ৰুণুমী বৰা আৰু লেখক, সমাজকৰ্মী হেমচন্দ্ৰ দাসক এইবাৰৰ সম্বৰ্ধনা আগবঢ়ায়। শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গুণকান্ত বৰুৱা, শাখাৰ বৰ্তমানৰ উপ-সভাপতি শশীপ্ৰভা দেৱী, কাৰ্যকৰী সদস্য নমি হাজৰিকা, বিউটি বৰা, 'ৰামধেনু'ৰ আহ্বায়ক গীত প্ৰতিম বৰা সমন্বিতে বিশেষ প্ৰতিনিধি দলটোৰ উপস্থিতিত প্ৰতিগৰাকী সম্বৰ্ধিত ব্যক্তিয়ে নিজ নিজ অনুভৱ ব্যক্ত কৰে।

পৰম্পৰাগত খেল-ধেমালিৰে আৰম্ভ হ'ল ৩৩ সংখ্যক মধ্য বজালী ৰঙালী বিহু

বিশেষ সংবাদদাতা
পাঠশালা, ১৭ এপ্ৰিল ঃ বিভিন্ন পৰম্পৰাগত থলুৱা খেল-ধেমালিৰে পহিলা ব'হাগৰ দিনাই আৰম্ভ হ'ল বজালী জিলাৰ হৰিপুৰস্থিত মধ্য বজালী ৰঙালী বিহু এক, আঠ আৰু ন ব'হাত আৰম্ভ হোৱা ৩৩ সংখ্যাক ৰঙালী বিহুৰ পহিলা ব'হাগত প্ৰথম দিনৰ কাৰ্যসূচীৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে সবাপতি মনোজ গোস্বামীয়ে। বিভিন্ন পৰম্পৰাগত খেল-ধেমালি উদ্বোধন কৰে সাংবাদিক তথা প্ৰবক্তা কল্যাণ কলিতাই। গছ পুলি ৰোপণ কৰে বজালী জিলা পশু চিকিৎসক ডাঃ হিতেশ পাঠকে। আবেলি বিবাহিত আৰু অবিহাহিত পুৰুষসকলৰ মাজত এখন প্ৰীতি ফুটবল অনুষ্ঠিত হয়। আঠ ব'হাগৰ পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কে'বাটাও শাখাত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে আবেলি অসমীয়া গীতৰ ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। আনহাতে, ন ব'হাগৰ পুৱা মাৰাথন দৌৰ প্ৰতিযোগিতা, আবেলি ভেশচন প্ৰতিযোগিতা আৰু কবিতা আবৃতি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া মুকলি আৰু বঁটা বিতৰণী সবাৰ পাছতে অনুষ্ঠিতব্য সাংস্কৃতিক সন্ধিয়াত সংগীত পৰিবেশন কৰিব অসমৰ অতি জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবিন, খগেন গগৈ আৰু বিপুল চেতিয়া ফুকনে।

সত্তৰোৰ্দ্ধক চৰণ ধুৱাই অন্তৰংগ আলাপ

অগ্ৰদূত বাৰ্তা
মঙলদৈ, ১৭ এপ্ৰিল ঃ চপাই যুৱ কল্যাণ কেন্দ্ৰই তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দুটা পৰ্যায়ত ৪১সংখ্যক চপাই আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন কৰিছে। এই উপলক্ষে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী হিচাপে পহিলা ব'হাগৰ পুৱা পাঁচ বজাত বিহু পতাকা উত্তোলন কৰে সভাপতি মহেন্দ্ৰ ডেকাই। ইয়াৰ পাছতেই উপদেষ্টা ইবিনাথ ৰাভাই স্মৃতি তৰ্পণ কৰে। আনহাতে, পাঁচ শতাধিক ৰাইজে অংশগ্ৰহণ কৰা শোভাযাত্ৰা মুকলি কৰে ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক লক্ষীকান্ত শৰ্মাই। বিয়লি কলাৰাম নাথ সোঁৱৰণী খেল-ধেমালি আৰু ৰঙিলী নাথ সোঁৱৰণী চিত্ৰাংকন স্মৃতি পৰীক্ষা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, অহা ২৩ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। সিদিনা দিনৰ ২-৩০ বজাত চপাই অঞ্চলৰ ৭০ বছৰ উৰ্ধ্বৰ বয়োজ্যেষ্ঠৰ চৰণ ধুৱাই সম্বৰ্ধনা জ্ঞাপন কৰি অন্তৰংগ আলাপ কৰা হ'ব। বিয়লি চাৰি বজাত দৰং-ওদালগুৰি জিলা ভিত্তিত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

নলবাৰী সাহিত্য সমাজৰ বিশিষ্ট লোকক ওলগ

অগ্ৰদূত বাৰ্তা
নলবাৰী, ১৬ এপ্ৰিল ঃ নলবাৰী সাহিত্য সমাজৰ উদ্যোগত আজি ব'হাগ বিহু উপলক্ষে কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়। সমাজৰ সভানেত্ৰী ড° লীনা ডেকা, উপ-সভাপতি ড° বিনয় কুমাৰ মজুমদাৰ, কবি হীৰেন্দ্ৰ শৰ্মা, মানসজ্যোতি শৰ্মা, অজিত ৰাজবংশী, কল্পনা মিশ্ৰ, কাৰ্যনিৰ্বাহক সুনিল শৰ্মাৰ নেতৃত্বত আজি সমাজকৰ্মী সত্য নাৰায়ণ বাজাজ, আখটাৰ হুছেইন, অধ্যাপক মহানন্দ চক্ৰৱৰ্তী, অৱসৰী শিক্ষয়িত্ৰী ধৰিত্ৰী কাকতিক গামোচা, মানপত্ৰ, জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

শব্দ-ব্ৰহ্ম ঃ ১৮ এপ্ৰিল ২০২২



[illegible]

নামতিত পাঁচ জ্যেষ্ঠ লোকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
নামতি, ১৭ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ নিজৰ দিন উপলক্ষে পহিলা ব'হাগৰ দিনা পিয়লি ফুকন শাখা সাহিত্য সভাই নামতিত পাঁচজন সামাজিক আৰু সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়োৱা জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনায়। শাখাৰ সভানেত্ৰী দেৱযানী মহন্ত, সম্পাদিকা দেৱযানী দীক্ষিতা গগৈ, সহ-সম্পাদিকা অসমা টুঙখণ্ডীয়া আৰু শাখাৰ উপদেষ্টা মল্লিকা বেগমে পুৱাই আৰম্ভ কৰা কাৰ্যসূচীত পৰম্পৰাগত প্ৰথা অনুসৰি বয়োজ্যেষ্ঠ ব্যক্তিক সেৱা জনাই বিহুৱান আৰু গ্ৰন্থৰ টোপোলা আগবঢ়ায়। বৃহত্তৰ নামতি অঞ্চলৰ সাহিত্য-শিক্ষা-সমাজৰ বিভিন্ন হিতকৰ কৰ্মত সেৱা আগবঢ়োৱা বয়োজ্যেষ্ঠ ব্যক্তিসকল ক্ৰমে অৱসৰপ্ৰাপ্ত প্ৰবক্তা মোহিনী কুমাৰ মহন্ত, শিক্ষাবিদ চেনিৰাম বৰগোহাঁই, শিক্ষাবিদ পূৰ্ণানন্দ ফুকন, শিক্ষাবিদ হাচান আলী আৰু শিক্ষাবিদ ভুৱন গগৈক বিহুৰ ওলগ আৰু শুভেচ্ছা জনোৱা হয়। উল্লেখ্য যে বয়োজ্যেষ্ঠ ব্যক্তিসকলে অসম সাহিত্য সভাৰ এই পদক্ষেপক আদৰণি জনোৱাৰ লগতে ভৱিষ্যতেও এনে ধৰণৰ কৰ্ম আঁচনি হাতত ল'বলৈ আহ্বান জনায়।

সাহিত্য সভাৰ নিজৰ দিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
অভয়াপুৰী, ১৬ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ নিৰ্দেশমতে নিজৰ দিন উপলক্ষে অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাই পহিলা ব'হাগৰ দিনা অভয়াপুৰী অঞ্চলৰ তিনিগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে দেৱলা মজুমদাৰ, ভৱেশ্বৰ ৰায় আৰু ভৱেশ্বৰ ৰায়ক ফুলাম গামোচা আৰু অসম সাহিত্য সভাৰ পৰা ওলগনি পত্ৰ প্ৰদান কৰে। অভয়াপুৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি উপেন বৰুৱা, উপ-সভাপতি পুলক দাস, কোষাধ্যক্ষ ধনঞ্জয় অধিকাৰী, সদস ছিৰখাত হুচেইন, সহকাৰী সম্পাদক আকবৰ হুচেইন, চন্দন নাথে। ইপিনে, উত্তৰ শালমাৰা স্বৰ্ণ শাখা সাহিত্য, সৃজনগ্ৰাম শতদল শাখা সাহিত্য সভাইয়ো অঞ্চলটোৰ কে'বাগৰাকী বয়োজ্যেষ্ঠ লোকৰ ঘৰত গৈ সম্বৰ্ধনা আৰু ওলগনি পত্ৰ প্ৰদানৰ কৰে।

কমাৰগাঁৰৰ তামুলীপথাৰত ৰঙালী বিহুৰ আয়োজন

খুমটাই, ১৭ এপ্ৰিল ঃ গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত তামুলীপথাৰত শ্ৰীমন্ত শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যায়ৰ খেলপথাৰত বৰুৱা তামুলীপথাৰ অৰুণোদয় সাংস্কৃতিক সমাজৰ সৌজন্যত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ২১, ২২ এপ্ৰিলৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ৫৪ সংখ্যক ৰঙালী বিহু অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, চিত্ৰাংকণ প্ৰতিযোগিতা, মুকলি বিহু প্ৰদৰ্শন, জেং বিহু, সৃজনশীল নৃত্য প্ৰতিযোগিতাৰ লগতে সদৌ অসম ভিত্তিত সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, আঠ ব'হাগত বঁটা বিতৰণী আৰু বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা সভা, জনপ্ৰিয় অভিনেত্ৰী বিউতি বাইলুং আৰু ৰিচা ছেত্ৰীৰ অভিনয় প্ৰদৰ্শন কৰা লগতে সাংস্কৃতিক সন্ধিয়া অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি চুতীয়া গীত পৰিবেশন কৰাৰ লগতে সন্ধিয়া আঠ বজাত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাই সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব। ইফালে, উক্ত সন্মিলনখনিৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলে ৯১০১৩৯৫০৩৩ আৰু ৬০০১৯৯২২৯৬ নম্বৰত যোগাযোগ কৰিবলৈ বিহু সন্মিলন উদ্‌যাপন সমিতিয়ে আহ্বান জনাইছে।

তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ ১৪ বিশিষ্ট লোকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
তালাপ, ১৭ এপ্ৰিল ঃ তিনিচুকীয়া জিলা সাংবাদিক সন্থাই পহিলা ব'হাগত জিলাখনত বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াই যোৱা ১৪ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা তথা বিহুৰ ওলগ জনায়। কাকপথাৰৰ বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি ডম্বৰুধৰ চুতীয়া আৰু কাকপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নবীন চেতিয়া, ডিগবৈৰ বিশিষ্ট নাট্যকাৰ তথা সাংস্কৃতিক কৰ্মী বিচিত্ৰ দাস, বিশিষ্টা লেখিকা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেৱতী কাকতি, তিনিচুকীয়াৰ সাংস্কৃতিক কৰ্মী, নাট্যকাৰ, অভিনেতা, পৰিচালক, অসম আন্দোলনৰ সক্ৰিয় নেতা, নাট সংগঠক, সূৰ্যমুখী নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা কালৰ পৰা জড়িত তথা অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰা সামাজিক, সাংস্কৃতিক কৰ্মী মাধৱ বৰঠাকুৰ, সাহিত্যিক, সমাজ সেৱিকা অলকানন্দা শ্ৰীকুমাৰী কাকতি, মাৰ্ঘেৰিটাৰ সমাজ সংগঠক পবিত্ৰ বৰগোহাঞি, বিশিষ্ট চিকিৎসক ডাঃ অতুল বৰা, ছৈখোৱাৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন, অৰ্কিড বিশেষজ্ঞ, কে'বাবিধো অৰ্কিডৰ আৱিষ্কাৰক, প্ৰকৃতি সংৰক্ষক তথা শিক্ষক ক্ষণজীৎ গগৈ, ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰি তিনিচুকীয়া জিলাৰ ভিতৰতে প্ৰথম স্থানত থিয় কৰিবলৈ সক্ষম হোৱা অধ্যক্ষ মিণুৰাণী বৰাক ফুলাম গামোছা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে শদিয়া প্ৰেছ ক্লাবৰ সম্বৰ্ধনা জনাবলগীয়া বিশিষ্ট ব্যক্তি আদিত্য বুঢ়াগোহাঁই (ঢোলৰ ওজা), প্ৰণতি গগৈ (কবি, গল্পকাৰ আৰু ঔপন্যাসিক)ক ২০ এপ্ৰিলত সম্বৰ্ধনা জনোৱা হ'ব। ডুমডুমাত জিলা সভাপতি অনুজ কলিতা, কোষাধ্যক্ষ দিনেশ গোয়েল, ডুমডুমাৰ সম্পাদক মনোজ বৰুৱা, তিনিচুকীয়াত জিলাৰ উপ-সভাপতি কমল তালুকদাৰ আৰু ন্যাসৰ সভাপতি ৰঞ্জিত দত্ত, প্ৰণৱ ফুকন, ডিগবৈত জিলা সহকাৰী সম্পাদক ৰমনী বুঢ়াগোহাঁই, ক্লাবৰ সভাপতি ৰাজু হাজৰিকা, সম্পাদক মনোৰঞ্জন দাস, কাকপথাৰত জিলা সহকাৰী সম্পাদক ৰাতুল কলিতা, সভাপতি বিজয় দত্ত, মাৰ্ঘেৰিটাত জিলা সম্পাদক ৰাণাজ্যোতি নেওগ, উপদেষ্টা ৰামপ্ৰসাদ আম্বেদকাৰ, সভাপতি পাৰ্থপ্ৰতীম গোস্বামী, জিলা কাৰ্যনিৰ্বাহক মানসপ্ৰতীম গগৈ, ছৈখোৱাত সভাপতি শান্তনু গোস্বামী, খগেন মৰাণ, শংকৰ সোণোৱাল, নৱজ্যোতি মৰাণ, ঋতুপৰ্ণ সোণোৱালৰ নেতৃত্বত উক্ত অঞ্চলৰ সকলো বিষয়ববীয়াই কাৰ্যসূচী সফল ৰূপায়ণত অংশগ্ৰহণ কৰে।

নিজ১ দিনত ১ণ্দিয়া সাহিত্য সভা১ ব্যতিক্ৰমী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
১ঙিয়া, ১৭ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ আহ্বান মৰ্মে সাহিত্য সভাৰ বিভিন্ন শাখাৰ লগতে ৰঙিয়া আলোচনী সভা আৰু ৰণ্দিয়া সাহিত্য সভাৰ তৰফৰ পৰা বিভিন্ন কাৰ্যসূচীৰে পহিলা ব'হাগৰ দিনটো নিজৰ দিনৰূপে পালন কৰে। এই দিৱসৰ লগত সংগতি ৰাখি ৰঙিয়া আলোচনী সভাই ৰঙিয়াৰ ১৬ গৰাকী বয়োজ্যেষ্ঠ তথা বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিক ফুলাম গামোচা আৰু ওলগনি পত্ৰ প্ৰদান কৰাৰ লগতে সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে। ইপিনে, ৰঙিয়াৰ 'ৰণ্দিয়া সাহিত্য সভাই' প্ৰতি মাহে অনুষ্ঠিত কৰা 'মাহটোৰ বিশিষ্ট অতিথিৰ লগত অন্তৰংগ অনুষ্ঠান' আৰু অসম সাহিত্য সভাৰ কাৰ্যসূচী 'নিজৰ দিন' এইবাৰ ৰঙালী বিহুৰ লগত সংগতি ৰাখি পহিলা ব'হাগৰ দিনা ৰঙিয়াৰ ঐতিহাসিক ৰঙিয়া ৰাইজমেল কৃষক ছহিদ ভৱনত উদ্‌যাপন কৰে। প্ৰতিষ্ঠা বৰ্ষতে অসম সাহিত্য সভাৰ দ্বাৰা ক্ৰমে স্বৰ্ণ শাখা আৰু শতদল শাখাৰ মৰ্যাদা প্ৰাপ্ত 'ৰণ্দিয়া সাহিত্য সভা'ই প্ৰতি মাহতে বিশিষ্ট অতিথিৰ লগত অন্তৰংগ অনুষ্ঠান পাতি আহিছে। আৰু এই মাহৰ বিশিষ্ট অতিথিৰূপে আছিল বৃহত্তৰ ৰঙিয়াৰ আঠজন সমাজহিতৈশী ব্যক্তি। ৰণ্দিয়া সাহিত্য সভাৰ সম্পাদক হেমন্ত কলিতাই আঁত ধৰা অনুষ্ঠানটিত আৰম্ভণিতে সাহিত্য সভাৰ 'নিজৰ দিন'ৰ লগত ৰজিতা খুৱাই আটাইকেইগৰাকী বিশিষ্ট অতিথিক 'ওলগনি পত্ৰ' আৰু বিহুৱানেৰে ওলগনি জনায়। সম্বৰ্ধিত ব্যক্তিসকল আছিল সৰ্বভাৰতীয় মুক্তিযুঁজাৰু সন্থাৰ সভাপতি কৃষ্ণ লহকৰ, অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা , বয়োজ্যেষ্ঠ সমাজ কৰ্মী হৰেন্দ্ৰ কুমাৰ ভূএগ, অৱসৰপ্ৰাপ্ত শিক্ষক কাশীনাথ শৰ্মা, অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ পৰা বিনাবেতনে অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষকদ্বয় ক্ৰমে মহেশ্বৰ বৰ্মন, ননীধৰ কলিতা, সমাজকৰ্মী মহেন্দ্ৰ শালৈ আৰু বিশিষ্ট চিত্ৰশিল্পী শম্ভু লাল। অন্তৰংগ অনুষ্ঠানটিত আটাইগৰাকী ব্যক্তিয়েই নিজৰ নিজৰ অভিজ্ঞতা আৰু পৰামৰ্শৰে মনোভাৱ ব্যক্ত কৰে। বক্তব্য প্ৰসংগত তেওঁলোকে জাতীয় জীৱনত মাতৃভাষাই প্ৰথম আৰু সৰ্বত্ৰে ইয়াৰ ব্যৱহাৰ প্ৰথমে হ'বই লাগিব বুলি দৃঢ়তা প্ৰকাশ কৰে। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ বহুতো কৰণীয় আছে বুলি তেওঁলোকে মত প্ৰকাশ কৰে। সাহিত্য সভাই সাহিত্য সৃষ্টিৰ সমান্তৰালভাৱে অসমীয়া সমাজ জীৱনৰ প্ৰতিটো দিশত সুপৰিকল্পিতভাৱে জাতিটোৰ বাবে কাম কৰাৰ বাবে আগুৱাই আহিবলৈ বিশিষ্ট ব্যক্তিসকলে আহ্বান জনায়। অনুষ্ঠানত সমাজকৰ্মী অভিজিত দাস, জ্যোতিষ কলিতা, অধ্যাপক ভৱ শৰ্মা, শিক্ষক ৰাজেন কলিতা, ক্ৰীড়া সংগঠক বীৰেণ কলিতা, ডম্বৰু কলিতা, যাদৱ কলিতা, নাৰায়ণ কলিতা, দিপক কলিতা, বিষ্ণু ডেকা, দ্বীপেন কলিতা, নিপন ভূএগ, জয়ন্তজিত কলিতা, পংকজ শৰ্মা, উজ্জ্বল ডেকা, বিপুল তালুকদাৰ, পংকজ পল্লৱ শৰ্মা, বিপুল কাকতি, হিৰেণ কলিতা, প্ৰণৱ কলিতা, মজফৰ হুছেইন, বিমলা দেৱী, সুৰভি লহকৰ, সবিতা বৰ্মন, উৰ্মিলা দাস, জোনমণি কলিতা, অঞ্জুমণি কলিতা, ৰীণা ডেকা, বিউটি দাস, বিজুমণি মহন্ত, নন্দিতা কলিতা, লীনা মজুমদাৰ, মোস্তাফা আহমেদ, বিপুল কলিতা, হিৰকজ্যোতি কলিতা, ৰণ্দিয়া সাহিত্য সভাৰ আজীৱন সভ্যসকল আৰু ৰঙিয়াৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত বহুকেইগৰাকী নতুন সভ্যক সাহিত্য সভাৰ আজীৱন সভ্যৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

জলপ্ৰপাতত জলকেলি কৰি দুই যুৱকৰ

এক পৃষ্ঠাৰ পৰা কৰি যুৱক তিনিজনে পানীত জলকেলি কৰি থকা অৱস্থাত হঠাৎ দুজন যুৱক সন্ধানহীন হৈ পৰে। যুৱক দুজন সন্ধানহীন হোৱাত লগৰ কেইজনে হুলস্থুল কৰাত সমীপতে থকা স্থানীয় লোকে ঘটনাস্থলীত উপস্থিত হৈ নগাঁও ঢাকাইপট্টীৰ ছাজাদুল হক (২৪) নামৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীসহ সোণাৰিবালিৰ অগ্নি নিৰ্বাপক বাহিনীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ ৰাইজৰ সহযোগত উদ্ধাৰ অভিযান চলাই ৰাজ বৰা (২৪) নামৰ আনজন সন্ধানহীন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

আৰ্থিক দুৰৱস্থা সহিব নোৱাৰি

এক পৃষ্ঠাৰ পৰা হাতত গতাই দিয়ে।

ইফালে, আজি হোজাইৰ শিঙাৰীবস্তিত এজন লোকে আত্মহত্যা কৰে। নিজ ঘৰত চিপ লৈ আত্মহত্যা কৰা লোকজন কাৰ্তিক দেৱনাথ বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। মৃত লোকজন এজন অট'চালক আছিল। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। লোকজনে আৰ্থিক দুৰৱস্থাৰ বাবেই আত্মহত্যাৰ কৰা বুলি স্থানীয় লোকে সন্দেহ কৰিছে।

জেএমবিক উৎখাতৰ দাবীৰ পাছতে

এক পৃষ্ঠাৰ পৰা বাংলাদেশী নাগৰিকসহ ১১ জন লোক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে জামাতুল মুজাহিদীন বাংলাদেশ (জেএমবি) নামৰ বাংলাদেশতে মূল ঘাটি থকা আন এটি জেহাদী সংগঠনেও বৰপেটাত ঘাটি স্থাপন কৰিছিল। সেই সংগঠনটোৰ পুলি পোখা জিলাখনৰ পৰা উৎখাত কৰা বুলি আৰক্ষীসহ অন্যান্য নিৰাপত্তা সংস্থাসমূহে দাবী কৰি আহিছে। তেনে ক্ষেত্ৰত বৰপেটাতেই আন এটা সংগঠনে জেহাদী সংগঠনে ঘাটি গঢ়ি তুলিবলৈ তৎপৰ হোৱাটো লক্ষ্যণীয়। এই সন্দৰ্ভত ধৃত কে'বাজনো অভিযুক্তই তদন্তকাৰী দলৰ আগত সদৰী কৰে যে জেএমবিক উৎখাতৰ পাছত জিলাখনৰ প্ৰতি নিৰাপত্তা বাহিনীসমূহৰ দৃষ্টি পূৰ্বৰ তুলনাত শিথিল হয়। তাৰে সুযোগ লৈ অল কায়দা ইন ইণ্ডিয়ান ছাব কণ্টিনেণ্টে সাংগঠনিক কাম-কাজ আৰম্ভ কৰে। জেএমবিৰ দুৰ্বলতাবোৰ আঁতৰাই কাম কৰাৰ বাবে এই সংগঠনটোৱে ইতিমধ্যে জিলাখনৰ বহু লোকক স্পৰ্শ কৰাৰ তথ্য ধৃত লোককেইজনে দিছে। লক্ষ্যণীয়ভাৱে বৰপেটা জিলাত জেহাদ সম্পৰ্কত সাংগঠনিক কাম কৰাত যথেষ্ট সুযোগ আছে বুলিও কে'বাজনো অভিযুক্তই আৰক্ষীক জনাইছে। অৱশ্যে ইয়াৰ কাৰণ সন্দৰ্ভত কোনো স্পষ্ট তথ্য দিব পৰা নাই বুলি তদন্তকাৰী আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ইপিনে, জেহাদত চামিলৰ বিনিময়ত নানা ধৰণৰ প্ৰলোভনো অলকায়দা ইন ইণ্ডিয়ান ছাব কণ্টিনেণ্টে দিছে। যোৱা পাঁচ মাৰ্চত গ্ৰেপ্তাৰ কৰা সুমন ওৰফে চাইফুল ইছলাম ওৰফে হাৰুন ৰছিদ নামৰ অবৈধ বাংলাদেশী তথা অলকায়দা ইন ইণ্ডিয়ান ছাব কণ্টিনেণ্টৰ অন্যতম সদস্যজনে তেনে প্ৰলোভন দিয়াৰ তথ্য সদৰী কৰে প্ৰতিজন ধৃত লোকে। জেহাদত চামিল হ'লে নিজৰ লগতে পৰিয়ালেও আৰ্থিকভাৱে সহযোগিতা লাভ কৰা, নতুন কোনো লোকক জেহাদত চামিল কৰাৰ পুৰস্কাৰ দিয়া আদি প্ৰলোভন সুমনে দিছিল; কিন্তু এই প্ৰলোভনৰ উপৰি ধৰ্মীয় দিশটোত অন্যতম গুৰুত্ব দিছিল সুমনে। ধৰ্মৰ নামত একপ্ৰকাৰ ভীতি প্ৰদৰ্শন কৰিও একাংশ লোকক সুমনে জেহাদত চামিল কৰাৰ তথ্য সদৰী কৰিছে ধৃত লোকসকলে।

আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৪ ব'হাগ সোমবাৰ ১৮ এপ্ৰিল

সূৰ্যোদয় ঃ ঘঃ ৫।০।৫৮, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪২।১০। **তিথি ঃ** কৃষ্ণা দ্বিতীয়া, দং ৪০।১৪।৪৩ ৰাঘঃ ৯।৬।৫১। **নক্ষত্ৰ ঃ** স্বাতী, দং ৪।৩৭।১ প্ৰাতঃঘঃ ৬।৫১।৪৬। **যোগ ঃ** অসৃক, দং ৪৩।১।৫৪ ৰাঘঃ ১০।১৩।৪৪। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** তুলাৰাশি বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাগণ, মহিষৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ বিংশোত্তৰী ৰাহুৰ দশা, প্ৰাতঃঘঃ ৬।৫১।৪৬ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী বৃহস্পতিবাৰ দশা, ৰাঘঃ ১১।৫৭।১৭ যোৱাত বৃশ্চিক ৰাশি, বিপ্ৰবৰ্ণ। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষঃ** এপদ, প্ৰাতঃঘঃ ৬।৫১।৪৬ যোৱাত ত্ৰিপদ, ৰাঘঃ ৯।৬।৫১ যোৱাত দ্বিপদ। **যোগিনী ঃ** উত্তৰত, ৰাঘঃ ৯।৬।৫১ যোৱাতঅগ্নিযোগত। **যাত্ৰা ঃ** নাই, পাপযোগ, দোষ, ৰাঘঃ ১০।১৩।৪৪ যোৱাতনাই, ব্যতীপাত যোগ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** তিতাভেকুৰী, ৰাঘঃ ৯।৬।৫১ যোৱাত পটল খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ শুভ কাম সম্পন্ন হ'ব, পিছবেলা ভ্ৰমণ কৰিব, ৰঙা বস্তু দান কৰক, ব্যয় বৃদ্ধি, শৰীৰ মাধ্যম। শুভ ৰং বগা। শুভ সংখ্যা ৯।
বৃষ ঃ কৰ্মচিন্তা উন্নত, মূল্যবান সম্পদ লাভ, বিদ্যাত শুভ, ভ্ৰমণৰ যুগ, শুভ ৰং সোণালী। শুভ সংখ্যা ৩।
মিথুন ঃ বিদ্যাত শুভ। বন্ধুৰ পৰা উৎসাহ পাব, অৰ্থ নাশ। সামাজিক কামত ব্যস্ততা বৃদ্ধি, শুভ ৰং সোণালী। শুভ সংখ্যা ৮।
কৰ্কট ঃ পৰিশ্ৰমৰ উপযুক্ত মৰ্যাদা পাব। বন্ধুবৰ্গৰ পৰা সাৱধান হওক। শৰীৰ কিছু যত্ন লওক, নতুন কৰ্ম সংস্থাপন, শুভ ৰং নীলা। শুভ সংখ্যা ৫।
সিংহ ঃ ভ্ৰমণত বাধা, আশাবাদী মন, কৰ্মত উন্নতি, ভ্ৰমণত সতৰ্ক হওক আৰ্থিকত, শুভ ৰং পাতল নীলা। শুভ সংখ্যা ৭।
কন্যা ঃ কৰ্মত উন্নত, বিদ্যা বুদ্ধিত শুভ, পূব দিশৰ পৰা ভ্ৰমণ কৰক। খৰচ বৃদ্ধি, শুভ সংবাদ আনন্দিত কৰিব। শুভ সংখ্যা ৪। শুভ ৰং বগা।
তুলা ঃ কৰ্মযোগ্যতা বৃদ্ধি বুদ্ধিত উন্নতি, সন্মান বৃদ্ধি গোপন শত্ৰু বৃদ্ধি, খৰচ বৃদ্ধি, শুভ ৰং মেৰুণ। শুভ সংখ্যা ৯।
বৃশ্চিক ঃ মানসিক শান্তি বজাই ৰাখক, সন্মান বৃদ্ধি, ভ্ৰমণত মাধ্যম, নতুন কৰ্মসংস্থাপনৰ, শিৱ মন্ত্ৰ স্মৰণ কৰক। শুভ ৰং পাতল গোলপীয়া। শুভ সংখ্যা ১।
ধনু ঃ পাৰিবাৰীক শান্তি, অৰ্থ লাভ, ভ্ৰমণত মাধ্যম, দুষ্ট লোকৰ পৰা সাৱধানে চলক, তুলসীৰ গুড়িত পানী দিয়ক। শুভ ৰং নীলা। শুভ সংখ্যা ৪।
মকৰ ঃ সামাজিক দিশত নিষ্ঠা আৰু সততা বৃদ্ধি, ধৈয্যৰ প্ৰয়োজন, শিল্পী সাহিত্যিকৰ সন্মান বৃদ্ধি, কৰ্মত মাধ্যম, শুভ ৰং ৰঙা। শুভ সংখ্যা ৫।
কুম্ভ ঃ কৰ্মত উন্নতি, সন্তানক লৈ চিন্তা বৃদ্ধি, আয়বৃদ্ধি, পৰিৱেশ অনুকূল, ভ্ৰমণত শুভ, শুভ ৰং আকাশী নীলা। শুভ সংখ্যা ৪।
মীন ঃ আয়-ব্যয় সমতা ৰক্ষা কৰক, সন্মান বৃদ্ধি, যানবাহন ক্ৰয় কৰিব পাৰিব। কৰ্মন্নোতিৰ যুগ। শুভ ৰং সোণালী। শুভ সংখ্যা ৫।

প্ৰতীকাত্মক দখলী জাননী

ICICI Bank
শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮এ, এজেচি বসু ৰোড কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icicibank.com

যিহেতু

নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটিজেছন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্ৰদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমুদায় ঋণ আদায় কৰে।
যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমুদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৱৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্ৰদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্ৰতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

ক্ৰ নং	ঋণ লওঁতাৰ নাম/লোণ একাউণ্ট নং	সম্পত্তিৰ বিৱৰণ আৰু প্ৰতীকাত্মক দখলৰ তাৰিখ	ডিমাণ্ড জাননীৰ তাৰিখ আৰু টকাৰ পৰিমাণ	শাখাৰ নাম
১	চৰিতা শৰ্মা/অনুৰাগ শৰ্মা/জি এন বি ৰোড, চৰিতা ৰেষ্টুৰেন্ট, শিলপুখুৰী, কামৰূপ মেট্ৰ, গুৱাহাটী অসম-৭৮১০০৩ LBGUW00005313469, LBGUW00004046154	দাগ নং-৬৯৭, কে.পি. পট্টা নং-৩৯৩, ৰাজহ গাঁও/চহৰ-শৰণীয়া, খণ্ড-১, মৌজা-উলুবাৰী, এছ আৰ অ', জিলা-কামৰূপ (ম), গুৱাহাটী, অসম। দোকানৰ মুঠ এলেকা-৭০৮ বৰ্গফুট আৰু ১.৬৪ লেচা ভূমি মহলাৰ মাটিৰ কাৰ্পেট অঞ্চলৰ সমানুপাতিক অংশ। প্ৰতীকাত্মক দখলৰ তাৰিখ-১২-০৪-২০২২	২৮-১২-২০২১ ৪৩,০৬,৬৭২/- টকা	অসম

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্ৰী কৰা হ'ব।

তাৰিখ ঃ ১৮ এপ্ৰিল, ২০২২
স্থান ঃ অসম

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৮ এপ্ৰিল, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

অগ্ৰদূতৰ কাৰ্যালয়ত 'নিজৰ দিন' পালন

ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১৭ এপ্ৰিল ঃ বিশিষ্ট ব্যক্তিসকলৰ অংশগ্ৰহণেৰে পহিলা ব'হাগৰ পুৱা ১১ বজাত অগ্ৰদূতৰ সভাঘৰত অসম সাহিত্য সভাৰ 'নিজৰ দিন' পালন কৰা হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট নিবন্ধকাৰ, চিত্ৰনিৰ্মাতা ড° সঞ্জীৱ সভাপণ্ডিতে। ড° গীতা দত্ত চহৰীয়াই আঁত ধৰা আলোচনাত অংশগ্ৰহণ কৰি শিক্ষাবিদ, সাহিত্যিক ড° দয়ানন্দ পাঠকে বিহু উৎসৱৰ সমানে অসমবাসীয়ে কৰ্ম সংস্কৃতি গঢ়াতো গুৰুত্ব দিব লাগে বুলি কয়। প্ৰবীণ সাহিত্যিক ড° আনন্দ বৰমুদৈয়ে বিহুৰ স'তে জড়িত উৎসৱৰ কাৰ্যসূচীক ইতিবাচক ছয় পৃষ্ঠাত চাওক

নাজিৰাত নিৰীহক লকআপত মাৰপিট ঃ সাংবাদিককো দুৰ্ব্যৱহাৰ

অগ্ৰদূত বাৰ্তা
নাজিৰা, ১৭ এপ্ৰিল ঃ নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত কপহুৱা অঞ্চলৰ ৰত্না চেতিয়া নামৰ এগৰাকী বোৱাৰী স্বামী গৃহত নিৰ্যাতনৰ বলি হৈ যোৱা ১৩ ফেব্ৰুৱাৰীত সমগ্ৰ ঘটনা বিৱৰি নাজিৰা আদৰ্শ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। কিন্তু ৰহস্যজনকভাৱে এজাহাৰ দাখিল কৰাৰ দুটা মাহ উকলি যোৱাৰ পাছতো নাজিৰা ছয় পৃষ্ঠাত চাওক

নগালেণ্ডৰ কয়লাৰ পানীয়ে দিখৌৰ বুকু প্ৰদূষিত কৰাৰ সন্দেহ

হঠাতে দিখৌ নৈৰ পানীৰ বৰণ সলনি

কুইন্টলে কুইন্টলে ওপঙি উঠা মাছ ধৰিবলৈ দিখৌত জনতাৰ সোঁত ঃ দিখৌৰ উগ্ৰ গাঢ় নীলা জলৰাশিক লৈ নৈ পৰীয়া ৰাইজৰ মাজত আতংক

বিশেষ সংবাদদাতা
শিৱসাগৰ,১৭ এপ্ৰিল ঃ বিগত এটা পযেক ধৰি অব্যাহত থকা বৰষুণৰ মাজতেই এইবাৰ এক অস্বাভাৱিক পৰিৱৰ্তন দিখৌ নদীত পৰিলক্ষিত হৈছে। সাধাৰণ ৰাইজক সম্প্ৰতি দিখৌ নদীৰ জলৰাশিৰ এই অস্বাভাৱিক পৰিৱৰ্তনে কৌতূহলতাৰ লগতে আতংকৰ সৃষ্টি কৰিছে। বিশেষকৈ মাত্ৰ ২৪ ঘন্টাৰ পূৰ্বে দিখৌ নদীত অস্বাভাৱিক গতিত ঘোলা পানী অহাৰ লগতে ভয়ংকৰ ৰূপত ওপঙি উঠিছিল থলুৱা প্ৰজাতিৰ প্ৰকাণ্ড প্ৰকাণ্ড মাছসমূহ। কালি নিচেই পুৱা প্ৰায় চাৰি বজাৰ পৰাই দিখৌ নদীত ঘোলা পানীৰ সমানে ওপঙি উঠিছিল হেজাৰ হেজাৰ কুইন্টল থলুৱা মাছ। হঠাতে ওপঙি উঠা প্ৰকাণ্ড প্ৰকাণ্ড বিঠা, বৰালি, আৰি, বাহু, পিঠিয়া মাছ ধৰিবলৈ দিখৌ নদীত জনতাৰ ভিৰ লাগে। গৰু বিহুৰ পুৱাৰ পৰা মানুহ বিহুৰ দুপৰীয়া লৈকে দিখৌ নদীত অহা ছাই বৰণীয়া ঘোলা পানীত থলুৱা মাছ ওপঙি উঠাৰ ঘটনা অব্যাহত থাকে। দিখৌ নদীৰ উৎপত্তি স্থলৰ সমীপত ব্যাপক হাৰত কয়লাৰ খনন আৰু মজুতকৰণ চলি আছে। নদীৰ গৰাৰ কাষত লাখ লাখ টন কয়লা জমা কৰি থোৱা আছে। ফলত বাৰিষাৰ সময়ত বৰষুণৰ পানীৰ স'তে কয়লাৰ পৰা নিগৰিত পানী একাকাৰ হৈ নদীত বিষক্ৰিয়া ঘটিয়েই এনেদৰে থলুৱা মাছ ওপঙি উঠা বুলি ছয় পৃষ্ঠাত চাওক

শিৱসাগৰত জব্দকৃত চোৰাং লোহা গোপনে ডেম্পত বিক্ৰী আৰক্ষীৰ

বিশেষ সংবাদদাতা
শিৱসাগৰ, ১৭ এপ্ৰিল ঃ যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো চৰকাৰী বিভাগত দালাল ৰাজৰ ওৰ পেলাই এখন সুস্থ আৰু এখন নিকা সমাজ গঢ়াৰ পণ লৈছে ঠিক সেই সময়তে একাংশ চৰকাৰী বিষয়াই নিজৰ মইমতালি অটুট ৰাখিছে। বিহুৰ বতৰতে বিহুৰ খা-খৰচ উলিওৱাৰ লগতে এক ৰমৰমীয়া ব্যৱসায়ত জড়িত হৈ পৰাৰ অভিযোগ উঠিছে একাংশ বিষয়াৰ বিৰুদ্ধে। উল্লেখ্য যে আৰক্ষীয়ে কিছুদিন পূৰ্বে অভিযান চলাই জব্দ কৰা বৃহৎ পৰিমাণৰ লোহা জয়সাগৰ আৰক্ষী চকীৰ চৌহদত ৰখা হৈছিল। পিছে চৰাইয়ে কুটা কঢ়িওৱাৰ দৰে অলপ অলপ কৰি জয়সাগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই গোপনে বিক্ৰী কৰাৰ অভিযোগক লৈ এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। শিৱসাগৰ সদৰ থানাৰ অন্তৰ্গত জয়সাগৰ আৰক্ষী চকীত এই ভয়ংকৰ ঘটনা সংঘটিত হৈছে। আৰক্ষী চকী খনৰ ভাৰপ্ৰাপ্ত বিষয়া মনোৰঞ্জন ৰাজখোৱাই কে'বা লক্ষাধিক টকাৰ লোহা গোপনে ৰাখি চকীৰ চৌহদৰ পৰা ছয় পৃষ্ঠাত চাওক

সমাজকৰ্মী লক্ষীকান্ত দাসৰ পৰলোক

অগ্ৰদূত বাৰ্তা
বেৰেজীয়া, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ সমীপৰ বালিসৰা গাঁৱৰ নিবাসী আৰক্ষী বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, সাংস্কৃতিক কৰ্মী লক্ষীকান্ত দাস (৭১)ৰ আজি নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিনৰে পৰা বৃক্ক আৰু মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা প্ৰবীণ গায়ক তথা অভিনেতাজনে মৃত্যুৰ সময়ত পত্নী, তিনিজন পুত্ৰৰ লগতে বহু গুণমুগ্ধক ইহ-সংসাৰত এৰি যায়। তেওঁৰ বিয়োগত ডিমৌ ৰাস মহোৎসৱ সমিতি, বালিসৰা নামঘৰ উন্নয়ন সমিতি, পূৱ শালমৰা চিদানন্দ পুথিভঁৰাল সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাস, স্থানীয় সমাজকৰ্মী দিগন্ত পাটৰ, বিনয় বৈৰাগী, নাৰায়ণ পাটৰ, ৰঞ্জিত ডেকা, ধ্ৰুৱকুমাৰ ৰাজা আদিয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

সামাজিক মাধ্যমত বিধায়ক-ৰঙালী বিহু সন্দৰ্ভত আপত্তিজনক মন্তব্য

বৰপথাৰত ৰঙাঘৰৰ আলহী হ'ল জাতীয় পৰিষদৰ সদস্য



বৰপথাৰ, ১৭ এপ্ৰিল ঃ সামাজিক মাধ্যমযোগে অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ লগতে নাৰী জাতি আৰু বিধায়কক সাঙুৰি অশ্লীল মন্তব্য কৰি বৰপথাৰত ৰঙাঘৰৰ আলহী হ'ল জাতীয় পৰিষদৰ সদস্য। উল্লেখ্য যে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ আমন্ত্ৰণ ক্ৰমে ব'হাগৰ প্ৰথম দিনটোতে বিধায়কজনৰ বৰপথাৰৰ চাংপুলস্থিত বাসগৃহত সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হুঁচৰি দলসমূহে হুঁচৰি প্ৰদৰ্শন কৰে। আনহাতে, বিধায়কজনৰ বাসগৃহত এনেদৰে হুঁচৰি দলসমূহে হুঁচৰি প্ৰদৰ্শন কৰাৰ সমান্তৰালকৈ জনগোষ্ঠীয় কৃষ্টি দলসমূহেও নিজা নিজা কৃষ্টি প্ৰদৰ্শন কৰে। ফলত বিধায়কজনৰ বাসগৃহত জনসমাগমৰ সৃষ্টি হৈ জাতি-জনগোষ্ঠীৰ মিলনভূমিলৈ পৰিণত হয়। বিধায়ক ফুকনৰ বাসগৃহত এনেদৰে বিহু উদ্‌যাপন কৰাৰ বাবেই খৰ্গহস্ত হৈ পৰে ৰমেন গগৈ নামৰ জাতীয় পৰিষদৰ সদস্যজন। স্মৰ্তব্য যে বিগত বিধানসভা নিৰ্বাচনত সৰুপথাৰ সমষ্টিৰ জাতীয় পৰিষদৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰা ৰাজু ফুকনৰ অতি ঘনিষ্ঠ ৰমেন গগৈ। বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত যোৰহটীয়া গাঁৱৰ ৰমেনে শালীনতাৰ সীমা চেৰাই সামাজিক মাধ্যম ফেচবুকত বিধায়ক ফুকনক সাঙুৰি বাপতি সাহোন ছয় পৃষ্ঠাত চাওক

মাহেকীয়া বাতৰি 'স্পষ্টবাদ অসম' উন্মোচন

অগ্ৰদূত বাৰ্তা
শুৱালকুছি, ১৭ এপ্ৰিল ঃ বস্ত্ৰ নগৰী শুৱালকুছিৰ পৰা দিপু গোপী আৰ দাসৰ সম্পাদনাত 'স্পষ্টবাদ অসম' নামেৰে মাহেকীয়া বাতৰি এখন আজি আত্মপ্ৰকাশ কৰে। ইশ্বৰ শ্ৰীশ্ৰী হাটী সত্ৰত এক অনুষ্ঠানত বাতৰি কাকতখন উন্মোচন কৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধুসূদন মেধিয়ে। কাকতখন উন্মোচন কৰি তেওঁ কয় যে এখন কাকতে জাতিৰ জাতীয় দায়িত্ব পালন কৰে। ছয় পৃষ্ঠাত চাওক

গোৱালপাৰা পথ মেৰামতিৰ নামত অনিয়ম

৯০ দিনৰ কাম ১৫ মাহতো সম্পূৰ্ণ নহ'ল

অগ্ৰদূত বাৰ্তা
মাটিয়া, ১৭ এপ্ৰিল ঃ লোক নিৰ্মাণ বিভাগৰ পথ নিৰ্মাণৰ নামত গোৱালপাৰা জিলাত বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত জয়ন্তী কনষ্ট্ৰাক্টৰছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেড নামৰ ঠিকাদাৰ গোষ্ঠীয়ে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ দুধনৈ আৰু গোৱালপাৰা পূব ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা অজিত কুমাৰ নাথৰ নীৰৱ ভূমিকাৰ বাবেই ঠিকাদাৰ গোষ্ঠীটোৱে সীমাহীন দুৰ্নীতিত লিপ্ত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

উল্লেখ্য যে বিভাগীয় শীৰ্ষ মহলৰ ঘনিষ্ঠ বুলি জনাজাত জয়ন্তী কনষ্ট্ৰাক্টৰছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেড নামৰ ঠিকাদাৰ গোষ্ঠীয়ে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত প্ৰায় ২০টা পথ নিৰ্মাণৰ দায়িত্ব লাভ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত বেছিভাগ ক্ষেত্ৰতেই অতি লেহেমীয়া গতিৰে নিম্নমানৰ কাম কৰা বুলি নাম প্ৰকাশত অনিচ্ছুক বিভাগীয় সূত্ৰ এটিয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ঠিকাদাৰ গোষ্ঠীয়ে কৰা কে'বাটাও পথ নিৰ্মাণৰত অৱস্থাতে ছিৰাল ফাঁট মেলাৰ তথ্য ইতিমধ্যে পোহৰলৈ আহিছে। শেহতীয়াভাৱে ছয় পৃষ্ঠাত চাওক

নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সভাৰ অধিবেশনত হাইদৰ হুছেইন

পূৰ্বে বৃদ্ধ হোৱাটো উৎসৱ আছিল

অগ্ৰদূত বাৰ্তা
বৰভাগ, ১৭ এপ্ৰিল ঃ 'বৰ্তমান সমাজ ব্যৱস্থা আৰু আগৰ সমাজ ব্যৱস্থাৰ মাজত বহুত পাৰ্থক্য বিচাৰি পোৱা যায়। সম্প্ৰতি আমাৰ সমাজ ব্যৱস্থা লাহে লাহে ভাঙি গৈছে। পূৰ্বে বৃদ্ধ হোৱাটো এটা উৎসৱ আছিল। এটা পৰিয়ালৰ লাইখুঁটা স্বৰূপ জ্যেষ্ঠজনৰ স'তে মুখামুখী হ'ব পৰাটো ভাগ্যৰ কথা।' এই মন্তব্য বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনৰ। আজি দক্ষিণ-পশ্চিম বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চ, কৰিয়াৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ছয় পৃষ্ঠাত চাওক

দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সংখ্যালঘু জলপানি লাভৰ পৰা বঞ্চিত

অগ্ৰদূত বাৰ্তা
হোজাই, ১৬ এপ্ৰিল ঃ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সংখ্যালঘু শিক্ষাৰ্থীক শিক্ষাৰ দিশত বিকাশৰ বাবে কোটি কোটি টকা মোকলাই দি আহিছে। শেহতীয়া শিক্ষাৰ্থীক উৎসাহিত কৰাৰ উদ্দেশ্যে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক কেন্দ্ৰীয় চৰকাৰে জলপানিৰ ব্যৱস্থা কৰিছে। বিগত কে'বা বৰ্ষৰ পৰা ডাইচ ক'উপ্ৰাপ্ত প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ লাভ কৰি আহিছিল জলপানিৰ ধন। পোনপটীয়াকৈ এই ধন লাভ কৰাত ছাত্ৰ-ছাত্ৰীৰ লগতে দৰিদ্ৰ অভিভাৱকে আৰ্থিক দিশত কিছু সকাহ লাভ কৰিছিল। সমান্তৰালভাৱে একাংশ অসাধু লোকে ছাত্ৰ বৃত্তিৰ দায়িত্বৰত জিলা নডেল বিষয়া আৰু প্ৰধান শিক্ষকৰ স'তে মিলি কমিছনৰ বুজাবুজিৰে এই ধন আত্মসাৎ কৰি আহিছে। ফলত প্ৰতিবাৰেই সংখ্যালঘু জলপানি দিয়াৰ নামত সংঘটিত হয় ব্যাপক দুৰ্নীতি আৰু অনিয়ম। এইবাৰো এনে ঘটনা সংঘটিত হৈছে। এইবাৰ ২০২১-২২ত বিভিন্ন অজুহাত আৰু জটিলতাৰ সৃষ্টি কৰি হোজাই জিলাৰ অধিকাংশ দৰিদ্ৰ সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰাৰ অভিযোগ উঠিছে। এক সূত্ৰমতে প্ৰায় বিশ হেজাৰ প্ৰকৃত ছাত্ৰ -ছাত্ৰী বঞ্চিত হৈছে এই বৃত্তি লাভৰ পৰা। তাৰ বিপৰীতে একাংশ ভুৱা ছাত্ৰ-ছাত্ৰীৰ একাউণ্টত সোমাইছে এই ধন। এই অভিযোগ সচেতন অভিভাৱকৰ। যাৰ ফলত প্ৰতিবাদমুখী হৈ পৰিছে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল। উল্লেখ্য যে নগাঁও জিলা সংমণ্ডল বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত প্ৰতিজন ছয় পৃষ্ঠাত চাওক

কাইলৈ বৰপেটা জিলা ভ্ৰমণলৈ ৰেল ৰাজ্যমন্ত্ৰী

বিশেষ সংবাদদাতা
বৰপেটা, ১৭ এপ্ৰিল ঃ কেন্দ্ৰীয় ৰেল ৰাজ্যমন্ত্ৰী ৰাওচাহেব দাদাৰাও ডানৱে অহা ১৯ এপ্ৰিলত বৰপেটা জিলা ভ্ৰমণলৈ আহিব। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি সেই দিনা পুৱা কয়লা আৰু খনি বিভাগৰো দায়িত্বত থকা কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীজনে বিমানযোগে নতুন দিল্লীৰ পৰা আহি গুৱাহাটীত উপস্থিত হোৱাৰ পাছতে কামাখ্যা ষ্টেছনৰ পৰা ৰেল গাড়ীৰে পোনে পোনে বৰপেটাৰোড ষ্টেছনলৈ আহিব। তাৰ পৰা তেওঁ বৰপেটালৈ অহাৰ বাটত খৈৰাবাৰী, হাউলী, দঙৰকুছি আদিত প্ৰাথমিক বিদ্যালয়, বাঁহ-বেতৰ উদ্যোগ, এলুমিনিয়াম উদ্যোগ, তামোল-পাতৰ উদ্যোগ আদিৰ উপৰি সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, পানী যোগান কেন্দ্ৰ, প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ ঘৰ, অংগনৱাড়ী কেন্দ্ৰ, কৃষি পাম আদি পৰিদৰ্শন কৰাৰ কথা। আবেলি তিনি বজাৰ পৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া এখন বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীজনে জিলাখনৰ সাংসদ, বিধায়ক আদিৰ উপৰি জ্যেষ্ঠ বিষয়াবৰ্গৰ স'তে আলোচনাত মিলিত হ'ব। আবেলি তেওঁ সাংবাদিকসকলৰ স'তেও বাৰ্তালাপ কৰাৰ কথা। ছয় পৃষ্ঠাত চাওক

চামগুৰিৰ আমলখিত অসংগঠিত শ্ৰমিক সজাগতা সভা পালন

অগ্ৰদূত বাৰ্তা
চামগুৰি, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ আমনিৰ আমলখিত কালি বিজেপিৰ প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি বিজেপি কলিয়াবৰ জিলাই অসংগঠিত শ্ৰমিক সজাগতা সভা এখন অনুষ্ঠিত কৰে। দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত উক্ত অনুষ্ঠানটোত শ্ৰমিকসকলৰ মাজত এক মত বিনিময় অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটোত চাহ জনগোষ্ঠী মৰ্চাৰ ৰাজ্যিক সম্পাদিকা পিংকী মিৰ্ধা তত্বাৱধায়ক হিচাপে উপস্থিত থাকে। চাহ জনগোষ্ঠী মৰ্চাৰ ৰাজ্যিক সম্পাদিকা পিংকী মিৰ্ধা উপস্থিত থাকি আমলখিৰ ছয় পৃষ্ঠাত চাওক

তেজপুৰত দুৰ্ঘটনাত পত্নীৰ মৃত্যু ঃ আহত স্বামী

ষ্টাফ ৰিপৰ্টাৰ
তেজপুৰ,১৭ এপ্ৰিলঃ তেজপুৰৰ পিঠাখোৱা চেন্টাৰত আজি পুৱা প্ৰায় ৯.৩০বজাত সংঘটিত এক শোকাৱহ দুৰ্ঘটনাত এগৰাকী নৱবিবাহিতা মহিলাৰ থিতাতে মৃত্যু হয়। তেজপুৰ বামপৰ্বতীয়াৰ বাঢ়ৈচুবুৰী নিবাসী নিৰঞ্জন লহকৰে তেওঁৰ পত্নী ৰশ্মি হাজৰিকা লহকৰক লৈ এএছ১২ টি-১২৪৭নম্বৰ মটৰ চাইকেলৰে শিঙৰী দেৱালয়লৈ গৈ থকা অৱস্থাত এএছ ১২ বিচি-৮৬১৬নম্বৰৰ ট্ৰাকখনে পাছফালৰ পৰা দুয়োকে মহটীয়াই নিয়ে। উল্লেখ্য যে যোৱা ২৫ নৱেম্বৰত দম্পতীহালৰ বিয়াৰ এবছৰ পূৰ্ণ হৈছিল। ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হোৱা প্ৰত্যক্ষ কৰা একাংশ লোকে সদৰী কৰা মতে, একেটা দিশৰ পৰাই অহা দ্ৰুতবেগী ট্ৰাকখনে ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত লহকৰ দম্পতী গৈ থকা মটৰ চাইকেলত নিয়ন্ত্ৰণহীন গতিত খুন্দা মৰাত মটৰ চাইকেলখনত বহি যোৱা বোৱাৰীগৰাকী পথৰ ওপৰতে পৰি যোৱাত মূৰৰ ওপৰৰে ট্ৰাকখন পাৰ হৈ যোৱাত ঘটনাস্থলীতে মৃত্যু হয়। আনহাতে, তেওঁৰ স্বামী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে দুৰ্ঘটনাস্থলীত লগে লগে স্থানীয় বহুসংখ্যক লোক সমবেত হৈ আহত লহকৰক উদ্ধাৰ কৰাৰ লগতে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয়। আহত লহকৰক টুমুকিৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰাৰ লগতে নিহত মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। ছয় পৃষ্ঠাত চাওক

প্ৰমোদ বড়োক প্ৰতাৰক আখ্যা শিক্ষক কল্যাণ সমিতিৰ

মুছলপুৰত আৰ্থিক দৈন্যৰ বাবে শিক্ষকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা
মুছলপুৰ, ১৭ এপ্ৰিল ঃ বাগ্‌সা জিলাৰ মুছলপুৰত চৰম আৰ্থিক দৈন্যত ভুগি শিৱপ্ৰসাদ নাথ নামৰ এজন প্ৰাথমিক বিদ্যালয়ৰ নিয়মীয়া শিক্ষকে বেতনবিহীন অৱস্থাত আত্মহত্যা কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰণিধানযোগ্য, বাগ্‌সা জিলাৰ বাস্কা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত শিৱপ্ৰসাদ নাথ নামৰ এইজন শিক্ষকে হতাশাত ভুগি যোৱা ১৩ এপ্ৰিলত চিপ লৈ আত্মহত্যা কৰিছিল। জিলাখনৰ সোণাপুৰ শিশু কল্যাণ প্ৰাথমিক বিদ্যালয়ত নিয়মীয়া শিক্ষক হিচাপে তেওঁ কৰ্মৰত হৈ আছিল। কিন্তু ১৯৯৯ত নিযুক্ত আন শিক্ষকৰ লগতে নাথক ২০০৯ত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি পৰিষদৰ শিক্ষা বিভাগে চাকৰিৰ ছয় পৃষ্ঠাত চাওক

সুকীয়া ৰাজ্যৰ দাবীত পুনৰ উত্তাল হ'ব ৰাজ্য

পৃথক ৰাজ্যৰ দাবী অসম ভৈয়াম জনজাতি পৰিষদৰ

অগ্ৰদূত বাৰ্তা
মুছলপুৰ, ১৭ এপ্ৰিল ঃ 'সুকীয়া ৰাজ্যৰ দাবীত পুনৰ উত্তাল হ'ব অসম। ডিভাইড অসম ফিফটি ফিফটিৰ পৰিৱৰ্তে ডিভাইড অসম থাৰ্টি ছেভেণ্টিক লৈ চলিব আন্দোলন। ইতিমধ্যে পৃথক উদয়াচল ৰাজ্য গঠনৰ দাবীৰে পুনৰ মূৰ দাঙি উঠিছে অসম ভৈয়াম জনজাতি পৰিষদ চমুকৈ পিটিচিএ।' আজি মুছলপুৰৰ বৰবৰীত এক সংবাদমেলত পৃথক উদয়াচল ৰাজ্যৰ দাবীত সৰৱ হৈ পৰিল অসম ভৈয়াম জনজাতি পৰিষদ। বৰবৰীৰ

বাথৌ পূজাথলীত সংগঠনটোৱে এক সংবাদমেলযোগে পৃথক ৰাজ্যৰ বিষয়ত এনেদৰে মন্তব্য আগবঢ়ায়। পিটিচিএৰ প্ৰস্তুতি কমিটীৰ সভাপতি পাৰ্মিনাছ নাৰ্জাৰীয়ে কয়, '২০২০ৰ ২৭ জানুৱাৰীত সম্পাদিত বিটিআৰ চুক্তি অনুসৰি পৃথক ৰাজ্য গঠনৰ দাবী ছয় পৃষ্ঠাত চাওক

পাপনৰ সংগীতেৰে পাঠশালা ৰঙালী বিহুৰ সামৰণি

বিশেষ সংবাদদাতা
পাঠশালা, ১৭ এপ্ৰিল ঃ সহস্ৰাধিক দৰ্শকৰ বিপুল সঁহাৰিৰে যোৱা নিশা ৪২ সংখ্যক পাঠশালা ৰঙালী বিহুৰ সামৰণি পৰে। উল্লেখ্য যে পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত পহিলা ব'হাগত পাঠশালা ৰঙালী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ সভাপতি স্বপন তালুকদাৰৰ দ্বাৰা বিহু পতাকা উত্তোলনেৰে এইবেলিৰ বিহু উদ্‌যাপন আৰম্ভ হয়। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰে ৪২ সংখ্যক পাঠশালা ৰঙালী বিহু সন্মিলনীৰ সভাপতি পৰাগ বৰ্মনে, স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে ৰঙালী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ সম্পাদক গৌতম চৌধুৰীয়ে, গ্ৰীণ মিছন বজালীৰ সৌজন্যত গছপুলি বিতৰণৰ ছয় পৃষ্ঠাত চাওক

এক লাখ ১১ হেজাৰ হনুমান চালিচা পাঠত ভাগ ল'লে ১৫ সহস্ৰাধিক সাধু-সন্তই

পাঁচ শতাধিক ভোৰতালৰ শব্দৰে অসম-ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীয়ে আৰম্ভ কৰিলে হনুমান চালিচা পাঠ

অগ্ৰদূত বাৰ্তা
উত্তৰ গুৱাহাটী, ১৭ এপ্ৰিল ঃ ১০ হেজাৰ ভক্ত অনুগামীয়ে এক লাখ ১১ হেজাৰ হনুমান চালিচা পাঠেৰে অভিলেখৰ সংকল্প আজি পূৰণ হ'ল। উত্তৰ গুৱাহাটী ৰজাদুৱাৰ বালিচৰত দুদিনীয়াকৈ অনুষ্ঠিত হনুমান জয়ন্তীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেবে হনুমান চালিচা পাঠ কৰি দেশৰ শ্ৰীবৃদ্ধি আৰু মানৱ কল্যাণ কামনা কৰে। প্ৰায় ২০ হেজাৰ সনাতনী ভক্তই সংযম, সততাৰে, আত্মবিশ্বাস প্ৰত্যেকৰে অন্তৰাত্মাত জগাই তুলি সনাতনী সংস্কৃতি পুনৰ উজ্জীৱিত ছয় পৃষ্ঠাত চাওক

দেৰগাঁৱত ছাত্ৰ সন্থাৰ মুকলি বিহুত বৰগছ উন্মোচন

জাতীয় কৃষ্টিক লৈ ভেঙুচালিকাৰীক সকীয়নি আছুৰ

অগ্ৰদূত বাৰ্তা
বৰুৱা বামুণগাঁও, ১৭ এপ্ৰিল, দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰত আছুৰ উদ্যোগত আয়োজিত মুকলি বিহু অনুষ্ঠান আজি বিভিন্ন জনগোষ্ঠীৰ কলা- কৃষ্টি প্ৰদৰ্শনেৰে ব্যাপক উৎসাহ উদ্দীপনাৰে অনুষ্ঠিত হয়। পুৱা উদ্‌যাপন সমিতিৰ সভাপতি গুণোত্তম বৰা আৰু আছুৰ আঞ্চলিক সভাপতি ছগীৰ আহমেদে পতাকা উত্তোলন, সম্পাদক দুষ্মন্ত মাধৱ দত্তই ছহিদ তৰ্পণ, কাৰ্যকৰী সভাপতি শিৰোমণি মহন্তই বৃক্ষৰোপণ কৰাৰ পাছত ছাত্ৰ সন্থাৰ বিহু কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ বিহু প্ৰদৰ্শিত হয়। ইয়াৰ পাছতে অনুষ্ঠিত বিহুৰ সেৱা আৰু অতীত ৰোমন্থন কাৰ্যসূচীত বৃহত্তৰ দেৰগাঁৱৰ অৰ্ধশতাধিক বয়োজ্যেষ্ঠ ব্যক্তিয়ে অংশগ্ৰহণ কৰি বিহু গাই, নাচি অতীত ৰোমন্থন কৰে। বিভিন্ন ক্ষেত্ৰৰ আগশাৰীৰ এই জ্যেষ্ঠ ব্যক্তিসকলক সমূহীয়াভাৱে সেৱা কৰি উদ্যোক্তাসকলে আশীৰ্বাদ গ্ৰহণ কৰে। দুপৰীয়া ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৪ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১৮ এপ্ৰিল ২০২২

দায়ী কোন?

ডিফুত যোৱা ১৫ এপ্ৰিলৰ দিনা টেট শিক্ষকক নিযুক্তিপত্ৰ প্ৰদান কৰা এক অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তাৎপৰ্যপূৰ্ণভাৱে কৈছে যে অহা দহ বছৰৰ ভিতৰত চৰকাৰী বিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈ যাব পাৰে। তেনেকুৱা পৰিস্থিতি হ'লে চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষকসকলক স্বেচ্ছামূলক অৱসৰ দিব লাগিব।

এই কথা সত্য যে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অসমত দ্ৰুতগতিত কমি গৈ আছিছে। চৰকাৰী স্কুলসমূহ বন্ধ হৈ গ'লে তাৰ বাবে শিক্ষকসকল জগৰীয়া হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কৈছে। তেওঁ এই সন্দৰ্ভত কৈছে যে বাট-পথ-চিকিৎসালয় আদিৰ ক্ষেত্ৰত যেনেদৰে মুখ্যমন্ত্ৰী দায়বদ্ধ, তেনেদৰে চৰকাৰী স্কুলৰ অৱস্থাৰ বাবে শিক্ষকসকল দায়বদ্ধ, পিছে ৰাজ্য চৰকাৰৰ শিক্ষামন্ত্ৰীগৰাকী কিয় দায়বদ্ধ নহয়, সেই প্ৰশ্নটোও বহুতেই উত্থাপন কৰিছে। ৰাস্তা-ঘাটৰ দুৰৱস্থাৰ বাবে কেৱল বিভাগীয় অভিযন্তা-বিষয়াসকলকে এশ শতাংশ দায়বদ্ধ কৰিব নোৱাৰি। কাৰণ নীতি নিৰ্ধাৰণ চৰকাৰী মন্ত্ৰণালয় পৰ্যায়ত হয়। বিষয়াসকলে কেৱল চৰকাৰী নীতি কাৰ্যকৰীহে কৰে। শিক্ষকসকলৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য। চৰকাৰৰ শিক্ষানীতি শিক্ষকসকলে তথা শিক্ষা বিষয়াসকলে কাৰ্যকৰী কৰে। শিক্ষকসকলে দূৰণিবটীয়া অঞ্চলৰ বিদ্যালয়ত নিযুক্তি পোৱাৰ পাছত স্কুললৈ নাযায় বুলি মুখ্যমন্ত্ৰীয়ে আক্ষেপ কৰিছে; কিন্তু যদিহে নিয়ম ভংগ কৰি কোনো শিক্ষকে কৰ্তব্য পালন নকৰাকৈ থাকে, তেনে শিক্ষকৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। চৰকাৰে যদি তেনে কৰা নাই, তেনেহ'লে তাৰ বাবে চৰকাৰ দায়বদ্ধ নহ'বনে?

চৰকাৰী বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকল যদিহে ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ পঢ়িবলৈ গৈছে, তেনেহ'লে বুজিব লাগিব যে চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান আৰু সুবিধা কম। দিল্লীৰ ক্ষেত্ৰত এতিয়া পিছে ওলোটা প্ৰৱণতা আৰম্ভ হৈছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰা চৰকাৰী খণ্ডৰ বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীৰ সোঁত ব'বলৈ ধৰিছে। কাৰণ দিল্লী চৰকাৰে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহ ইমানেই উন্নত আৰু মানসম্পন্ন কৰি তুলিছে যে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ফলাফল যথেষ্ট ভাল হ'বলৈ আৰম্ভ কৰিছে। চৰকাৰী স্কুলত সকলো অত্যাধুনিক সা-সুবিধা চৰকাৰে দিছে। গতিকে দিল্লীৰ চৰকাৰী বিদ্যালয়ৰ উন্নয়নৰ বাবে দিল্লী চৰকাৰৰ নীতিয়েই দায়ী। সেই যুক্তিত অসমৰ চৰকাৰী স্কুলৰ দুৰৱস্থাৰ বাবে অসম চৰকাৰেই দায়ী।

ৰাজ্য চৰকাৰে যোৱা কে'বছৰ ধৰি ব্যক্তিগত খণ্ডৰ কেতবোৰ স্কুলক যথেষ্ট পৰিমাণৰ অনুদান দিয়া পৰিলক্ষিত হৈছে। চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলক চৰকাৰে সৰহভাগ সময় অনা-শৈক্ষিক কামত ব্যৱহাৰ কৰাও সকলোৰে জ্ঞাত। তদুপৰি তিনিশৰো অধিক বিদ্যালয়ত চৰকাৰে এগৰাকী শিক্ষককো নিযুক্তি দিয়া নাই। শিক্ষকবিহীনভাৱে এই স্কুলবোৰ চলি আছে। প্ৰায় চাৰে চাৰি হেজাৰ বিদ্যালয় মাত্ৰ এগৰাকী শিক্ষকে চলাই আছে। চৰকাৰে চৰকাৰী বিদ্যালয়ত সময়মতে পাঠ্যপুথিকে যোগান ধৰাত ব্যৰ্থ হৈছে। এনে চৰকাৰী নীতিৰ ফলতেই চৰকাৰী বিদ্যালয়সমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ ঢাপলি মেলিছে। গতিকে শিক্ষকসকলৰ ওপৰত সকলো দোষ জাপি দি ৰাজ্য চৰকাৰে নিজকে নিকা বুলি দাবী কৰিব নোৱাৰে।

ধৰ্মীয় অসহিষ্ণুতা আৰু বিবেকানন্দ

ইতিহাস বিকৃত নকৰিলে কোনো মৌলবাদে কেতিয়াও অগ্ৰগতি কৰিব নোৱাৰে

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই দাবী কৰে যে স্বামী বিবেকানন্দৰ আদৰ্শ তথা তত্ত্ব হ'ল তেওঁলোকৰ সংগঠনৰ মুখ্য আদৰ্শ। ভাৰতৰ অধিকাংশ লোকে বিশেষকৈ আজিৰ প্ৰজন্মই বিবেকানন্দৰ মানৱতাবাদী, বিজ্ঞানমনস্কতা, সহিষ্ণুতাৰ আদৰ্শবোৰৰ সম্বন্ধে জ্ঞাত নহয়। আৰ-এছ-এছ তথা হিন্দুত্ববাদী সংস্থাবোৰে বিবেকানন্দৰ আধ্যাত্মিক বক্তব্যক বিস্তৃতভাৱে প্ৰচাৰ কৰি তেওঁৰ বিজ্ঞানসন্মত, মানৱতাবাদী, সহিষ্ণুতাৰ, মানৱ জাতিৰ সমন্বয়ৰ আৰু গণশিক্ষাৰ আদৰ্শবোৰক বিস্মৃতিৰ অন্ধকাৰত সোমাই ৰাখি দিয়ে। ইতিহাস বিকৃত নকৰিলে কোনো মৌলবাদে কেতিয়াও অগ্ৰগতি কৰিব নোৱাৰে। শোষিত, দৰিদ্ৰ আৰু অৱহেলিত জনসাধাৰণৰ মুক্তিৰ প্ৰতি স্বামী বিবেকানন্দৰ আহ্বান আৰু শোষক আৰু ধনী সম্প্ৰদায়ৰ বিৰুদ্ধে ঘৃণা সম্পৰ্কে বিবেকানন্দৰ 'উদ্বুদ্ধ হোৱা জাগা' আহ্বানবোৰো প্ৰচাৰৰ পৰা বিৰত কৰি ৰাখে। আৰ-এছ-এছে স্বামী বিবেকানন্দৰ আদৰ্শ তথা তেওঁৰ বাণীবোৰৰ অনুসৰণকাৰীনে পৰ্যালোচনা কৰিলে সত্যটো উদঙি পৰে।

সাম্প্ৰদায়িকতা দেশ আৰু জাতি গঠনৰ পথত প্ৰধান অন্তৰায়। বিবেকানন্দই যিকোনো ধৰণৰ সাম্প্ৰদায়িকতাবাদক ধিক্কাৰ দিছিল। কৈছিল, '...ঈশ্বৰ উপাসনাৰ কাৰণে মন্দিৰ নিৰ্মাণ কৰাতকৈ মহৎ কাম হ'ল মানুহ গঢ়া, কাৰণ বৃহত্তৰ মন্দিৰ হ'ল মানৱদেহ।' (বৰ্তমান ভাৰত) হিন্দু-মুছলমান সংঘৰ্ষ বিবেকানন্দৰ জীৱনত দেখা নাছিল, কিন্তু বিৰোধ দেখিছিল। বিবেকানন্দই চিকাগো চহৰৰ পৰা ১৮৯৪ত দেৱান হৰিদাস বিহাৰী দাস দেশাইক লিখিছিল— 'ইতিহাসত কেতিয়া, কোন যুগত ধনী আৰু অভিজাত সম্প্ৰদায়, পুৰোহিত আৰু ধৰ্মধ্বজীসকলে দীনদুখীসকলৰ কাৰণে চিন্তা কৰিছে? অথচ এওঁলোকক নিষ্পেষণ কৰাটোৱে তেওঁলোকৰ ক্ষমতাৰ প্ৰাণশক্তি। দৰিদ্ৰসকলৰ ভিতৰত মুছলমানৰ সংখ্যা ইমান অধিক কিয়? এই কথাটো কোৱা মূৰ্খামি যে তৰোৱালৰ দ্বাৰা বলপূৰ্বকভাৱে এওঁলোকক ধৰ্মান্তৰিত কৰা হৈছিল। ...বাস্তৱিকতে জমিদাৰ আৰু পুৰোহিতসকলৰ শিকলিৰ বান্ধোনৰ পৰা নিষ্কৃতি লাভৰ কাৰণেই এওঁলোক ধৰ্মান্তৰিত হৈছিল আৰু সেই কাৰণে বংগদেশত, য'ত জমিদাৰৰ সংখ্যা অনেক বেছি, তাত কৃষক সম্প্ৰদায়ৰ মাজত হিন্দুৰ তুলনাত মুছলমানৰ সংখ্যা বেছি। কে'বা হেজাৰমান গ্ৰেজুৱেটক লৈয়ে এখন 'নেছন' হ'ব নোৱাৰে। আমাৰ দেশৰ শতকৰা নৱৈজনে অশিক্ষিত হৈ আছে— কোনে সিহঁতৰ বিষয়ে চিন্তা কৰে।" (গ্ৰন্থাৱলী, ৮ম খণ্ড, পৃঃ ৩০০)

যোৱা সাত বছৰত বিজেপি চৰকাৰৰ শাসনকালত দেশত সৰ্বত্ৰ সাম্প্ৰদায়িক হিংসা, অসহিষ্ণুতাৰ পৰিৱেশৰ সৃষ্টি হৈছে আৰু এই অসহিষ্ণুতাৰ পৰিৱেশ সৃষ্টিত আৰ-এছ-এছে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। চিকাগো চহৰত যেতিয়া বিবেকানন্দৰ অপূৰ্ব

সুন্দৰ কণ্ঠৰ পৰা সংগীতৰ দৰে ধ্বনিত হৈছিল— 'আমি অকল বিশ্বজনীন সহনশীলতাতেই বিশ্বাস নকৰো, সকলো ধৰ্মকে সত্য বুলি গ্ৰহণ কৰো।' এই কথা উচ্চাৰণৰ সময়ত শ্ৰোতাসকলে গভীৰভাৱে অভিভূত হৈছিল। এইটো কি সম্ভৱ? এনেধৰণৰ অসম্ভৱ অকল্পনীয় কথা ইতিপূৰ্বে তেওঁলোকে কেতিয়াও শুনা নাছিল।' (বিশ্বপথিক বিবেকানন্দ, পৃঃ ৯৮৫)। বহুবছৰ পাছত হেৰিয়েট মনৰোৱে তেওঁৰ

দৃষ্টিপাত

অনন্ত কলিতা

আত্মজীৱনীত লিখিছিল— 'মনত এনেকুৱা ভাৱ উপস্থিত হৈছিল যেন এটা ঐতিহাসিক মহামুহূৰ্ত সমুপস্থিত, যেতিয়া আমি সহনশীলতা আৰু শান্তিৰ নৱযুগৰ সূচনাৰ অমোঘ ভৱিষ্যদ্বাণী শুনিছিলো।'

স্বামীজীৰ পাঁচ মিনিটৰ ঐতিহাসিক প্ৰথম ভাষণটোৰ শেষ কথাখিনিয়ে সমগ্ৰ বিশ্বকে কঁপাই তুলিছিল, কাৰণ এইবোৰ আছিল ভৱিষ্যত সমাজৰ অন্যতম পথ নিৰ্দেশক— যিটোৰ গুৰুত্ব মাত্ৰ দুই-তিনি দশক আগতে ইউৰোপত ধুমুহাৰ সৃষ্টি কৰা মাৰ্ক্স-এঞ্জেলছৰ বৈপ্লৱিক চিন্তাধাৰাতকৈ অকণো কম নাছিল। বিবেকানন্দৰ বাক্যাংশটো আছিল এনেধৰণৰ—

'সাম্প্ৰদায়িকতা, গোড়ামি আৰু এইসমূহৰ ভয়াৱহ ফলস্বৰূপ ধৰ্মোন্মাদতাই এই সুন্দৰ পৃথিৱীক বহুকাল ধৰি অধিকাৰ কৰি ৰাখিছে। এইসমূহে পৃথিৱীক হিংসাৰে পৰিপূৰ্ণ কৰি ৰাখিছে, সভ্যতা ধ্বংস কৰিছে আৰু সমগ্ৰ জাতিকে হতাশাত মগ্ন কৰিছে। এইসকল ভীষণ পিশাচ যদি নাথাকিলেহেঁতেন, মানৱ সমাজ অনেক উন্নত হ'লহেঁতেন। ...আমি সৰ্বতোভাৱে বিশ্বাস কৰো, আজি এই ধৰ্ম মহাসন্মিলনত সমাগত প্ৰতিনিধিসকলৰ সন্মানাৰ্থে যি ঘণ্টাধ্বনি ধ্বনিত হ'ল, সেই ঘণ্টাধ্বনি যেন ধৰ্মোন্মাদতাৰ আক্ৰমণৰ অথবা আইনৰ দ্বাৰা সংগঠিত সৰ্বপ্ৰকাৰৰ নিৰ্যাতনৰ আৰু নিৰ্দিষ্ট লক্ষ্যাভিমুখী ভ্ৰাতৃবৃন্দৰ জীৱন-যাপনৰ পথত বাধা সৃষ্টিকাৰী অপশক্তিৰ বিনাশ ঘোষণা কৰে।' (বিশ্বপথিক বিবেকানন্দ, পৃঃ ৯৮৬)। আজি ভাৰতত অসহিষ্ণুতা, সাম্প্ৰদায়িক হিংসাৰ পৰিৱেশ সৃষ্টি কৰা সংগঠনবোৰ বিবেকানন্দৰ ভাষাত পিশাচে হ'ব।

আজিৰ ভাৰতবৰ্ষত জনসাধাৰণে ভাত-দাইল-ৰুটিৰ বাবে হাহাকাৰ কৰি আছে, পৰিতাপৰ কথা যে হুলস্থূল হৈ আছে গোমাংসৰ বাবে। এইটো হৈছে শাসক গোষ্ঠীৰ কৌশল। জনসাধাৰণে তেওঁলোকৰ জীৱন নিৰ্বাহৰ পথৰ দাবীৰ কথা পাহৰি যাওক— গোমাংস, হিন্দু-মুছলমান, উচ্চ-নীচ জাতি আদিক লৈ মৰামৰি-কটাকটি কৰক। হিন্দু জাতীয়তাবাদৰ নামত দেশী-বিদেশী বিনিয়োগ পুঁজিৰ স্বাৰ্থক সম্পূৰ্ণৰূপে সুৰক্ষা দিয়া তথা জাতীয় সম্পদবোৰ বিক্ৰী কৰাৰ উদ্দেশ্য। এই 'জাতীয়তাবাদে' সাম্ৰাজ্যবাদক স্পৰ্শ নকৰে, বৃহৎ পুঁজিপতিৰ লুটক স্পৰ্শ নকৰে, ধৰ্মীয় পৰিচয়ৰ ভিত্তিত এনেকুৱা এক 'বিদেশী' 'বহিঃশত্ৰু' নিৰ্মাণ কৰে। অহিন্দু সম্পৰ্কত আৰ-এছ-এছৰ গুৰু গোলৱালকৰে কৈছে— 'যেতিয়ালৈকে তেওঁলোকে জাতিগত ধৰ্মীয় আৰু সাংস্কৃতিক ভিন্নতা অটুট ৰাখিব, তেতিয়ালৈকে তেওঁলোক বিদেশীত বাহিৰে আন একো বুলি গণ্য কৰা নহ'ব।' এইসকল হিন্দু জাতীয়তাবাদৰ মতে জাতীয় বিপদ। সেয়ে বিজেপি আৰু ইয়াৰ হিন্দুত্ববাদী সহযোগীসকল অৰ্থনীতিৰ প্ৰশ্নত নব্য-উদাৰবাদ নীতিৰ দৃঢ় পৃষ্ঠপোষক। আনফালে ভাৰতৰ কৰ্প'ৰেট মহলো শ্ৰেণী সচেতনভাৱেই নৰেন্দ্ৰ মোদী চৰকাৰৰ হিন্দু জাতীয়তাবাদৰ সমৰ্থক হৈ পৰিছে। কাৰণ এই হিন্দু সাম্প্ৰদায়িক শক্তিৰ উত্থানে আন্তৰ্জাতিক বিনিয়োগ পুঁজিৰ আৰু দেশীয় কৰ্প'ৰেটৰ বিৰুদ্ধে গণতান্ত্ৰিক জাতীয় প্ৰতিৰোধী আন্দোলনক দুৰ্বল কৰি ৰাখিব। সেয়েহে আজি ভাৰতৰ জনসাধাৰণক শোষণ আৰু অবাধ লুটৰ মধ্যস্থতাকাৰী হিচাপে কৰ্প'ৰেট বিশ্বৰ চকুৰ মণি হৈছে বিজেপি আৰু আৰ-এছ-এছ। বিজেপি চৰকাৰৰ মুখ্য লক্ষ্য হ'ল নব্য-উদাৰবাদৰ শোষণৰ বিৰুদ্ধে জনসাধাৰণে যাতে ঐক্যবদ্ধ হ'ব নোৱাৰে তথা সংগ্ৰাম সংগঠিত কৰিব নোৱাৰে তথা এওঁলোকে জীৱন নিৰ্বাহৰ পথৰ দাবীৰ কথা পাহৰি ব্যস্ত হৈ পৰে সাম্প্ৰদায়িক উত্তেজনাত আৰু সংঘৰ্ষত, গোহত্যা নিষিদ্ধকৰণৰ বাদানুবাদত। বিজেপিৰ লোকসভা নিৰ্বাচনৰ সময়ত মুখ্য শ্ল'গান আছিল উন্নয়ন আৰু আচ্ছে দিন। উন্নয়নৰ শ্ল'গানেৰে নিৰ্বাচনত জিকি শাসনৰ গাদীত বহাৰ পাছত জনসাধাৰণক উন্নয়নৰ আৰু আচ্ছে দিনৰ কাৰ্যসূচীৰ কথা পাহৰাই হিন্দু-মুছলমান, খ্ৰীষ্টান, জাত-পাত, গোমাংস আদিৰ প্ৰতি বিপথগামী কৰিলে জনসাধাৰণৰ মনোযোগ। মোদী চৰকাৰৰ সুবিধা হ'ল বিনা বাধাই-বিনা আলোচনাই বিশ্ববেংকে বিচৰা ধৰণে অৰ্থনৈতিক সংস্কাৰ কৰিবলৈ তথা জাতীয় সম্পদবোৰ পাইকাৰী দৰত বিক্ৰী কৰিবলৈ। মোদী চৰকাৰৰ অৰ্থনৈতিক সংস্কাৰৰ ওপৰত বিশ্ববেংক ইমানেই সন্তুষ্ট হৈছে যে অতি সম্প্ৰতি (২০২০) ব্যৱসায় অনুকূল ৰাষ্ট্ৰৰ মৰ্য্যাদাৰ ক্ষেত্ৰত ভাৰতৰ স্থান ১৪২ৰ পৰা ৬৩লৈ আগুৱাই নিছে ১৯০খন দেশৰ ভিতৰত।

এক নতুন শতাব্দীৰ সন্ধিক্ষণত ১৮৯৮ত স্বামী বিবেকানন্দই তেওঁৰ পূৰ্বপৰিচিত বন্ধু লাহোৰ নিবাসী চৰফৰাজ হুছেইনলৈ এখন চিঠি লিখিছিল এইদৰে— 'আমাৰ নিজৰ মাতৃভূমিৰ পক্ষত হিন্দু আৰু ইছলাম ধৰ্মৰ ৰূপটো এই দুই মহান মতৰ সমন্বয়... ...একমাত্ৰ আশা। বেদান্তৰ মতবাদ যিমানেই

> বিজেপিৰ লোকসভা নিৰ্বাচনৰ সময়ত মুখ্য শ্ল'গান আছিল উন্নয়ন আৰু আচ্ছে দিন। উন্নয়নৰ শ্ল'গানেৰে নিৰ্বাচনত জিকি শাসনৰ গাদীত বহাৰ পাছত জনসাধাৰণক উন্নয়নৰ আৰু আচ্ছে দিনৰ কাৰ্যসূচীৰ কথা পাহৰাই হিন্দু-মুছলমান, খ্ৰীষ্টান, জাত-পাত, গোমাংস আদিৰ প্ৰতি বিপথগামী কৰিলে জনসাধাৰণৰ মনোযোগ।

সূক্ষ্ম আৰু বিস্ময়কৰ হওক কিয়, কৰ্মপৰিণতিত ইছলাম ধৰ্মৰ সহায়তৰ ব্যতীতে জনসাধাৰণৰ অধিকাংশৰ ক্ষেত্ৰত সম্পূৰ্ণ নিৰৰ্থক। আমি মানৱ জাতিক সেই স্থানলৈ লৈ যাবলৈ বিচাৰো— য'তে বেদো নাই, বাইবেলো নাই, কোৰানো নাই। অথচ বেদ, বাইবেল আৰু কোৰানৰ সমন্বয়ৰ দ্বাৰাই এইটো কৰিব লাগিব। ...মই মানসচক্ষুৰে দেখিছো এই বিবাদ বিশৃংখলা ভেদপূৰ্বক ভৱিষ্যতত পূৰ্ণাংগ ভাৰতে বৈদান্তিক মস্তিষ্ক আৰু ইছলামীয় দেহ লৈয়ে মহা মহিমাময় আৰু অপৰাজেয় শক্তিত জাগি উঠিছে।'

চিকাগো ধৰ্ম-মহাসন্মিলনৰ দশম দিৱসত ২০ ছেপ্টেম্বৰৰ বিবেকানন্দৰ ভাষণৰ শিৰোনাম আছিল, 'ধৰ্ম ভাৰতৰ কাৰণে আৱশ্যকীয় নহয়'। তেখেতৰ ভাষণৰ অন্যতম অংশ— '...ভাৰতৰ অভাৱ ধৰ্মৰ নহয়, ভাৰতত প্ৰচুৰ ধৰ্ম আছে; কিন্তু প্ৰজ্বলন্ত ভাৰতৰ নিপীড়িত নৰনাৰী নীৰসকণ্ঠে ৰুটি বিচাৰিছে।' (বিশ্বপথিক বিবেকানন্দ, পৃঃ ৯৯৬)। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ আদৰ্শ আৰু লক্ষ্যৰ লগত স্বামী বিবেকানন্দৰ আদৰ্শ আৰু লক্ষ্যৰ লগত মিল দেখা পোৱা যায় জানো? আৰ-এছ-এছে বিবেকানন্দৰ আদৰ্শ গ্ৰহণ কৰিলে হিন্দুত্ববাদী সংগঠনৰ পৰিৱৰ্তে শোষিত জনসাধাৰণৰ মুক্তিৰ লক্ষ্যৰ সংগঠনত পৰিণত হ'লহেঁতেন। মাৰ্ক্সবাদৰ লগত বিবেকানন্দৰ চিন্তাধাৰাৰ মিল আছে অৰ্থনীতিত। মাৰ্ক্সে কৈছিল— 'মানুহৰ বা সমাজৰ পৰিৱৰ্তনৰ মূল ভেটি হ'ল অৰ্থনীতি।' বিবেকানন্দয়ো সেই কথাকে কৈছিল, 'মনত ৰাখিবা 'নেছন' দৰিদ্ৰ জনগণৰ কুটিৰত বাস কৰে। কিন্তু হায়! তেওঁলোকৰ প্ৰতি কোনেও একো কৰা নাই। আমাৰ আধুনিক সংস্কাৰকসকলে বিধৱা বিবাহৰ বিষয়ত অতি ব্যস্ত। অৱশ্যে প্ৰতি-সংস্কাৰৰে প্ৰতি মোৰ সহানুভূতি আছে; কিন্তু এটা জাতিৰ ভাগ্য ইয়াৰ বিধৱাসকলে কেইটা স্বামী পাব সেইটোৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ জনগণৰ উচ্চ পাৰিপাৰ্শ্বিক উন্নতি আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰতহে ই নিৰ্ভৰশীল, এওঁলোকক উদ্ধাৰ কৰিব পাৰিবা।' (গ্ৰন্থাৱলী, ৫ম খণ্ড)। স্বামীজীয়ে ক্ৰোধতে কৈছিল— 'কিয়নো এজনো লোক অনাহাৰে থাকিব? বস্তুতান্ত্ৰিক সভ্যতা, আনকি যিকোনো অৱস্থাতে গৰিবসকলৰ বাবে কৰ্মসংস্থান প্ৰয়োজন। ৰুটি লাগে, ৰুটি লাগে। মই এনেকুৱা এজন ভগৱানক বিশ্বাস নকৰো, যিজনাই এই জগতত ৰুটি দিব নোৱাৰে, কিন্তু স্বৰ্গত তেওঁ মোক নিত্য-মংগল আৰু চিৰন্তন পৰম স্বৰ্গ সুখ প্ৰদান কৰিব। ফুঃ! যদি ভাৰতক বচাই ৰাখিব লাগে, তেতিয়াহ'লে গৰিবৰ কাৰণে আৰু খাদ্য লাগে, তেওঁলোকৰ বাবে শিক্ষা বিস্তাৰ কৰিব লাগিব আৰু পুৰোহিততন্ত্ৰৰ দুষ্ট, ক্ষতিকৰ আৰু অশুভ প্ৰভাৱক দূৰ কৰিব লাগিব। পুৰোহিততন্ত্ৰ আৰু নালাগে। কোনো সামাজিক অত্যাচাৰ আৰু নচলিব। আৰু ৰুটি দিয়ক, প্ৰত্যেকৰ কাৰণে সুযোগ সুবিধা দিয়ক। আমাৰ আহম্মক যুৱকসকলে সভা সংগঠিত কৰি ইংৰাজৰ পৰা আৰু ক্ষমতা লোৱাৰ চেষ্টা কৰিছে। তেওঁলোকে মাত্ৰ হাঁহে। যিসকলে আনক স্বাধীনতা দিবলৈ প্ৰস্তুত নহয়, তেওঁলোক নিজেও স্বাধীনতাৰ বাবে উপযুক্ত নহয়। গোলামে আনকো গোলাম কৰাৰ বাবেই শক্তি বা ক্ষমতা বিচাৰে।' (গ্ৰন্থাৱলী ইং, ৪ৰ্থ খণ্ড, পৃঃ ১১৩)।

ফোন: ৯৪৩৫০৪১২০৩

খোলা মঞ্চ

ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা কেনেকৈ পাম?

ৰাজনীতি হৈছে দেশৰ জনগণৰ হিতাৰ্থে জনতাৰ শোষণ-তোষণ অন্যায়ৰ বিৰুদ্ধে মাত মাতি সকলো বিপদৰ পৰা জনতাক ৰক্ষা কৰি দেশক উন্নতিৰ পথলৈ আগুৱাই নিয়া নীতি। সহজ ভাষাত দেশ চলোৱাৰ বাবে যি নীতি পোষণ কৰা হয়, সেয়াই ৰাজনীতি। দেশৰ সমস্যা সমূহ আঁতৰাবলৈ হ'লে দেশত প্ৰকৃত শান্তি আনিবলৈ হ'লে মানুহৰ মনত শ্ৰদ্ধা,সততা, সাধুতা, নম্ৰতা, শ্ৰম, কৰুণা, একতা আদি মানৱীয় গুণসমূহ জাগ্ৰত হ'ব লাগিব। এজনে আনজনক বিশ্বাস কৰিব লাগিব। ব্যক্তি চৰিত্ৰৰ এক অপৰিহাৰ্য অংশ হ'ল নিজক জনাৰ মাজেৰে আনক জনাৰ পাৰদৰ্শিতা। নিজে প্ৰকৃততে কি বিচাৰে তাক জানিলেহে আনে কি বিচাৰে তাক জানিব পৰা যায়। ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাবলৈ হ'লে ৰাজনীতিকসকলে উপলব্ধি কৰিব লাগিব যে --আনে মোক কি ব্যৱহাৰ কৰিলে ভাল পাম, সেই ব্যৱহাৰে যেতিয়া আনক কৰিম তেতিয়াহে সুস্থ-সবল সমাজ আমি গঢ়িব পাৰিম। যিসকলে দুৰ্নীতিক নীতি বুলি ক্ষমতাৰ অপ প্ৰয়োগ কৰি ধন সম্পত্তিৰ পাহাৰ গঢ়ে, তেওঁলোকে এটা সময়ত নিজৰ অস্তিত্বই হেৰুৱাবলগীয়া হয় আৰু ইতিহাসে তেওঁলোকৰ নাম ঘৃণাৰেহে ল'ব। সময়ে তেওঁলোকৰ ওপৰত নিৰ্মম আৰু ভয়ংকৰ প্ৰতিশোধ ল'ব।

নিকা নিৰ্বাচন প্ৰক্ৰিয়াই গণতন্ত্ৰক সুস্থ সবল কৰি ৰাখে। গণতন্ত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষ দুটা নিৰ্বাচন প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰতিনিধি তথা শাসকক নিৰ্বাচন কৰা হয়। নিৰ্বাচনৰ জৰিয়তে ভোটাৰসকলে চৰকাৰৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ সুবিধা লাভ কৰে। সম্প্ৰতি গণতন্ত্ৰৰ নিৰ্বাচন পুঁজিৰ ওপৰত নিৰ্ভৰ কৰে। যিটো দলে বেছি ধন ব্যয় কৰিব পাৰে সেইটো দলৰে জয় জয় ময় ময়। ধন ব্যয়ৰ ওপৰতে নিৰ্বাচনৰ সফলতা নিৰ্ভৰ কৰে। সেয়ে গণতন্ত্ৰত ৰাইজে ৰজা বুলি কোৱাটো এতিয়া মনে নধৰে।

ৰমিছা বেগম, লেখিকা

বৰ্তমান দাগী অপৰাধীৰে সংখ্যাৰে ভৰি পৰিছে ৰাজনীতিৰ ক্ষেত্ৰখন। সৰহ সংখ্যকে ক্ষমতাৰ গাদীত বহিয়ে ধন ঘটাত লাগি যায়। সৰহ ভাগেই অৰ্থ লিপ্সাত ব্যস্ত, সম্পদ আৰু ক্ষমতাৰ পূজাৰী। মন্ত্ৰী-বিধায়ক হোৱাৰ পাছত নিজৰ আচল দায়িত্বৰ ফালে পিঠি দি চৈধ্য পুৰুষে তোলে খাব পৰাকৈ সম্পত্তিৰ পাহাৰ গঢ়ি তোলে। ধৰিছে। সম্প্ৰতি সামাজিক ব্যাধি সমূহৰ চোক অতি তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে। যাৰ বাবে সৎ লোক ৰাজনীতিলৈ যাবলৈ ইচ্ছুক নহয়। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত এতিয়াৰ দৰে তেতিয়া মুঠতে বহু বছৰলৈকে বোলে ৰাজনৈতিক নেতাসকল দুৰ্নীতিৰ বোকা পানীত পোত যোৱা নাছিল। যাৰ বাবে আমি পাইছো গোপীনাথ বৰদলৈ, লক্ষ্যধৰ চৌধুৰী, শৰৎ সিংহ, হেম বৰুৱা, কেশৰ গগৈ, মাণিক সৰকাৰ, হেমেন দাসৰ দৰে নিকা ভাবমূৰ্তিৰ নেতা। ছলে বলে কৌশলে ক্ষমতা আহৰণ কৰি সেই ক্ষমতাৰ অপপ্ৰয়োগ কৰি ধন সম্পত্তিৰ পাহাৰ গঢ়াসকলৰ ভিতৰত তেওঁলোক নাছিল। সেয়ে তেওঁলোকক মানুহে সসন্মানে আজিও সোঁৱৰে আৰু ইতিহাসৰ পৃষ্ঠাত তেওঁলোকৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ থাকিব।

ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পবলৈ হ'লে আজিৰ ৰাজনৈতিক নেতাসকলে উপলব্ধি কৰিব লাগিব যে ঘোচ খাই অন্যায়ভাৱে সম্পত্তিৰ পাহাৰ গঢ়া মানুহবোৰ সফল মানুহ কেতিয়াও নহয়। এই পৃথিৱীৰ পৰা গুচি যোৱাৰ দিনা নিওঁ বুলিলেও কোনোৱে একোৱে লৈ যাব নোৱাৰে।শেষত এটা উদাহৰণেৰে ক'ব বিচাৰো--- বিশ্ব বিজয়ী বীৰ আলেক জেণ্ডাৰেই মৃত্যুৰ আগ মূহুৰ্তত ৰিক্ত দুহাত ওপৰলৈ দাঙি বিশ্ববাসীক উদ্দেশ্য কৰি কৈছিল---চোৱা মোৰ দুহাত শূন্য। জীৱনত কিমান ঐশ্বৰ্য্য-সম্পদ ঘটিলো, এখনৰ পিছত আনখন দেশ জয় কৰিলো। এতিয়া মৃত্যুৰ সময়ত একোৱে লৈ যাব নোৱাৰো এই পৃথিৱীৰ পৰা। এই কথা আজিৰ নেতাসকলে উপলব্ধি কৰি কাম কৰিলেহে ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম।

অসমৰ ঐতিহ্যক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰো আহক

আজি বিশ্ব ঐতিহ্য দিৱস উপলক্ষে

প্ৰতি বছৰে ১৮ এপ্ৰিল তাৰিখটো 'বিশ্ব ঐতিহ্য দিৱস' হিচাপে পালন কৰা হয়। ১৯৮২ৰ পৰাই এই দিৱস উদ্‌যাপিত হৈ আছে। আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু পৌৰাণিক স্থান পৰিষদৰ দ্বাৰা এই দিৱস পালনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। বিশ্ব ঐতিহ্য দিৱসক আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু পৌৰাণিক স্থান দিৱস হিচাপেও জনা যায়।

বিশ্বৰ বিভিন্ন স্থানত অৱস্থিত পৌৰাণিক ঐতিহাসিক কীৰ্তিস্তম্ভসমূহৰ সংৰক্ষণ কৰাৰ লগতে সেইবিলাক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰা হৈ আছে। আমাৰ ভাৰতবৰ্ষ তথা অসমতো বুতো ঐতিহাসিক স্থান আছে— তাৰ ভিতৰত অন্যতম বিশ্ব ঐতিহ্য সম্পদসমূহৰ একাংশ সম্পদৰ নামৰ তালিকা তলত উল্লেখ কৰা হ'ল—

বিশ্ব ঐতিহ্য সম্পদ ঃ

সাংস্কৃতিক সম্পদ *(এ এছ আইৰ দ্বাৰা সুৰক্ষিত)*

১। অজন্তা গুহা (১৯৮৩), মহাৰাষ্ট্ৰ

২। ইলোৰা গুহা (১৯৮৩), মহাৰাষ্ট্ৰ

৩। আগ্ৰা দুৰ্গ (১৯৮৩), উত্তৰ প্ৰদেশ

৪। তাজমহল (১৯৮৩), উত্তৰ প্ৰদেশ

৫। সূৰ্য মন্দিৰ, কোনাৰক (১৯৮৪), উড়িশা

৬। মহাবলিপুৰমৰ স্মাৰকসমূহ (১৯৮৪), তামিলনাডু।

৭। গোৱাৰ গীৰ্জা আৰু কনভেণ্ট (১৯৮৬), গোৱা

৮। খাজুৰাহোৰ স্মাৰকসমূহ (১৯৮৬), মধ্যপ্ৰদেশ

৯। হাম্পিৰ স্মাৰকসমূহ (১৯৮৬), কৰ্ণাটক।

১০। ফটেহপুৰ চিক্ৰিৰ স্মাৰকসমূহ (১৯৮৬), উত্তৰ প্ৰদেশ

১১। পাট্টাডাক্কালৰ স্মাৰকসমূহ (১৯৮৭), কৰ্ণাটক

১২। এলিফেণ্টা গুহা (১৯৮৭), মহাৰাষ্ট্ৰ

১৩। থাঞ্জাভুৰৰ চোলা মন্দিৰ (১৯৮৭), গংগালকোন্দাচোলাপুৰম আৰু দাৰাশুৰাম (২০০৪), তামিলনাডু

১৪। সাঁচিৰ বুদ্ধৰ স্তুপ (১৯৮৯), মধ্যপ্ৰদেশ।

১৫। হুমায়ুনৰ সমাধি, দিল্লী (১৯৯৩), দিল্লী

১৬। কুতুব মিনাৰ আৰু ইয়াৰ স্মাৰক, দিল্লী (১৯৯৩), দিল্লী

১৭। ভীমবেটকাৰ শৈল আৱৰণ (২০০৩), মধ্যপ্ৰদেশ

১৮। চম্পানেৰ পাৱাগড় পুৰাতাত্বিক উদ্যান (২০০৪), গুজৰাট

১৯। লালকিল্লা পৰিসৰ, দিল্লী (২০০৭), দিল্লী

(ৰে'ল মন্ত্ৰণালয়ৰ দ্বাৰা সুৰক্ষিত)

২০। ভাৰতৰ পাৰ্বত্য ৰে'ল দাৰ্জিলিং (১৯৯৯), পশ্চিমবংগ, নীলগিৰি (২০০৫), তামিলনাডু; কালকা ছিমলা (২০০৮), হিমাচল প্ৰদেশ

২১। ছত্ৰপতি শিৱাজী টাৰ্মিনাছ (পূৰ্বৰ ভিক্টোৰিয়া টাৰ্মিনাছ) (২০০৪), মহাৰাষ্ট্ৰ

(বুদ্ধগয়া মন্দিৰ ব্যৱস্থাপনা



অৱলোকন

ফটিক দত্ত গোস্বামী

কমিটীৰ অধীনত সুৰক্ষিত)

২২। বুদ্ধগয়াৰ মহাবোধি মন্দিৰ পৰিসৰ (২০০২), বিহাৰ

(ৰাজস্থান ৰাজ্যিক পুৰাতত্ত্ব আৰু সংগ্ৰহালয় বিভাগৰ দ্বাৰা সুৰক্ষিত)

২৩। যন্তৰ মন্তৰ, জয়পুৰ (২০১০), ৰাজস্থান

প্ৰাকৃতিক সম্পদৰাজি (পৰিৱেশ আৰু বন মন্ত্ৰণালয়ৰ দ্বাৰা সুৰক্ষিত)

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান (১৯৮৫), অসম

২। মানস বন্যপ্ৰাণী অভয়াৰণ্য (১৯৮৫), অসম

৩। কেওলাদেও ৰাষ্ট্ৰীয় উদ্যান (১৯৮৫), ৰাজস্থান

৪। সুন্দৰবন ৰাষ্ট্ৰীয় উদ্যান (১৯৮৭), পশ্চিমবংগ

৫। নন্দা দেৱী আৰু পুষ্প উপত্যকা ৰাষ্ট্ৰীয় উদ্যান (১৯৮৮, ২০০৫), উত্তৰাঞ্চল কিন্তু, বিশ্বৰ বৃহত্তম নদীদ্বীপ সত্ৰনগৰী মাজুলী আৰু আহোম ৰাজত্বকালৰ মৈদাম থকা চৰাইদেউ বৰ্তমানলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত নোহোৱাটো আমাৰ সমাজৰ বাবে অতি পৰিতাপৰ বিষয়। আমি বৰ আশাৰে বাট চাই আছো উৰ্ধতন বিভাগীয় কৰ্তৃপক্ষই অনতিপলমে অসমৰ ঐতিহ্য সম্পদসমূহ বিশেষকৈ সত্ৰ নগৰী মাজুলী তথা আহোম স্বৰ্গদেউসকলৰ স্থাপত্য বিদ্যাসমূহ ভৱিষ্যত প্ৰজন্মৰ বাবে বিশ্ব ঐতিহ্য সম্পদসমূহৰ তালিকাত অন্তৰ্ভুক্তি হোৱাৰ বাবে উচ্চতম কৰ্তৃপক্ষৰ স'তে যোগাযোগৰ ব্যৱস্থা লোৱাৰ বাবে কাতৰ অনুৰোধ কৰা হ'ল। এই ঐতিহাসিক কীৰ্তিস্তম্ভ আৰু স্থানসমূহৰ সঠিকভাৱে সংৰক্ষণ আৰু সংবৰ্ধনৰ অতিকৈ প্ৰয়োজন হৈ পৰিছে। সেয়েহে ইউনেস্কোৰ দ্বাৰা এই কীৰ্তিস্তম্ভ আৰু স্থানসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। অতীতৰ গৌৰৱসমৃদ্ধ আৰু প্ৰাকৃতিকভাৱে চহকী কীৰ্তিস্তম্ভ তথা স্থানসমূহৰ সংৰক্ষণ আৰু নিৰাপত্তা প্ৰদান কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। বিশ্বৰ সকলো জাতিৰে ঐতিহ্য, সংস্কৃতি ৰক্ষা কৰাৰ বাবে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিচৰা হৈছে। বিশ্ব ঐতিহ্য দিৱস পালন কৰি পুৰণি কালৰ ৰজা-মহাৰজাসকলে সেই যুগৰ নিৰ্মাণশৈলী ব্যৱহাৰ কৰি নিৰ্মাণ কৰা বিভিন্ন কীৰ্তিস্তম্ভসমূহৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰস্থল হিচাপে পৰ্যটনস্থলী হিচাপে গঢ় দিবলৈ বিচৰা হৈছে। পুৰণি কীৰ্তিস্তম্ভসমূহ চাবলৈ নিজৰ দেশৰ লগতে বিদেশৰো বুজন সংখ্যক পৰ্যটক আহে। ফলস্বৰূপে, পৰ্যটনস্থলীৰ আশে-পাশে বিভিন্ন ধৰণৰ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ গঢ়ি উঠে। গতিকে সহস্ৰজনৰ জীৱন নিৰ্বাহৰ স্থল হিচাপে পৰিগণিত হয়। দেশ-বিদেশৰ পৰ্যটক অহাৰ ফলত সংস্কৃতিৰ বিনিময় হয়। এটা

জাতিয়ে আন এটাৰ আৰু এখন দেশৰ নাগৰিকে আন এখন দেশৰ নিৰ্মাণশৈলী, সংস্কৃতি, পৰম্পৰা আদিৰ বিষয়ে সুন্দৰভাৱে অৱগত হ'বলৈ সক্ষম হয়।

বিভিন্ন দেশত বিভিন্ন ৰাষ্ট্ৰীয় উদ্যান অৱস্থিত, এই সকলোবোৰতে বিভিন্ন দুষ্প্ৰাপ্য জীৱ-জন্তু, উদ্ভিদ আদি পোৱা যায়। কিছুমান জীৱ-জন্তু, চৰাই-চিৰিকটি কেৱল নিৰ্দিষ্ট ৰাষ্ট্ৰীয় উদ্যান বা অভয়াৰণ্যতহে পোৱা যায়। নিজৰ দেশত বা অঞ্চলত নথকা তেনেধৰণৰ আপুৰুগীয়া জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ বিষয়ে পৰ্যটকসকলে জ্ঞান লাভ কৰিব পাৰে। এইদৰে দুখন দেশৰ মাজত সাংস্কৃতিক আদান-প্ৰদান হয়।

বিশ্ব ঐতিহ্য দিৱস বিভিন্ন ধৰণৰ কাৰ্যকলাপ গ্ৰহণৰ দ্বাৰা পালন কৰা হয়। ইয়াৰ ভিতৰত কীৰ্তিস্তম্ভ আৰু ঐতিহাসিক স্থানলৈ ভ্ৰমণ কৰা, সন্মিলন, ঘূৰণীয়া মেজমেল আদি অনুষ্ঠিত কৰা হয়।

আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু স্থান (International ,Council Monuments and Sites (ICOMOS) য়ে ১৯৮২ৰ ১৮ এপ্ৰিল তাৰিখে আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু স্থান দিৱস পালনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল আৰু ১৯৮৩ত ইউনেস্ক'ৰে ইয়াৰ ২২ সংখ্যক সাধাৰণ পৰিষদত এই প্ৰস্তাৱক অনুমোদন প্ৰদান কৰিছিল। এই দিৱসকে বিশ্ব ঐতিহ্য দিৱস বুলি অভিহিত কৰা হয়। মানৱ সভ্যতাৰ সাংস্কৃতিক ঐতিহ্যৰ বিভিন্নতা, ইয়াৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ লগতে সংৰক্ষণ তথা সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণৰ অৰ্থে এই দিৱস পালন কৰা হৈ আহিছে। ইজিপ্তৰ পিৰামিড, ভেনিচ মহানগৰী, তাজমহল আৰু মাছু পিচুৰ দৰে ব্যতিক্ৰমী সাংস্কৃতিক আৰু ঐতিহাসিক স্থানসমূহৰ সংৰক্ষণৰ বাবে যথোপযুক্ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু স্থান পৰিষদ (ICOMOS) ৰ দ্বাৰা লাভ কৰা কিছুমান গুৰুত্বপূৰ্ণ তথ্য হ'ল বিশ্বজনীন ঐতিহ্য ক্ষেত্ৰসমূহৰ শক্তিশালীভাৱে সুৰক্ষা প্ৰদান কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সহযোগিতা আৰু সমৰ্থন লাভ কৰা। ১৯৬৪ৰ কীৰ্তিস্তম্ভ আৰু স্থানসমূহৰ সংৰক্ষণ আৰু পুনৰ বাহালৰ চাৰ্টাৰ বা ভেনিচ চাৰ্টাৰ হ'ল আন্তঃৰাষ্ট্ৰীয় কীৰ্তিস্তম্ভ আৰু স্থান পৰিষদ (ICOMOS) স্থাপনৰ মূল ভিত্তি আছিল। এইদৰে, পৌৰাণিক কীৰ্তিস্তম্ভ আৰু স্থানসমূহৰ সংৰক্ষণ আৰু শ্ৰীবৃদ্ধি কৰাৰ অৰ্থে বিভিন্ন ধৰণৰ পদক্ষেপ যোৱা কে'বাটাও দশকজুৰি পালন কৰি অহা হৈছে।

বিশ্ব সংস্কৃতিৰ সুন্দৰ আশ্চৰ্যৰ ভঁৰালৰ বিষয়ে নৱ প্ৰজন্মৰ যুৱক-যুৱতী আৰু শিশুসকলক অৱগত কৰাটো বিশ্ব ঐতিহ্য দিৱস পালনৰ মূল্য উদ্দেশ্য। ছআত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা, বক্তৃতা প্ৰতিযোগিতা, চিত্ৰাংকণ আৰু পোষ্টাৰ তৈয়াৰী প্ৰতিযোগিতা, ঐতিহ্য উৎসৱ পালন কৰা, সাংস্কৃতিক আৰু পৰম্পৰাৰ বাৰ্তা প্ৰদান কৰা চলচ্চিত্ৰৰ সম্প্ৰচাৰ কৰা আদি প্ৰধান।

ছাত্ৰ-ছাত্ৰী আৰু উৎসুক ব্যক্তিসকলে আমাৰ সাংস্কৃতিক অতীতক সংৰক্ষণ কৰাৰ বাবে তথ্য সংগ্ৰহ কৰি ভিডিঅ' তৈয়াৰ কৰিব পাৰে। ছ'চিয়েল মিডিয়াৰ জৰিয়তেও আমি আমাৰ পৰিয়াল তথা বন্ধু-বান্ধৱৰ মাজত সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে প্ৰচাৰ কৰিবলৈ সক্ষম হ'ব পাৰো। এই দিশত, ইতিমধ্যে যথেষ্ট সফলতা লাভ কৰা গৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মনত নিজৰ গৌৰৱময় সভ্যতা, সংস্কৃতি আৰু নিজৰ ৰাজ্য তথা দেশৰ বিভিন্ন ঐতিহাসিক কীৰ্তিস্তম্ভৰ লগতে অভয়াৰণ্য, বনাঞ্চলৰ বিষয়ে সজাগ কৰাৰ বাবে বিভিন্ন কৌশল লোৱা হৈছে। নিজৰ দেশৰ সভ্যতা, সংস্কৃতি, কীৰ্তিস্তম্ভক বিশ্ব দৰবাৰত উপস্থাপন কৰাটো অতিকৈ প্ৰয়োজনীয়। তেতিয়াহে বিশ্বৰ বিভিন্ন দেশৰ লোকসকলে আমাৰ চহকী সংস্কৃতি আৰু কীৰ্তিস্তম্ভৰ বিষয়ে সুন্দৰভাৱে অৱগত হ'ব পাৰিব। বিশ্ব ঐতিহ্য দিৱস পালন কৰি নিজৰ সাংস্কৃতিক ঐতিহ্যক সাৱলীলভাৱে উপস্থাপন কৰা উচিত। উল্লেখযোগ্য, আমাৰ বাপতি সাহোন ৰঙালী বিহুৰ সাত বিহুৰ ভিতৰতে ১৮ এপ্ৰিল তাৰিখটো পৰে। নিজৰ সাংস্কৃতিক আৰু ঐতিহাসিক পৰিৱেশক সুকীয়াভাৱে পালন আৰু সংৰক্ষণ কৰাৰ এইটো এক অতীৱ সুন্দৰ সুযোগ।

লেখক অসম আৰক্ষীৰ প্ৰাক্তন এ ডি জি পি

ফোন: ৬০০০৬০৩৮১৭

বিজয় টেণ্ডুলকাৰৰ চাইলেঞ্চ এখন মহৎ ট্ৰেজেডি

বিজয় টেণ্ডুলকাৰৰ Silence! The Court is in Session নাটকখনৰ মূল বিষয় নাৰীৰ বিৰুদ্ধে আমাৰ সমাজে কৰা বৈষম্যমূলক আচৰণ। নায়িকা প্ৰধান নাটকখনৰ মুখ্য চৰিত্ৰ মিছ লীলা বেনাৰে। হাঁহি-ধেমালি আৰু বুদ্ধিদীপ্ত কথা-বতৰাৰে আৰম্ভ হোৱা নাটকখনৰ ঘটনা প্ৰবাহে ক্ৰমান্বয়ে শেষৰ ফালে ট্ৰেজিক মৰ্যাদা লাভ কৰিছে আৰু বেনাৰেৰ চৰিত্ৰটোৱে দৰ্শকৰ মনত গভীৰ কৰুণা আদালতত উদ্ৰেক কৰে। যিটো নাট্যদলৰ লগত বেনাৰেই নাটক কৰি আহিছে সেই দলৰ সহকৰ্মীসকলেই বেনাৰেৰ প্ৰতি যি ব্যৱহাৰ কৰিছে আৰু আদালতে বেনাৰেৰ বিৰুদ্ধে যি ৰায়দান কৰিছে সি মৰ্মস্পৰ্শী।

নাটকৰ বিকাশৰ কাৰণে নিয়মীয়া মঞ্চৰ প্ৰয়োজন, কিন্তু ভাৰতবৰ্ষৰ গ্ৰামাঞ্চলত এনে মঞ্চৰ অভাৱ। যিখন গাঁৱত বেনাৰেহঁতৰ দলে নাটক পৰিৱেশন কৰিবলৈ গৈছে সেই গাঁওখনৰে ডেকা সামন্তই বেনাৰেক কৈছে যে তেওঁ ৰাতি নাটক মঞ্চস্থ হ'বলগীয়া হলটোত ৰাজহুৱা সভা-সমিতি বিয়াবাৰু হয়, মহিলাসকলে ভজন গায় ইত্যাদি। কেতিয়াবা যাদুকৰ আহি তাতে যাদু দেখুৱায়। বেনাৰে যে শিক্ষক সেই কথা তেওঁ সামন্তক কৈছে আৰু শিশুবোৰ যে প্ৰাপ্তবয়স্ক সকলতকৈ বহুত ভাল সেই কথাও ব্যক্ত কৰিছে। ডাঙৰ মানুহে মানুহক আঁকুহি বাঁকুহি তেজ উলিয়াই দিয়ে আৰু তেজ ওলালে কাপুৰুষৰ দৰে পলাই যায়। বেনাৰেই আৰম্ভণিতে সামন্তক কোৱা এই কথাষাৰৰ মাজেদি পুৰুষ প্ৰধান সমাজ এখনত নিজৰ স্বাধীন চিন্তা আৰু আকাংক্ষাৰে জীয়াই থাকিবলৈ বিচৰা নাৰী এগৰাকী সন্মুখীন হোৱা প্ৰতিৰোধৰ ইংগিতকে দিছে। নাটকৰ দলটোৱে গাঁওখনত নাটক এখন মঞ্চস্থ কৰিব। নাটকৰ বিষয় এখন ব্যংগ আদালত। এই আদালতত আণৱিক অস্ত্ৰ আৱিষ্কাৰৰ কাৰণে প্ৰেছিডেণ্ট জনছনক বিচাৰ কৰা হ'ব। নাটকৰ দলটো হ'ল সোণাৰমতি টেনিমেণ্ট প্ৰগ্ৰেছিভ এছ'চিয়েছন, বম্বে।

বেনাৰেই সামন্তক নাট্যদলৰ আন সদস্যসকলৰ বিষয়ে কওঁতে এহাতে নাটক আৰু বাস্তৱ জীৱন আৰু আনহাতে মানুহবিলাকৰ প্ৰতি তেওঁৰ নিজা সমালোচনাত্মক দৃষ্টিভংগী প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে বেনাৰেই কৈছে—'জ্ঞানৰ পোহৰ বিলোৱাটো আমাৰ নাট্যদলৰ অন্যতম মুখ্য উদ্দেশ্য।' লগতে দলৰ অধ্যক্ষ কাশীকৰৰ বিষয়ে কৈছে যে তেওঁৰ তোলনীয়া পো বালু ৰকডেক কাশীকৰ দম্পতীয়ে গোলামৰ নিচিনা ব্যৱহাৰ কৰে। আদালতত ভাও দিবলগীয়া উকীল সুখাত্মে বাস্তৱতো উকীল, কিন্তু তেওঁৰ ওচৰলৈ ভুলতো কোনো মক্কেল নাহে। নাটকত বিজ্ঞানী হোৱাজনে বাস্তৱত দুবাৰ পৰীক্ষা দিও আইএছচি পাছ কৰিব পৰা নাই। বেনাৰেই জীৱনটোক কি ধৰণে গ্ৰহণ কৰিবলৈ বিচাৰে তাৰ ধাৰণা এটাও প্ৰথম অংকতে দিয়া হৈছে। বেনাৰেই সামন্তক কৈছে, 'তোমাৰ ঋষি তুকাৰামৰ কথা বাদ দিয়া। মই এজনী জীয়া মানুহ লীলা বেনাৰেই জীৱনৰ অভিজ্ঞতাৰ পৰা কৈছো। তোমাৰ জীৱন তোমাৰ বাবে। এইটো তোমাৰ নিজৰ জীৱন। তোমাৰ বাবে হ'ব লাগিবই। এইটো বহুত গুৰুত্বপূৰ্ণ কথা। জীৱনৰ প্ৰতিটো পল-অনুপল মহা মূল্যৱান।' বেনাৰেৰ মতে আমি হাঁহিব লাগে, খেলিব লাগে, গান গাব লাগে। চৰাইৰ দৰে ৰঙিয়াল স্বভাৱৰ এই নাৰীগৰাকীৰ আকাংক্ষা

ড° আনন্দ বৰমুদৈ

নাৰীৰ প্ৰতি বৈষম্যমূলক সমাজ এখনত পূৰণ হোৱাৰ আশা কম। বেনাৰেৰ আকাংক্ষাও পূৰণ নহ'ল। আকাংক্ষা আৰু প্ৰাপ্তিৰ ব্যৱধানে তেওঁৰ জীৱনৰ সাধাৰণ অৱস্থাক কৰুণ কৰিলে।

গাঁওখনত মঞ্চস্থ কৰিবলৈ যোৱা আণৱিক অস্ত্ৰ বিষয়ক বিচাৰৰ নাটকখন দলটোৱে ইতিমধ্যে সাতবাৰ বিভিন্ন ঠাইত মঞ্চস্থ কৰিছে আৰু আখৰাৰ প্ৰয়োজন নাই। মূল নাটক আৰম্ভ হোৱাৰ আগৰ সময়খিনিত দলটোৱে আন এখন নাটক আকস্মিকভাৱে মঞ্চস্থ কৰিবলৈ সিদ্ধান্ত কৰিছে। সময় পাৰ কৰাৰ উদ্দেশ্যৰে মঞ্চস্থ কৰিবলৈ লোৱা নাটকখনে আদালতৰে দৃশ্য। উকীল, বিচাৰক, সাক্ষী আদি একেই থাকিব। কেৱল অভিযুক্ত গৰাকী হ'ব লীলা বেনাৰে। অলপ সময়ৰ কাৰণে কোঠাৰ বাহিৰলৈ যাওঁতে সিদ্ধান্তটো বাকীসকলে লৈছে। এইখন নাটকৰ মূল উদ্দেশ্য আছিল কোনোবা এজনৰ বিৰুদ্ধে কাল্পনিক অভিযোগ আনি বিচাৰ কৰি আদালতৰ কাম-কাজ কেনেকৈ চলে তাৰ ধাৰণা এটা সামন্তক দিয়া। নাট্যদলৰ সদস্য অধ্যাপক ডামলে আৰু ৰাওটে আহিব নোৱাৰাৰ কাৰণে সামন্তয়ো ভাও ল'ব লাগিব আৰু আদালতৰ ধাৰণা এটা তেওঁক দিব পাৰিলে ভাল হয়। প্ৰথম অংকৰ শেষত বিচাৰকৰ আসনৰ পৰা কাশীকৰে অভিযুক্ত বেনাৰেক জনাইছে যে ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰা মতে বেনাৰেক নৱজাত শিশু হত্যাৰ অপৰাধত অভিযুক্ত কৰা হৈছে।

দ্বিতীয় অংকৰ আৰম্ভণিতে অভিযোগ আৰু আদালতৰ বিচাৰ এটা খেল অথবা ৰগৰ হিচাপে হাঁহি-ধেমালিৰ মাজেৰে আগ বাঢ়িছে। অভিনেতাকেইজনে পাণ খাই পিকাই ধেমালিৰ সুৰত কথা পাতি থকাৰ কাৰণেই বিচাৰক কাশীকৰে সাৱধানবাণী শুনাইছে, 'আদালত বহি থাকোতে সকলোৱে মনে মনে থাকিব লাগিব।' (silence must be observed while the court is in session) নৱজাতক হত্যাৰ অভিযোগ মিছ বেনাৰেৰ বিৰুদ্ধে আহোতে সামন্তই কৈছে যে তেওঁলোকৰ গাঁৱতো বিধৱা এগৰাকীয়ে তেনে অপৰাধ কৰিছিল। অভিযুক্তক জেৰা কৰা উকীল সুখাত্মেই অপৰাধৰ গুৰুত্ব বুজাবলৈ মাতৃত্বৰ মহত্ত্ব ব্যাখ্যা কৰিছে। মাতৃত্ব পৱিত্ৰ। মাতৃত্বৰ ধাৰণাটোৱেই মহৎ। নাৰীক আমি মানৱজাতিৰ মাতৃ হিচাপে স্বীকৃতি দিছো। আমাৰ সংস্কৃতিয়ে আমাক অবিৰাম মাতৃক পূজা কৰিবলৈ শিকায়। শিশুকালৰ পৰাই আমি ল'ৰা-ছোৱালীক কওঁ যে তোমালোকৰ মাতৃ তোমালোকৰ দেৱতা। মাতৃ এগৰাকীৰ ওপৰত গভীৰ দায়িত্ব ন্যস্ত কৰা হয়। ল'ৰা-ছোৱালীক সুৰক্ষা দিবলৈ সমস্ত অৱস্থিতিৰে তেওঁ মায়াবৃত্তৰ সৃষ্টি কৰে।' কাশীকৰে লগতে যোগ দিছে যে জননী আৰু জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ। সুখাত্মে, পংখি আদিৰ জেৰাৰ মাজেদি এই কথা প্ৰকাশ পাইছে যে বেনাৰে এগৰাকী অবিবাহিতা স্কুল শিক্ষয়িত্ৰী। সুখাত্মেই বেনাৰেৰ নৈতিক চৰিত্ৰ সম্পৰ্কে পংখিক সোধা প্ৰশ্নৰ



উত্তৰত কৈছে যে তেওঁ অনেক পুৰুষৰ পাছত দৌৰা নাৰী। এবাৰ তাই পংখিৰ বিয়াখন পাতি দিবলৈও বিচাৰিছিল।

সুখাত্মেই অভিনেতা ফাৰ্ণিকক সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছে যে তেওঁ নিজে বেনাৰেক ক'তো কোনো পুৰুষৰ লগত অশালীন অৱস্থাত দেখা নাই যদিও বালু ৰকডেই দেখিছে। বালু ৰকডেক কৰা জেৰাত তেওঁ কৈছে এদিন সন্ধিয়া ৰকডেই বেনাৰেক অধ্যাপক ডামলেৰ কোঠাত দেখা পাইছিল। বালুৱে কোৱা কথাৰ পাছত বেনাৰে ক্ৰমে গহীন আৰু উদ্বিগ্ন হৈ পৰিছে। তেওঁ প্ৰতিবাদ কৰিছে, 'মোৰ ব্যক্তিগত জীৱনৰ কথা ইয়াৰ মাজলৈ টানি অনাৰ প্ৰয়োজন নাই। যাৰ ঘৰলৈ যাবলৈ মন যায় মই যাম। ডামলেই মোক খাই পেলোৱা নাছিল।' কিন্তু কোঠাৰ ভিতৰত বেনাৰেক অধ্যাপক ডামলেৰ লগত দেখা পোৱা বুলি কোৱাৰ পাছত উকীলে বেনাৰেৰ আচৰণ সন্দেহজনক বুলি ঘোষণা কৰিলে। তাৰ প্ৰতিবাদত বেনাৰেই ক'লে যে তেওঁক তেওঁলোকৰ ৬৫ বছৰীয়া অধ্যক্ষৰ কোঠাতো দেখিব পাৰে, কিন্তু সেইটো আচৰণ সন্দেহজনক হোৱাৰ প্ৰমাণ হ'ব নোৱাৰে। কোনোবা সময়ত অকলশৰে এটা কোঠাত পুৰুষ এজনৰ লগত তেওঁ থাকিব লগা হ'ব পাৰে। তেনেকুৱা পঁচিশজন মানুহৰ নাম ঠিকনা তেওঁ নিজেই দিব পাৰে। উকীল সুখাত্মেই বেনাৰেই প্ৰতিবাদ কৰি কোৱা কথাকে তেওঁৰ বিৰুদ্ধে সাক্ষ্য হিচাপে টুকি ৰাখিবলৈ বিচাৰকক অনুৰোধ জনাইছে।

ৰকডেৰ পাছত সামন্তই দিয়া সাক্ষ্যই এই কথা প্ৰমাণ কৰিলে যে ডামলেৰ লগত হোৱা শাৰীৰিক সম্পৰ্কৰ ফলত বেনাৰে অন্তঃসত্ত্বা হৈছিল আৰু ডামলেই কোনো দায়িত্ব গ্ৰহণ নকৰাত বেনাৰেই আত্মহত্যাৰ কথা চিন্তা কৰিছিল। টেণ্ডুলকাৰৰ নাটকখনৰ ভিতৰতে মঞ্চস্থ হোৱা নাটকখনে দৰ্শকক অনবৰতে সোঁৰৱাই আছে যে এইখন এখন নাটক আৰু অভিযুক্ত, অভিযোগ আদি সকলো কাল্পনিক। আনহে নালাগে সামন্তই সাক্ষ্য দি কোৱা কথাখিনি আচলতে উপন্যাস এখনৰ পৰা পঢ়ি দিয়া কথাহে। কিন্তু কাল্পনিক অভিযোগবোৰৰ প্ৰতি বেনাৰেই যি ধৰণেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে, তাৰ পৰা সেই অভিযোগবোৰ সঁচা বুলিহে প্ৰমাণিত হৈছে। এই অভিযোগবোৰে পুৰুষ প্ৰধান সমাজ এখনে স্বাধীনমনা নাৰী এগৰাকীৰ ওপৰত কিদৰে নৈতিকতাৰ বোজা জাপি দিয়ে আৰু সমাজে অনৈতিক বিবেচনা কৰা সকলো কামৰ বাবে নাৰীগৰাকীক জগৰীয়া কৰে সেই কথাকে গুৰুত্ব সহকাৰে দাঙি ধৰা হৈছে। দ্বিতীয় অংকৰ শেষত অত্যাচাৰ আৰু অপমান সহিব নোৱাৰি বেনাৰে ওলাই যাবলৈ বিচাৰিছে, কিন্তু দুৱাৰখন বাহিৰৰ ফালৰ পৰা বন্ধ হৈ গৈছে।

তৃতীয় অংকৰ আৰম্ভণিতে বেনাৰেক সাক্ষী হিচাপে জেৰা কৰি বিভিন্ন প্ৰশ্ন কৰা হৈছে, কিন্তু তেওঁ একো উত্তৰ দিয়া নাই। তেওঁক তেওঁৰ বয়স কিমান সোধা হৈছে। উত্তৰ নিদিয়াত বয়স অনুমান কৰি লৈ ইমান বয়সলৈকে বিয়া কিয় হোৱা নাই বুলি প্ৰশ্ন কৰা হৈছে। তেওঁ জীৱনত বিয়া হোৱাৰ সুযোগ কিমানবাৰ পাইছিল আৰু কেনেকৈ সুযোগবোৰ হেৰুৱাইছিল সেই কথা সোধা হৈছে। বেনাৰে সন্ত্ৰস্ত হৈছে, উদ্বিগ্ন হৈছে, ওলাই যাবলৈ চেষ্টা কৰি যাব পৰা নাই। তেওঁক জোৰ কৰি ধৰি আনি কাঠগৰাত উঠাই দিয়া হৈছে। কাশীকৰে ঘোষণা কৰিছে যে বাল্যবিবাহ বন্ধ কৰাটো ভুল কাম আছিল। বাল্যবিবাহ পুনৰ আৰম্ভ কৰি ছোৱালীক কন্যাকালপ্ৰাপ্ত হোৱাৰ আগতেই বিয়া দি দিলে অবাধ যৌন মিলনৰো অন্ত পৰিব।

বেনাৰেই তেওঁক কৰা জেৰাৰ একো উত্তৰ নিদিয়াত মিছেছ কাশীকৰে যিবোৰ উত্তৰ দিছে সেইবোৰ বেনাৰেৰ কাৰণে আৰু লগতে নাৰী জাতিৰ কাৰণেও অপমানজনক। তেওঁৰ মতে মিছ বেনাৰেই বিয়া হ'বলৈ বিচৰা নাই বাবে বিয়া হোৱা নাই। বিয়া নোহোৱাকৈ সকলোবোৰ পাই থকাৰ কাৰণেই ছোৱালীবোৰ বিয়াত নবহে। সিহঁতক আৰাম লাগে। দায়িত্ব ল'বলৈ সিহঁত নাৰাজ। ছোৱালীয়ে শিক্ষা লাভ কৰি চাকৰি কৰি টকা উপাৰ্জন কৰিবলৈ যোৱাৰ পৰাই সকলোবোৰ ভুল হৈ গৈছে। অবাধ যৌনাচাৰে সমাজখন গ্ৰাস কৰিছে। বেনাৰেৰ বিৰুদ্ধে পোনপটীয়া অভিযোগ আনি মিছেছ কাশীকৰে প্ৰশ্ন কৰিছে, 'প্ৰতিটো অনুষ্ঠানৰ পাছত ৰাতি বেনাৰেই তাইক ঘৰত থৈ আহিবলৈ কেৱল ডামলেক কিয় লগ ধৰে?' সকলো কথা আৰু কামত বেনাৰে স্বাধীন। ডামলে নিজৰ পৰিয়াল থকা মানুহ। তেওঁ পাঁচটা ল'ৰা-ছোৱালীৰ বাপেক।

মিছেছ কাশীকৰৰ প্ৰৰোচনাত বালু ৰকডেই বেনাৰেৰ বিৰুদ্ধে অশালীন প্ৰস্তাৱৰ অভিযোগ আনিছে। অনুষ্ঠানৰ অন্তত এৰাতি বেনাৰেই তাক হাতত ধৰিছিল। সি হাতখন এৰুৱাই আনি কামটো অনুচিত বুলি কোৱাত তাক কথাটো গোপন কৰি ৰাখিবলৈ কোৱা হৈছিল। আন এদিন তেনেকুৱা ব্যৱহাৰৰ কাৰণেই ৰকডেই বেনাৰেক এচৰ মাৰিছিল বুলিও অভিযোগ আনিছে। বেনাৰেতকৈ বয়সত বহুত সৰু ৰকডেক তেনে ব্যৱহাৰ কৰাৰ বাবে আদালতত উপস্থিত সকলোৱে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বেনাৰেই অভিযোগ মিছা বুলি কৰা প্ৰতিবাদলৈ কোনেও কাণ দিয়া নাই। পংখিয়ে অভিযোগ আনিছে যে বেনাৰেই তাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল। কাৰ ফালৰ পৰা তেওঁ অন্তঃসত্ত্বা হৈছিল সেই কথা কাকো নক'বলৈ তেওঁ পংখিক শপত খুৱাইছিল। এজন মানুহে তেওঁক অন্তঃসত্ত্বা কৰিছে আৰু আন এজন মানুহক তেওঁ বিয়া কৰাবলৈ কৈছে। পংখিয়ে যেতিয়া মাক আৰু গৰ্ভস্থ সন্তানৰ দায়িত্ব ল'বলৈ অস্বীকাৰ কৰিলে, তেতিয়া তেওঁ বেনাৰেৰ বেগৰ পৰা টিক্ ২০ৰ বটল এটা বাগৰি যোৱা পংখিয়ে দেখা পাইছিল। পংখিয়ে এই কথাও কৈছিল যে পেটৰ সন্তানটোক বচাবলৈ আৰু ডাঙৰ- দীঘল কৰিবলৈ বেনাৰেই তেওঁক বিয়া কৰাৰ প্ৰস্তাৱ দিছিল। ডামলেক বুদ্ধিমত্তাৰ কাৰণে বেনাৰেই পূজা কৰিছিল, কিন্তু ডামলেই কেৱল তাইৰ শৰীৰটোহে চিনি পালে। কাৰ্ণিকৰ মতে বেনাৰেই ৰকডেকো বিয়াৰ বাবে অনুৰোধ কৰিছিল। ৰকডেই উত্তৰত ক'লে যে তেনেকুৱা অৱস্থাত তাইক বিয়া কৰালে গোটেই পৃথিৱীয়ে তাৰ গালৈ বোকা ছটিয়াব। কাৰ্ণিকে আৰু কৈছে যে বেনাৰেই ১৫ বছৰ বয়সতে নিজৰ মোমায়েকৰ প্ৰেমত পৰিছিল আৰু সেই সম্পৰ্ক বিফল হোৱাত তেওঁ আত্মহত্যাৰ চেষ্টা কৰিছিল।

বিচাৰপতি কাশীকৰে দিয়া সাক্ষ্যৰ পৰা জনা গৈছে যে বেনাৰেৰ স্কুল কৰ্তৃপক্ষই তেওঁৰ বিৰুদ্ধে অনুসন্ধান কৰি অবিবাহিত অৱস্থাত গৰ্ভৱতী হোৱাটো অপৰাধ আৰু পাপ বিবেচনা কৰি তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্ত লৈছে। এই কথা গম পোৱাৰ লগে লগেই বেনাৰেই আদালতৰ ভিতৰতে টিক্ ২০ৰ বিহখিনি খাবৰ চেষ্টা কৰি বিফল হৈছে। সকলো অভিযোগৰ শেষত সুখাত্মেই কৈছে যে বেনাৰেৰ কাৰ্যই সকলো নৈতিক আৰু সামাজিক মূল্যবোধত কালিমা সানিলে। কুমাৰী মাতৃত্ব ভয়ংকৰ অপৰাধ। ইয়াক ক্ষমা কৰিলে সামাজিক অনুষ্ঠান হিচাপে বিবাহ নোহোৱা হৈ যাবও পাৰে। নাৰী স্বাধীন হ'বৰ উপযুক্ত নহয়। বেনাৰে স্বাধীন হ'বৰ উপযুক্ত নহয়।

ট্ৰেজেডি নাটকৰ নায়ক বা নায়িকাই সীমিত চেতনাৰে কৰ্মত তৎপৰ হয় আৰু নিজতকৈ অনেক গুণে শক্তিশালী প্ৰতিদ্বন্দ্বীৰ লগত হোৱা সংঘৰ্ষত ধ্বংস হৈ যায়। টেণ্ডুলকাৰৰ নাটকখনত এই সংঘৰ্ষ বিভিন্ন সমতলত দেখুওৱা হৈছে। ব্যক্তিৰ লগত সামাজিক অনুষ্ঠান আৰু নৈতিক মূল্যবোধৰ সংঘাত হৈছে। আধুনিক শিক্ষাই চিন্তা চেতনালৈ অনা পৰিৱৰ্তনৰ লগত মৃত অভ্যাস আৰু পৰম্পৰাৰ সংঘাত উপস্থিত হৈছে। এগৰাকী শিক্ষিত, আত্মনিৰ্ভৰশীল, জীৱন আৰু জগতক ভাল পোৱা নাৰীৰ স্বাধীন চিন্তা পুৰুষ প্ৰধান সমাজৰ বৈষম্যমূলক আচৰণৰ লগত দ্বন্দ্বত উপস্থিত হৈছে আৰু নাৰীগৰাকী ধ্বংস হৈ গৈছে। তেওঁৰ গৰ্ভত থকা সন্তানটোক ধ্বংস কৰিবলৈ আদালতে হুকুম দিছে। শ্লেষাত্মক পৰিস্থিতিটো হ'ল যে বেনাৰে জীয়াই থাকিব, কিন্তু তাইৰ চাকৰিটো নাথাকে আৰু তাইৰ গৰ্ভস্থ সন্তানটো নাথাকে। বেনাৰেই তেওঁৰ ব্যক্তিগত যুক্তি-বিচাৰক সমাজৰ মতামতৰ বিৰুদ্ধে থিয় কৰাইছিল আৰু এগৰাকী অকলশৰীয়া নাৰীৰ বিৰুদ্ধে পুৰুষতন্ত্ৰ বহুত শক্তিশালী বুলি প্ৰমাণিত হ'ল। ট্ৰেজিক নায়িকা বেনাৰেই ট্ৰেজিক খুঁতৰ কথা নিজেই উল্লেখ কৰিছে— 'এই শৰীৰটো বিশ্বাসঘাতক! এই শৰীৰটোক মই ঘিণ কৰো— আৰু ইয়াক মই ভাল পাওঁ।' এই শৰীৰৰ আবেদনৰ কাৰণেই প্ৰতাৰিত হৈয়ো তাই আকৌ প্ৰেমত পৰিছে। ট্ৰেজিক সংঘাতৰ শীৰ্ষ বিন্দুত থাকিও কিন্তু বেনাৰেই শৰীৰ আৰু শাৰীৰিক আবেদনৰ ন্যায্যতাহে অনুভৱ কৰিছে। মোৰ সন্তান মোৰ সমস্ত অস্তিত্ব।' এই সন্তানক ধাৰণ কৰিবলৈকে বেনাৰেক শৰীৰটো লাগে। বেনাৰেক সংঘাতে ধ্বংস কৰিব পাৰে, কিন্তু পৰাজিত কৰিব নোৱাৰে। ট্ৰেজেডিৰ নায়ক বা নায়িকা আচলতে নিৰাশবাদী নহয়, মূল্যবোধক সাব্যস্ত কৰি বেনাৰে নিজে ধ্বংস হৈ গৈছে। বেনাৰে এটা অবিস্মৰণীয় ট্ৰেজিক নাৰী চৰিত্ৰ।

ফোন ঃ ৯৮৬৪২৩২০৮৬

ডষ্টয়েভস্কিৰ মিষ্টাৰ প্ৰ'খাৰচিন

মানৱ মনৰ অধ্যয়ন এটা জটিল বিষয়। অথচ মনস্তত্ত্ব এটা বিদ্যায়তনিক বিষয় হিচাপে স্বীকৃত হোৱাৰ বহু পূৰ্বৰে পৰা বিবিধ সাহিত্য ৰচনাত জটিল মানৱ মনৰ বিভিন্ন দিশ উন্মোচিত হৈ অহা দেখিবলৈ পাওঁ। সি প্ৰাচীন ধ্ৰুপদী সাহিত্য শ্ৰেণীৰ কোনো সৃষ্টিয়েই হওক বা ৰোমাণ্টিক যুগ অথবা আধুনিক যুগৰ কোনো সৃষ্টিয়েই নহওক কিয়! মানৱ মনৰ জটিল তৰপবোৰ ভেদ কৰি তৰপ বিশেষৰ সূক্ষ্ম বিচাৰ-বিশ্লেষণ আগবঢ়োৱা প্ৰত্যাহ্বানপূৰ্ণ কাম যুগ যুগ ধৰি লেখক-সাহিত্যকাৰসকলে কৰি আহিছে। অন্যান্য ভাষাৰ সাহিত্যৰ দৰে ৰুছ সাহিত্যতো এনে বিষয়ৰ চিনাক্তকৰণ আৰু বিশ্লেষণত প্ৰখ্যাত ৰুছ সাহিত্যিকসকলে আত্মনিয়োগ কৰি আহিছে। তেওঁলোকৰ ভিতৰত ফিয়'ডৰ ডষ্টয়েভস্কিও এজন।

১৮৪৬ত Annals of the Fatherland শীৰ্ষক ৰুছ সাহিত্য আলোচনীত ডষ্টয়েভস্কিৰ 'মিষ্টাৰ প্ৰ'খাৰচিন' (Mister Prokharchin) নামৰ গল্পটো প্ৰকাশ হৈছিল। চেইণ্ট পিটাৰ্চবাৰ্গৰ পৰা প্ৰকাশ হোৱা উক্ত Annals of the Fatherland আলোচনীখন মাহেকীয়া আলোচনী আছিল। ১৮১৮ৰ পৰা ১৮৮৪লৈ প্ৰকাশিত হোৱা আলোচনীখনে সমসাময়িক ৰুছ সমাজৰ সকলোবোৰ দিশ সামৰিছিল। লগতে সেই সময়ছোৱাৰ প্ৰগতিশীল চিন্তাৰ লেখকসকলৰ বাবে এই আলোচনীখন হৈ পৰিছিল সাৰুৱা ক্ষেত্ৰ। এইখন আলোচনীতে ডষ্টয়েভস্কিয়ে তেওঁৰ বিশেষ গল্প 'মিষ্টাৰ প্ৰ'খাৰচিন' প্ৰকাশ কৰিছিল।

গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ চে'ময়ন ইভানোভিচ প্ৰ'খাৰচিন আছিল উষ্টিনিয়া ফিয়োডৰভনা নামৰ মহিলা গৰাকীৰ ভাড়াতীয়া। মহিলাগৰাকীয়ে তেওঁৰ ঘৰৰ ভালেকেইটা কোঠা চাকৰিয়াল আৰু অন্যান্য বৃত্তিধাৰী পুৰুষ কেইগৰাকীমানক ভাড়াত দিছিল। আটাইকেইজন ভাড়াতীয়াৰ ভিতৰত

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন

প্ৰ'খাৰচিনকেই সকলোতকৈ অমায়িক ভদ্ৰলোক বুলি তেওঁ বিবেচনা কৰিছিল। তাৰ কাৰণটো হ'ল যে তেওঁ অন্যান্য ভাড়াতীয়াৰ দৰে মদ খাই হুলস্থূল নকৰে। সেইবাবে কম দৰমহা পোৱা এই বিশেষ ভাড়াতীয়াগৰাকীৰ পৰা উষ্টিনিয়াই কেইটকামান কমকৈ ভাড়া লৈছিল যদিও ভালে কেইবছৰ ধৰি তেওঁ তেওঁৰ ভাড়াঘৰ এটাত প্ৰায় স্থায়ী বাসিন্দা হোৱাৰ নিচিনাই।

প্ৰ'খাৰচিনে অন্যান্য ভাড়াতীয়া কেইজনৰ লগত অধিক মিলা-মিছা নকৰিছিল। তেওঁলোকৰ দৃষ্টিত প্ৰ'খাৰচিন পুৰণি ধ্যান ধাৰণাৰ বয়সীয়া ব্যক্তি, যিয়ে জীৱনটোক লৈ আনন্দ কৰিব নাজানে। কমকৈ দৰমহা পোৱা কাৰণতে তেওঁ আধাপেটীয়াকৈ থাকি পৰিমিত ভোজন কৰিছিল। সেইদৰে তেওঁ দুপইচা ৰাহি কৰিছিল কাৰণ তেওঁ তেওঁৰ বোৱাৰীয়েককো পোহপাল দিব লাগে। ওচৰ চুবুৰীয়া কেইজনে তেওঁৰ লগত সম্পৰ্ক সহজ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। পিছে প্ৰ'খাৰচিনে তেওঁলোকক সেই সুযোগ দিব খোজা নাছিল। কেতিয়াবা তেওঁ নিজেই তেওঁলোকৰ লগত সহজভাৱে কথা পাতিবলৈ চেষ্টা কৰিছিল যদিও তেওঁ নিজকে প্ৰকাশ কৰিব নোৱৰাৰ বাবেই হওক বা আন কিবা অজান আশংকা বা হীনাত্মিক মনোভাৱৰ বাবেই হওক সেয়া সম্ভৱ হৈ উঠা নাছিল।

তেনেতে অকস্মাৎ কেইদিনমানৰ বাবে তেওঁ নিখোজ হৈছিল। ঘৰটোত বাস কৰা সকলো বাসিন্দা তেওঁক লৈ উৎকণ্ঠিত হৈ পৰিছিল। পিছে কোনেও একো উৱাদিহ পোৱা নাছিল। কেইদিন মানৰ পাছত অসুস্থ অৱস্থাত তেওঁক কোনোবাই আনি ভাড়াঘৰত থৈ যায়। পৰৱৰ্তী সময়ছোৱাত উদ্ভৱ হোৱা কিছুমান পৰিস্থিতি আৰু তেওঁৰ আকস্মিক বিয়োগে ঘৰটোত বাস কৰা সকলো সদস্যৰ মনত প্ৰৱল উৎকণ্ঠা আৰু আলোড়ন সৃষ্টি কৰিছিল। সকলোৱে দৃষ্টি কেন্দ্ৰিত হৈছিল তেওঁ অতি যত্নৰে থোৱা তেওঁৰ এটা তলামৰা বাকচত। কিন্তু সেই বাকচটো খোলাৰ পাছত সকলো নিৰাশ হৈছিল কাৰণ তাত ভবা ধৰণে কোনো ধৰণৰ বহুমূলীয়া সামগ্ৰী নাছিল।

আশ্চৰ্যৰ কথা যে যেতিয়া তেওঁৰ পুৰণি তুলীখন ফালি পোলোৱা হ'ল আৰু তুলীখনৰ তলত লুকুৱাই থোৱা কাগজৰ টোপোলাটোৰ পৰা মুদ্ৰা উদ্ধাৰ কৰা হ'ল তেতিয়া তাত উপস্থিত থকাসকলৰ বিস্ময়ৰ সীমা নোহোৱা হ'ল। মৃতকৰ কোঠাৰ পৰা সৰ্বমুঠ দুহেজাৰ চাৰিশ সাতানব্বৈ ৰুবল আৰু পঞ্চাছ ক'পেক উদ্ধাৰ হৈছিল। এই বুজন পৰিমাণৰ ধন দেখি কাৰো মনত এইটো সন্দেহ নাথাকিল যে দৰাচলতে মিষ্টাৰ প্ৰ'খাৰচিনে ইমান দিনে নিজৰ দীনতাৰ এক অভিনয়হে কৰি আছিল। পিছে তেওঁৰ তেনেকুৱা আচৰণ প্ৰদৰ্শনৰ আঁৰত কি আছিল তাক কোনেও গম নাপালে।

এই গল্পটোৰ মূল পাঠ পঢ়া পঢ়ুৱৈসকলৰ মনত গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰৰ প্ৰতি কৰুণাৰ ভাব উদ্ৰেক নোহোৱাকৈ নাথাকে। পিছে গল্পটোৰ পৰিণতিয়ে পাঠকক ভবাই নোতোলাকৈ নাথাকে যে চৰিত্ৰটোৱে পোষণ কৰা এনে মনোভাৱৰ আঁৰত কিহে ক্ৰিয়া কৰিছিল। এইখিনিতে লেখকৰ গভীৰ মননশীলতা আৰু মানৱ চৰিত্ৰৰ গভীৰতাত নিহিত থকা ৰহস্যময় চেতনাৰ সন্ধান আৰু তাৰ উন্মোচন। সেইফালৰপৰা চাবলৈ গ'লে মিষ্টাৰ প্ৰ'খাৰচিন এটা স্বাৰ্থপৰ চৰিত্ৰ হিচাপে বিবেচিত হ'ব, যিয়ে আজীৱন নিজৰ স্বাৰ্থৰ কথাই চিন্তা কৰিছিল। তাৰ বাবে তেওঁ নিজকে নিজে কঠোৰ 'শাস্তি' প্ৰদান কৰিছিল - সকলোৱে পৰা নিজকে নিলগত ৰাখি। তেওঁ নিজৰ চৌপাশে মিথ্যাচাৰৰ এনে এখন অভিনৰ আৱৰণ সৃষ্টি কৰি লৈছিল যে তেওঁক সদায় দেখি থকা মানুহেও সেই মিথ্যাচাৰৰ আৱৰণখন ভেদ কৰি তেওঁৰ চৰিত্ৰৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিব পৰা নাছিল। সেই আৱৰণখনৰ মাজত নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰ'খাৰচিন সদায় তৎপৰ আছিল। সেই মিথ্যাচাৰৰ বাবে তেওঁ বিবেক দংশনত ভুগিছিল যদিও পাকৈত অভিনেতাৰ দৰে তেওঁ নিজকে সদায় সুৰক্ষিত দূৰত্বত ৰাখিছিল।

মন কৰিবলগীয়া যে এই বিশেষ চৰিত্ৰটো এটা সঁচা চৰিত্ৰক ভিত্তি কৰি গঢ় লোৱা চৰিত্ৰ। লেখক ডষ্টয়েভস্কিয়ে যেন সেই সঁচা চৰিত্ৰটোত ৰং তুলিকা বোলাই অধিক মনোজ্ঞ ৰূপ প্ৰদান কৰিছে। *(আগলৈ)*

neevarani11@gmail.com

নাজ্‌ৰা চুলতানাৰ বিদীৰ্ণ হৃদয়

নাজ্‌ৰা চুলতানাৰ প্ৰথম কাব্য পুথি 'বিদীৰ্ণ হৃদয়'। নিজকে কবি হিচাপে চিনাকি দিয়াৰ বাসনা কোনো দিনেই নাছিল। কিন্তু স্বামী আৰু পুত্ৰৰ অকাল আৰু আকস্মিক বিয়োগত জীৱনৰ গতি স্তব্ধ হৈ পৰা নাজ্‌ৰা চুলতানাক আশ্ৰয় দিলে কবিতাই। কবিতা হৈ পৰিল জীৱন সংগী। কবিতাই কাণে কাণে ক'লে, 'মোৰ মাজেৰেই তুমি হৃদয়ৰ কথা কোৱা। তোমাৰ দুখ-বিষাদক ছন্দময় গতি দিয়া। সেই ছন্দময় গতি তুমি শুনা তাতেই সুখ আছে।' বিদীৰ্ণ হৃদয়ৰ আৰম্ভণিতে 'আত্ম নিবেদন' শিতানত কবি নাজ্‌ৰা চুলতানাই কোৱা কথাখিনিৰ পৰা আৰু পাতনিত বিশিষ্ট লেখক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে কোৱা কথাখিনিৰ পৰাই এই ধাৰণা আমাৰ হৈছে।

বিদীৰ্ণ হৃদয়ত কি আছে ? কবিৰ ভাষাত—

'মোৰ কবিতাত নোপোৱা তুমি
কঠিন শব্দৰ সমাহাৰ
হয়তো নাপাবা বিচাৰি
বৌদ্ধিক মহলৰ আহাৰ

তুচ্ছ জীৱনৰ ঘাত-প্ৰতিঘাতৰ
যতবোৰ আছে কথা,
প্ৰাণৰ হাঁহি, হৃদয়ৰ বেথা
এই কবিতাতে আছে গঁথা।'

বৌদ্ধিক মহলৰ আহাৰৰ বাবে কবিতা নিলিখে, লিখা উচিত নহয়। প্ৰাণৰ হাঁহি, হৃদয়ৰ বেথাৰ ছবি কবিয়ে আঁকে। তাতেই সাধাৰণ মানুহে (পাঠকে) নিজকে বিচাৰি পায়। ১২৮ পৃষ্ঠাৰ কাব্যপুথিখনত ১২২টা স্ব-ৰচিত কবিতা আৰু গুলজাৰৰ ১৭টা কবিতাৰ অনুবাদ সন্নিবিষ্ট কৰা হৈছে। কিতাপখনৰ পাতনিত ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে কৈছে—

'নাজ্‌ৰাৰ কবিতাত আছে প্ৰেমৰ অন্তঃসলিলা, আবুৰ নোহোৱা ভাৱৰ বুৰবুৰণি, প্ৰকৃতিৰ মন জুৰোৱা ছবি। ব্যক্তি আৰু প্ৰকৃতিৰ সম্বন্ধ অনন্তকলীয়া। ই হৈ পৰে ভাৱ প্ৰকাশৰ উদ্দীপন, কবিতাৰ প্ৰতীক, উপমা। প্ৰকৃতিৰ বিভিন্ন উপাদানে দোলা দিয়া ভাৱৰ বুৰবুৰণিয়ে নাজ্‌ৰাৰ কে'বাটাও কবিতাত ভুমুকি মাৰিছে। জীৱনৰ অনুভৱৰ দলিচাত কেইটামান কবিতাই ৰং সলাই হৰ্ষ-বিষাদৰ ৰূপ ছবি দাঙি ধৰিছে। জীৱনটো কেৱল স্বপ্ন নহয়, বাস্তৱ জীৱনৰ

থানেশ্বৰ মালাকাৰ

খকা-খুন্দাত আচাৰ খাই পৰে সুৱদি সপোন, আহত হয় হৃদয়, মৰহি যায় সৃষ্টিৰ সৌন্দৰ্য। জীৱনৰ সেয়ে বাৰেবৰণীয়া ছবি অঁকাত নাজ্‌ৰা সফল হোৱা বুলি ক'ব পাৰি।' ৰায়চৌধুৰীৰ বক্তব্যৰ সমৰ্থনত নাজ্‌ৰা চুলতানাৰ দুই এফাঁকি কবিতাকে চাব পাৰি—

১। মোৰ আত্মকথানো কি কওঁ
জীৱন—এক কণ্টক বৃষ্টি প্ৰমাণ,
তোমাৰ হৃদয়ৰ পৰা বিচ্ছিন্ন হোৱা
এক নিষ্প্ৰাণ প্ৰাণ।' (কবিতা—আত্মকথা)

২। ৰূপ, ৰস, গন্ধে ভৰা
মোৰ সেই যে ফাগুন
কুঁৱলীৰ বোকোচাত ভাহি অহা
প্ৰেমৰ বোলসনা সেই যে আঘোণ
আজিচোন
এৰি অহা দূৰৈৰ সপোন।
(কবিতা—ফাগুন, আঘোণ, সপোন)

পতিতাৰ দুখত দুখী কবি।

'কত কল্পনা, কত স্বপ্ন লৈ
সুৰঞ্জনা আহিছিলা এই ধৰালৈ
অভাৱেৰে হৈ জুৰুলি-জুপুৰি
শতৰুৰ চতুৰালি
অৱগুণ্ঠন ফালি-ছিৰি
যৌৱন নিলে কাঢ়ি
আজি তুমি লাঞ্ছিতা
তুমি ধৰ্ষিতা
লোকচক্ষুত তোমাৰ পৰিচয়
তুমি এক পতিতা।' (কবিতা—পতিতা)

কবি হীৰেন ভট্টাচাৰ্যক সুঁৱৰিও নাজ্‌ৰা চুলতানাই কবিতা এটা সংযোজিত কৰিছে। হয়তো হীৰুদাৰ কবিতাৰ প্ৰভাৱ ক'ব নোৱাৰাকৈয়ে চুলতানাৰ জীৱনত পৰিছে। সেই বাবেই 'বিদীৰ্ণ হৃদয়'ৰ বেছিভাগ কবিতাই চুটি কিন্তু ঘন অৰ্থবহ—

১। 'সমুখত দেখি আছা
এই হাঁহি, এই প্ৰসাধন
তুমিতো শুনা নাই
মোৰ হিয়াৰ গোপন ক্ৰন্দন।'
(কবিতা—দাপোণ)

২। মোৰ স্তিমিত তেজস্ৰোতত
আজিও আছে বৈ
তোমাৰ জীপাল প্ৰেমৰ
মিঠা অনুভৱৰ নৈ।
(কবিতা—স্ৰোত)

২৩ মাৰ্চ (২০২২)ত উন্মোচিত এই কাব্য পুথিখনৰ আকৰ্ষণীয় বেটুপাত আঁকিছে কবিৰ কণমানি নাতি আবিৰ গগৈয়ে— গ্ৰন্থখনৰ প্ৰকাশক— শব্দ প্ৰকাশন, বেলতলা, মুদ্ৰণ শিৱা প্ৰিণ্টাৰ্চ্। মূল্য এশ টকা।

গুলজাৰৰ কবিতাখিনিৰ সংযোজনে গ্ৰন্থখনক সোণত সুৱগা চৰাইছে।

ফোন ঃ ৯৪৩৫০৫৪৩৮৪

ধম্মপদ গ্ৰন্থৰ বিষয়বস্তুৰ চমু কথা

মানৱতাবাদী আদৰ্শৰে প্ৰাচীন ভাৰতীয় চিন্তাক মহিমাময়ী কৰা গ্ৰন্থসমূহৰ ভিতৰত 'ধম্মপদ'ৰ নাম ল'ব লাগিব। ই এক গভীৰ মানৱতাবাদী প্ৰমূল্যৰ ওপৰত বৌদ্ধধৰ্ম প্ৰতিষ্ঠিত, যি ধম্মপদৰ মাজেৰে সুন্দৰভাৱে গাথা ৰূপত বিকশিত হৈ উঠিছে। বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ বিভিন্ন শাখা-প্ৰশাখাৰ মাজেৰে পালি, প্ৰাকৃত আৰু সংস্কৃত ভাষাত এই 'ধম্মপদ' ৰচিত হৈ দেশ-বিদেশত সমাদৰ লাভ কৰিছিল।

এই 'ধম্মপদ' গ্ৰন্থখন হিন্দু ধৰ্মৰ শ্ৰেষ্ঠ 'গীতা' গ্ৰন্থৰ লেখীয়া। ধৰ্মীয় গ্ৰন্থ গীতাৰ মাজেৰে যিদৰে মানৱ আত্মাৰ আদৰ্শ প্ৰতিষ্ঠিত হৈছে, তেনেদৰে 'ধম্মপদ' গ্ৰন্থত বিভিন্ন গাথাৰ মাজেদি নৈতিকতাপূৰ্ণ মানৱ সমাজ সৃষ্টিৰ আকাংক্ষাও প্ৰকাশিত হৈছে। প্ৰেম, দয়া, ত্যাগ, উদাৰতা, অহিংসা আৰু কৰুণাৰে সংপৃক্ত হৈ মনুষ্যত্ব বিকাশৰ লক্ষ্য প্ৰতিটো গাথাৰ মাজেদি সুন্দৰভাৱে অৱলোকিত হৈছে।

ড° নৰনাৰায়ণ শৰ্মা

'ধম্মপদ' গ্ৰন্থখনৰ বিভিন্ন গাথাসমূহ বুদ্ধদেৱৰ মুখনিঃসৃত বুলি বিশ্বাস কৰা হৈছে। এই গাথাসমূহৰ মাজেৰে ঘাইকৈ বৌদ্ধিক জীৱন-ধাৰণ প্ৰণালী আৰু নৈতিকতাৰ দিশ অৱলোকিত হৈছে। 'ধম্মপদ'ৰ গাথাসমূহ সুশৃংখলিত আৰু অৰ্থপূৰ্ণ, পালি সাহিত্যত ইয়াৰ এটা বিশেষ নাম আছে। প্ৰাশ্চ্যতত্ত্ববিদ মেকডোনেলে 'ধম্মপদ' সম্পৰ্কে এনেদৰে বক্তব্য প্ৰকাশ কৰিছে— উপমা, দৃষ্টান্ত, ৰূপক আদি অলংকাৰেৰে শোভিত গাথাসমূহৰ মাজেদি বুদ্ধৰ ধৰ্মমতৰ আদৰ্শ বিকশিত হৈছে, য'ত বৌদ্ধিক, শুদ্ধ জীৱন-যাত্ৰাৰ আদৰ্শও ৰক্ষিত হৈছে। মধ্য এছিয়াৰ ধ্বংসস্তূপৰ পৰা আৱিষ্কৃত 'ধম্মপদ'ৰ বিভিন্ন গাথাৰ মাজেদি সকলো অন্ধবিশ্বাস, অনাচাৰ ব্যভিচাৰৰ পৰা মুক্ত মানৱতাবাদৰ ধ্বনি বিকশিত হৈ উঠিছে। ইয়াৰ ভাবৰাশি ত্ৰিশৰণৰ মাজেদি আগবাঢ়িছে ঃ এই ত্ৰিশৰণ হৈছে বুদ্ধদেৱ ভগৱানৰূপে পৰিচিত, তেওঁৰ পৰা অনুসৃত ধৰ্মই শ্ৰেষ্ঠ ধৰ্ম আৰু সংঘই হৈছে প্ৰধানস্থলী। চতুৰাৰ্য সত্য আৰু অষ্টাংগিক মাৰ্গ—এই দুয়ো বিধেই ধম্মপদৰ ভিতৰুৱা বুলি বিবেচিত হৈছে। ইয়াৰ ভিতৰত অষ্টাংগিক মাৰ্গৰ সাধনাকে মূল বুলি বিবেচনা কৰা হৈছে। 'ধম্মপদ'ৰ তাত্ত্বিক কথা 'বুদ্ধ বগ্‌গো'ৰ বিভিন্ন গাথাৰ মাজেদি উদ্ভাসিত হৈছে। যি বৌদ্ধধৰ্ম আৰু সংঘৰ শৰণ গ্ৰহণ কৰে, আৰু সুখ-দুখৰ উৎপত্তি, দুখ নিৰোধ আৰু দুখ নিৰোধৰ উপায় স্বৰূপ আৰ্য অষ্টাংগিক মাৰ্গ— এই চতুৰাৰ্য সত্যক সম্যক জ্ঞানেৰে দৰ্শন কৰে, তেওঁৰ বাবে শৰণ নিৰাপদ; ইয়ে উত্তম শৰণ। এনে শৰণ গ্ৰহণ কৰিলে সৰ্বদুখৰ পৰা মুক্তি লাভ কৰা যায়।

দুখ নিৰোধৰ উপায় হৈছে নিৰ্বাণ লাভ। আনহাতে, নিৰ্বাণৰ অৰ্থ হৈছে বিনাশ, কিন্তু এই বিনাশ প্ৰকৃতিৰ বিনাশহে। এই দুখ নিবাৰণৰ পথ পিতৃ-মাতৃৰ পৰা পাব নোৱাৰি অথবা যাগ-যজ্ঞৰ পৰাও নোৱাৰি, কেৱল নিজৰ আত্মশুদ্ধিৰ দ্বাৰাহে ই সম্ভৱ হয়। 'ধম্মপদ' গ্ৰন্থৰ মাজেদি অনিত্যতাৰ কথা কোৱা হৈছে আৰু এই সংসাৰখনক মৰীচিকাৰ লগত ৰিজনি কৰি ইয়াৰ তাত্ত্বিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই অশান্তজৰ্জৰ পৃথিৱীত শান্তি বিচাৰি পোৱা যায় নিৰ্বাণৰ উপলব্ধিৰ মাজেদি। সেয়ে 'ধম্মপদ'ত উল্লেখ আছে যে নিৰ্বাণ হৈছে সৰ্বমংগলময় অৱস্থা; ইয়াৰ উপলব্ধ অৱস্থাই মানুহক শান্তি আৰু আনন্দ দিয়ে।

ফোন ঃ ৯৮৫৯২৬১০৩৫

বৈ বৈ কুলিয়ে বিনায়

ড° নিৰূপা ৰয় বৰুৱা

(১)

স্বপ্নাতুৰ ৰাতি এটাত
তোৰ চাদৰৰ ভাঁজত
সেউজীয়া অনুভূতিৰ
শিনলুফুলীয়া মৰমবোৰে
মোক কোঙা কৰি পেলায়।

(২)

সোঁৱৰণি হোৱা
পাঠশালাৰ স্মৃতিবোৰে
কলিজাত বিন্ধে
বিহুৱে ৰিঙিয়াইছে
আহ
জুৰীয়া নৈৰ ঘাটত
আকৌ এবাৰ
তোৰ উদং বুকুত
ফুলি উঠো।

(৩)

তোৰ টৌ খেলা চুলিৰ
সুগন্ধি তেলৰ গোন্ধত
জী উঠিম
জ্যোৎস্নাৰ গোলাপ হৈ
আকৌ এবাৰ
মোৰ উশাহত
গজি উঠিব
প্ৰাচীন প্ৰেমৰ উন্মীলন।

(৪)

ব'হাগৰ দুপৰত
বুকুখনে ধপ্‌ধপায়
ইতিহাসৰ পাতত
সংস্কৃতিৰ ধ্বংসস্তূপ
ব'হাগৰ কিন্‌কিনীয়া
তেজৰ বৰষুণত তিতি
বৈ বৈ কুলিয়ে বিনায়...।



একাদশ সংখ্যা কমতাৰত্ন

২০১১ৰ চাৰি ডিচেম্বৰত অগ্ৰগণ্য সমাজসেৱী আৰু সাহিত্যিক কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ গাড়ী দুৰ্ঘটনাত পৰলোক হৈছিল। সেই চনৰ পৰাই ৰত্নপীঠ প্ৰকাশনে তেওঁৰ স্মৃতি দিৱসত প্ৰতিবছৰে একোখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি আহিছে। এইবছৰো বাৰ্ষিক প্ৰকাশ 'কমতাৰত্ন'ৰ একাদশ সংখ্যা সুন্দৰকৈ প্ৰকাশ কৰি উলিওৱা হৈছে আৰু এইবাৰ এই পুথিখনে আইএছবিএন নম্বৰো লাভ কৰাত, গ্ৰন্থখনৰ মৰ্যাদা বৃদ্ধি হৈছে। গ্ৰন্থখন সম্পাদনা কৰিছে অজিত কুমাৰ দাস, ৰমলা ৰায় চৰকাৰ, ড° ৰূপাঞ্জলী দেৱী, মঞ্জুপ্ৰভা দেৱী আৰু ড° আব্দুছ চবুৰে।

বহুভাষী গ্ৰন্থখনত অসমীয়া আৰু ৰাজবংশী ভাষাত ৩৩টা লেখাৰ উপৰি হিন্দীৰ এটা আৰু ইংৰাজীত তিনিটা লেখা সংকলিত কৰা হৈছে। গ্ৰন্থখনত প্ৰয়াত অম্বিকাচৰণ চৌধুৰীৰ জীৱন আৰু কাৰ্যাৱলীৰ লগতে পশ্চিম অসমৰ ঐতিহাসিক ঘটনা আৰু লোকসংস্কৃতিমূলক প্ৰবন্ধই গ্ৰন্থখনৰ গুৰুত্ব বৃদ্ধি কৰিছে। গ্ৰন্থখনত ৰাজবংশী ভাষাৰ গৱেষণামূলক প্ৰবন্ধই পশ্চিম অসম আৰু উত্তৰ বংগত প্ৰচলিত ভাষাটোৰ প্ৰসাৰৰ অৰিহণা যোগাব বুলি ক'ব পাৰি। ড° জবা ঠাকুৰীয়াৰ 'গোৱালপৰীয়া লোকগীতৰ তাত্ত্বিক দিশৰ

ড° দেবেন চন্দ্ৰ দাস

আলোকপাত' ড° চন্দনা দাসৰ ' কোচ ৰজাই পৃষ্ঠপোষকতা আৰু মহাপুৰুষ শংকৰদেৱ— এটি চমু পৰ্যালোচনা, মহেন্দ্ৰ বৰঠাকুৰৰ 'মহাবীৰ চিলাৰায়' নাটকত প্ৰতিফলিত সামাজিক প্ৰতিচ্ছবি ঃ এক অধ্যয়ন।' অজিত কুমাৰ দাসৰ 'গোৱালপৰীয়া-ভাৱাইয়া গীত, এক সংক্ষিপ্ত অৱলোকন' ড° ৰাণু ৰায়ৰ 'বিযুৱা ৰীতি-নীতি আৰু এইবোৰৰ কিছু বৈজ্ঞানিক বিশ্লেষণ, ড° ৰূপাঞ্জলী দেৱীৰ 'কামৰূপ কোচ কমতাৰাজ্যত সাহিত্য চৰ্চা, পংকজা দাসৰ 'পৰ্যটন স্থলীৰে সমৃদ্ধ গোৱালপাৰা জিলা' আদি প্ৰবন্ধই গ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ কৃতি আৰু কৃতিত্বৰ লগতে লোক সাহিত্য-সংস্কৃতিৰ গৱেষকসকলক গ্ৰন্থখনে সহায় কৰিব। গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে বঙাইগাঁৱৰ ৰত্নপীঠ প্ৰকাশনে। হিন্দী লেখাটোৰ ছপাৰ ভুল বহুত হ'ল, বাকীবোৰৰ ছপা উত্তম হৈছে। ১৭৫ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য হৈছে ১২০ টকা।

অগ্ৰদূতৰ কাৰ্যালয়ত ‘নিজৰ দিন’ পালন

তিনি পৃষ্ঠাৰ পৰা দিশলৈ আগবঢ়াই নিয়াৰ অধিক প্ৰয়োজন আছে বুলি কয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি কনকসেন ডেকাই ২০০৭ৰ পৰা চলি অহা অসম সাহিত্য সভাৰ ‘নিজৰ দিন’ৰ কাৰ্যসূচী পালনৰ লগতে ভাস্কৰাব্দৰ ব্যৱহাৰে সামাজিক চেতনা বঢ়াইছে বুলি কয়। মণিপুৰী সাহিত্য সভাৰ সভাপতি দিল লক্ষীন্দ্ৰ সিনহাই আলোচনাত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ ছিপাঝাৰ অধিৱেশনত অংশ লোৱাৰ কথা গৌৰৱেৰে স্মৰণ কৰে। সভাত গীতিকাৰ ৰমেন দাস, সাহিত্যিক ভৱানীপ্ৰসাদ অধিকাৰী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে নিজৰ দিন পালনৰ গুৰুত্ব সম্পৰ্কে বক্তব্য দাঙি ধৰে। সভাপতিৰ ভাষণত ড° সভাপণ্ডিতে বৰ্তমানৰ প্ৰতিযোগিতামূলক পৃথিৱীত নিজকে যোগ্য কৰি তুলিবলৈ প্ৰতিগৰাকী যুৱক-যুৱতীলৈ পৰামৰ্শ আগবঢ়ায় আৰু ব'হাগৰ পৰাই সেই চেষ্টা আৰম্ভ হ'ব লাগে বুলি কয়।

দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সংখ্যালঘু জলপানি

তিনি পৃষ্ঠাৰ পৰা ছাত্ৰৰ ভেৰিফিকেছনৰ নামত লোৱা হয় কমিছন। এই কামৰ চোৰাচিতা কৰা দায়িত্বত থকা নজৰুল নামৰ কাৰ্যালয় সহায়কজনে কমিছনৰ অংকত ব্যস্ত থকাৰ বাবে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী বঞ্চিত হোৱাৰ লগতে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰি একাংশ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক গোপন বুজাবুজিৰে বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীক হকে-বিহকে মোকলাই দিয়া হয় ছাত্ৰ বৃত্তিৰ ধন। নজৰুলৰ বিৰুদ্ধে একাংশ সংবাদ মাধ্যমত বাতৰি পৰিৱেশনৰ পাছতে তেওঁক বদলি কৰা হৈছে আৰু তেৱে বাতৰি কাকতত স্পষ্টীকৰণ দি নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ চেষ্টা অব্যাহত ৰাখিছে। তেওঁৰ বিৰুদ্ধে এক উচ্চ পৰ্যায়ৰ তদন্ত কৰিলে সকলো পোহৰলৈ আহিব বুলি সচেতন মহলে সদৰী কৰিছে। ইপিনে, কিছুদিন পূৰ্বে আশ্চৰ্যজনকভাৱে হঠাতে নগাঁও জিলা সংমণ্ডল বিদ্যালয় পৰিদৰ্শকে এক নতুন নিৰ্দেশনা দিছিল। য'ত উল্লেখ আছিল যে প্ৰি-পাৰ্মিছন নথকা বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলে জলপানি লাভ নকৰিব। যিহেতু প্ৰি-পাৰ্মিছনৰ বাবে ইতিমধ্যে তিনি শতাধিক বিদ্যালয়ে আবেদন কৰি থৈছে কিন্তু আইএছ কাৰ্যালয়ৰ পৰা সেইবোৰৰ ভেৰিফিকেছন হোৱা নাই। তেওঁলোকৰ হেমাহিৰ বাবে পোৱা নাই অনুমতি। উল্লেখ্য যে ৰাজ্যৰ চহৰ, নগৰ আৰু গ্ৰাম্য অঞ্চলৰ চুকে-কোণে থকা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে চৰকাৰী নিয়ম নীতিৰ মাজেৰে থাকি দীৰ্ঘদিন ধৰি চৰকাৰী স্কুলৰ স'তে টেগ স্কুল সংলগ্ন কৰি কিছু ব্যক্তিগত খণ্ডৰ বিদ্যালয় চলি আছে। এই কথাটো শিক্ষা বিভাগৰ বৰমুৰীয়াসকল অৱগত। তথাপি জলপানিৰ ক্ষেত্ৰত জটিলতা সৃষ্টি কৰা বিষয়টো ৰহস্যৰ আৱৰ্তত। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ দিশত আগুৱাই নিয়াৰ যি চেষ্টা কৰিছে সেয়া এক প্ৰকাৰে যেন ফুটুকাৰ ফেনত পৰিণত হৈছে নগাঁও-হোজাই জিলাত। শিক্ষা বিভাগৰ জিলা পৰ্যায়ৰ একাংশ স্বাৰ্থ পৰায়ণ বিষয়াই মনেসজা নীতি-নিয়ম বনাই কেৱল সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীক টাৰ্গেট কৰি জলপানিৰ পৰা বঞ্চিত কৰাৰ এই বৃহৎ ষড়যন্ত্ৰ কৰিছে বুলি আমছুকে ধৰি দল-সংগঠনে অভিযোগ তুলিছে।

৯০ দিনৰ কাম ১৫ মাহতো সম্পূৰ্ণ নহ'ল

তিনি পৃষ্ঠাৰ পৰা ৯০ দিনত সম্পূৰ্ণ কৰিবলগীয়া ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ চি অংশ অৰ্থাৎ ডুবাপাৰাৰ পৰা গোৱালপাৰা চহৰলৈ থকা পথছোৱাৰ মেৰামতিৰ কাম ১৫ মাহতো সম্পূৰ্ণ নোহোৱাৰ উপৰি নিৰ্মাণৰত অৱস্থাতে ঠাই বিশেষে চপৰাচপৰে উঠি যোৱা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰায় ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ মেৰামতিৰ বাবে ২০২০-২১ৰ ৰাজ্যিক স্ব-প্ৰাথমিকতা উন্নয়ন পুঁজি চমুকৈ এছঅ'পিডি আঁচনিৰ এক কোটি ৯৮ লাখ ৩৯ হেজাৰ পাঁচশ চৈধ্য টকা আৱণ্টন দিয়ে। ইপিনে, ২০২১ৰ ২০ জানুৱাৰীত স্থানীয় বিধায়ক এ কে ৰছিদ আলমে মেৰামতিৰ কামৰ আৰম্ভ কৰে। কিন্তু ৯০ দিনত সম্পূৰ্ণ কৰিবলগীয়া কামটো এই বাতৰি যুগুতোৱালৈকে সম্পূৰ্ণ কৰিবলৈ সক্ষম হোৱা নাই ঠিকাদাৰ গোষ্ঠীটোৱে। বিশেষকৈ ছাইডবামৰ কাম সম্পূৰ্ণ নোহোৱাত ফলত সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে মেৰামতিৰ বাবে ব্যৱহাৰ কৰা তেল গৰম কৰিবলৈ ডেকধোৱাত পথৰ ছাইডবামত খন্দা গাঁত এবছৰ পাছতো সম্পূৰ্ণৰূপে পুতি নিদিয়া বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰায় ৯০ ডিগ্ৰী দিশত টাৰ্ণিং এটাত খন্দা গাঁতৰ বাবেই কালি সন্ধিয়া দুৰ্ঘটনা সংঘটিত হৈ দুগৰাকীকৈ লোকে অকাল মৃত্যুক সাবটি ল'ব লগীয়া হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। যি সময়ত সকলো ধৰণৰ দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কঠোৰতম স্থিতি গ্ৰহণ কৰিছে, ঠিক সেই সময়তে জয়ন্তী কনষ্ট্ৰাক্টৰছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেড নামৰ ঠিকাদাৰ গোষ্ঠীয়ে গোৱালপাৰাত পথ নিৰ্মাণৰ নামত অবাধ গতিত দুৰ্নীতি চলাই যোৱাটো সচেতন মহলে সহজভাৱে মানি ল'ব পৰা নাই। এই ক্ষেত্ৰত বামপন্থী নেতা ননী দাস, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ জিলা সভাপতি জাকিৰ হুছেইন, আমছুৰ জিলা সভাপতি আনিমূল হক চৌধুৰী, চিপিআইএমৰ জিলা সম্পাদক পাৰভেজ আলী, বিজেপিৰ জিলা যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি ধনজীৱ প্ৰসাদ ৰাভাকে ধৰি বিভিন্ন দল-সংগঠন তথা সচেতন নাগৰিকে জয়ন্তী কনষ্ট্ৰাক্টৰছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেডৰ কাম-কাজৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

নাজিৰাত নিৰীহক লকআপত মাৰপিট

তিনি পৃষ্ঠাৰ পৰা আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিণতিত শেহতীয়াকৈ মহিলাগৰাকীৰ ওপৰত স্বামী গৃহৰ নিৰ্যাতন বৃদ্ধি পাবলৈ ধৰে। যোৱা ১৫ এপ্ৰিলত অৰ্থাৎ বিহুৰ দিনা পুনৰ নিৰ্যাতনৰ বলি হোৱাত গুচৰীয়া ৰত্না চেতিয়াৰ হৈ তেওঁৰ ভিনিহিয়েক তপন দাসে পুনৰ নাজিৰা আদৰ্শ আৰক্ষী থানাত উপস্থিত হৈ বোৱাৰীগৰাকীক উদ্ধাৰৰ বাবে আৰক্ষীক অনুৰোধ জনায়। কিন্তু তেতিয়াও নাজিৰা আৰক্ষীয়ে কোনো সহযোগিতা আগনবঢ়োৱাত হতাশ হৈ দাসে থানাৰ ভিতৰতে আৰক্ষীৰ গুচৰীয়াৰ প্ৰতি কৰা আচৰণৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে নিজৰ ম'বাইলত সমগ্ৰ ঘটনা ৰেকৰ্ড কৰিবলৈ উদ্যত হয়। ইয়াতে খৰ্গহস্ত হৈ পৰে নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া খৰ্গেশ্বৰ ৰাভা আৰু সহকাৰী উপ-পৰিদৰ্শক মুক্তাৰ আলী। লগে লগে হিন্দী চিনেমাৰ কায়দাৰে দাসৰ ওপৰত জঁপিয়াই পৰে দুই আৰক্ষী বিষয়া। নিৰীহ লোকজনক লকআপলৈ নিক্ষেপ কৰাতে ক্ষান্ত নাথাকি উপৰ্যুপৰি প্ৰহাৰ কৰাত গুৰুতৰভাৱে আহত হয়। ইয়াৰ পাছতেই দুই আৰক্ষী বিষয়াই নিজ কলংক ঢাকিবলৈ তেওঁক লিগিৰীপুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়লৈ নি স্বাস্থ্য পৰীক্ষা কৰায়। অৱশ্যে আৰক্ষীৰ অত্যাচাৰত ভীতিগ্ৰস্ত হৈ পৰা নিৰীহ দাসে চিকিৎসকৰ আগত আৰক্ষীৰ অত্যাচাৰৰ কথা সদৰী কৰাৰ পৰা বিৰত থাকে। নিশা তিনি বজাত থানাৰ পৰা মুকলি হৈ অহাৰ পাছতেই সাংবাদিকৰ আগত সকলো কথা বিৱৰি কয়। ইফালে, দাসৰ পত্নী আৰু মাতৃকো দুৰ্ব্যৱহাৰ কৰে দুই আৰক্ষী বিষয়াই। বৃদ্ধা মাতৃক খোদ ভাৰপ্ৰাপ্ত বিষয়াজনেই বেতেৰে মাৰিবলৈ খেদি অহাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে তেওঁৰ পৰিয়ালে। সম্প্ৰতি নিৰাপত্তাহীনতাত ভোগা পৰিয়ালটোৱে ঘটনা সন্দৰ্ভত থানাৰ ভিতৰত থকা চিচিটিভি ফুটেজ পৰীক্ষা কৰিলেই সকলো সত্য পোহৰলৈ আহিব বুলি সদৰী কৰাৰ লগতে শিৱসাগৰ জিলা আৰক্ষী অধীক্ষক তথা মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে। ইফালে, উক্ত নিশা থানা চৌহদত উপস্থিত হোৱা সাংবাদিককো দুৰ্ব্যৱহাৰ কৰে নাজিৰা আদৰ্শ আৰক্ষী থানাৰ সহকাৰী উপ-পৰিদৰ্শক মুক্তাৰ আলীয়ে। ইয়াকে লৈ নাজিৰাৰ সংবাদ কৰ্মীসকলে অসম আৰক্ষী জবাবদিহি আয়োগৰ কাষ চপাৰ সিদ্ধান্ত লৈছে।

পৃথক ৰাজ্যৰ দাবী অসম ভৈয়াম

তিনি পৃষ্ঠাৰ পৰা সম্পূৰ্ণৰূপে বন্ধ হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কোনো বিপিএফ বা ইউপিপিএলৰ কাম-কাজত হস্তক্ষেপ কৰা নাই, কৰিছে পৃথক বড়োলেণ্ডক লৈ। যিটো দাবী সম্পূৰ্ণৰূপে বন্ধ কৰিছে। কিন্তু আমাৰ বড়ো সমাজে আজিও এই বিষয়টো সহজভাৱে ল'ব পৰা নাই। কিয়নো ১৯৬৭তে গঠিত অসম ভৈয়াম জনজাতি পৰিষদে পুনৰ পৃথক ৰাজ্যৰ দাবীৰে আন্দোলন চলাম।' তেওঁ পুনৰ কয় যে পৃথক উদয়াচল ৰাজ্য কোনো এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ বাবে নহয়। অঞ্চলটোত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰ বাবে। সকলোৱে এই দাবীৰ সমৰ্থন কৰিব পাৰিব। যি ধৰণে ভাৰতৰ আন আন নতুন ৰাজ্য গঠন কৰিছে সেইদৰে পৃথক উদয়াচলও গঠন কৰিবলৈ আন্দোলন অব্যাহত ৰাখিব। তেওঁ কয় যে এবছুৱে ডিভাইড অসম ফিফটি ফিফটি বিচাৰিছিল যদিও আমি থাৰ্টি-ছেভেণ্টি বিচাৰিম। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত থকা জনজাতীয় লোকসকলক লৈ আমি থাৰ্টি ছেভেণ্টি বিচাৰিছো। পিটিচিএৰ প্ৰস্তুতি কমিটীৰ সভাপতি পাৰ্মিনাচ নাৰ্জাৰীয়ে কয়, ‘আমাৰনীত হৈছে এখন গালত মাৰিলে আনখন গালো পাতি দিম। কিন্তু উদয়াচল ৰাজ্য ল'মে। অহা ২০৩০ৰ ভিতৰত কাৰ্যকৰী কৰিম আমাৰ দাবী। ইয়াৰ বাবে চলাই যাম ধাৰাবাহিক আন্দোলন।' আনহাতে, সংবাদমেল পিটিচিএৰ সাধাৰণ সম্পাদক থানেশ্বৰ বড়োৱে কয়, ‘বৰ্তমানলৈ তিনিখনকৈ বড়ো চুক্তি স্বাক্ষৰিত হৈছে যদিও কোনো এখন চুক্তিয়ে বড়ো জনগোষ্ঠীটোৰ লগতে এই অঞ্চলত বসবাস কৰা লোকৰ কল্যাণ সাধন কৰিব পৰা নাই।' তেওঁ কয় যে দীৰ্ঘদিন ধৰি পিটিচিএ নিষ্ক্ৰিয় হৈ থাকিলেও কমিটীখন ভংগ কৰা নাছিল। ৰাজনৈতিক সন্ধিক্ষণত পিটিচিএৰ দীৰ্ঘদিনীয়া উদয়াচল সৃষ্টিৰ দাবীত অভাৱনীয় প্ৰতিবন্ধকতা হেতু আন্দোলন স্থগিত ৰাখিবলগীয়া হৈছিল। বিশেষকৈ ভ্ৰাতৃঘাতী সংঘৰ্ষক এৰাই চলিবলগীয়া হোৱা বাবে আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখিছিল। কিন্তু বৰ্তমান সময়ত উদয়াচল দাবীৰ প্ৰাসংগিকতা পুনৰ আহি পৰিছে। বড়োৱে এবছুক সমালোচনা কৰি কয়, ‘এবছুৱে জাতীয় সংগঠন হিচাপে কাম কৰক। ৰাজনীতিৰ লগত জড়িত হ'ব নালাগে। আমি পুনৰ জাতি-জনগোষ্ঠীক লগত লৈ উদয়াচল ৰাজ্যৰ বাবে গণতান্ত্ৰিক আন্দোলন কৰিম।'

মুছলপুৰত আৰ্থিক দৈন্যৰ বাবে শিক্ষকৰ

তিনি পৃষ্ঠাৰ পৰা পৰা বৰ্খাস্ত কৰে। পৰৱৰ্তী সময়ত তেওঁ আন শিক্ষকৰ লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে ২০১৫ত আন শিক্ষকৰ লগতে তেওঁকো একে চাকৰিতে নিয়মীয়াকৈ পুনৰ নিযুক্তি দিয়ে, কিন্তু পুনৰ নিযুক্তি দিয়াৰ পাছতো বিগত সময়ছোৱাত শিক্ষকজনে কোনো দৰমহা পাবলৈ সক্ষম নহ'ল। যাৰ পৰিপ্ৰেক্ষিতত শিক্ষক নাথে হতাশাগ্ৰস্ত হৈ আত্মহনন কৰিবলৈ বাধ্য হয়। যাক লৈ এতিয়া সমগ্ৰ জিলাখনতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি ১৯৯৭ত নিযুক্ত শিক্ষক কল্যাণ সমিতিৰ বিষয়ববীয়াই তেওঁৰ পলাশগুৰিৰ ঘৰত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। শিক্ষক কল্যাণ সমিতিৰ সভাপতি প্ৰদীপ দৈমাৰী আৰু সম্পাদক অতুল চন্দ্ৰ তালুকদাৰৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে এই ঘটনাত দুখ প্ৰকাশ কৰি সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াৰ প্ৰতিশ্ৰুতিৰে বিটিআৰৰ শাসনত বহা বিটিআৰ প্ৰধান প্ৰমোদ বড়োক মিছলীয়া আৰু প্ৰতাৰক আখ্যা দিয়ে। শিক্ষক কল্যাণ সমিতিৰ নেতৃবৃন্দই আজি সাংবাদিকৰ জৰিয়তে বিটিআৰৰ চীফ বড়োক ৰাজহুৱা প্ৰশ্ন কৰে, ‘কেতিয়া সমাধান হ'ব বাগ্‌সা জিলাত ১৯৯৭ত নিযুক্তিপ্ৰাপ্ত শিক্ষকৰ সমস্যা? নিৰ্বাচনত প্ৰতিশ্ৰুতি দিও বিগত ডেৰ বছৰে সমস্যা সমাধান নকৰিলে বড়ো নেতৃত্বাধীন পৰিষদে। যাৰ ফলত হতাশাগ্ৰস্ত হৈ শিক্ষকে আত্মহত্যাৰ দৰে চৰমপন্থা ল'বলৈ বাধ্য হৈছে।' মহিলাৰীৰ নেতৃত্বত সোঁতৰ বছৰে বঞ্চনাৰ সম্মুখীন হৈ পুনৰ বড়ো নেতৃত্বাধীন পৰিষদেও বিগত ডেৰ বছৰে কোনো পদক্ষেপ গ্ৰহণ নকৰাত বাগ্‌সাত ১৯৯৭ত নিযুক্তিপ্ৰাপ্ত শিক্ষকসমাজ জাঙুৰ খাই উঠিছে। বড়োৰ ইউপিপিএলে নিৰ্বাচনৰ আগমুহূৰ্তত বিটিআৰৰ শাসনত আহিলে তিনি মাহৰ ভিতৰত ১৯৯৭ত নিযুক্ত শিক্ষকৰ সমস্যা সমাধান কৰিব বুলি কোৱাত সকলোৱে পাৰ্যমানে সহায়ো কৰিছিল। বড়োৰ ওপৰত এই সংখ্যক শিক্ষকে বহু আশা কৰিছিল। দৰমহা হ'ব বুলি আশা কৰিছিল। পিছে শাসনৰ ডেৰ বছৰ পাছতো সমস্যাটো সমস্যা হৈয়ে থাকিল। ইফালে, যদিহে এই সংখ্যক শিক্ষকক অতি শীঘ্ৰে দৰমহা আদায় নিদিয়ে তেন্তে অনাগত সময়ত পুনৰ এনে শিক্ষকে নাথৰ দৰে চৰম পন্থা ল'ব বুলি প্ৰকাশ কৰে আৰু তাৰ বাবে বড়ো প্ৰত্যক্ষভাৱে জগৰীয়া হ'ব বুলি প্ৰকাশ কৰে। সম্পাদক তালুকদাৰে কয় যে বিটিচি পৰিষদে একেলগে চাকৰিৰ পৰা বৰ্খাস্ত কৰা ২১৮ জন একে জাতীয় শিক্ষকক পৰৱৰ্তী সময়ত চকৰি নিয়মীয়াকৰণ কৰি বৰ্তমানেও দৰমহা দি আছে। কিন্তু বাকী থকাসকলৰ প্ৰতি ইমান বৈষম্য কিয় বুলি প্ৰশ্ন কৰে। তদুপৰি ২০২১ৰ ফেব্ৰুৱাৰীতে এই সংখ্যক ১৯৯৭ত নিযুক্ত ১০০৯ জন শিক্ষকৰ বাবে অসম চৰকাৰে এছআইইউ দিছে। তথাপি বিটিচি পৰিষদে তেওঁলোকৰ দৰমহা মুকলি কৰি নিদিয়াৰ ৰহস্য কি বুলি প্ৰশ্ন উত্থাপন কৰে। উল্লেখ্য যে অবিভক্ত নলবাৰী জিলা থাকোতে এই সংখ্যক শিক্ষকৰ নিযুক্তি হৈছিল। নলবাৰী জিলাত কৰ্মৰত হৈ থকা সকলে আজিলৈ নিয়মীয়াকৈ দৰমহা লাভ কৰি আছে। ইয়াৰে কিছু সংখ্যক শিক্ষক বিটিচি গঠনৰ জৰিয়তে বাগ্‌সা জিলাৰ অন্তৰ্গত হোৱাত ১৯৯৭ত নিযুক্ত শিক্ষকৰ চাকৰিত কেণা লাগে। সম্পাদক তালুকদাৰে বছৰ বছৰ ধৰি বিনা বেতনে বিদ্যালয়ত কৰ্মৰত দৰমহাবিহীন এইসকল শিক্ষকক অতিশীঘ্ৰে দৰমহা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিটিচি কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

চামগুৰিৰ আমলখিত অসংগঠিত

তিনি পৃষ্ঠাৰ পৰা বিভিন্ন ঠাইত ঘৰে ঘৰে গৈ শ্ৰমিকসকলৰ স'তে মত বিনিময় কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অসংগঠিত শ্ৰমিকসকলৰ বাবে গ্ৰহণ কৰা কল্যাণমূলক পদক্ষেপসমূহৰ বিষয়ে ব্যাখ্যা কৰে। উক্ত অসংগঠিত শ্ৰমিক সজাগতা অনুষ্ঠানটোত উপস্থিত থাকে চাহ জনগোষ্ঠী মৰ্চা কলিয়াবৰ জিলাৰ সাধাৰণ সম্পাদক তথা অসংগঠিত শ্ৰমিক কোষৰ ৰাজ্যিক সদস্য বিজয় প্ৰধানকে ধৰি বিভিন্ন অঞ্চলৰ পৰা অহা শ্ৰমিক।

তেজপুৰত দুৰ্ঘটনাত পত্নীৰ মৃত্যু

তিনি পৃষ্ঠাৰ পৰা ইপিনে, দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ চালক আৰু সহায়কাৰীজনক আৰক্ষীয়ে আটক কৰে। দুৰ্ঘটনাটো সন্দৰ্ভত ক্ষোভ ব্যক্ত কৰি স্থানীয় একাংশ লোকে ৰাষ্ট্ৰীয় পথত বহুসংখ্যক যানবাহনৰ অতপালিক লৈ ক্ষোভ প্ৰকাশ কৰে। নৱ বিবাহিত দম্পতীহাল এনেদৰে দুৰ্ঘটনাগ্ৰস্ত হোৱা আৰু এই ঘটনাত বোৱাৰীগৰাকী নিহত হোৱা তথা স্বামী আহত হোৱাক লৈ বাটৈ চুবুৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

শিৱসাগৰত জব্দকৃত চোৰাং

তিনি পৃষ্ঠাৰ পৰা উলিয়াই নিয়াৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীৰ দ্বাৰা জব্দকৃত এই বৃহৎ পৰিমাণৰ লোহাখিনি জয়সাগৰৰ শলগুৰিৰ কুখ্যাত লোহা চোৰ তথা ডেম্প ব্যৱসায়ী লুকু দত্তক বিক্ৰী কৰাৰ অভিযোগ উঠিছে। নিশা টাটা মেজিকত তুলি লোহাসমূহ থানাৰ পৰা চোৰাং ব্যৱসায়ী লুকু দত্তৰ গুদামলৈ উলিয়াই নিয়ে। বিগত এটা মাহত কে'বা লক্ষাধিক টকাৰ জব্দকৃত লোহা লুকুক বিক্ৰী কৰে ভাৰপ্ৰাপ্ত বিষয়া ৰাজখোৱাই। গৰু বিহুৰ আগ নিশাও এক গাড়ী লোহা আৰক্ষী চকীৰ চৌহদৰ পৰা গোপনে উলিয়াই নিছিল ৰাজখোৱাই। জয়সাগৰ আৰক্ষী চকীৰ চৌহদত থকা বৃহৎ পৰিমাণৰ জব্দকৃত লোহা বৰ্তমান এডালো নাই থানা চৌহদত। বিগত পাঁচটা বছৰত জয়সাগৰ আৰক্ষীয়ে বিভিন্ন স্থানৰ পৰা জব্দ কৰিছিল এই লোহাসমূহ।

লোহা চোৰৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰা লোহা ভৰি আছিল আৰক্ষী চকীৰ চৌহদ; কিন্তু বৰ্তমানৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজখোৱাই লোহা চোৰৰ স'তে মিলি চোৰাং বজাৰত বিক্ৰী কৰি দিয়ে থানা চৌহদৰ সমস্ত লোহা। কোৱা বাহুল্য যে আন এক ভয়ংকৰ অভিযোগ অনুসৰি বিগত সময়ত দুৰ্ঘটনাত পতিত একাংশ ধ্বংসপ্ৰাপ্ত দুচকীয়া বাহনো গোপনে থানা চৌহদৰ পৰা নি ডেম্পত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈছে। কিছুদিন পূৰ্বলৈকে জয়সাগৰ আৰক্ষী চকীত দ'ম হৈ থকা বৃহৎ পৰিমাণৰ লোহাৰ এতিয়া অৱশিষ্টখিনি আছে আৰক্ষী চকীখনৰ চৌহদত। এই সন্দৰ্ভত আৰক্ষী চকীত গৈ উপস্থিত হোৱা সাংবাদিকৰ এটা দলক বিষয়টোৰ পৰা মুৰপোলোকা দি আঁতৰিব বিচাৰে আৰক্ষী বিষয়াজনে।

বৰপথাৰত ৰঙাঘৰৰ আলহী

তিনি পৃষ্ঠাৰ পৰা ৰঙালী বিহু আৰু নাৰী জাতিক লৈ অশ্লীল মন্তব্য কৰে। নিমিষতে ভাইৰেল হৈ পৰে জাতীয় পৰিষদৰ সদস্য ৰমেনৰ অশ্লীল প'ষ্টসমূহ। সামাজিক মাধ্যম ফেচবুকত বিধায়কক সাঙুৰি বাপতি সাহোন ৰঙালী বিহু আৰু নাৰী জাতিক লৈ জাতীয় পৰিষদৰ সদস্যজনে দিয়া অশ্লীল প'ষ্টে সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এনে অপৰাধীক সচেতন মহলে দৃষ্টান্তমূলক শাস্তি দিয়াৰ পোষকতা কৰে। ৰমেন নামৰ নিকৃষ্ট মানসিকতাৰ জাতীয় পৰিষদৰ সদস্যজনৰ বিৰুদ্ধে জাঙুৰ খাই উঠে শাসকীয় বিজেপিৰ ভ্ৰাতৃ আৰু ভগ্নী সংগঠনসমূহ। বৰপথাৰ, সৰুপথাৰ, নাওজান, উৰিয়ামঘাট, গোলাঘাট সদৰকে ধৰি ৰমেনৰ বিৰুদ্ধে যুৱ মৰ্চা, মহিলা মৰ্চা, কৃষাণ মৰ্চাই এজাহাৰ দাখিল কৰে। নিকৃষ্ট মানসিকতাৰ জাতীয় পৰিষদৰ সদস্যজনক সংগঠন কেইটাই অতি শীঘ্ৰে গ্ৰেপ্তাৰৰ লগতে দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়। পাছত বৰপথাৰ আৰক্ষীয়ে জাতীয় পৰিষদৰ সদস্য ৰমেনক আটক কৰে।

কাইলৈ বৰপেটা জিলা ভ্ৰমণলৈ

তিনি পৃষ্ঠাৰ পৰা মন্ত্ৰীজন এই প্ৰথম বৰপেটা ভ্ৰমণসূচীক সাফল্যমণ্ডিত কৰি তোলাৰ উদ্দেশ্যে আজি দেওবৰীয়া বন্ধ দিনটোতো জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ আহ্বানক্ৰমে তেওঁ কাৰ্যালয় সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত জিলা প্ৰশাসনৰ সকলো জ্যেষ্ঠ বিষয়াবৰ্গৰ উপৰি ৰেলৱেৰ ৰঙিয়া মাণ্ডলিক কাৰ্যালয়ৰ অতিৰিক্ত মাণ্ডলিক বিষয়া অৰিন্দম লাই আৰু জ্যেষ্ঠ মাণ্ডলিক বাণিজ্যিক প্ৰবন্ধক আৰ এন ৰনমুনভেও অংশগ্ৰহণ কৰে। দুপৰীয়াৰ পৰা আবেলিলৈ অনুষ্ঠিত সভাত শিক্ষা, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ, সমাজ কল্যাণ, কৃষি, উদ্যোগ তথা বাণিজ্য, তথ্য আৰু জনসংযোগ আদি বিভাগৰ জিলা মুৰব্বী বিষয়াসকলো উপস্থিত থাকি ৰেল ৰাজ্যমন্ত্ৰীজনৰ ভ্ৰমণসূচীক বিভিন্ন দিশ খৰচিমাৰী আলোচনা কৰা হয়। ইফালে, কেন্দ্ৰীয় মন্ত্ৰী ৰাওচাহেব ডানৱেৰ বৰপেটা জিলা ভ্ৰমণক কেন্দ্ৰ কৰি স্থানীয় ৰাইজৰ মাজতো ব্যাপক উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। এই ভ্ৰমণে অভয়াপুৰী হৈ সত্ৰ নগৰী বৰপেটা জিলা সদৰৰ লগতে কাঁহ-পিতলৰ ক্ষুদ্ৰ উদ্যোগৰ বাবে প্ৰসিদ্ধ সৰ্থেবাৰী চহৰকো ৰেল মানচিত্ৰৰে সাঙোৰাৰ বাবে উত্থাপন হৈ অহা ৰাইজৰ দীৰ্ঘদিনীয়া দাবীয়ে বাস্তৱ ৰূপ লাভ কৰিব বুলি আশাৰ সঞ্চাৰ হৈছে।

হঠাতে দিখৌ নদীৰ পানীৰ বৰণ

তিনি পৃষ্ঠাৰ পৰা সন্দেহ কৰা হৈছিল। ইয়াৰ মাজতে দিখৌ নদীয়ে হঠাতে নিজৰ বক্ষৰ পানী সলনি হয়। ছাই মিহলি ঘোলা পানীৰ পৰিৱৰ্তে হঠাতে দিখৌ নদীৰ জলৰাশি উগ্ৰ গাঢ় নীলা বৰণৰ হৈ পৰাক লৈয়েই সৃষ্টি হৈছে এই চাঞ্চল্যৰ। সাধাৰণতে পৰিলক্ষিত হোৱা নীলা জলৰাশিৰ পৰিৱৰ্তে কালি পুৱাৰ পৰা পৰা পৰিলক্ষিত হোৱা দৃশ্য আছিল সম্পুৰ্ণ সুকীয়া। নদীখনৰ ঠায়ে ঠায়ে উগ্ৰ গাঢ় নীলা জলৰাশিৰ পৰিৱৰ্তে কলা ছাই বৰণীয়া পানীৰ এটা অস্বাভাৱিক প্ৰলেপো দৃষ্টিগোচৰ হৈছে। বিশেষকৈ নদীৰ গৰাৰ কাষৰ পানীত ছাই বৰণীয়া প্ৰলেপটো অধিক দৃষ্টিগোচৰ হৈছে। ইফালে নদীৰ ওপৰতেই জীৱন-জীৱিকা নিৰ্ভৰশীল নৈপৰীয়া ৰাইজৰ মাজত এই অস্বাভাৱিক ঘটনাই আতংক আৰু কৌতূহলৰ লগতে উৎসুকতাৰ সৃষ্টি কৰিছে। কিয়নো নদীৰ পানীৰ ওপৰতেই দৈনন্দিন কাম-কাজ নিৰ্ভৰশীল পৰিয়ালসমূহে অজান আশংকাত এই পানী খোৱাৰ লগতে ব্যৱহাৰ কৰাৰ পৰাও বিৰত আছে। অৱশ্যে কি কাৰণত নদীৰ পানীয়ে এনে অস্বাভাৱিক বৰণ লৈছে সেই সন্দৰ্ভত ৰাইজৰ মাজত কোনো স্পষ্ট কাৰণ বা ভিত্তি নাই যদিওঁ সচেতনমহলে এয়া অবৈধ কয়লা খনন, মজুতকৰণৰ ফলত সৃষ্টি হোৱা বিষক্ৰিয়াৰ অংশ বিশেষ বুলি সন্দেহ প্ৰকাশ কৰিছে। উল্লেখ্য যে শিৱসাগৰ জিলাখনৰ জীৱন ৰেখা স্বৰূপ খৰস্ৰোতা দিখৌ নদীত অব্যাহত থকা এই অস্বাভাৱিক পৰিৱৰ্তন সচেতন ৰাইজৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। সচেতন মহলে তাৎক্ষণিকভাৱে চৰকাৰ প্ৰশাসনক দিখৌ নদীত পৰিলক্ষিত হোৱা অস্বাভাৱিক পানীৰ বৰণ পৰিৱৰ্তনৰ আঁৰত ৰাসায়নিক বিষক্ৰিয়া নে স্বাভাৱিক পৰিৱৰ্তন সেই সন্দৰ্ভত পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আহ্বান জনাইছে।

পাঁচ শতাধিক ভোৰতালৰ

তিনি পৃষ্ঠাৰ পৰা কৰাৰ সংকল্প লয়। ৰাম ভক্ত হনুমান বন্দনাৰে মুখৰিত উত্তৰ গুৱাহাটী আজি আধ্যাত্মিক ৰসত বুৰ যায়। ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সাধু-সন্তই হনুমান জয়ন্তীত অংশগ্ৰহণ কৰিছে। পাঁচ শতাধিক হনুমান ভক্ত যজমানে একেলগে ভোৰতাল বজাই মংগলাচাৰণ কৰে। ব্ৰহ্মপুত্ৰৰ পাৰৰ নৈসৰ্গিক পৰিৱেশত অনুষ্ঠিত জয়ন্তীত হেজাৰ হেজাৰ ভক্তই অংশ লয়। উত্তৰ গুৱাহাটী বিহলঙনীস্থিত ‘পৰম শিৱম যোগাশ্ৰম’ আৰু ‘শ্ৰীশ্ৰী গৰুণদাসজী মহাৰাজ ভক্তি যোগ সংঘ'ৰ সৌজন্যত অনষ্ঠিত এই হনুমান জয়ন্তী দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হয়। লুইতৰ পাৰত সজা ৫০ হেজাৰ লোক সমবেত হ'ব পৰা পেণ্ডেল আৰু বৃহৎকায় হনুমানৰ মূৰ্তিৰ সমুখত ধূপ-চাকি জ্বলাই প্ৰতিজন ভক্তই আঁঠু লয়। ইফালে অতি আগ্ৰহেৰে আধ্যাত্মিক গুৰু কেশৱ দাস মহাৰাজীৰ পৌৰোহিত্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই হনুমান চালিচা পঢ়ে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীজনে কয় যে অসমৰ ৰাইজ আৰু হনুমানৰ আশীৰ্বাদেৰে কুশলে থাকিব। আনহাতে, গহপুৰৰ শোকাবহ পথ দুৰ্ঘটনাত পাঁচ কিশোৰৰ মৃত্যুত তেওঁ শোক প্ৰকাশ কৰে। এফালে লুইতৰ পাৰত যজ্ঞ আৰু আনফালে হনুমান চালিচা পাঠেৰে উত্তৰ গুৱাহাটী আধ্যাত্মিক নগৰীলৈ পৰ্য্যবসিত হয়। সমূহীয়া ভোজনেৰে হনুমান জয়ন্তীৰ সামৰণি পৰে। অৱশ্যে ৰঙালী বিহুৰ বাবে ভবা ধৰণে শাক্ত বৈষ্ণৱৰ সমাগম নহ'ল। অনষ্ঠানৰ সামৰণিৰ পূৰ্বে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা হনুমান জয়ন্তীত উপস্থিত হয়। বৈষ্ণৱ গুৰু তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে শাক্ত সনাতনী ধৰ্মীয় অনুষ্ঠানত ভাগ লৈ সৌষ্ঠব বৃদ্ধি কৰে।

ঘগ্ৰাপাৰত অনুষ্ঠিত বিহুত গছপুলিৰে সম্বৰ্ধনা, দেওবাৰে।

নগাঁৱত পাঁচ জিলাৰ অপৰাধজনিত ঘটনাৰ পুনৰীক্ষণ বৈঠক

বিশেষ সংবাদদাতা

নগাঁও, ১৭ এপ্ৰিল ঃ আজি পুৱাৰে পৰা নগাঁও চহৰৰ খগেন মহন্ত প্ৰেক্ষাগৃহত অসম আৰক্ষীৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত নগাঁও, মৰিগাঁও, হোজাই, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ অপৰাধজনিত ঘটনাৰ পুনৰীক্ষণ আৰু পৰ্যালোচনা কৰা হয়। ৰুদ্ধদ্বাৰ বিশেষ বৈঠকখনত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মধ্য মণ্ডলৰ ডিআইজি সত্যৰাজ হাজৰিকা, পাঁচোখন জিলাৰ আৰক্ষী অধীক্ষকসকল আৰু উচ্চ পদস্থ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ আলোচনাৰ সন্দৰ্ভত আৰক্ষী সূত্ৰই কোনো ধৰণৰ তথ্য সদৰী কৰা নাই।

নলবাৰীত ‘ধ্বনি'ৰ ব'হাগ বিহুৰ বিশেষ সংখ্যা উন্মোচন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৭ এপ্ৰিল ঃ নলবাৰীৰ পৰা প্ৰকাশিত দ্বিমাসিক আলোচনী ‘ধ্বনি'ৰ ব'হাগ বিহুৰ বিশেষ সংখ্যাটো আজি সন্ধিয়া উন্মোচন কৰা হয়। তদুপলক্ষে গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাত আলোচনীখন উন্মোচন কৰি বিশিষ্ট চিকিৎসক, লেখক ডাঃ ৰাতুল ভট্টাচাৰ্যই কয় যে সুসাহিত্য সৃষ্টিৰ বাবে পৌনঃপুনিক সাধনা আৰু চৰ্চাত গুৰুত্ব দিব লাগিব। তেওঁ ‘ধ্বনি’ মানবিশিষ্ট আলোচনী হিচাপে পৰিচিত হোৱাৰ কামনা কৰে আৰু প্ৰসাৰৰ দিশত সহযোগ আগবঢ়াই যাব বুলি ব্যক্ত কৰে। আলোচনীৰ সহযোগী সম্পাদক জয় চন্দ্ৰ শৰ্মাই আঁতধৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড° সুশান্ত কাশ্যপ, গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত শৰ্মা, ‘ধ্বনি'ৰ মুখ্য সম্পাদক পাৰুল দেৱী গোস্বামী, সম্পাদক গীতিমা ভাগৱতী, নতুন অৰুণোদয়ৰ কাৰ্যবাহী সম্পাদক প্ৰিয়ংকু নাৰায়ণ বৰুৱা, নৰেন চন্দ্ৰ তালুকদাৰ, আতিকুৰ ৰহমান আদিয়ে ভাষণ ৰাখে। বিশিষ্ট শিক্ষাবিদ ড° উপমা বৰ্মন ডেকাই বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানত সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই কাব্যসত্ৰ সঞ্চালনা কৰে। কাব্যসত্ৰত কবিতা পাঠ কৰে কবি অজিত ৰাজবংশী, অঞ্জলি দত্ত, নিৰুপমা দাস, কবিতা ডেকা তালুকদাৰ, মনিকা দেৱী, অমূল্য দাস, জয় চন্দ্ৰ শৰ্মা, পাৰুল দেৱী গোস্বামী, বীণাপাণি পাঠক, ব্ৰজেন মেধিয়ে আৰু সংগীত পৰিৱেশন কৰে ৰুণুমী দেৱী গোস্বামী আৰু শেৱালি কাকতিয়ে। সভাত ‘ধ্বনি'ৰ কাৰ্যবাহী সম্পাদক পাৰ্থপ্ৰতিম লহকৰ, সাংবাদিক প্ৰাঞ্জল শৰ্মাসহ ভালেমান সাহিত্যসেৱী উপস্থিত থাকে।

মাহেকীয়া বাতৰি ‘স্পষ্টবাদ অসম’ উন্মোচন

তিনি পৃষ্ঠাৰ পৰা বিশ্ব প্ৰসিদ্ধ বস্ত্ৰ নগৰী শুৱালকুছিৰ পৰা প্ৰকাশিত ‘স্পষ্টবাদ অসম’ জনতাৰ কণ্ঠ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ নেতা প্ৰকাশ চন্দ্ৰ দাসে কয় যে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমসমূহে জনসাধাৰণৰ পক্ষত থাকি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গ্ৰামাঞ্চলৰ পৰা প্ৰকাশিত কাকত এখনে চহা জীৱনৰ অভাৱ-অভিযোগ প্ৰতিফলিত কৰি সমাজৰ মংগল কামনা কৰি স্পষ্টবাদ অসমে উজ্জ্বল নক্ষত্ৰৰ ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আনহাতে, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণীচৰণ কলিতাই কাকতখনে ৰাইজৰ হকে সত্যৰ অন্বেষণত থাকিব বুলি আশা প্ৰকাশ কৰে। উন্মোচনী সভাৰ সভাপতি তথা শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধিয়ে ৰেচম গাঁৱৰ পৰা প্ৰকাশ কৰা কাকত ‘স্পষ্টবাদ অসম’ ৰাইজৰ দাপোণ হিচাপে প্ৰতিষ্ঠিত হোৱাৰ কামনা কৰে।

জাতীয় কৃষ্টিক লৈ ভেঙুচালিকাৰীক

তিনি পৃষ্ঠাৰ পৰা অনুষ্ঠিত মুকলি সভাত স্মৃতিগ্ৰন্থ বৰগছ উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। উদ্‌যাপন সমিতিৰ সভাপতি গুণোত্তম বৰাৰ সভাপতিত্বত, সম্পাদক দুষ্মন্ত মাধৱ দত্তই আঁতধৰা সভাৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে আছুৰ মুখ্য সাংগঠনিক সম্পাদক অভিবৰ্তন গোস্বামীয়ে। এই সভাতে নুমলীগড় তেল শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে আনুষ্ঠানিকভাৱে মুকলি বিহু উদ্বোধন কৰি এটি সাৰুৱা ভাষণ দিয়ে। এনআৰএলৰ উচ্চ পদস্থ বিষয়া কাজল শইকীয়া, শিক্ষাবিদ ড°পৰাগ ঠাকুৰ, মিতালী ফুকন, জিলা ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক নিৰঞ্জন সোণোৱাল, প্ৰিন্স দলে প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা সভাতে মুকলি বিহুৰ স্মৃতিগ্ৰন্থ প্ৰশান্ত মাধৱ বৰা সম্পাদিত বৰগছ উন্মোচন কৰে আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। ভাষণ প্ৰসংগত তেওঁ কয় যে বিহু অসমীয়াৰ হিয়াৰ আমঠু, অসমীয়াৰ স্বাভিমান, অসমীয়াৰ অহংকাৰ। এই বিহুক লৈ এচামে ভেঙুচালি কৰে। ইয়াক কেতিয়াও সহ্য কৰা নহ'ব। অসমীয়া ভাষা, কলা-সংস্কৃতি, ৰীতি-নীতিসমূহ বিজতৰীয়া কৰিবলৈ বিচৰাসকলক এই বিহুতেই এশিকনি দিবলৈ পণ লোৱাৰ সময় বুলি উল্লেখ কৰি তেওঁ এইক্ষেত্ৰত ৰাইজক সচেতন হ'বলৈ আহ্বান জনায়। ব'হাগে দিয়া সাহসকে সাৰথি কৰি জাতিটোলৈ অহা সকলো প্ৰত্যাহ্বান নেওচি আগবাঢ়ি যাবলৈ তেওঁ সুধি সমাজৰ দিহা-পৰামৰ্শ কামনা কৰে। ইয়াৰ পাছতে আমন্ত্ৰিত বিভিন্ন সাংস্কৃতিক দলৰ বিহুকে ধৰি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শনেৰে দেৰগাঁও মুখৰিত হৈ পৰে।

পূৰ্বে বৃদ্ধ হোৱাটো উৎসৱ আছিল

তিনি পৃষ্ঠাৰ পৰা নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সভাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত তেওঁ এইদৰে কয়। কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সভাপতি ড° প্ৰমোদ চন্দ্ৰ হালৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকাই। ভাষণ প্ৰসংগত ডেকাই কয় যে জীৱনত প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাটো ডাঙৰ গুণ। সভাত মুখপত্ৰ ‘প্ৰবীণম’ আৰু দক্ষিণ-পশ্চিম বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চ, কৰিয়াৰ সদস্যসকলৰ জীৱনপঞ্জী উন্মোচন কৰে বজালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক ড° ধীৰেন্দ্ৰ কুমাৰ মহন্তই। লগতে গোপালপ্ৰাণ কলিতাৰ ‘মহাপুৰুষ শংকৰদেৱৰ কাব্যতত্ব ৰস’ আৰু দীনেশ তালুকদাৰৰ ‘সংস্কৃতিবান কৰিয়া গাঁও’ উন্মোচন কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ চন্দ্ৰ দাস আৰু কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক বিষয়া ভূপেন চন্দ্ৰ কলিতাই। শিক্ষক অমল কুমাৰ দাসে আঁত ধৰা আৰু জ্যেষ্ঠ নাগৰিকৰ জিলা সম্পাদক প্ৰিয়নাথ বৰ্মনে উদ্দেশ্য বাখ্যা কৰা সভাত ডলিস্মিতা তালুকদাৰৰ বৰগীত আৰু প্ৰকাশ বৈশ্যই পৰিৱেশন কৰা গীতে সকলোকে মুগ্ধ কৰে। সভাত বহুকেইজন জ্যেষ্ঠ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত স্বচ্ছ সেৱা, পতাকা উত্তোলন, ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, দক্ষিণ-পশ্চিম বৰভাগ জ্যেষ্ঠ নাগৰিক মঞ্চ, কৰিয়াৰ প্ৰয়াত সদস্যসকলৰ প্ৰতি পৰিয়ালৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন, প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি সভা আদি অনুষ্ঠিত হয়।

পাপনৰ সংগীতেৰে পাঠশালা ৰঙালী বিহু

তিনি পৃষ্ঠাৰ পৰা মুখ্য বিতৰক হিচাপে অংশগ্ৰহণ কৰে অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ ব্ৰেণ্ড এম্বেছাদৰ আনন্দ খাটনিয়াৰে। পাঠশালা পাব্লিক স্কুল আৰু কিড়-জি পাঠশালা কেন্দ্ৰৰ সহযোগত বিহুৱান প্ৰদান আৰু সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। দুপৰীয়া মৌ-কুঁৱৰী আৰু মৌ-ৰাণী প্ৰতিযোগিতাৰ পাছতে অসমীয়া জলপান পৰিৱেশন কৰা হয়। আবেলি মুকলি বিহু উদ্বোধন কৰে বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাসে। সন্ধিয়া বিহুৱতী প্ৰতিযোগিতা উদ্বোধন কৰে পাঠশালা মহাবিদ্যালয় প্ৰশাসনিক সমিতিৰ সভাপতি গিৰিশ পাটগিৰিয়ে। ইয়াৰ পাছতে সুবাসনা দত্ত আৰু প্ৰাণদ্বীপ দাসৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক কনক দাসে। দ্বিতীয় দিনৰ কাৰ্যসূচীত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট চিত্ৰশিল্পী হাৰুন আলীয়ে। ইয়াৰ পাছতে তপোৱন শিশু গৃহত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক সজুলি বিতৰণ আৰু পাঠশালা অসামৰিক চিকিৎসালয়ৰ ৰোগীসকলৰ মাজত ফল মূল বিতৰণ কৰে স্বপন তালুকদাৰে। দুপৰীয়া ৰছী টনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। উদ্‌যাপন সমিতিৰ সভাপতি পৰাগ বৰ্মনে আঁত ধৰা অনুষ্ঠানত অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক লোকশিল্পী বসন্ত পাটগিৰিক পাঠশালা ৰঙালী বিহু সন্মিলনী বঁটা, শৌৰ্য চক্ৰ প্ৰাপক জোৱান প্ৰণৱজ্যোতি দাসক বিশেষ সম্বৰ্ধনা আৰু উদীয়মান শিল্পী বৰষা শৰ্মাক পাঠশালা ৰঙালী বিহু সন্মিলনীৰ উদীয়মান শিল্পী বঁটা প্ৰদান কৰা হয়। ইয়াৰ পাছতে কল্যাণ কলিতা আৰু ড° কৌস্তুভমণি গোস্বামীৰ সহযোগত বাণী ডেকাৰ সম্পাদনাত পাঠশালা ৰঙালী বিহু সন্মিলনীৰ মুখপত্ৰ ‘বিহুৱান’ উন্মোচন কৰে এন কে টিভিৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে। এই অনুষ্ঠানতে ক'ৰা সহস্ৰাধিক দৰ্শক সমুখত অংগৰাগ ‘পাপন’ মহন্তৰ সংগীত পৰিবেশনেৰে পাঠশালা ৰঙালী বিহু সন্মিলনীৰ ৪২ সংখ্যক ৰঙালী বিহু উদযাপনৰ সামৰণি পৰে।

পেট্ৰ'লজাত ইন্ধনৰ সংৰক্ষণৰ সজাগতাৰ উদ্দেশ্যে এন আৰ এলৰ চাইকেল ৰেলী, দেওবাৰে।

প্ৰশান্ত কিশোৰক দলত যোগদানৰ প্ৰস্তাৱ কংগ্ৰেছৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ এপ্ৰিল ঃ ৰাজনৈতিক পৰামৰ্শদাতা হিচাপে নহয়, নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰক প্ৰত্যক্ষভাৱে দলত যোগদানৰ প্ৰস্তাৱ আগবঢ়ালে কংগ্ৰেছে। প্ৰকাশিত বাতৰি অনুসৰি কিশোৰেও কংগ্ৰেছত যোগদানৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। কালি দিল্লীত কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী আৰু সাংসদ ৰাহুল গান্ধীৰ স'তে কিশোৰে এখন বৈঠকত অংশ লৈছিল। এই বৈঠকৰ পাছত কংগ্ৰেছ নেতা কে চি ভেনুগোপালে কয়, 'দলৰ দুৰ্বলতা আৰু ইয়াক কিদৰে দূৰ কৰা উচিত এই বিষয়ত তিনিওজনে আলোচনা কৰিলে। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ প্ৰসংগতো তেওঁলোকে বিস্তাৰিতভাৱে আলোচনা কৰিলে।' সূত্ৰৰ খবৰ অনুসৰি এই বৈঠকতে ৰাহুলে কিশোৰক কংগ্ৰেছত যোগদানৰ প্ৰস্তাৱ আগবঢ়ায়। সভানেত্ৰী ছোনিয়াও কিশোৰক কংগ্ৰেছত যোগদানৰ বাবে অনুৰোধ জনায়। অৱশ্যে কিশোৰে স্পষ্টভাৱে কোনো সিদ্ধান্ত ব্যক্ত নকৰিলে। কংগ্ৰেছৰ এজন বৰ্ষীয়ান নেতাই দাবী কৰা অনুসৰি কিশোৰে কংগ্ৰেছত যোগদান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

টুইটাৰ ক্ৰয় কৰিব বিচাৰে টেছলাৰ মুৰব্বী মাস্কে



নিউজ ব্যুৰ', ছান ফ্ৰান্সিছকো, ১৭ এপ্ৰিল ঃ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্কে ক্ৰয় কৰিব বিচাৰিছে জনপ্ৰিয় মাইক্ৰ' ব্লগিং ছাইট টুইটাৰ। টেলিভিছনৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত মাস্কে কয় যে তেওঁ টুইটাৰৰ এশ শতাংশ মালিকানা লাভ কৰিব বিচাৰে আৰু এই ক্ষেত্ৰত তেওঁ আন বিনিয়োগকাৰীৰ সহযোগিতাও কামনা কৰিছে। মাস্কে ৪,৩০০ কোটি ডলাৰ অৰ্থাৎ ৩.২২ লাখ কোটি টকাত ক্ৰয় কৰিব বিচাৰিছে টুইটাৰ। অৱশ্যে টুইটাৰ কৰ্তৃপক্ষই বৰ্তমানলৈকে এই বিষয়ত মাস্কক কোনো সঁহাৰি জনোৱা নাই। উল্লেখ্য যে মাস্কে আন সামাজিক মাধ্যমৰ পৰিৱৰ্তে টুইটাৰ অধিক ব্যৱহাৰ কৰি আহিছে। টুইটাৰত মাস্কৰ ৮.১ কোটি অনুৰাগী আছে। মাস্কৰ এটা টুইটে ক্ৰিপ্টকাৰেন্সিৰ মূল্যৰ উত্থান-পতন ঘটাব পাৰে।

বৃহৎ কোম্পানীৰ বিষয়াৰ বেতন কৰ্তনৰ পক্ষত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি

নিউজ ব্যুৰ', পেৰিছ, ১৭ এপ্ৰিল ঃ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অহা ২৪ এপ্ৰিলত অনুষ্ঠিত হ'ব। ইয়াৰ মাজতে নিৰ্বাচনৰ প্ৰচাৰত বৰ্তমানৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ'ৰে এক নতুন দাবী উত্থাপন কৰিলে। এক বিতৰ্কত অংশ লোৱাৰ সময়ত ৰাষ্ট্ৰপতিজনে ব্যক্তিগত প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়াৰ শকত বেতন প্ৰসংগত প্ৰশ্ন উত্থাপন কৰিলে। মেক্ৰঁ'ৰে কয় যে বৰ্তমানে ফ্ৰান্সৰ প্ৰায়বোৰ বৃহৎ প্ৰতিষ্ঠানত কৰ্মৰত শীৰ্ষ বিষয়াই অধিক বেতন লাভ কৰি আহিছে আৰু বেতনৰ ক্ষেত্ৰত এক সীমাৰেখা নিৰ্ধাৰণ কৰাটো দেশখনত অতি জৰুৰী হৈছে। মেক্ৰঁ'ৰে ইউৰোপীয় সংঘত শীৰ্ষ পৰ্যায়ৰ বিষয়াৰ বেতনৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈকো আহ্বান জনায়। নিৰ্বাচনী প্ৰচাৰত বৃহৎ কোম্পানীৰ বিষয়াই লাভ কৰি অহা বিয়াগোম বেতনৰ কথা উল্লেখ কৰি মেক্ৰঁ'ৰে কয়, 'গাড়ী নিৰ্মাতাৰ কোম্পানী ষ্টেলাণ্টিছৰ মুখ্য কাৰ্যবাহী বিষয়াই ২.১ কোটি ডলাৰ প্ৰায় ১৬০ কোটি টকাৰ বেতন লাভ কৰে। এয়া অত্যধিক পৰিমাণৰ হোৱাই নহয়, আশ্চৰ্যজনকো। বেতনৰ সীমা নিৰ্ধাৰণ কৰা জৰুৰী।' মেক্ৰঁ'ৰে লগতে কয় যে তেওঁ সমগ্ৰ ইউৰোপীয় সংঘত শীৰ্ষ বিষয়াৰ বেতনৰ সীমা নিৰূপণৰ প্ৰসংগত সমৰ্থন প্ৰদান কৰিব। উল্লেখ্য যে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত এইবাৰ প্ৰথমে হিজাব বিতৰ্কই স্থান লাভ কৰিছিল আৰু শেহতীয়াভাৱে মেক্ৰঁ'ৰে বৃহৎ কোম্পানীৰ বেতনৰ প্ৰসংগক নিৰ্বাচনী ইচ্ছু হিচাপে গ্ৰহণ কৰিলে।

২১ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব ব্ৰিটিছ প্ৰধানমন্ত্ৰী

নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ এপ্ৰিল ঃ ৰাছিয়া-ইউক্ৰেইনৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে ভাৰত ভ্ৰমণ কাৰ্যসূচীৰ কথা ঘোষণা কৰিলে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে। অহা ২১ এপ্ৰিলত জনছনে দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ আসনত বহাৰ পাছত জনছনৰ এইটোৱে হ'ব প্ৰথম ভাৰত ভ্ৰমণ। ২০৩০ পৰ্যন্ত ভাৰত-ব্ৰিটেইন দ্বিপাক্ষিক সম্পৰ্কৰ লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত একাধিক গুৰুত্বপূৰ্ণ বৈঠকত অংশ ল'ব।

দক্ষিণ আফ্ৰিকা, বটছৱানা, বেলজিয়াম, জাৰ্মানী, ডেনমাৰ্ক আৰু ব্ৰিটেইনত দুই নতুন উপপ্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে

পুনৰ অ'মিক্ৰনৰ দুটা উপপ্ৰজাতিৰ সন্ধান ঃ বিপদৰ সম্ভাৱনা আঁতৰা নাই

নিউজ ব্যুৰ' জেনেভা, ১৭ এপ্ৰিল ঃ অ'মিক্ৰনৰ বি এ. ১ বা বি এ. ২ নহয়, এইবাৰ নতুন আতংক সৃষ্টি কৰিছে ক'ভিডৰ এই প্ৰজাতিৰ দুটা নতুন উপপ্ৰজাতি ক্ৰমে বি এ. ৪ আৰু বি এ. ৫ এ। অ'মিক্ৰনেই ক'ভিডৰ অন্তিম প্ৰজাতি নীতি বুলি দীৰ্ঘদিন ধৰি চৰ্চা চলি আহিছে। কিন্তু এনে চৰ্চাৰ মাজতে স্বাস্থ্য বিজ্ঞানীয়ে সন্ধান লাভ কৰিলে অ'মিক্ৰনৰ দুটা নতুন উপপ্ৰজাতিৰ। এই দুই নতুন অ'মিক্ৰনৰ উপপ্ৰজাতিৰ নাম হৈছে বি এ. ৪ আৰু বি এ. ৫। বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে ক'ভিডৰ এই দুই নতুন উপপ্ৰজাতিৰ সন্দৰ্ভত সতৰ্কতা প্ৰকাশ কৰি কৈছে যে বিশ্বৰ কে'বাখনো দেশত কৰ'নাৰ এই দুই নতুন উপপ্ৰজাতিৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। ক'ভিডকেন্দ্ৰিক বিপদ এতিয়াও আঁতৰা নাই বুলি মন্তব্য কৰি বিশ্ব স্বাস্থ্য সংস্থাই লগতে কয় যে অ'মিক্ৰন যিদৰে সবাতোকৈ অধিক সংক্ৰামক ক'ভিড প্ৰজাতি, একেদৰে বি এ. ৪ আৰু বি এ. ৫ উপপ্ৰজাতিৰ সংক্ৰমণো দ্ৰুত গতিত বিশ্বৰ বিভিন্ন দেশত বৃদ্ধি পাইছে। অৱশ্যে বিজ্ঞানীসকলে প্ৰকাশ কৰা মতে, বি এ. ৪ আৰু বি এ. ৫ উপপ্ৰজাতিৰ ক'ভিড ভাইৰাছ যথেষ্ট সংক্ৰামক যদিও ই বৰ্তমানলৈকে মাৰাত্মক প্ৰমাণিত হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই জনোৱা অনুসৰি ইতিমধ্যে দক্ষিণ আফ্ৰিকা, বটছৱানা, বেলজিয়াম, জাৰ্মানী, ডেনমাৰ্ক আৰু ব্ৰিটেইনত ক'ভিডৰ এই দুই নতুন উপপ্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে।



২৫ বছৰ পাছত পুনৰ দিল্লীৰ উপহাৰ চিত্ৰগৃহত অগ্নিকাণ্ড

নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ এপ্ৰিল ঃ ২৫ বছৰ ধৰি বন্ধ হৈ থকা দিল্লীৰ উপহাৰ চিত্ৰগৃহৰ পুনৰ সংঘটিত হ'ল অগ্নিকাণ্ড। উল্লেখ্য যে ১৯৯৭ত দিল্লীৰ এইটো চিত্ৰগৃহত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হৈছিল আৰু এই ঘটনাত ৫৯ জন লোকৰ মৃত্যু হৈছিল। অগ্নিকাণ্ডৰ উক্ত ঘটনাৰ পাছৰে পৰা উপহাৰ চিত্ৰগৃহ বন্ধ হৈ আছে। দেওবাৰে পুৱা পুনৰ এই চিত্ৰগৃহত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাত চিত্ৰগৃহৰ বাৰান্দাৰ লগতে কিছু সা-সামগ্ৰী জ্বলি ছাইত পৰিণত হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীয়ে কম সময়ৰ ভিতৰতে অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰে।

দক্ষিণ কোৰিয়াত ২৪ ঘণ্টাত ৯৩,০০১ জন লোক কৰ'নাত হ'ল আক্ৰান্ত

নিউজ ব্যুৰ', ছিউল, ১৭ এপ্ৰিল ঃ কৰ'না নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে দক্ষিণ কোৰিয়া। দেশখনৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দক্ষিণ কোৰিয়াৰ বিভিন্ন অঞ্চলত ৯৩,০০১ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। স্বাস্থ্য বিষয়াই জনোৱা অনুসৰি অতি দ্ৰুত গতিত কৰ'নাৰ সংক্ৰমণ অব্যাহত থকাৰ ফলত দেশখনত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা ১৬,৩০৫,৭৫২ জনলৈ বৃদ্ধি পালে। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ লগে লগে দেশখনৰ স্বাস্থ্য বিভাগে ক'ভিড পৰীক্ষণ ব্যাপক কৰি তুলিছে। দক্ষিণ কোৰিয়াত ক'ভিডৰ এই নতুন সংক্ৰমণ বৃদ্ধিৰ মূল কাৰক হৈছে অ'মিক্ৰনৰ নতুন প্ৰজাতি বি এ. ২। যোৱা ২৪ ঘণ্টাত দেশখনত ২০৩ জন লোকৰ প্ৰাণ কাঢ়িলে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে। বৰ্তমানলৈকে দক্ষিণ কোৰিয়াত ২১,০৯২ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। দেশখনৰ মুঠ জনসংখ্যাৰ ৮৬.৮ শতাংশ লোকে ক'ভিডৰ দুপালি প্ৰতিষেধক ইতিমধ্যে লাভ কৰিছে। আনহাতে, জনসংখ্যাৰ ৬৪.৩ শতাংশই ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধকো গ্ৰহণ কৰিছে। কিন্তু ইয়াৰ পাছতো ক'ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে দক্ষিণ কোৰিয়া।

ছাংঘাইত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ পাছত চীনৰ আন চহৰতো নিষেধাজ্ঞা



নিউজ ব্যুৰ', ছাংঘাই, ১৭ এপ্ৰিল ঃ ছাংঘাইত শনিবাৰে অভিলেখ সংখ্যক ক'ভিড ৰোগীক চিনাক্ত কৰাৰ পাছত আজি চীনৰ আন কে'বাখনো চহৰত কঠোৰ ক'ভিড বিধি জাৰি কৰা হয়। দ্ৰুত গতিত সংক্ৰমিত হোৱা অ'মিক্ৰন প্ৰজাতিক বাধা দিবলৈ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মধ্য চীনৰ নিৰ্মাণ ক্ষেত্ৰ হিচাপে পৰিচিত জংগজাউত আগন্তুক ১৪ দিনৰ বাবে প্ৰশাসনে তলাবন্ধ ঘোষণা কৰিলে। অঞ্চলটোত শেহতীয়াভাৱে ৫০০ ৰো অধিক ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছে। উল্লেখ্য যে কালি ছাংঘাইত কৰ'নাত নতুনকৈ আক্ৰান্ত হোৱা ৩,৫৯০ লোকক চিনাক্ত কৰা হৈছিল। যোৱা ১৫ এপ্ৰিলত ছাংঘাইত ১৯,৯২৩ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। ইয়াৰ এদিন পূৰ্বে ১৪ এপ্ৰিলত আক্ৰান্তৰ সংখ্যা আছিল ১৯,৮৭২ জন লোক।

চৰকাৰৰ গাফিলতিত দেশত কৰ'নাত হৈছিল ৪০ লাখৰ মৃত্যু ঃ অভিযোগ ৰাহুলৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ এপ্ৰিল ঃ কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে আজি দাবী কৰা অনুসৰি চৰকাৰৰ গাফিলতিৰ ফলত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰিণতিত ভাৰতত ৪০ লাখ লোকৰ মৃত্যু হৈছিল। কংগ্ৰেছ সাংসদজনে কৰ'নাত মৃত প্ৰতিটো পৰিয়ালৰ সদস্যক চাৰি লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰিবলৈকো কেন্দ্ৰৰ চৰকাৰক দাবী জনায়। টুইটাৰত 'দ্য নিউয়ৰ্ক টাইমছ' কাকতৰ এক বাতৰি শ্বেয়াৰ কৰি ৰাহুলে ভাৰতত ক'ভিড কালত চৰকাৰৰ গাফিলতিৰ ফলত ৪০ লাখ ভাৰতীয়ৰ মৃত্যু হোৱা বুলি দাবী কৰে।

ৰাহুলে কয়, 'মই পূৰ্বেও কৈছিলো যে ক'ভিডৰ ফলত চৰকাৰৰ গাফিলতিত পাঁচ লাখ নহয়, ৪০ লাখ ভাৰতীয়ৰ মৃত্যু হৈছিল। এতিয়া মোদীজিয়ে কৰ্তব্য পালন কৰা উচিত। চৰকাৰে পীড়িত প্ৰতিটো পৰিয়ালক চাৰি লাখ টকাকৈ ক্ষতিপূৰণ আদায় দিয়ক।'

নিষেধাজ্ঞাৰ বিৰুদ্ধে কঠোৰ ৰাছিয়া, ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ প্ৰৱেশ কৰিলে নিষিদ্ধ

নিউজ ব্যুৰ', মস্কো, ১৭ এপ্ৰিল ঃ সংবাদ প্ৰতিষ্ঠান এ এফ পিৰ বাতৰি অনুসৰি ৰুছ বৈদেশিক মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ প্ৰত্যুত্তৰত মস্কোৱে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু আন শীৰ্ষ বিষয়াৰ ৰাছিয়াত প্ৰৱেশ নিষিদ্ধ কৰিলে। ৰুছ বৈদেশিক মন্ত্ৰণালয়ে এক বিবৃতিত এই কথা প্ৰকাশ কৰি আজি কয়, 'ৰাছিয়াক একাষৰীয়া কৰি ৰাখিবলৈ লণ্ডনে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতিক্ৰিয়া হিচাপে আমি ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ ৰাছিয়াত প্ৰৱেশ নিষিদ্ধ কৰিলো।' উল্লেখ্য যে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীয়ে অলপতে যুদ্ধবিধ্বস্ত ইউক্ৰেইন ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ সময়ছোৱাত জনছনে ৰুছ আক্ৰমণত বিধ্বস্ত হোৱা ইউক্ৰেইনৰ ৰাজধানী কীভৰ পৰিস্থিতিৰো বুজ লৈছিল।

দিল্লীৰ জাহাংগীৰপুৰীৰ সংঘৰ্ষৰ ঘটনাত ১৪ জনক গ্ৰেপ্তাৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ এপ্ৰিল ঃ দিল্লীৰ জাহাংগীৰপুৰীৰ সংঘৰ্ষৰ ঘটনাত ১৪ জন লোকক গ্ৰেপ্তাৰ কৰিলে আৰক্ষীয়ে। উল্লেখ্য যে কালি জাহাংগীৰপুৰীত বিয়লি বেলা হনুমান জয়ন্তী উপলক্ষে উলিওৱা এক সমদলক কেন্দ্ৰ কৰি দুটা গোষ্ঠীৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু উত্থাপিত অভিযোগ অনুসৰি একাংশ লোকে উক্ত সমদললৈ শিলবৰ্ষণ কৰিছিল। ইয়াৰ পৰিণতিতে অঞ্চলটোত ভয়াৱহ সংঘৰ্ষৰ সৃষ্টি হৈছিল।



আক্ৰমণকাৰীয়ে ইটা, শিল আদিৰে আক্ৰমণ কৰাৰ লগতে কে'বাখনো গাড়ীতো অগ্নিসংযোগ কৰিছিল। সংঘৰ্ষৰ বাতৰি লাভৰ পাছতে আৰক্ষীয়ে জাহাংগীৰপুৰীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছিল। কিন্তু পৰিস্থিতি ইমানেই উত্তপ্ত হৈ উঠিছিল যে আৰক্ষীয়ে বাধাৰ সন্মুখীন হৈছিল। এই সংঘৰ্ষৰ ঘটনাত মুঠ নজন লোক গুৰুতৰভাৱে আহত হ'ল। আহতৰ মাজত আঠজন আৰক্ষী আৰু এজন সাধাৰণ নাগৰিক আছে। সংঘৰ্ষৰ সময়ত গুলিবৰ্ষণ কৰাৰো অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি দুটা গোষ্ঠীৰ প্ৰায় এহেজাৰ লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু এই ভিৰৰ মাজতে কোনো লোকে গুলিবৰ্ষণ কৰিছিল। অঞ্চলটোৰ চি চি টিভিৰ ফুটেজ পৰীক্ষা কৰি আৰক্ষীয়ে দোষীক চিনাক্ত কৰাৰ লগতে আজি মুঠ ১৪ জন লোকক জিম্মাত লয়।

উত্তৰ কোৰিয়াই পুনৰ ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে

নিউজ ব্যুৰ', ছিউল, ১৭ এপ্ৰিল ঃ উত্তৰ কোৰিয়াই দেশখনৰ পাৰমাণৱিক শক্তি বৃদ্ধিৰ লক্ষ্যৰে নানা ধৰণৰ ক্ষেপণাস্ত্ৰৰ ধাৰাবাহিক পৰীক্ষণ সম্পন্ন কৰি আহিছে। এইবাৰ কীম জং উনৰ দেশখনে পুনৰ এটা ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ কৰিলে। আজি উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি উত্তৰ কোৰিয়াৰ প্ৰতিষ্ঠাপক প্ৰয়াত কীম ইল ছুঙৰ জয়ন্তীৰ দিনা দেশখনৰ কমিউনিষ্ট শাসক কীমে পুনৰ পাৰমাণৱিক ক্ষমতাসম্পন্ন ক্ষেপণাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। উল্লেখ্য যে উত্তৰ কোৰিয়াৰ চলিত বৰ্ষত বৰ্তমানলৈকে ১৩ বাৰ এইধৰণৰ ক্ষেপণাস্ত্ৰৰ পৰীক্ষা চলালে। অৱশ্যে শেহতীয়া পৰীক্ষাৰ সন্দৰ্ভত অধিক তথ্য প্ৰকাশৰ পৰা বিৰত আছে উত্তৰ কোৰিয়া।

বিদেশী অতিথিয়ে দিয়া উপহাৰ বিক্ৰীৰে ১৪ কোটি টকা আত্মসাৎ ইমৰানৰ

নিউজ ব্যুৰ' ইছলামাবাদ, ১৭ এপ্ৰিল ঃ প্ৰধানমন্ত্ৰী পদৰ পৰা অব্যাহতি লাভৰ পাছতে ইমৰান খানৰ বিৰুদ্ধে এটাৰ পাছত আন এটা দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। এইবাৰ ইমৰানৰ বিৰুদ্ধে বিদেশী অতিথিয়ে প্ৰদান কৰা মূল্যবান উপহাৰ বিক্ৰীৰ কৰাৰ অভিযোগ উত্থাপিত হ'ল। এই অভিযোগ উত্থাপন কৰিলে স্বয়ং পাকিস্তানৰ নৱ নিযুক্ত প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰিফে। শ্বৰিফে দাবী কৰা অনুসৰি বিদেশী অতিথিয়ে দিয়া বিভিন্ন উপহাৰ সামগ্ৰী বিক্ৰী কৰি ইমৰানে ১৪ কোটি টকা আত্মসাৎ কৰিছিল। পাকিস্তানৰ নিয়ম অনুসৰি আন ৰাষ্ট্ৰ, ব্যক্তি বা সংস্থাই প্ৰধানমন্ত্ৰীক প্ৰদান কৰা সকলো উপহাৰ সামগ্ৰী চৰকাৰী কোষাগাৰত জমা দিব লাগে। কোনো প্ৰধানমন্ত্ৰীয়ে যদি নিজে উক্ত উপহাৰ ৰাখিব বিচাৰে তেন্তে তেওঁ সেই সামগ্ৰীৰ অৰ্ধেক মূল্য আদায় দিব লাগিব। কিন্তু ক্ষমতাচ্যুত হোৱাৰ পাছত জানিব পৰা মতে, ইমৰানে মাত্ৰ কেইলাখমান টকাৰ উপহাৰ সামগ্ৰীহে কোষাগাৰত জমা দিছিল। প্ৰধানমন্ত্ৰী শ্বৰিফে অভিযোগ কৰি কয়, 'মই নিশ্চিতভাৱে ক'ব পাৰো যে ইমৰান খানে চৰকাৰী কোষাগাৰৰ পৰা মূল্যবান উপহাৰ লৈছিল আৰু সেই সমূহ ডুবাইত বিক্ৰী কৰি ১৪ কোটি টকা আত্মসাৎ কৰিছিল। এনে উপহাৰৰ ভিতৰত আছে হীৰাৰ গহনা, ব্ৰেচলেট, ঘড়ী আৰু অন্যান্য মূল্যবান সামগ্ৰী।' পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ক্ষমতাচ্যুত হোৱা ইমৰানৰ বিৰুদ্ধে ইতিমধ্যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এফ আই এয়ে তদন্ত আৰম্ভ কৰিছে।



মেচ ফিক্সিং ঃ ক্ষমতা হেৰুৱাই পুনৰ বিদেশী শক্তিক দোষাৰোপ ইমৰানৰ

নিউজ ব্যুৰ', ইছলামাবাদ, ১৭ এপ্ৰিল ঃ অতীতত ক্ৰিকেটৰ বহু মেচত জয়লাভৰ নায়ক আছিল ইমৰান খান। কিন্তু ৰাজনীতিৰ পথাৰত 'মেচ ফিক্সিং'ৰ বলি হোৱা বুলি অভিযোগ উত্থাপন কৰিলে সদ্য প্ৰাক্তন পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে। কালি কৰাচীত এখন সভাত অংশ লোৱাৰ সময়ত ইমৰানে অভিযোগ কৰি কয় যে বিগত তিনি-চাৰিমাহ ধৰি তেওঁক ক্ষমতাৰ পৰা অপসাৰণ কৰিবলৈ একাংশ বিদেশী শক্তিয়ে অপচেষ্টা চলাইছিল। উল্লেখ্য যে ইমৰানে পূৰ্বেও এই অভিযোগ উত্থাপন কৰিছিল। প্ৰত্যক্ষভাৱে নাম নল'লেও ইমৰানে আমেৰিকাৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপন কৰিছে। ক্ৰিকেটৰ উদাহৰণ দি পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে কয়, 'মই জানো যে মেচ ফিক্সিং কৰা হৈছে। সদনৰ উপাধ্যক্ষই কৈছিল যে বিদেশী শক্তিৰ পৃষ্ঠপোষকতাত অনাস্থা প্ৰস্তাৱ অনা হৈছে আৰু সেই সময়ত সাংসদ কিনা-বেচা হৈছিল। কিন্তু এই অভিযোগৰ তদন্ত নকৰি আস্থা ভোটগ্ৰহণৰ সিদ্ধান্ত লৈছিল উচ্চতম ন্যায়ালয়ে।' পাকিস্তানৰ বিদেশ নীতি সন্দৰ্ভত মন্তব্য কৰি ইমৰানে কয় যে তেওঁ কেতিয়াও ভাৰত বিৰোধী নহয় আৰু কোনো দেশৰে তেওঁ কেতিয়াও বিৰোধিতা কৰা নাই। ইমৰানে কয়, 'সকলো দেশৰ স'তে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰাখিব বিচাৰো মই। কিন্তু কাৰোবাৰ দাসত্ব কৰিবলৈ মই ৰাজি নহয়।'

পাক সেনাৰ আক্ৰমণত মৃত ছয় আফগান নাগৰিক



নিউজ ব্যুৰ', ইছলামাবাদ, ১৭ এপ্ৰিল ঃ এইবাৰ পাকিস্তানে আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে আফগানিস্তানত। ইছলামাবাদৰ ৰকেট আক্ৰমণত প্ৰাণ হেৰুৱালে ছজন আফগান নাগৰিকে। মৃতকৰ মাজত পাঁচটি শিশু আৰু এগৰাকী মহিলা আছে। এই আক্ৰমণৰ তীব্ৰ নিন্দা কৰিলে আফগানিস্তানৰ শাসক তালিবানে। প্ৰকাশিত বাতৰি অনুসৰি কেৱল ৰকেট আক্ৰমণেই নহয়, আফগানিস্তান-সীমান্তৰ লাগুৱাৰ একাধিক গাঁৱত বোমাবৰ্ষণ কৰিছে শ্বাহবাজ শ্বৰিফৰ সেনাই। শনিবাৰে পুৱতি নিশা পূব আফগানিস্তানৰ কুনাৰ প্ৰদেশত পাকিস্তানী সেনাই ৰকেটৰে আক্ৰমণ চলোৱাত কমেও ছজন লোকৰ মৃত্যু হৈছিল। এই ঘটনাত আন এজন লোক গুৰুতৰভাৱে আহত হয়। যোৱা শুকুৰবাৰৰ নিশা লাগুৱাৰ খোস্ত প্ৰদেশত চাৰিখন গাঁৱত পাকিস্তানী সেনাই হেলিকপ্তাৰৰে বোমা বৰ্ষণ কৰাত কমেও ৩০ জন নিৰীহ আফগান নাগৰিকৰ মৃত্যু হৈছিল।

চীনে বিবাদিত অঞ্চলত নিয়োগ কৰিলে যুঁজাৰু জেট জে-২০

নিউজ ব্যুৰ', বেইজিং, ১৭ এপ্ৰিল ঃ ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষিত কৰি ৰখাৰ সময়তে চীনে নিজৰ সামৰিক শক্তি আকৌ এইবাৰ প্ৰদৰ্শন কৰিলে। দৰাচলতে চীনে বিবাদিত অঞ্চলত নিজৰ আধিপত্য প্ৰদৰ্শন কৰিবলৈ দেশখনৰ সামৰিক বাহিনীৰ সবাতোকৈ উন্নত যুঁজাৰু বিমান নিয়োগ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি চীনৰ সবাতোকৈ ভয়ংকৰ যুঁজাৰু বিমান হিচাপে পৰিচিত জে ২০ক ইতিমধ্যে পূব আৰু দক্ষিণ চীন সাগৰলৈ প্ৰেৰণ কৰিলে। অৱশ্যে চীনৰ ক্ষেত্ৰত এয়া কোনো নতুন পদক্ষেপ নহয়। চীনে পূৰ্বৰে পৰা দক্ষিণ চীন সাগৰত নিজৰ আধিপত্য দাবী কৰি আহিছে। শেহতীয়াভাৱে বেইজিঙে দক্ষিণ চীন সাগৰলৈ অত্যাধুনিক যুঁজাৰু জে ২০ জেট বিমান প্ৰেৰণ কৰাক লৈ বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



দেশত পুনৰ বৃদ্ধি সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা

নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ এপ্ৰিল ঃ পুনৰ দেশত বৃদ্ধি পালে ক'ভিডৰ দৈনিক সংক্ৰমণ। বিশেষকৈ ৰাজধানী দিল্লীত বিগত কে'বাদিন ধৰি ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। শনিবাৰে দিল্লীত ২৬ শতাংশ ক'ভিড সংক্ৰমণ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ১,১৫০ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আক্ৰান্তসকলৰ ৪২৬ জন হৈছে দিল্লীৰ বাসিন্দা। ইফালে, দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা আজি ১১,৫৫৮ জনলৈ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত পুনৰ প্ৰাণ হেৰুৱালে চাৰিজন লোকে।

এনটিপিচিত অগ্নি সুৰক্ষা দিৱস পালন

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৭ এপ্ৰিল ঃ কোকৰাঝাৰ জিলাৰ ছালেকাটিস্থিত চিআইএছএফৰ অগ্নি সুৰক্ষা শাখাই যোৱা ১৪ এপ্ৰিলত এনটিপিচি, বঙাইগাঁৱৰ অগ্নি নিৰ্বাপক কেন্দ্ৰত অগ্নি সেৱা স্মৃতি দিৱস পালন কৰে। চিআইএছএফে ১৪ এপ্ৰিলৰ পৰা ২০ এপ্ৰিললৈ লৈ অগ্নি সেৱা সপ্তাহ পালন কৰিব। এনটিপিচি, বঙাইগাঁৱৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত মণ্ডলে অগ্নি নিৰ্বাপক সেৱাৰ সংকল্পৰে এই কাৰ্যক্ৰমৰ আৰম্ভ কৰে। এনটিপিচিৰ কাৰ্যবাহী সঞ্চালক গৰাকীয়ে এক সৰিক্ষিত পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈ তেওঁলোকৰ অংগীকাৰ আৰু পদক্ষেপক প্ৰশংসা কৰে। তেওঁ তদুপৰি যিকোনো দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ কৰ্মস্থান আৰু ব্যক্তিগত জীৱনত সাৱধানতা অৱলম্বনেৰে এক সুৰক্ষিত পৰিৱেশ সৃষ্টিৰ আহ্বান জনায়। কাৰ্যসূচীত ইউনিট কমাণ্ডেণ্ট (চিআইএছএফ) জি. এম, থাংজোম, সহকাৰী কমাণ্ডেণ্ট, অগ্নি এম এছ কান্ধাৰী, সহকাৰী কমাণ্ডেণ্ট, অগ্নি কীৰ্তি যাদৱ, জি এম (অপাৰেছন) ডি পি পাত্ৰ, জিএম (মেইণ্টেনেন্স) ইন্দুৰী ৰেড্ডী, জিএম (অপাৰেছন) অৰুণাশিস দাস, এজিএম (সুৰক্ষা/এফকিউএ) সন্দীপ দাস, এজিএম (এইছআৰ) শশী শেখৰ তথা জ্যেষ্ঠ বিষয়া-বৰ্গ উপস্থিত থাকে। মণ্ডলে লগতে প্ৰকল্পটোৰ সুৰক্ষাৰ বাবে এখন অগ্নি নিয়ন্ত্ৰণৰ বাহনৰ ফ্লেগ অফ কৰে। অগ্নি নিৰ্বাপক সেৱাৰ ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনাই এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। সপ্তাহটোত এনটিপিচিৰ কৰ্মচাৰী, তেওঁলোকৰ পৰিয়ালৰ সদস্য আৰু চিআইএছএফৰ কৰ্মচাৰীসকলৰ বাবে অগ্নি সুৰক্ষা সম্পৰ্কীয় একাধিক ক্ৰিয়া কলাপৰ পৰিকল্পনা কৰা হৈছে।

টিৰাপৰ কুমচাইত মহাসংঘৰ ১৫ প্ৰতিষ্ঠা দিৱস

খিলঞ্জীয়াই হেৰুৱাইছে নিজৰ অধিকাৰ

গুৱাহাটী, ১৭ এপ্ৰিল ঃ আজি টিৰাপৰ কুমচাইৰ নামৌ গাঁও ক্লাবৰ প্ৰাংগণত অসমৰ জাতি সংঘ--অসম সন্মিলিত মহাসংঘৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন হয় চিংফৌ জাতীয় পৰিষদৰ উদ্যোগত। ৰজা বিছা ব'ম চিংফৌ সোঁৱৰণী মঞ্চত চিংফৌ জাতীয় পৰিষদৰ সভাপতি চেংগাম লাব্ৰামৰ সভাপতিত্বত অনুষ্ঠিত খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষা সম্পৰ্কীয় সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদ (২০০৭)ৰ আধাৰত কেনেদৰে সুৰক্ষিত হ'ব পাৰি সেই কথা অৱগত কৰে। লগতে অসমৰ খিলঞ্জীয়া হৃত অধিকাৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈকে ২০০৭ৰ ১৭ এপ্ৰিলত শিৱসাগৰৰ তলাতল ঘৰৰ বাকৰিত মহাসংঘৰ জন্ম হোৱাৰ বিষয়ে ব্যাখ্যা কৰে। ৰহমানে ৰাষ্ট্ৰসংঘৰ নিয়ন্ত্ৰিত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় ৱেবিনাৰত অসমৰ খিলঞ্জীয়াৰ বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰি সমাধানৰ বাবে সহযোগিতা বিচাৰি আবেদন জনোৱাৰ কথাও ব্যাখ্যা কৰে। সভাপতি চেংগাম লাব্ৰামে টিৰাপত খিলঞ্জীয়াসকলে হেজাৰ বছৰীয়া অধিকাৰ হেৰুৱাইছে বুলি আক্ষেপ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে চিংফৌ জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক অমিয় নিন্দাই। উক্ত সভাত টাংছা জাতীয় পৰিষদৰ উপ-সভাপতি টেহন হাখুন, চেমা নগা জাতীয় পৰিষদৰ সভাপতি কাহত চেমা, মানটাইভাষী ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা পল্লৱ শ্যাম ৰাইলুং, চেমা নগা ছাত্ৰ সন্থাৰ সভাপতি কাচেত চেমা, পান চিংফৌ ছাত্ৰ সন্থাৰ সভাপতি নংপিয়ন গুমগী, টাইফাকে জাতীয় পৰিষদৰ সাংস্কৃতিক সম্পাদক জেপেং চাখাপ আদিয়ে মহাসংঘৰ স'তে সক্ৰিয়ভাৱে সহযোগিতা কৰিবলৈ দৃঢ় সংকল্প লোৱাৰ বিষয়ে অৱগত কৰে। পুৱা মহাসংঘৰ পতাকা উত্তোলন কৰে মতিউৰ ৰহমানে আৰু মহাৰাজ মহীৰংগ দানৱৰ পৰা শেষ ৰজা গোমধৰ সিংহলৈকে সকলো খিলঞ্জীয়া ৰজা-মহাৰজা, বীৰ-বীৰাংগণাৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰা অনুষ্ঠানৰ আৰম্ভ কৰে টিৰাপ স্বায়ত্ব শাসিত দাবী সমিতিৰ সভাপতি বিচা মুংদাং চিংফৌৱে। উক্ত সভাই ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদ অসমত কাৰ্যকৰী কৰিবলৈ দাবী জনোৱাৰ লগতে মহাসংঘই উচ্চতম ন্যায়ালয়ত চলাই থকা খিলঞ্জীয়াৰ সুৰক্ষা গোচৰলৈ পূৰ্ণ সমৰ্থন জনায়। খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬ আৰু বিদেশীৰ ভিত্তি বছৰ ১৯৫১ হ'বই লাগিব বুলি দাবী জনায়। সভাই লিডু ৰেল ষ্টেচনৰ নাম ৰজা বিছা হ'ম চিংফৌৰ নামেৰে নামাকৰণ কৰিবলৈ আৰু টিৰাপ জনজাতি বেষ্টনিত দীৰ্ঘদিন ধৰি চলি থকা মাটি দখল কাৰ্য বন্ধ কৰিবলৈ আৰু দখলকাৰীসকলক শীঘ্ৰে উচ্ছেদ কৰিবলৈ দাবী জনায়।

প্ৰতিকূল বতৰকো নেওচি বৰভাগ আঞ্চলিক ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰভাগ বনভাগ আঞ্চলিক ৰঙালী বিহুৰ কালি সামৰণি পৰে। যোৱা ১৪ এপ্ৰিলত পুৱা বিহু উদ্‌যাপন সমিতিৰ সভাপতি বিমল কুমাৰ চৌধুৰীয়ে বিহু পতাকা উত্তোলনৰে ৪৬ সংখ্যক বিহু সন্মিলন আৰম্ভ কৰে। সেইদিনা পুৱাৰে পৰা অব্যাহত থকা ধাৰাসাৰ বৰষুণৰ মাজতে আমন্ত্ৰিত বিহুদলৰ বিহুনৃত্য প্ৰদৰ্শন আৰু জ্যেষ্ঠসকলৰ আশীৰ্বাদ লৈ বিহুৰ কাৰ্যসূচী মুকলি কৰে। ইফালে পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুল খেলপথাৰত ১৪ৰ পৰা ১৬ এপ্ৰিললৈ অনুষ্ঠিত কৰা পহিলা দিনাৰ কাৰ্যক্ৰমণিকাৰ অন্তত দ্বিতীয়াদিনা দিনৰ ভাগৰ কাৰ্যসূচীৰ অন্তত নিশা আমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে এমট্ৰনৰ উপ-প্ৰৱন্ধক দীনমণি ভাগুৰ কায়স্থই। অনুষ্ঠান মুকলি কৰি কায়স্থই বিহুৰ তাৎপৰ্যৰ বিশ্লেষণ কৰে। শেষৰ দিনৰ সাংস্কৃতিক সন্ধিয়াত কিনকিনিয়া বৰষুণতো ৰাইজৰ সমাবেশ ঘটে। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে সমাজসেৱক পুলিন চন্দ্ৰ লহকৰে। সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়া আৰু দেৱৰ্ষণা কাশ্যপে গীত পৰিৱেশন কৰে।

বাঙালীয়ে নগাঁৱৰ ভৰাগুৰিত বিহুৰে গঢ়িলে মিলনৰ সেতু

বিশেষ সংবাদদাতা

নগাঁও, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ পুৰণিগুদামৰ ভৰাগুৰি অঞ্চলৰ বাঙালী সম্প্ৰদায়ৰ লোকসকলে নিজকে অসমীয়া বুলি পৰিচয় দিহে গৌৰৱ অনুভৱ কৰে। অসমীয়া কৃষ্টি-সাংস্কৃতিক কাহানিবাই আপোন কৰি লোৱা গাঁওখনৰ লোক সকলো এইবাৰো ৰঙালীৰ আনন্দত মতলীয়া হ'ল। উল্লেখ্য যে গাঁওখনৰ বাঙালী সম্প্ৰদায়ৰ লোকসকলৰ পূৰ্বপুৰুষ আহি ননৈ নৈৰ ওচৰতে গাঁও পাতি বহিছিল। বিশেষভাৱে তেওঁলোক শ্ৰমজীৱি। কঠোৰ পৰিশ্ৰমৰ মাজত আয় কৰা পুঁজিৰে পৰিয়াল পোহ পাল দি আহিছে। গাঁওখনিৰ প্ৰধান কৰ্ম হ'ল দুটি। অসমীয়া সমাজ জীৱনৰ বাবে অতীব প্ৰয়োজন 'জাপি' আৰু 'ডুলি' নিৰ্মাণ কৰি বিক্ৰী কৰা। এই উৎপাৰ্জিত আয়েৰে জীৱন নিৰ্বাহ কৰি আহিছে। জিলাখনৰ কৃষকৰ বাবে প্ৰয়োজনীয় জাপি এই গাঁৱৰ লোকে নিৰ্মাণ কৰি চাহিদা পূৰণ কৰিছিল। একেদৰে আঘোণৰ সোণগুটি গোটাই থবলৈ ব্যৱহাৰ কৰা ডুলি নিৰ্মাণ কৰি জিলাখনৰ গাঁৱে গাঁৱে বিক্ৰী কৰিছিল। জাপি আৰু ডুলি প্ৰস্তুতত জড়িত হৈ কৃষিজীৱি লোকৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰা এই গাঁৱৰ নতুন প্ৰজন্ম শিক্ষিত হোৱাত জাপি-ডুলিৰ থলুৱা কুটিৰ উদ্যোগত প্ৰভাৱ পৰিছে। একেদৰে জাপি-ডুলিৰ চাহিদা কমি অহাত শিক্ষিত নতুন পুৰুষে উৎপাৰ্জন বিভিন্ন পন্থা গ্ৰহণ কৰিছে যদিও থলুৱা উদ্যোগটো বৰ্তমানেও লোকসকলে মৃত্যুৰ মুখলৈ থেলি দিয়া নাই। এই লোকসকলৰ পূৰ্বপুৰুষ চিলেটৰ বাঙালী লোক আছিল যদিও আজি গাঁওখনিৰ প্ৰতিজন লোকে 'চিলেটৰ বঙালী' বুলি নিজক চিনাকি দিব নোখোদে। নিজকে বৃহত্তৰ পুৰণিগুদাম ভৰাগুৰিৰ অসমীয়া বুলি কৈ গৌৰৱ অনুভৱ কৰে। গাঁওখনিত অচিন লোকে বঙালী গাঁও বুলি ক'লে তিৰস্কাৰৰ সন্মুখীন হোৱাৰ দৰে ঘটনাও ঘটিছে। বাঙালী সম্প্ৰদায়ৰ নতুন প্ৰজন্মই গৌৰৱ কৰে নিজকে অসমীয়া বুলি চিনাকি দি । একেদৰে বৃহত্তৰ ভৰাগুৰি লোকেও আকোৱালী লৈছে নিজৰ ককাই ভাই বুলি । বাঙালী লোক বুলি অনুভৱ কৰিবলৈ নিদিয়ে এই সকল লোকক। এই বেলি পহিলা ব'হাগত এই ভৰাগুৰিৰ পংকজ সৰকাৰ, নিৰঞ্জন সৰকাৰ, ৰাণা সৰকাৰ, বিভূ দাস আদিয়ে বিহু পাতি যি নিদৰ্শন দেখুৱালে ই সমাজ গঠনত বিৰল বুলিব পাৰি। আনকি বিহুৰ পূৰ্বে অকল সাত দিনীয়াকৈ পাতিলে বিহু কৰ্মশালা । প্ৰায় ডেৰ শতাধিক গাঁৱৰ ল'ৰা ছোৱালীয়ে শিকিলে বিহু নাচ, বিহু গীত, হুচৰি। সাত দিন বিকি বৰা, প্ৰিয়া গগৈ, হিমাংশু শইকীয়া, জুবিন শইকীয়াই প্ৰশিক্ষাৰ্থীসকলক বিহুৰ প্ৰশিক্ষণ প্ৰদান কৰে । প্ৰশিক্ষণৰ অন্তত পহিলা বহাগ 'মানুহৰ বিহু'ৰ দিনা ভৰাগুৰিৰ খেলপথাৰৰ আহঁতৰ তলত আয়োজিত বিহুৰ অনুষ্ঠানে বিহু বলীয়া সমবেত লোকৰ দেহ মন ৰঙীণ কৰে। সাজ-পোছাক, আচাৰ-ব্যৱহাৰ কিহত পিছ পৰা ? বিহু তলিৰ নান্দনিক পৰিৱেশত উপস্থিত এজনো লোকে অনুভৱ কৰিব নোৱাৰিলে যে ঘাই শিপাডাল বঙালী হোৱা এখন গাঁও বিহুত মতলীয়া হৈ আছে বুলি। ভৰাগুৰি যুৱ সংঘ আৰু অকণি সাহিত্য সভাই আয়োজন কৰা এই ৰঙালী বিহুৰ কাৰ্যসূচী উদ্বোধন কৰে চিত্ৰ শিল্পী সুজিত দাসে, বিশিষ্ট অতিথি হিচাপে বস্ত্ৰ ভড়ালৰ সভাপতি বিৰিঞ্চি বৰা, নগাঁও কুইজ ফ'ৰামৰ সভাপতি চন্দ্ৰজিৎ দাস উপস্থিত থকাৰ লগতে ফণীন্দ্ৰ পাঠক, দুলাল বৰা, মানিক গায়ন, খগেন গায়ন আদিয়ে অংশ গ্ৰহণ কৰে। পিংকী বিশ্বাস, নিলাক্ষী বিশ্বাস, প্ৰিয়ংকা চক্ৰৱৰ্তী, গাৰ্গী শইকীয়া, তৃণামণি গায়নহঁতে সাত দিন একেলগে বিহু নাচ, বিহু নাম শিকি পহিলা ব'হাগত পৰিৱেশন কৰি একতা চানেকি দেখুৱালে। হ'লেও বিহু নেপাতে বুলি। নিশ্চিতভাৱে নৈ পৰীয়া ভৰাগুৰিৰ এসময়ৰ বঙালী ভাষী লোকসকল আজি অসমীয়া ।

গহপুৰত ঘৰে ঘৰে হুঁচৰি প্ৰদৰ্শন, দেওবাৰে।

চাপৰত যুৱকক হত্যাৰ অভিযোগত তিনিজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

চাপৰ, ১৭ এপ্ৰিল ঃ যোৱা ১৩ এপ্ৰিলত চাপৰ আৰক্ষী থানাৰ অন্তৰ্গত ধীৰঘাটস্থিত 'নাগৰাজ ধাবা তথা নাগ ৱাইন শ্বপ'ৰ পিছফালৰ খাল এটাত ৰঞ্জিত সাহা নামৰ চাপৰৰ শান্তিপুৰৰ যুৱক এজনৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই সম্প্ৰতি নতুন মোৰ লৈছে। উল্লেখ্য যে তিনিদিন ধৰি নিৰুদ্দেশ হৈ থকাৰ পাছত উক্ত স্থানত ৰহস্যজনকভাৱে যুৱকজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত অভিভাৱকে সেয়া পৰিকল্পিত হত্যাকাণ্ড বুলি সিদিনা নিশাই উক্ত ধাবাখনৰ গৰাকী আৰু কৰ্মচাৰীৰ বিৰুদ্ধে থানাত এজাহাৰ দাখিল কৰিছিল। তাৰপাছত আৰক্ষীয়ে আৰম্ভ কৰা তদন্ত মৰ্মে ধাবাখনৰ ১৪ জনকৈ কৰ্মচাৰীক সোধ পোছৰ বাবে আটক কৰে। ইয়াৰে ১১ জন কৰ্মচাৰীক চাপৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৪১ (এ) নম্বৰ ধাৰা মতে জাননী জাৰি কৰি সাময়িকভাৱে মুকলি কৰি দিয়ে যদিও হত্যাৰ অভিযোগত নাগৰাজ ধাবাখনৰ মেনেজাৰ মিণ্টু নাগ (৩৮), ধাবা তথা মদৰ দোকানখনৰ কৰ্মচাৰী সাধন সৰকৰাৰ (৩৮) আৰু ৰাজেশ দাসক আজি গ্ৰেপ্তাৰ কৰি বিলাসীপাৰা আদালতত হাজিৰ কৰোৱাত আদালতে জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ৰঞ্জিতৰ পিতৃ বলোৰাম সাহাই পুত্ৰ উক্ত ধাবা তথা সুৰাৰ দোকানত যোৱা ১১ এপ্ৰিলৰ সন্ধিয়া ছয় বজাত যোৱাৰ পাছতে সন্ধানহীন হোৱা বুলি কয়। আনহাতে, ১৩ এপ্ৰিলৰ পুৱা ধাবাখনৰ গাতে লাগি থকা খালত পুত্ৰৰ মৃতদেহ উদ্ধাৰ হোৱাত পৰিকল্পিতভাৱে ধাবাখনতে হত্যা কৰা হৈছিল বুলি অভিযোগ উত্থাপন কৰি চাপৰ থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰ ভিত্তিত চাপৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩০২/৩৪ ধাৰাৰ অধীনত ৬৭/২০২২ নম্বৰৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে।

তামুলপুৰৰ কুমাৰীকাটা বজাৰত উদ্ধাৰ কন্যা শিশু

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৭ এপ্ৰিল ঃ তামুলপুৰ জিলাৰ অন্তৰ্গত কুমাৰীকাটা সাপ্তাহীক বজাৰত আজি আবেলি উদ্ধাৰ হয় এটি দুবছৰীয়া কন্যা শিশু। আবেলি পাঁচ বজাত স্থানীয় ভূটান ধাবাৰ এজন কৰ্মচাৰীয়ে কুমাৰীকাটা বজাৰত অকলশৰীয়া অৱস্থাত খেলি থকা শিশুটিক উদ্ধাৰ কৰি নিজ ঘৰলৈ লৈ নি ধাবাখনৰ গৰাকী সুমন সেন গুপ্তাক শিশুটিক উদ্ধাৰ কৰি অনা সম্পৰ্কত অৱগত কৰে। ধাবাখনৰ গৰাকীয়ে লগে লগে শিশুটি সম্পৰ্কত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীক খবৰ দিয়াত বিধায়কজন ধাবাখনত উপস্থিত হয়। বিধায়ক দৈমাৰীৰ তৎপৰতাত পাছত শিশুটি কুমাৰীকাটা আৰক্ষী চ'কীত গতাই দিয়াৰ লগতে বাগ্‌সা জিলা শিশু সুৰক্ষা কেন্দ্ৰত খবৰ দিয়ে । আনহাতে, এটি কণমানি শিশু উদ্ধাৰ হোৱাৰ খবৰ লাভ কৰি তামুলপুৰ জিলা আৰক্ষী অধীক্ষক পংকজ যাদৱ কুমাৰীকাটা আৰক্ষী চ'কীত উপস্থিত হৈ শিশুটিৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে শিশুটিক শিশু সুৰক্ষা কেন্দ্ৰলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

সমন্বয়ৰ বাণীৰে পশ্চিম গাভৰু আঞ্চলিক ৰঙালী বিহু সন্মিলন ব'হাগৰ বিহুৰ পতাকাৰ তলত

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৭ এপ্ৰিল ঃ অসমীয়া সংস্কৃতিৰ আধাৰেই হ'ল জনজাতীয় সংস্কৃতি। অসমীয়া সংস্কৃতিৰ ঘাই শিপা বিহু সংস্কৃতি। এতিয়া ৰাজ্যখনৰ চৌদিশে বিভেদ-বিদ্বেষৰ এক বাতাবৰণ গঢ় লৈ উঠিছে। ব'হাগৰ বিহুৰ পতাকাৰ তলত সমন্বয়ৰ ধ্বনিৰে ঐক্য-বদ্ধতাৰ জয় ধ্বনি দিলে অসমীয়া জাতি অধিক উজ্বলি উঠিব। কাৰৈমাৰী পশ্চিম গাভৰু আঞ্চলিক ৰঙালী বিহুৰ সন্মিলনৰ বিহু পতাকা উত্তোলন কৰি এইদৰে কয় বিহু উদযাপন সমিতিৰ সভাপতি পংকজ কুমাৰ নাথে। কালি পুৱা যুগল হাইস্কুল খেল পথাৰত বিহুৰ পতাকা উত্তোলন কৰি সভাপতি নাথে কয় যে আমাৰ কাৰৈমাৰী অঞ্চলটোৰ বহুকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ আৱাসস্থলী। আজি পতাকা উত্তোলনস্থলীত প্ৰতিটো জনগোষ্ঠীৰ জ্যেষ্ঠ লোকক বিহুৱানেৰে সম্বৰ্ধনা জনোৱাৰ লগতে অঞ্চলটোত থকা জনগোষ্ঠীসমূহৰ নৃত্য দলক আমন্ত্ৰণ কৰি বিহুতলীত নৃত্য প্ৰদৰ্শনৰে এক সম্বন্বয়ৰ বাতাবৰণ সৃষ্টিৰে অঞ্চলটোত যুগ-যুগ ধৰি অব্যাহত থকা সম্বন্বয়ৰ ভ্ৰাতৃত্ববোধ অধিক নিখপ-খপীয়া কৰি তুলাৰ প্ৰয়াস কৰা হৈছে। বিশ্বজিৎ বড়োৱে কয় যে- এতিয়া বিহুতলীত সমন্বয়ৰ বাতাবৰণ সৃষ্টি কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। সকলো জনগোষ্ঠী বিহুৰ পতাকাৰ তলত সমবেত হৈ সম্বন্বয়ৰ বাতাবৰণ সৃষ্টি কৰিলেহে ভাতৃত্ববোধৰ এনাজৰী অধিক তনকিয়াল হ'ব।

মিৰ্জাত বনৰীয়া হাতীৰ আক্ৰমণত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৭ এপ্ৰিল ঃ ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত মিৰ্জাৰ সমীপৰ গোসাঁইহাট পিৰপাৰাত মৃত্যু হ'ল এজন লোকৰ। নিহত লোকজন হৈছে গাঁওখনৰ নিবাসী অনিল বড়ো (৫৫)। মিৰ্জা মালিয়াটা পাহাৰৰ পৰা বনৰীয়া হাতীয়ে খাদ্যৰ বাবে জনাঞ্চললৈ নামি আহি ঘৰৰ চোতালৰ পৰা উঠাই নি পথত নিৰ্মমভাৱে গচকাৰ ফলতে লোকজন থিতাতে নিহত হয়। উল্লেখ্য যে মালিয়াটা পাহাৰত থকা বনৰীয়া হাতীয়ে দীৰ্ঘ দিন ধৰি বৃহত্তৰ অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে যদিও বন বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ ফলত এনে ঘটনা অঞ্চলটোত সঘনাই সংঘটিত হৈ আহিছে। বিগত কিছুমাহৰ পূৰ্বেও হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হৈছিল। তাৰ পৰাও কোনো শিক্ষা নল'লে বনবিভাগে। মালিয়াটা পাহাৰৰ বনৰীয়া হাতীৰ সন্ত্ৰাসত নিশা উজাগৰী নিশা কটাই আহিছে গোসাঁইহাট, পিৰপাৰা, সোণতলা, মেনাপাৰা তিনিআলি, বঙৰা আদিকে ধৰি বৃহত্তৰ অঞ্চলৰ বাসিন্দাসকলে। অথচ বনবিভাগে আজিলৈ কোনো ব্যৱস্থা লোৱা নাই বুলি স্থানীয় লোকে অভিযোগ কৰিছে।

বৰপেটা ৰোড চহৰত মাৰোৱাৰী সমাজ আৰু মাৰোৱাৰী যুৱ মঞ্চ

অগ্ৰদূত বাৰ্তা

বৰপেটা ৰোড, ১৭ এপ্ৰিল ঃ বৰপেটা ৰোড চহৰত অসমীয়াৰ প্ৰাণৰ উৎসৱ বিহু পালন মাৰোৱাৰী সমাজৰ। বৰপেটা ৰোড চহৰত আজি মাৰোৱাৰী সমাজ আৰু মাৰোৱাৰী যুৱ মঞ্চৰ বৰপেটা ৰোড শাখাই এদিনীয়াকৈ বিহু উৎসৱ পালন কৰে । মাৰোৱাৰী যুৱ মঞ্চৰ বৰপেটা ৰোড শাখাই উদ্‌যাপন কৰা বিহু উৎসৱত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জ্যোতিপ্ৰসাদ আগৰৱালাৰ পাছত বৰপেটাৰোডৰ জি এল আগৰৱালাই অসমীয়া সাহিত্য আৰু সংবাদ জগতলৈ আগবঢ়োৱা বৰঙণিৰ কথা উল্লেখ কৰে। মন্ত্ৰীজনে বৰপেটাৰ মাৰোৱাৰীসকলক অসমীয়া মাৰোৱাৰী বুলি উল্লেখ কৰি অধিকাংশ মাৰোৱাৰীয়েই অসমীয়া মাধ্যমতে পঢ়া-শুনা কৰে বুলি কয়। আনকি মাৰোৱাৰী মহিলাই পুৱা পিঠাৰ সোৱাদো অসমীয়া মহিলাৰ পিঠাৰ দৰেই একে বুলিও মন্তব্য কৰে ।

দেওমৰনৈত মৃত্যুঞ্জয় ন্যাস, অসমৰ মুকলি

মানৱ ধৰ্মৰে আগবাঢ়িব লাগিব ঃ গৰিমা

অগ্ৰদূত বাৰ্তা

দেওমৰনৈ, ১৭ এপ্ৰিল ঃ 'জন্মসূত্ৰে আমি এখন ঘৰ পাও, এটা ধৰ্ম পাও। কিন্তু আমি মানৱতা ধৰ্মৰেহে সমাজত আগবাঢ়িব লাগে। মানৱতা ধৰ্ম প্ৰত্যেকে নিজে অৰ্জন কৰি ল'ব লাগে।' এইদৰে মন্তব্য কৰে প্ৰযোজিকা তথা ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়া গাৰ্গে। অসমৰ দৰিদ্ৰ দুৰ্ভগীয়া লোকসকলক চিকিৎসাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে গঠিত মৃত্যুঞ্জয় ন্যাস, অসমৰ আজি এক জনাকীৰ্ণ অনুষ্ঠান মুকলি কৰি তেওঁ মৃত্যুঞ্জয় ন্যাসৰ দ্বাৰা অসহায় ৰোগীয়ে সহায়ৰ হাত পাব বুলি প্ৰকাশ কৰে। দৰং জিলাৰ দেওমৰনৈ মিনি ষ্টেডিয়ামত অনুষ্ঠিত উক্ত কাৰ্যসূচীত উপস্থিত থাকি বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই সকলো লোকক সমাজৰ হকে কাম কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত সাংসদ দিলীপ শইকীয়াই ন্যাসলৈ নগদ ৫০ হেজাৰ টকা আগবঢ়ায়। উদ্বোধনী অনুষ্ঠানত দিল্লীৰ পৰা আহি চিকিৎসক দীপম কুমাৰ বৰ্মনে অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত ৰোগীসকল হতাশ নহৈ মনোবল অটুট ৰাখিলে আৰোগ্য লাভ কৰিব পাৰি বুলি কয়। উল্লেখ্য যে ডাঃ বৰ্মন কালি দিল্লীৰ পৰা আহি নলবাৰীত উপস্থিত হয় আৰু আজি পুৱাতে নলবাৰীৰ পৰা এটি যুৱকৰ দল লগত লৈ চাইকেলেৰে সমদল কৰি প্ৰচাৰ চলাই দেওমৰনৈত আহি উপস্থিত হয়। দুৰ্ভাগ্যবশতঃ দেওমৰনৈৰ পৰা পাঁচ কিলোমিটাৰ দূৰত্বত চাইকেল দুৰ্ঘটনাত চিকিৎসকজন আহত হয় যদিও অনুষ্ঠানত উপস্থিত থাকি সকলোকে উৎসাহিত কৰে। তদুপৰি চিকিৎসা কৰ্মী গহপুৰৰ বিমল বৰাই গুৰুতৰ ৰোগীৰ বাবে পাব পৰা চিকিৎসা সাহায্য তথা দিহা-পৰামৰ্শৰ উৎস সম্পৰ্কে ভাষণ আগবঢ়ায়। মৃত্যুঞ্জয় ন্যাসৰ ম'বাইল এপ মুকলি কৰি অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে সকলোৰে সুস্বাস্থ্য কামনা কৰি ৫০ হেজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ন্যাসটোৰ ফেচবুক পেজ, টুইটাৰ আৰু ইউটিউব চেনেল মুকলি কৰে চলচ্চিত্ৰ তথা মঞ্চ অভিনেতা যোগেশ কাশ্যপে। স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে দৰং জিলাৰ দেওমৰনৈ অঞ্চলত দুৰাৰোগ্য ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক সম্পৰ্কে প্ৰকাশ কৰাৰ লগতে সকলোকে আদৰণি জনাই ভাষণ আগবঢ়ায়। উক্ত অনুষ্ঠানত পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দৰদী দেৱ ৰয়, চিকিৎসক ডাঃ কমলাকান্ত শৰ্মা, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, প্ৰথম খবৰৰ মেনেজিং এডিটৰ কমল কুমাৰ, প্ৰকৃতি বন্ধু গৌৰী শংকৰ কলিতা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱা বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, ছহিদ তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে অসমৰ ৩৫খন জিলাৰ পৰা তত্ত্বাৱধায়ক বাছনি কৰি চিকিৎসা সাহায্যৰ বাবে গঠিত ন্যাসটোৰ জৰিয়তে জটিল ৰোগাক্ৰান্ত অসহায় ৰোগীক আৰ্থিক সহায় প্ৰদানৰ পদক্ষেপ লোৱা হৈছে।

বিশ্বনাথৰ ৰেলগেটত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি উন্মোচন

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৭ এপ্ৰিল ঃ গোসাঁই বিহুৰ দিনা বিশ্বনাথৰ বাবে এটা উল্লেখযোগ্য দিন হিচাপে চিহ্নিত হৈ ৰ'ব। বিশ্বনাথৰ ৰেল গেটত বিশ্ববৰেণ্য শিল্পী, সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ এটি প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ একান্ত ইচ্ছাৰ বাবে মূৰ্তিটো বিশ্বনাথৰ উত্তৰ চাৰিআলি সন্মিলিত মঞ্চৰ তথা ৰাইজৰ সহযোগিতাত মুকলি কৰা হয়। মূৰ্তিটো নিৰ্মাণ কৰি উলিয়াইছে বিশিষ্ট ভাস্কৰ্য শিল্পী শিৱ প্ৰসাদ মাৰাৰে। নিৰ্মাণ সমিতিৰ সভাপতি তথা উত্তৰ চাৰিআলি সন্মিলিত মঞ্চৰ কাৰ্যকৰী সভাপতি নিৰঞ্জন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত প্ৰতিমূৰ্তিটো উন্মোচন কৰে বিধায়ক বৰঠাকুৰে। উত্তৰ চাৰিআলি সন্মিলিত মঞ্চৰ সম্পাদক কন্দৰ্প হাজৰিকাই আদৰণি ভাষণ দিয়া সভাত ভাস্কৰজ্যোতি বৰাই মূৰ্তি নিৰ্মাণ আৰু মঞ্চৰ কাৰ্য পন্থাৰ ওপৰত বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ সফলতাৰ বাবে বিশ্বনাথ জিলাৰ সদৰ মহকুমাধিপতি বিশ্বজিৎ শইকীয়া, বিশ্বনাথ জিলা পৰিষদৰ সদস্য সতেন্দ্ৰ হাজৰিকা, বিশ্বনাথ নগৰ উন্নয়ন পৰিষদৰ সভাপতি মোহন মহন্ত, লেহু গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা হাজৰিকা, কুঁৱৰী গাঁও পঞ্চায়তৰ সভাপতি যুধিষ্ঠিৰ মহানন্দ, নাগৰিক সন্থাৰ সম্পাদক বিদ্যুৎ শৰ্মা, বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভূপেন দাধৰা, উত্তৰ চাৰিআলি সন্মিলিত মঞ্চৰ সভাপতি অকন শইকীয়াৰ লগতে বিভিন্ন দল-সংগঠন আৰু ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে উত্তৰ চাৰিআলি সন্মিলিত মঞ্চৰ সম্পাদক প্ৰধান বসন্ত বৰাই।

শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

আঠখেলীয়া, ১৭ এপ্ৰিল ঃ যোৱা পহিলা ব'হাগৰ দিনা গোলাঘাট নগৰত অৱস্থিত বৃদ্ধাশ্ৰমত আশ্ৰয় গ্ৰহণ কৰা বৃদ্ধ-বৃদ্ধাক শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ তৰফৰ পৰা নৱবৰ্ষৰ ওলগ জনায়। গোলাঘাট জিলা শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ সভাপতি নলীন কৌৰৱ, সম্পাদক ছাইফুল হুছেইন, সদস্য পৱন গগৈয়ে আশ্ৰমখনৰ দুকুৰি বৃদ্ধ-বৃদ্ধাক একোখনকৈ ফুলাম গামোচা অৰ্পণ কৰি গুৱা-পাণেৰে সেৱা জনোৱাৰ লগতে বিহুৰ জলপান

পুৰণিগুদাম প্ৰেছ ক্লাবৰ বিহু নাচ-ঢোলবাদন কৰ্মশালাৰ সামৰণি

বিশেষ সংবাদদাতা

নগাঁও, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত আৰু হালোৱাগাঁও আঞ্চলিক যুৱ মঞ্চৰ সহযোগত যোৱা ১০ মাৰ্চৰ পৰা অনুষ্ঠিত ঢোলবাদন আৰু বিহু নাচ কৰ্মশালাৰ আজি সামৰণি পৰে। আজি পুৰণিগুদাম প্ৰেছ ক্লাবে উক্ত সামৰণি অনুষ্ঠিত হালোৱাগাঁও চাৰিআলিত মুকলি মঞ্চত অনুষ্ঠিত কৰা হয়। পুৰণিগুদাম জলাহগাঁৱৰ শিল্পী ৰাজু শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰা ১৪০ গৰাকী ঢুলীয়া নাচনিক আনুষ্ঠানিকভাৱে আজি



মানপত্ৰ প্ৰদান কৰে পুৰণিগুদাম প্ৰেছ ক্লাৱে। অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা সাংস্কৃতিক বিষয়া মুনীন্দ্ৰ গোস্বামী। পুৰণিগুদাম প্ৰেছ ক্লাবৰ উপদেষ্টা তথা জেষ্ঠ সাংবাদিক কুলপ্ৰদীপ দাস সঞ্চালকৰূপে উপস্থিত থকা এই মানপত্ৰ বিতৰণ অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে প্ৰতিভা বিকাশ কৰি কৰে। উল্লেখ্য যে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে যোৱা ১৫ এপ্ৰিলত পুৰণিগুদামৰ কাষৰীয়া অঞ্চলসমূহৰ ১২ স্থানত বাটৰ বিহু প্ৰদৰ্শন কৰে। এই বাটৰ বিহু অনুষ্ঠিত স্থানত পুৰণিগুদাম প্ৰেছ ক্লাবে গ্ৰহণ কৰে এক আশীৰ্বাদ কাৰ্যসূচী। উক্ত কাৰ্যসূচীত অঞ্চলৰ সামাজিক দিশত জড়িত থকা বয়োজ্যেষ্ঠ লোকক একোখনকৈ বিহুৱান আৰু চেলেঙেৰে আদৰণি জনায়। সেই দিনটোত পুৰণিগুদাম পাৰঘাট খেলপথাৰত অনুষ্ঠিত হয় আন এক বিশেষ কাৰ্যসূচী। উক্ত কাৰ্যসূচীত পৰাগমণি শইকীয়া, নিপ কুমাৰ বৰুৱা আৰু সুনীল বৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

প্ৰতিকূল বতৰকো নেওচি বাসুগাঁৱত সাংস্কৃতিক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ১৭ এপ্ৰিল ঃ নেৰানেপেৰা বৰষুণ, শিলাবৃষ্টি, বিজুলী-ঢেৰেকণীৰ মাজত বাসুগাঁও আঞ্চলিক ৰঙালী বিহুৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদকে এ চিৰাঙৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন । তেওঁ উদ্বোধনৰ প্ৰাক মুহূৰ্তত এটি বিহু গীত পৰিৱেশন কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থকা ৩১ চিদলী জনজাতি সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে অসমীয়াৰ বিহু, বড়ো জনগোষ্ঠীৰ বৈশাগু, কোঁচ ৰাজবংশীৰ বিষুৱা ইত্যাদি নামাকৰণেৰে বিহুটি পালন কৰা হয়। বাসুগাঁও আঞ্চলিক ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি কৰবেক্ত চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বাসুগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ গণেশ্বৰ হাজং, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অমৃত নাৰায়ণ পাটগিৰি, বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ প্ৰমোদ শৰ্মা, সমাজকৰ্মী ইন্দ্ৰজিৎ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিহু উদ্বোধনৰ অন্তত একাংকিকাৰে গামখাৰু বিহু-হুঁচৰি দল, শুকুৰজ্ঞ লোকবাদ্য দল, স্থানীয় প্ৰতিষ্ঠিত শিল্পী জুৰি শৰ্মাৰ উপৰি আমন্ত্ৰিত শিল্পীসকলে গীত পৰিৱেশন কৰি পৰিৱেশটিক আনন্দ মুখৰ কৰি তোলে। প্ৰতিকূল বতৰকো নেওচি বাসুগাঁও চহৰৰ নিকটবৰ্তী বিজয়গাঁও আৰু শাকাতি উজান পাথাৰত কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বিষুৱা আজি পুৱাৰে পৰা উলহ-মালহেৰে পতাকা উত্তোলন, বস্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বিভিন্ন আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা আদি পৰম উল্লাসেৰে অনুষ্ঠিত হয়।

বিভিন্ন জনগোষ্ঠীৰ নৃত্যৰে জীপাল শিৱসাগৰ

■ জিলা ছাত্ৰ সন্থাৰ নৰম বাৰ্ষিক মুকলি বিহু সম্পন্ন ■ বিশেষ সম্বৰ্ধনা

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৭ এপ্ৰিল ঃ বিহুৰ পুৰণি পৰম্পৰাক শ্ৰদ্ধা জনোৱাৰ লগতে বিহুৰ মূল শিপাডালক উঠি অহা প্ৰজন্মৰ স'তে চিনাকি কৰি দিয়াৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰি অহা মুকলি বিহুৰ জৰিয়তে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসংস্কৃতিক একত্ৰিত কৰি ৰঙালী বিহুটিক পৰম্পৰাগতভাৱে উদ্‌যাপন কৰাৰ প্ৰয়াসেৰে নৰম বাৰ্ষিক মুকলি বিহু উদ্‌যাপন কৰে শিৱসাগৰ ছাত্ৰ সন্থাই। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, শিৱসাগৰ মহকুমা ছাত্ৰ সন্থা, শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত স্থানীয় বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰা নৰম বাৰ্ষিক মুকলি বিহু উদ্বোধন কৰে ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে। উদ্বোধনৰ পূৰ্বে পুৱা ৯-৩০ বজাত ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু বিহুৱান উত্তোলন কৰে ক্ৰমে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থা সভাপতি মানৱ হাজৰিকা আৰু মুকলি বিহু উদ্‌যাপন সমিতিৰ সভাপতি নৰেন চেতিয়াই। ছহিদ তৰ্পণ কৰে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই। ইয়াৰ পাছতে বিভিন্ন ক্ষেত্ৰত সমাজৰ হকে কাম কৰা শিৱসাগৰৰ প্ৰণতি গোহাঁই, মনীষা বৰঠাকুৰ, ব্ৰজেন ফুকন, মহেন্দ্ৰ বৰা, আনন্দ গগৈ আৰু কৃষ্ণকান্ত কলিতাক সম্বৰ্ধনা জনোৱাৰ লগতে জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পাছতেই মুকলি বিহু উদ্বোধন কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি উদ্‌যাপন সমিতিৰ সভাপতি নৰেন চেতিয়াই আদৰণি ভাষণ আৰু জিলা উপায়ুক্ত মেঘনিধি দাহাল, আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, আছুৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈ, টাইপাৰ দিগন্ত তামুলীয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি জয়জ্যোতি গগৈ আৰু মুক্তাৰ হুছেইনৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ গোমচেং উন্মোচন কৰে ছহিদ পিয়লি ফুকন কলেজৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। ইয়াৰ উপৰি ১৭ গৰাকী বেচৰকাৰী স্বেচ্ছাসেৱক আৰু প্ৰতিপালকক বিশেষভাৱে সন্মান জনোৱা হয়। মুকলি বিহু উদ্বোধনৰ পাছতেই বৰ্ডিং খেলপথাৰত বিভিন্ন জাতি-জনগোষ্ঠীয় দলৰ বিহু গীত-নৃত্যৰে মুখৰিত হৈ পৰে মুকলি বিহুৰ চৌপাশ। য'ত ৰামধেনু হুঁচৰি দল, দিচাংমুখ মিচিং বিহু দল, টঙালী হুঁচৰি, চৰাইদেউৰ তিৰা বিহু, নেমুগুৰি বিহু দল, নাজিৰাৰ জয়খামদাং বিহু দলৰ উপৰি কে'বাটাও বিহু দলে অংশগ্ৰহণ কৰি অনুষ্ঠানটো জীপাল কৰে। সন্ধিয়া জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানটো উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই।

প্ৰগতি সংঘ-পূজা মন্দিৰ কমিটীৰ দলগাঁৱত সমূহীয়া ইফটাৰ

অগ্ৰদূত বাৰ্তা

দলগাঁও, ১৭ এপ্ৰিল ঃ সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যখনতো একাংশ লোকে হিন্দু-মুছলমানৰ মাজত বিষবাষ্প সুমুৱাই দি সমাজখনক কলুষিত কৰাৰ সময়তে দৰঙৰ দলগাঁৱত পুনৰ এক সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে স্থানীয় সমাজকৰ্মী, উদ্যোগপতি কুলেন হাজৰিকাই। দলগাঁও প্ৰগতি সংঘক এটি আটকধুনীয়া গৃহ নিৰ্মাণ কৰি দিয়া দাতা হাজৰিকাৰ উদ্যোগত প্ৰগতি সংঘ আৰু বাৰোৱাৰী পূজা মন্দিৰ কৰ্তৃপক্ষই কালি সন্ধিয়া সমূহীয়া ইফটাৰৰ আয়োজন কৰে। মন্দিৰ চৌহদতে আয়োজন কৰা ইফটাৰত হিন্দু-মুছলিম উভয় ধৰ্মৰ শতাধিক লোকে অংশগ্ৰহণ কৰে। কলুষিত সমাজৰ বিষ যাতে দলগাঁও অঞ্চলত সোমাব নোৱাৰে আৰু দলগাঁৱৰ পৰাই যাতে সমগ্ৰ ৰাজ্যখনতে এক সমন্বয়ৰ বাৰ্তা যাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে এই ইফটাৰৰ আয়োজন কৰা বুলি সকলো ধৰ্মৰে লোকক নিমন্ত্ৰণ জনাই আহিছে।

উদীয়মান যুৱ সমাজৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৭ এপ্ৰিল ঃ শুৱালকুছিৰ সামাজিক অনুষ্ঠান সদৌ শুৱালকুছি উদীয়মান যুৱ সমাজৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস পহিলা ব'হাগৰ দিনা দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে সমাজৰ সভাপতি ভুৱনেশ্বৰ দাসে। স্থানীয় আদৰ্শ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰা প্ৰতিষ্ঠা দিৱসত গাঁওখনৰ ৬০ উৰ্ধ্বৰ ৩৪জন ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে পুৱা ভাগত প্ৰতিষ্ঠা দিৱস উপলক্ষে সমূহীয়া দৌৰ অনুষ্ঠিত কৰা হয়। সমূহীয়া দৌৰ মুকলি কৰে সমাজ সেৱক শৰৎ দাসে।

হাজোৰ দক্ষিণ বৰ্ণিত চোৰাং সামগ্ৰী উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

হাজো, ১৭ এপ্ৰিল ঃ কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ আৰক্ষীয়ে হাজোৰ দক্ষিণ বৰ্ণিৰ এজন লোকৰ ঘৰত চোৰাং সামগ্ৰী থকাৰ সন্দেহত অভিযান চলায়। দক্ষিণ বৰ্ণিৰ ছাইফুদ্দিন আহমেদৰ ঘৰত আৰক্ষীয়ে তালাচী চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ চোৰাং সামগ্ৰী লগতে ২১টা খালী কন্টেনাৰ। আহমেদৰ বাসগৃহৰ পৰা কাহ-পিতলৰ বহুত চোৰাং সামগ্ৰী, চোৰাং ফেন দুখনৰ লগতে বহুত চোৰাং কাপোৰ উদ্ধাৰ কৰে। উল্লেখ্য যে ছাইফুদ্দিন আহমেদৰ বিৰুদ্ধে বিভিন্ন অপৰাধজনিত কাৰ্যত জড়িত থকাৰ অভিযোগদীৰ্ঘদিন ধৰি ৰাইজে উত্থাপন কৰি আহিছিল আৰক্ষীয়ে আহমেদক গ্ৰেপ্তাৰ কৰে।

ছিপাঝাৰ সাহিত্য সভাৰ 'নিজৰ দিন' পালন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৭ এপ্ৰিল ঃ পহিলা ব'হাগৰ দিনটোতে অসম সাহিত্য সভাই ৰাজ্যজুৰি উদ্‌যাপন কৰে নিজৰ দিন। নিজৰ দিন পালনৰে ৰাজ্যখনৰ সাহিত্য, সংস্কৃতি আৰু সমাজকে ধৰি বিভিন্ন দিশত সমাজলৈ অৱদান আগবঢ়োৱা লোকসকলক ঘৰে ঘৰে গৈ সন্মান তথা সম্বৰ্ধনা জনায়। সাহিত্য সভাই ইয়াৰ শাখাসমূহৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়ণ কৰে। ছিপাঝাৰ শাখা সাহিত্য সভায়ো উক্ত কাৰ্যসূচীৰ অংশ হিচাপে ছিপাঝাৰ অঞ্চলৰ সাতগৰাকী বিশেষ ব্যক্তিক নিজা বাসগৃহত গৈ আগবঢ়ায় এনে সন্মান। বিহুৱান, কিতাপৰ টোপোলা আৰু অসম সাহিত্য সভাৰ সভাপতি-সম্পাদকৰ স্বাক্ষৰ সম্বলিত এখন ওলগনি পত্ৰ প্ৰদান কৰা হয়। দক্ষিণ চুবুৰিৰ খুলীয়া ভাউৰীয়া অভিনেতা তথা ঢেপা ঢুলীয়া শুক্লেশ্ব নাথ, ছিপাঝাৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিদ্যাৰাম নাথ, অৱসৰীপ্ৰাপ্ত শিক্ষয়িত্ৰী ভৱানী দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী হংসেশ্বৰী চহৰীয়া শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক মাধৱ চন্দ্ৰ শৰ্মা, মেটাপাৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঘনকান্ত কোচ আৰু বৰ আঠীয়াবাৰীৰ অৱসৰপ্ৰাপ্ত কোষাগাৰ বিষয়া নাগেশ্বৰ চহৰীয়াক প্ৰদান কৰা হয়।

দলগাঁৱত ধুমুহাত বিধ্বস্ত বিদ্যালয়।

তেজপুৰত ঘৰে ঘৰে গৈ ওলগনি পত্ৰৰে সেৱা অশীতিপৰক

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৭ এপ্ৰিল ঃ পহিলা ব'হাগৰ দিনটোত অসম সাহিত্য সভাই উদ্‌যাপন কৰি অহা 'নিজৰ দিন' কাৰ্যসূচীৰ অংশ হিচাপে তেজপুৰ সাহিত্য সভাই পুৱাৰে পৰা ৰাজ্যৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা তেজপুৰৰ চাৰিগৰাকীকৈ অশীতিপৰ ব্যক্তিক ঘৰে ঘৰে গৈ বিহুৱান, গ্ৰন্থৰ টোপোলা আৰু ওলগনি পত্ৰৰে সেৱা জনায়। তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াৰ নেতৃত্বত অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱা, অসম সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ আহ্বায়ক দ্বীজেন নাথ, তেজপুৰ সাহিত্য সভাৰ সম্পাদক দেৱব্ৰত শৰ্মা, সহকাৰী সম্পাদক পল্লৱ ভট্টাচাৰ্য, কাৰ্যনিৰ্বাহক সদস্য মৃগেন বড়া, দুল গোস্বামীয়ে প্ৰথমে দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সত্যেন্দ্ৰনাথ শৰ্মাৰ বাসগৃহত উপস্থিত হৈ সেৱা জনোৱাৰ পাছত অসম সাহিত্য সভাৰ ওলগনি পত্ৰৰ লগতে বিহুৱান আৰু গ্ৰন্থৰ টোপোলাৰে প্ৰবীণ শিক্ষাবিদজনক সেৱা জনায়। ইয়াৰ পাছতেই তেজপুৰৰ ঊষানগৰৰ বিদুষিণী বিজু শইকীয়াৰ বাসগৃহত উপস্থিত হয়। উল্লেখ্য যে ঐতিহাসিক অস্তিত্বৰক্ষা আন্দোলনৰ সময়ত কাৰাবাস খাটিব লগা হোৱা আন্দোলনকাৰীসকলক আদালতৰ মজিয়াৰ পৰা বিশেষ সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা তেজপুৰৰ সকলো শ্ৰেণীৰ ৰাইজৰ মাজত অতি জনপ্ৰিয় বিজু শইকীয়াকো একেদৰে তেজপুৰ সাহিত্য সভাৰ তৰফৰ ওলগনি পত্ৰ, বিহুৱান আৰু গ্ৰন্থৰ টোপোলাৰে সেৱা জনায়। ইয়াৰ পাছতেই ঊষা নগৰৰে নিবাসী অশীতিপৰ কমলা গোস্বামীক বাসগৃহত ওলগ জ্ঞাপন কৰে। উল্লেখ্য যে তেজপুৰৰ প্ৰাক্তন শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামীৰ প্ৰয়াত জ্যেষ্ঠ ভ্ৰাতৃ মণি গোস্বামীৰ সহধৰ্মিণী কমলা গোস্বামী শাৰীৰিকভাৱে দীৰ্ঘদিন ধৰি অসুস্থ হৈ বাসগৃহতে চিকিৎসাধীন হৈ থকা অৱস্থাত কালি এই ওলগনি পত্ৰ প্ৰদান কৰাৰ সময়ত একপ্ৰকাৰ আবেগিক হৈ পৰে।

আনহাতে, তেজপুৰ সাহিত্য সভাৰ বিষয়ববীয়াসকলে এই বিশেষ দিনটোত তেজপুৰ কছাৰী গাঁও নিবাসী জাতীয় ছহিদ ৰূপক নাথৰ বাসগৃহত উপস্থিত হৈ জাতীয় ছহিদ গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে পহিলা ব'হাগৰ দিনটোত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁলোকে জাতীয় ছহিদগৰাকীৰ আশীৰ উৰ্ধ্বৰ মাতৃ মাখনবালা দেৱীক সেৱা জনাই বিহুৱান, গ্ৰন্থৰ টোপোলা আৰু অসম সাহিত্য সভাৰ ওলগনি পত্ৰৰে ওলগ আৰু সেৱা জনাই সুস্বাস্থ্য-দীৰ্ঘায়ু কামনা কৰে। সেইদৰে তেজপুৰৰ দপৰ্বতীয়া শাখা সাহিত্য সভায়ো সম্পাদক চন্দ্ৰ শেখৰ শইকীয়া আৰু হৰিনাৰায়ণ দাসৰ নেতৃত্বত শাখা সাহিত্য সভাখনৰ অন্তৰ্গত প্ৰবীণ ব্যক্তি ৰেণু মহন্ত, শৰৎ বৰা, শিশুৰাম দাস, হলিৰাম বৰা আৰু প্ৰভা বৰাক বাসগৃহত ওলগনি পত্ৰৰে সেৱা জনায়। একেদৰে উত্তৰ-পশ্চিম তেজপুৰ শাখা সাহিত্য সভাই সম্পাদক প্ৰশান্ত কুমাৰ দাসৰ নেতৃত্বত শাখা সাহিত্য সভাৰ অন্তৰ্গত প্ৰবীণ ব্যক্তি ক্ৰমে লক্ষ্মীধৰ কেওঁট, সুপ্ৰভা পটংগীয়া, বিশিষ্ট নাট্যকাৰ অৰ্পণ বেজবৰুৱা, সুনীল শইকীয়া আৰু কুশল শইকীয়াক নিজৰ দিনৰ ওলগ জ্ঞাপন কৰে।

কৃষ্ণাইৰ নগৰপাৰাত ৰঙালী বিহু উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ১৭ এপ্ৰিল ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত নগৰপাৰাত যোৱা ১৪ এপ্ৰিলত অনুষ্ঠিত হয় ২০ সংখ্যক ৰঙালী বিহু সন্মিলনী। নগৰপাৰা ঈগলচ্ সংঘৰ সৌজন্যত আয়োজিত বিহু সন্মিলনীত পুৱা পতাকা উত্তোলন কৰে সংঘৰ সভাপতি আনন্দ ৰাভাই। স্মৃতি তৰ্পণ কৰে সংঘৰ উপদেষ্টা মধুলাল ৰাভাই আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে উপদেষ্টা দ্ৰোণাচাৰ্য ৰাভাই। আনহাতে খেল-ধেমালি অনুষ্ঠান উদ্বোধন কৰে উপদেষ্টা অমৰ চন্দ্ৰ ৰাভাই। সেইদৰে আবেলি অনুষ্ঠিত হয় প্ৰতিযোগিতামূলক সাহিত্য সম্পৰ্কীয় অনুষ্ঠান। সন্ধিয়া অনুষ্ঠিত হয় প্ৰতিযোগিতামূলক সাংস্কৃতিক সন্ধিয়া। সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে ৰাভা শিল্পী সমাজৰ সভাপতি তৰুণ চন্দ্ৰ হাটোই। উল্লেখ্য যে প্ৰতিকূল বতৰকো নেওচি সাংস্কৃতিক অনুষ্ঠান লোকাৰণ্য হৈ পৰাত সন্তোষ প্ৰকাশ কৰে বিহু উদ্‌যাপন সমিতিৰ সভাপতি আনন্দ ৰাভা আৰু সম্পাদক শংকৰ ৰাভাই।

প্ৰাক্তন সতীৰ্থ মঞ্চ গঠন পুথিভঁৰাল উদ্বোধন

বিশেষ সংবাদদাতা

বৰপেটা, ১৭ এপ্ৰিল ঃ অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোতে বৰপেটা জিলাৰ কৰ্মচাৰী পৰিষদে গ্ৰহণ কৰে এক ব্যতিক্ৰমী কাৰ্যসূচী। জিলাখনৰ প্ৰাক্তন কৰ্মচাৰী সতীৰ্থসকলক জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্যালয় বাকৰিলৈ আমন্ত্ৰণ কৰি শ্ৰদ্ধা সহকাৰে ৰঙালী বিহুৰ শুভেচ্ছা জনোৱাৰ লগতে বিহুৱান প্ৰদান কৰে। অৱসৰী প্ৰাক্তন সতীৰ্থসকলৰ উপস্থিতিত প্ৰাক্তন সতীৰ্থ মঞ্চ গঠন কৰা হয়। এই অনুষ্ঠানতে উদীয়মান লেখক তথা বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্মচাৰী সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসে পিতৃৰ নামত এটি পুথিভঁৰাল দান কৰে। পুথিভঁৰালটো উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই।

ফকিৰগঞ্জ-জামাদাৰহাটত ওলগনি পত্ৰ প্ৰদান কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

আগমনী, ১৭ এপ্ৰিল ঃ ধুবুৰী জিলা সাহিত্য সভাৰ উদ্যোগত ফকিৰগঞ্জ আঞ্চলিক সাহিত্য সভা আৰু জামাদাৰহাট আঞ্চলিক সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাই জামাদাৰহাট অঞ্চলৰ চাৰিজন, ফকিৰগঞ্জ অঞ্চলৰ ছজন আৰু আইৰকাটা অঞ্চলৰ ছজন জ্যেষ্ঠ স্থানীয় সমাজসেৱক তথা অৱসৰপ্ৰাপ্ত শিক্ষকক ওলগনি পত্ৰ প্ৰদান কৰে। ওলগনি জনোৱা জামাদাৰহাট অঞ্চলৰ পৰা অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজৰ সুচিন্তককেইজন ক্ৰমে প্ৰাক্তন মণ্ডল সমল সমন্বয়ক আব্দুছ ছামাদ, প্ৰাক্তন মণ্ডল সমন্বয়ক আতোৱাৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষক সাহাদ আলী মিএগু আৰু অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মজিদ। আইৰকাটা অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষক আশ্ৰাফ আলী, মিনহাজ উদ্দিন মোল্লা, আব্দুছ ছাত্তাৰ আহমেদ, আব্দুছ ছাত্তাৰ মিএগু, আব্দুৰ ৰৌফ মিএগু আৰু সমাজসেৱক ফচেয়ইজ উদ্দিন। ফকিৰগঞ্জ অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষক মহম্মদ আলী জিন্নাহ, আয়নাল হক, আব্দুল হাই মিএগু, শওকাত আলী, জাবেদুৰ ৰহমান আৰু নুৰুল ইছলাম মিএগু।

নগাঁৱত ড্ৰাগছসহ পাঁচ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

নগাঁও ১৭ এপ্ৰিল ঃ নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীৰ জালত পৰিল পাঁচ ড্ৰাগছ সৰবৰাহকাৰী । হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে যোৱা ১৫ এপ্ৰিলৰ নিশা নগাঁও চহৰৰ সমীপৰ নাৰমাৰীত অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰী আজাহাৰ উদ্দিনক (৩০)গ্ৰেপ্তাৰ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে চিলঙনি,বৰভেটি,কাটিমাৰী পথাৰৰ পৰা আজিজুল হকশচচ্চ্চা দুলাল উদ্দিনশচ্চ্চামতিবূৰ ৰহমানশচচ্ছচ্চা আৰু নুৰজাহানপ্তস্থুগ্ন গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে এই পাচ ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা হেৰ'ইন ভৰ্তি ১৩ টা কন্টেনাৰ, দুটা মক্সবাইল ফোন আৰু ৩২০০ টকা উদ্ধাৰ কৰে। উল্লেখ যে এই পাচ ড্ৰাগছ সৰবৰাহকাৰীয়ে দীৰ্ঘদিন ধৰি নগাঁও চহৰৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চল সমূহত ড্ৰাগছৰ এক ৰমৰমীয়া ব্যবসায় চলাই আহিছিল ।

গোৱালপাৰাত সাহিত্য সভাৰ 'নিজৰ দিন' পালন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৭ এপ্ৰিল ঃ গোৱালপাৰা জিলা সাহিত্য সভা আৰু ইয়াৰ অন্তৰ্গত বিভিন্ন শাখা সাহিত্য সভাৰ উদ্যোগত পহিলা ব'হাগত নিজৰ দিন পালন কৰা হয়। ইপিনে, গোৱালপাৰা সাহিত্য সভা আৰু পঞ্চৰত্ন শাখা সাহিত্য সভাৰ উদ্যোগতো কালি চহৰৰ বিভিন্ন প্ৰান্তত জ্যেষ্ঠ ব্যক্তিসকলক ফুলাম গামোচা আৰু ওলগনি পত্ৰ প্ৰদান কৰা হয়। গোৱালপাৰা সাহিত্য সভাৰ সভাপতি ড° সিদ্ধিনাথ শৰ্মা, সম্পাদক চিত্তৰঞ্জন কলিতা, লেখিকা সমাৰোহৰ সভানেত্ৰী গীতা দাস, গোকুল ৰয়ে চহৰৰ গোয়ালটুলীস্থিত প্ৰাক্তন বিধায়ক দুলাল চন্দ্ৰ ঘোষ, পাহাৰসিংপাৰাস্থিত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা সাহিত্যিক আব্দুল মজিদ খান, পশ্চিম গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেৱেন শৰ্মা, বেহেলাবাদক ভ্ৰমোদ ৰয়, গোকুল ৰায় আদি কৰি ভালে সংখ্যক জ্যেষ্ঠ ব্যক্তিক সাহিত্য সভাৰ নিজৰ দিন হিচাপে এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে অসম সাহিত্য সভাৰ পৰা প্ৰেৰণ কৰা এখনকৈ ওলগনি পত্ৰ প্ৰদান কৰে। ইপিনে, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ছজিমুদ্দিন আহমেদ আৰু পঞ্চৰত্ন শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলে জিলা উপায়ুক্ত মিনাক্ষী দাস নাথ, জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী আদি কৰি জ্যেষ্ঠ ব্যক্তিসকলক ফুলাম গামোচা আৰু ওলগনি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। একেদৰে মাটিয়া শাখা সাহিত্য সভা আৰু দূধনৈ শাখা সাহিত্য সভাৰ উদ্যোগতো পহিলা ব'হাগৰ দিনা সাহিত্য সভাৰ নিজৰ দিন পালন কৰা হয়।

ঘগ্ৰাপাৰৰ দলুৱাত বিধ্বংসী অগ্নিকাণ্ড ঃ সা-সম্পত্তি ভস্মীভূত

অগ্ৰদুত বাৰ্তা

ঘগ্ৰাপাৰ, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত দলুৱা গাঁৱৰ এটা পৰিয়ালৰ গৃহত যোৱা ৰপ্ত এপ্ৰিলৰ নিশা ১০ বজাত এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। গাঁওখনৰ দেৱকান্ত কলিতাৰ ঘৰত প্ৰথম অৱস্থাত অগ্নিকাণ্ড সংঘটিত হৈ তেওঁৰ গৃহৰ সকলো সা-সম্পত্তি জুইত জাহ যোৱাৰ লগতে তেওঁৰ ভ্ৰাতৃ দিগন্ত কলিতাৰো বাসগৃহলৈ জুই বিয়পি যোৱাৰ ফলত দুয়োটা পৰিয়ালৰ সকলো সা-সম্পত্তি জুইত জাহ যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত দুয়োটা পৰিয়ালৰ প্ৰায় ১০-১৫ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হোৱাৰ অনুমান কৰা হৈছে। স্থানীয় ৰাইজে বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতে উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। ততাতৈয়াকৈ নলবাৰীৰ অগ্নিনিৰ্বাপক বাহিনীৰ দুখনকৈ গাড়ী আহি জুই নিৰ্বাপিত কৰে যদিও পৰিয়ালৰ দুয়োটা প্ৰায়সকলো সা-সম্পত্তি ভস্মীভূত হয়। উল্লেখ্য যে গাঁওবাসী ৰাইজৰ তৎপৰতাত অৰ্ধশতাধিক পৰিয়াল নিশ্চিত অগ্নিকাণ্ডৰ পৰা ৰক্ষা পৰে। ইফালে, আজি নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাই উক্ত ক্ষতিগ্ৰস্ত পৰিয়াল দুয়োটাক ১০ হেজাৰ টকাকৈ নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ আৰু বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ জৰিয়তে সাহায্য প্ৰদান কৰে।

কমাৰগাঁৱৰ ধোদৰ আলিত দুৰ্ঘটনাত আহত এজন

খুমটাই, ১৭ এপ্ৰিল ঃ ৰঙালী বিহুৰ আনন্দ উদ্দীপনাৰ মাজতে কালি কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পুৰণি কমাৰগাঁৱৰ ধোদৰ আলিত এক পথ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে কমাৰগাঁও দিশৰ পৰা এএছ-০৩ভি-৫৬৬৬ নম্বৰৰ এখন হোণ্ডা স্কুটীৰে খুমটাই দিশে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰতে স্কুটী আৰোহীজন বাগৰি পৰে। প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা অনুসৰি পথটোৰ ওপৰত সৃষ্টি হোৱা এটা গাঁতত পৰি এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত আহত স্কুটী আৰোহীজন সোণোৱাল গাঁৱৰ প্লাৱন শইকীয়া (৩৫) বুলি চিনাক্ত কৰিছে আৰক্ষীয়ে। ইফালে ঘটনাস্থলীত খুমটাই আৰক্ষী উপস্থিত হৈ সংকটজনক অৱস্থাত যুৱকজনক স্থানীয় এখন এম্বুলেন্স সেৱাৰ জৰিয়তে আৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

পহিলা ব'হাগত বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবৰ সম্বৰ্ধনা-নবস্ত্ৰ দান

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুণগাঁও, ১৭ এপ্ৰিল ঃ বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত পহিলা ব'হাগৰ দিনা কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'বিহুৰ সেৱা আৰু সম্বৰ্ধনা অনুষ্ঠান'ত দেৰগাঁও আৰু বৰুৱাবামুণগাঁৱৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়াই থকা ১১ গৰাকী বিশিষ্ট লোক ক্ৰমে ৰেবকান্ত দত্ত, প্ৰদীপ খাদৰীয়া, জ্যোতি কুমাৰী শৰ্মা, কৰুণা ৰাজবংশী, নুৰুল চুলতান, দিলোৱাৰ হুছেইন, যতীন ফুকন, মামণি দত্ত, নেপাল দাস, ধ্ৰুৱ তামুলী আৰু ৰাজেন মহন্তক সম্বৰ্ধনা জনোৱাৰ লগতে ২০ গৰাকী পুৰুষ-মহিলাক নবস্ত্ৰ দান কৰা হয়। বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবৰ সভাপতি অৰুণ বিকাশ বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানত কুৰালগুৰিৰ বিশিষ্ট ব্যক্তি শিক্ষাব্ৰতী শিৱ প্ৰসাদ শৰ্মা ঠাকুৰ, গিৰীশ মহন্ত, পুৰঞ্জয় গোস্বামী, চাৰু ঠাকুৰ, লখিমী গোস্বামী, নকুল কটকী, সমাজকৰ্মী নাৰায়ণ দাস, মানস বৰঠাকুৰকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে প্ৰেছ ক্লাবৰ সম্পাদকদ্বয় বিজয় হাজৰিকা আৰু অনিন্দ্য সুন্দৰ শৰ্মা ঠাকুৰ আৰু সদস্য সৌৰভ কৌশিকে।

মুছলপুৰত সৰিয়হ চুৰিৰ বাবে হত্যা ঃ গ্ৰেপ্তাৰ সাত

অগ্ৰদূত বাৰ্তা

মুছলপুৰ , ১৭ এপ্ৰিল ঃ তিনিদিন পূৰ্বে বাগ্সা জিলাৰ ডুমুনি চাহ বাগিচাত ডাইনী সন্দেহত এহাল বৃদ্ধ দম্পতীক হত্যা কৰা ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই পুনৰ মুছলপুৰত সংঘটিত হ'ল এক নৃশংস হত্যাকাণ্ড। মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত চনবাৰীখুঁটি সাঠিশামুকাত সৰিয়হ চুৰিক লৈ সংঘটিত হৈছে এই হত্যাকাণ্ড। হত্যাৰ বলি হোৱা লোকজন চনবাৰীখুঁটিৰ শাঠিশামুকা চুবুৰিৰ সঞ্জয় দাস। উল্লেখ্য যে কিছুদিন পূৰ্বে চনবাৰীখুঁটিৰ কুশল দাস নামৰ লোকজনৰ সৰিয়হ চুৰি হোৱাত একে গাঁৱৰে সঞ্জয় দাসক সন্দেহ কৰে। পাছত কুশল দাসৰ নেতৃত্বত গাঁওখনৰ কেইজনমান যুৱকে যোৱা ১৩ এপ্ৰিলৰ নিশা সঞ্জয়ক বিচাৰি আনি কুশলৰ ঘৰলৈ আনে। কিন্তু অতি ৰহস্যজনকভাৱে পিছদিনা পুৱা এটি নলাত সঞ্জয়ৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহৰ মুৰৰ পিছফালে আঘাতৰ চিন আছে । উক্ত ঘটনা সন্দৰ্ভত মুছলপুৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃতদেহত থকা আঘাতৰ চিন প্ৰত্যক্ষ কৰি আৰক্ষীয়ে প্ৰাথমিক তদন্তৰ অন্তত হত্যাৰ সন্দেহ কৰি ১৫জন লোকক আটক কৰিছিল যদিও ইয়াৰে চনবাৰীখুঁটিৰ গাঁওবুঢ়া উমেশ চন্দ্ৰ দাসৰ লগতে কুশল দাস, নয়ন দাস, ভৃগুমনি দাস, তপন দাস, মনীন্দ্ৰ দাস আৰু প্ৰণৱ দাসক মুছলপুৰ আৰক্ষীয়ে ৪২/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰাৰ পাছত গ্ৰেপ্তাৰ কৰি পৰহি জে'ল হাজোতলৈ প্ৰেৰণ কৰে ।

বৰছলাৰ মাকৈ ৰপ্তানি বাংলাদেশলৈ

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৭ এপ্ৰিলঃ ৰাজ্যৰ কৃষি ক্ষেত্ৰৰ বাবে এক ভাল খবৰ। ৰাজ্যত পোন প্ৰথমবাৰৰ বাবে ই-মাৰ্কেটিঙৰ জৰিয়তে বাংলাদেশলৈ ৰপ্তানি উৎপাদিত মাকৈ। শোণিতপুৰৰ বৰছলাৰ উৎপাদিত ২০ মেট্ৰিক টন মাকৈ বাংলাদেশলৈ ৰপ্তানিৰ ব্যৱস্থা কৃষি বিভাগ আৰু এপাৰ্টৰ। ইলেক্টনিক ট্ৰেডিং ব্যৱস্থাৰ জৰিয়তে বাংলাদেশলৈ মাকৈ ৰপ্তানি আৰম্ভ কৰা হয়। বৰছলাৰ বিধায়ক গণেশ লিম্বু আৰু কৃষি বিভাগৰ বিষয়াসকলে পতাকা জোঁকাৰি মাকৈ ভৰ্তি এখন ট্ৰাক চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশলৈ প্ৰেৰণ কৰে। এই উদ্দেশ্যে যোৱা ১৩ এপ্ৰিলত শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ শিঙৰীৰ চিতলমাৰীত জিলা কৃষি বিভাগ আৰু এপাৰ্টৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত কৃষি উন্নয়ন বিষয়া পংকজ শইকীয়াই কয়- উৎপাদিত বিভিন্ন কৃষিজাত সামগ্ৰী ৰপ্তানিৰ বাবে কৃষি বিভাগৰ এই পদক্ষেপ। কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য পাব লাগে। ইয়াৰ বাবে কৃষি বিভাগ আৰু এপাৰ্টে আগবাঢ়ি আহিছে। কৃষকসকলে সুবিধা অনুসৰি কৰা বিভিন্ন খেতি ৰপ্তানিৰ ক্ষেত্ৰত এপাৰ্টে আগভাগ লৈছে। তেওঁ পুনৰ উল্লেখ কৰা মতে, ই-মাৰ্কেটিঙৰ জৰিয়তে ৰপ্তানি কৰা হয় উৎপাদিত কৃষি সামগ্ৰী। শিঙৰীৰ চিতলমাৰী অঞ্চলত এইবাৰ ৮৭৭০ বিঘা মাটিত মাকৈ খেতি কৰা এই কৃষকসকলে উৎপাদিত মাকৈ ৪২৫ টকা কুইন্টল দৰ লাভ কৰিব। ৰাজ্যখনৰ শোণিতপুৰ জিলাৰ শিঙৰী চিতলমাৰীৰ পৰা পোনপ্ৰথমবাৰৰ বাবে আজি ২০ কুইন্টল মাকৈভৰ্তি এখন ট্ৰাক পতাকা জোঁকাৰি বাংলাদেশলৈ পঠোৱাৰ ব্যৱস্থা কৰে। কৃষি বিষয়া পংকজ শইকীয়াই জানিবলৈ দিয় মতে, বৰছলাৰ উৎপাদিত মাকৈ শিলিগুৰিৰ হিমালয় ট্ৰেডিং কোঃৰ জৰিয়তে বাংলাদেশলৈ পঠিয়াব আৰু ইয়াৰ দ্বাৰা কৃষকসকল লাভান্বিত হ'ব আৰু উচিত মূল্য পাবলৈ সক্ষম হ'ব বুলি কয় জিলা কৃষি উন্নয়ন বিষয়া পংকজ শইকীয়াই। বৰছলাৰ সেউজ নয়ন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ উদ্যোগত অনুষ্ঠিত এই সভাত উদ্দেশ্য ব্যাখ্যা কৰে ভৰত ছেত্ৰীয়ে। সভাত বৰছলাৰ বিধায়ক গণেশ কুমাৰ লিম্বুয়ে উপস্থিত থাকি বক্তব্য প্ৰদান কৰি কয়, 'আমি পৰিকল্পনা আৰু দূৰদৰ্শিতাৰে যিকোনো কাম কৰিলে ফলপ্ৰসূ হ'ব পাৰিম। কৰ্মৰ প্ৰতি আমি মন দিব লাগিব আৰু স্বাৱলম্বী হোৱাৰ চিন্তা কৰিব লাগিব। বিধায়ক লিম্বুয়ে আৰু কয়- আমাৰ বাবে এক ঐতিহাসিক দিন।' দীৰ্ঘদিনীয়া এই প্ৰচেষ্টাত আমাৰ আশা আজি পূৰণ হ'ল। গাঁৱত থাকিও আমি উৎপাদিত সামগ্ৰী ৰপ্তানি কৰাৰ সুবিধা পাম। গ্ৰামাঞ্চলৰ উৎপাদিত কৃষিজাত সামগ্ৰীৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ ব্যৱস্থা কৰা হ'ব। উক্ত অনুষ্ঠানত ভাৰতীয় কৃষক সংঘৰ সভাপতি কৃষ্ণ কান্ত বৰাই নিজৰ ভাষণত কয়- শোণিতপুৰ জিলাই আজিৰ দিনত নতুন ইতিহাস ৰচিব। গাঁওখনক স্বাৱলম্বী কৰিব নোৱাৰিলে আমি কেতিয়াও স্বাৱলম্বী হ'ব নোৱাৰো।

হোটেলৰ স্বত্বাধিকাৰীক অপহৰণ, ধনদাবী

এক পৃষ্ঠাৰ পৰা লাইন হোটেল'ৰ স্বত্বাধিকাৰী মনোহৰ বৈশ্যক কেইজনমান যুৱকে নিজকে 'এণ্টি ক'ৰাপছন' বিষয়া বুলি পৰিচয় দি এখন অল্ট' বাহনত উঠাই লৈ যায় । ইয়াৰ পাছতেই ঘটনাস্থলীত সাংবাদিক উপস্থিত হৈ হাউলী আৰক্ষীক খবৰ দিয়ে। হাউলী আৰক্ষীয়ে ততালিকে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ইফালে, অপহৰণকাৰী ভুৱা 'এণ্টি ক'ৰাপছন' বিষয়াসকলে অপহৰণ কৰা লোকজনৰ হতুৱাই পৰিয়ালক মুক্তিপণৰ দাবীত ধনদাবী কৰে। প্ৰথমতে সাত লাখ টকা দাবী কৰা অপহৰণকাৰীয়ে শেষত এক লাখ টকাত মান্তি হৈ টকাখিনি পৰিয়ালৰ লোকে দিবলৈ সন্মতি প্ৰকাশ কৰে। এই বিষয়ে পৰিয়ালৰ লোকে আৰক্ষীৰ আগত অৱগত কৰে। অপহৰণকাৰী ভুৱা 'এণ্টি ক'ৰাপছন' বিষয়াসকলে পৰিয়ালৰ লোকক ৰঙিয়ালৈ টকাখিনি দিবলৈ মাতি পঠায়। ইয়াৰ পাছতেই হাউলী আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাৰ নিৰ্দেশত আৰক্ষী বিষয়া আনোৱাৰ হুছেইনৰ নেতৃত্বত এটি আৰক্ষীৰ দলে পৰিয়ালৰ লোকক লৈ গোপনভাৱে অভিযান চলাই ৰঙিয়াৰ মৰাণজানৰ পৰা পাঁচজন ভুৱা 'এণ্টি ক'ৰাপছন' বিষয়াক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ব্যক্তি কেইজন ক্ৰমে নলবাৰীৰ ৰাজেশ ডেকা, কংকন ডেকাৰ লগতে পাঠশালাৰ ইনজামুল ইছলাম, মনজিৎ ৰয় আৰু নয়ন তালুকদাৰ। আটকাধীন যুৱক কেইজনক পাছত হাউলী আৰক্ষী থানালৈ আনি বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষকে সোধ-পোছ কৰে। ধৃত কেইজনৰ লগতে আৰক্ষীয়ে এএছ- ০১ বিপি-৮৩০৯ নম্বৰৰ এখন অল্ট' বাহন আৰু এএছ-১৪বি-৯৬২৪ নম্বৰৰ দুচকীয়া বাহন এখন জব্দ কৰে। ধৃত কেইজনৰ স্বীকাৰোক্তিৰ ভিত্তিত যোৱা নিশাই হাউলী আৰক্ষীৰ এটি দলে গুৱাহাটীৰ মালিগাঁৱৰ কামাখ্যা নাৰ্ছাৰীৰ পৰা এগৰাকী মহিলাসহ দুজনক এটি ভাড়াঘৰৰ পৰা আটক কৰিবলৈ সক্ষম হয়। আটকাধীন আন দুজন ক্ৰমে নলবাৰীৰ ভৃগু তালুকদাৰ আৰু মলয়া দাস তালুকদাৰ। ইয়াৰে ভৃগু দাস নামৰ ভুৱা বিষয়াজন ৰেলৱেৰ চাকৰিত কৰ্মৰত। কালি আটকাধীন অপহৰণকাৰী কেইজনৰ বিৰুদ্ধে হাউলী আৰক্ষী থানাত ৬২ নম্বৰত ভাৰতীয় দণ্ডবিধিৰ ১২০/৪৪৮/ ৪০৬/৪৬৮/৩৮০/৩৬৪/৫০৬ ধাৰাত গোচৰ ৰুজু কৰি জেৰা অব্যাহত ৰাখিছে ।

বংশৰক্ষাৰ দায়িত্ব লৈ চেক গণৰাজ্যৰ

এক পৃষ্ঠাৰ পৰা চিৰিয়াখানাতো এই হাঁহ সংৰক্ষণ কৰা হোৱা নাই। প্ৰধানকৈ অসমেই হ'ল এই হাঁহৰ বাসভূমি। অসমৰ চিৰসেউজীয়া গভীৰ অৰণ্যৰ ভিতৰত থকা জান-জুৰি, পিটনি, খাল-বিল আদিত দেওহাঁহ পোৱা যায়। কেৱল অসমতে পোৱা বাবে দেওহাঁহক ৰাজ্যিক চৰাই হিচাপে স্বীকৃতি দিয়া হৈছে। কিন্তু বিগত কে'বা বছৰৰ পৰা চলোৱা জৰীপত এই হাঁহৰ সংখ্যা ৰাজ্যখনত দ্ৰুতগতিত হ্ৰাস হোৱাৰ তথ্য পোহৰলৈ আহিছে। আনকি অৰুণাচলতো পাবলৈ নাই।

ক্ৰমে দুষ্প্ৰাপ্য হ'বলৈ আৰম্ভ কৰা দেওহাঁহৰ বংশ বৃদ্ধি কৰাৰ প্ৰক্ৰিয়া বিগত কে'বা বছৰৰ পৰা চলি আহিছে। ইয়াৰ বাবে ২০১৯ত অসম ৰাজ্যিক চিৰিয়াখানাৰ কৃত্ৰিম প্ৰজননৰ এক প্ৰকল্প হাতত লোৱা হয়। এই প্ৰকল্পৰ কাম আৰম্ভ হোৱাৰ সময়ত পোহৰলৈ আহে যে বিশ্বৰ ভিতৰত চেক গণৰাজ্যস্থিত একমাত্ৰ প্ৰাগ চিৰিয়াখানাত দেওহাঁহৰ প্ৰজাতি সংৰক্ষিত হৈ আহিছে। তাৰ পাছতে অসম ৰাজ্যিক চিৰিয়াখানাৰ তদানীন্তন মাণ্ডলিক বন বিষয়া তেজচ মাৰিস্বামীৰ উদ্যোগত প্ৰাগৰ পৰা অসম ৰাজ্যিক চিৰিয়াখানালৈ দেওহাঁহ অনাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। কিন্তু বন্যপ্ৰাণী সৰবৰাহৰ আন্তৰ্জাতিক কঠোৰ নীতি-নিয়ম আৰু তাৰ পাছতে অহা কৰ'না মহামাৰীৰ বিভীষিকা, তলাবন্ধ আদিৰ ফলত গোটেই প্ৰক্ৰিয়াটোত স্থবিৰতা আহে। শেহতীয়াকৈ আন্তৰ্জাতিক বিমানৰ চলাচল আৰম্ভ হোৱা আৰু বন্যপ্ৰাণী সৰবৰাহৰ নীতি-নিয়মসমূহ সমাপন হোৱাৰ ফলত সুদূৰ চেক গণৰাজ্যৰ পৰা গুৱাহাটীস্থিত ৰাজ্যিক চিৰিয়াখানাত বংশৰক্ষাৰ দায়িত্ব লৈ উপস্থিত হৈছে চাৰিটা দেওহাঁহ। এই হাঁহকেইটাৰ বিনিময়ত অসমে প্ৰাগ চিৰিয়াখানা কৰ্তৃপক্ষক দিবলগীয়া হৈছে অসমৰ আন এক পৰিচয় চাৰিটা মইনা চৰাই। চেক গণৰাজ্যৰ চিৰিয়াখানাত দেওহাঁহ উপলব্ধ হোৱাৰ সন্দৰ্ভত পোহৰলৈ অহা তথ্য অনুসৰি পশ্চিমৰ পৰা আহি অসমৰ চাহ বাগিচাত কাম কৰা বগা চাহাবে নিজ দেশলৈ উভতি যোৱাৰ সময়ত আকৰ্ষণীয় এইবিধ হাঁহ লগত লৈ গৈছিল। তাৰ ফলত ইউৰোপৰ কোনো কোনো স্থানত দেওহাঁহৰ দৰে হাঁহ এতিয়াও দেখিবলৈ পোৱা যায়।

ৰাজ্যিক চিৰিয়াখানাৰ মাণ্ডলিক বন বিষয়া অশ্বিনী কুমাৰে জনায় যে সম্প্ৰতি আটাইকেইটা দেওহাঁহক আছুতীয়াকৈ ৰখা হৈছে। তেওঁ কয়, '৪৫ দিনীয়া আছুতীয়াকৰণ শেষ হোৱাৰ পাছত দেওহাঁহকেইটাক যি উদ্দেশ্যত অসমলৈ অনা হৈছে তাত ব্যৱহাৰ কৰা হ'ব। অসমে চিৰিয়াখানাত কৃত্ৰিম প্ৰজননৰ পাছত হাঁহবোৰক পুনৰ অৰণ্যৰ প্ৰাকৃতিক পৰিৱেশত মুকলি কৰি দিয়া হ'ব।'

দুৰ্ঘটনাত মৃত্যু পাঁচ বিহুৱা-বিহুৱতীৰ

এক পৃষ্ঠাৰ পৰা কাৰিবিলৰ বিহু দলটোৱে বলেৰ' পিক আপ ভানখনত উঠি কালি সন্ধিয়া প্ৰায় ছয় বজাত টকৌবাৰী গাঁৱত হুঁচৰি মাৰিবলৈ আহে। টকৌবাৰীৰ ৰাইজৰ গৃহত উলহ-মালহেৰে হুঁচৰি মাৰি মাজ নিশা দলটো উত্তৰ কাৰিবিলৰ নিজ গৃহলৈ গৈছিল। তেতিয়াই গ্ৰাম্য পথটোৰ কেঁকুৰীটোত নিয়ন্ত্ৰণ হেৰুৱাই ভানখন বাগৰি পৰাত গাড়ীখনৰ হেঁচাত পাঁচ যুৱক-কিশোৰী থিতাতে নিহত হোৱাৰ লগতে দলটোৰ একাধিক বিহুৱা -বিহুৱতী গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজৰ লগতে ঘটনাস্থলীত উপস্থিত হোৱা হেলেম আৰক্ষীৰ দলে আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাটোত নিহতসকল হ'ল উত্তৰ কাৰিবিলৰ অজয় বড়োৰ কন্যা বুদ্ধিমতী বড়ো (১৫), বিজয় বড়োৰ কন্যা বৰ্ণালী বড়ো (১৪), বাবুল বসুমতাৰীৰ পুত্ৰ কলিমন বসুমতাৰী (১৫), শোভন বসুমতাৰীৰ পুত্ৰ সঞ্জয় বসুমতাৰী (১৮) আৰু ব্ৰহ্মাজানৰ সুখীৰাম বড়োৰ কন্যা ৰাধিকা বড়ো (১৫)। আনহাতে, দুৰ্ঘটনাটোত আহত হয় সজীৱ গোড়, প্ৰবীণ বসুমতাৰী, বিশাল ৰাজবংশী, ৰমেশ বড়ো, কমল বসুমতাৰী, সুহানী ব্ৰহ্ম, ৰাকেশ দৈমাৰী, ৰাতুল বড়ো, পূৰ্ণিমা স্বৰ্গীয়াৰী, বৰ্ণালী মুছাহাৰী, মেঘা মুছাহাৰী, সহিতা স্বৰ্গীয়াৰী, বিবেক স্বৰ্গীয়াৰী, সমীৰ স্বৰ্গীয়াৰী, ৰূপালী বসুমতাৰী, মনালিচা বসুমতাৰী, সুৰেশ ইংতি আৰু জোনমণি স্বৰ্গীয়াৰী। ইয়াৰে পাঁচজনৰ অৱস্থা সংকটজনক বুলি আৰক্ষীয়ে জনাইছে। গুৰুতৰভাৱে আহতসকলক ইতিমধ্যে বৰগাঁওৰ কেথলিক মিছন হাস্পতাল আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন কৰা হৈছে। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে বাহনখনৰ চালকজনে পলায়ন কৰে। ইফালে, আজি বিহালী প্ৰাথমিক চিকিৎসালয় মৰণোত্তৰ পৰীক্ষা কেন্দ্ৰত নিহতসকলৰ মৰণোত্তৰ পৰীক্ষাৰ অন্তত হেলেম আৰক্ষীয়ে মৃতদেহসমূহ পৰিয়ালক গতাই দিয়ে। বিহালীস্থিত মৰণোত্তৰ পৰীক্ষা গৃহত উপস্থিত হয় বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ ঙাটে আৰু জিলা আৰক্ষী অধীক্ষক নবীন সিং উপস্থিত হৈ সমগ্ৰ ঘটনাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে। লগতে গাড়ীচালকজনে অত্যাধিক গতিত গাড়ীখন চলোৱাৰ বাবে দুৰ্ঘটনাটো সংঘটিত হয় বুলি মন্তব্য কৰে। দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন ইতিমধ্যে জব্দ কৰা হৈছে বুলি আৰক্ষী অধীক্ষকে জনাইছে। বিয়লি এক শোকাকুল পৰিৱেশত নিহতসকলৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হয়।

ইপিনে, দুৰ্ঘটনাক কেন্দ্ৰ কৰি গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বিহালীৰ বিধায়ক ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰাই। তদুপৰি নিহতসকলৰ পৰিয়াললৈ চৰকাৰৰ তৰফৰ পৰা দুই লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰা হ'ব আৰু আহতসকলক চৰকাৰীভাৱে চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি স্থানীয় বিধায়ক বৰাৰ হৈ তেওঁৰ প্ৰতিনিধি তথা হেলেম মণ্ডল বিজেপি কিষাণ মৰ্চাৰ সভাপতি ৰত্ন বাছনেটে সংবাদ মাধ্যমক অৱগত কৰিছে। ইয়াৰ উপৰি বিহু কৃষ্টি পৰিষদ, অসমৰ উপ-সভাপতি নৰহৰি চুতীয়া, বিহালী প্ৰেছ ক্লাবৰ হৈ অম্লান কাশ্যপ, দক্ষিণ ৰাংছালী দীপজ্যোতি ক্ৰীড়া সংঘৰ সভাপতি শ্ৰীমন্ত দাসৰ লগতে বিভিন্ন দল-সংগঠনে দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। শোকাবহ দুৰ্ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে।

উত্তৰ কাৰিবিলত একেলগে জ্বলিল চাৰিখন চিতা ঃ চালকৰ চাহ বাগিচাতে কৰিলে সংস্কাৰ ঃ আলহী খাবলৈ আহি প্ৰাণ হেৰুৱালে ব্ৰহ্মাজানৰ কিশোৰীয়ে

আজি বিয়লি প্ৰায় তিনি বজাত মৰণোত্তৰ পৰীক্ষাৰ অন্তত দুৰ্ঘটনাটোত নিহত পাঁচ বিহুৱা-নাচনীৰ মৃতদেহ উত্তৰ কাৰিবিল আহি পোৱাৰ পাছতে গাঁওখনত এক অবৰ্ণনীয় শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। সকলোৱে অশ্ৰুসিক্ত নয়নেৰে নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছত উত্তৰ কাৰিবিলৰ চাৰি যুৱক-কিশোৰীৰ মৃতদেহ সমূহীয়াভাৱে দাহ সংস্কাৰ কৰা হয়। স্থানীয় লোকে উত্তৰ কাৰিবিলৰ নিহত চাৰি বিহুৱা-নাচনী বুদ্ধিমতী, বৰ্ণালী, কলিমন আৰু সঞ্জয়ৰ মৃতদেহ গাড়ীচালক মুন গগৈৰ চাহ বাগিচাত সৎকাৰ কৰে। স্থানীয় লোকে দাবী কৰে যে চালক গগৈয়ে মাত্ৰাধিক সুৰাপান কৰি তীব্ৰগতিত গাড়ী চলোৱাৰ বাবেই সংঘটিত হ'ল এই দুৰ্ঘটনা। এই পৰ্যন্ত চালকজন পলাতক অৱস্থাত আছে। অন্তিম সংস্কাৰথলীত গহপুৰ মহকুমাৰ মহকুমাধিপতি দীপন বৰ্মন উপস্থিত থাকে। ইফালে, নিহত ৰাধিকাৰ মৃতদেহ ব্ৰহ্মাজান পুৰণি গেৰেজলৈ নিয়াৰ পাছত অন্তিম সংস্কাৰ কৰা হয়। উল্লেখ্য যে ৰাধিকাই জ্যেষ্ঠা ভগ্নীৰ ঘৰলৈ আলহী খাবৰ বাবে আহিছিল আৰু লগৰীয়া লগত বিহু মাৰিবলৈ কিশোৰীগৰাকীয়ে গৈ অকাল মৃত্যুক সাৱটি লয়। নিহত তিনিওগৰাকী কিশোৰী নৱম শ্ৰেণীৰ ছাত্ৰী আছিল। আনহাতে, পিতৃহীন সঞ্জয় আছিল ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী। পুত্ৰক হেৰুৱাই আজি মাতৃগৰাকী শোকত ভাঙি পৰে।

প্ৰতিজন কাউন্সিলৰে লাভ কৰিব ১০

এক পৃষ্ঠাৰ পৰা লগতে ৰাজধানীখনক দেশৰ অন্যতম উন্নত চহৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰ কিমান দায়বদ্ধ তাক প্ৰতিষ্ঠা কৰিবলৈ গৈ মুখ্যমন্ত্ৰী শৰ্মাই আজি কে'বাখনো উন্নয়নমূলক আঁচনিৰ ঘোষণা কৰে। আজিৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী শৰ্মাই ঘোষণা কৰে যে চৰকাৰ গঠন হোৱাৰ ১১ মাহৰ ভিতৰত মিছন বসুন্ধৰা আঁচনিৰ অধীনত আঠ লাখ ৩০ হেজাৰ মানুহৰ মাটি-বাৰীৰ কাম সমাধা কৰিবলৈ সক্ষম হ'ল। এই সফলতাৰ ধাৰাবাহিকতা ৰক্ষা কৰা উদ্দেশ্যে সম্প্ৰতি অসম চৰকাৰে 'মিছন বসুন্ধৰা ২' আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'মিছন বসুন্ধৰা ২'ৰ জৰিয়তে গুৱাহাটীৰ একচনীয়া মাটি, দেৱোত্তৰ, ব্ৰহ্মোত্তৰ মাটি আৰু য'ত য'ত থলুৱা মানুহে মাটিৰ অধিকাৰ লাভৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোকক ভূমিৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰা হ'ব।

থলুৱা লোকৰ ভূমি অধিকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'আমাৰ বহু থলুৱা মানুহে একচনীয়া মাটিত অথবা পাহাৰত বসবাস কৰি থকাৰ কাৰণে ভূমিৰ অধিকাৰ পোৱা নাছিল। আমাৰ চৰকাৰে দায়িত্ব লৈয়েই মিছন বসুন্ধৰাৰ অধীনত মাটিৰ নামজাৰি, পঞ্জীয়ন কৰাই, ভূমিৰ ওপৰত অধিকাৰ প্ৰদান কৰাৰ কাম সফলতাৰে সম্পাদন কৰিছে।'

গুৱাহাটী পৌৰ নিগমৰ অধীনত যিমান কাউন্সিলৰ আছে, অৰ্থাৎ ৬০ টা ৱাৰ্ডৰ ৬০ গৰাকী কাউন্সিলৰে যাতে নিজ নিজ অঞ্চলৰ ৰাস্তা-ঘাট নিৰ্মাণ কৰিব পাৰে, তাৰ বাবে প্ৰতিটো ৱাৰ্ডৰ বিপৰীতে ১০ কোটি টকাকৈ, অৰ্থাৎ অহা দুবছৰৰ ভিতৰত ৬০ টা ৱাৰ্ডৰ কাৰণে সৰ্বমুঠ ছশ কোটি টকা পুঁজি আবণ্টন দিয়া হ'ব বুলিও আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে।

খোৱাপানীৰ সমস্যা সমাধান কৰিবৰ কাৰণে অসম চৰকাৰে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জুলাইৰ পৰা জাইকা প্ৰকল্পৰ জৰিয়তে পানীৰ সংযোগ দিয়াৰ ব্যৱস্থা আৰম্ভ কৰা হ'ব। একেলগে সকলোকে সাঙুৰি লোৱাটো সম্ভৱ নহ'ব বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'একে সময়তে সকলোকে সাঙুৰি ল'ব নোৱাৰিম। কিন্তু পৰ্যায়ক্ৰমে আমি সকলোকে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিম। প্ৰাৰম্ভিক পৰ্যায়ত আমি প্ৰতিমাহে পাঁচ হেজাৰ পৰিয়ালক পানী যোগান ধৰাৰ চেষ্টা কৰিম।'

গুৱাহাটী মহানগৰীত এতিয়াও ৬০ শতাংশ নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ শ্ৰেণীৰ লোক বাস কৰে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে পূৰ্বে অৰুণোদয় আঁচনিৰ জৰিয়তে হিতাধিকাৰীক মাহে ৮৩০ টকাকৈ দিছিল আৰু পৰৱৰ্তী সময়ত এই ধনৰ পৰিমাণ বৃদ্ধি কৰি এহেজাৰ টকা কৰা হৈছিল। তেওঁ কয়, 'এতিয়া আমি সিদ্ধান্ত লৈছো, যিসকলে অৰুণোদয় আঁচনি লাভ কৰি আছে, তেওঁলোকে যাতে নিজৰ জেপৰ পৰা বিজুলীৰ মাচুল দিবলগীয়া নহয়, তাৰ কাৰণে আমি তেওঁলোকৰ বেংক একাউণ্টত নতুনকৈ আৰু আঢ়ৈশ টকা দিম। অৰ্থাৎ এতিয়াৰ পৰা মুঠ ১২৫০ টকা পাব।'

তদুপৰি মহানগৰীৰ ৬০ টা ৱাৰ্ডৰ, প্ৰতিটো ৱাৰ্ডৰ পৰা এহেজাৰকৈ ধৰি মুঠ ৬০ হেজাৰ পৰিয়ালক নতুনকৈ অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলিও আজি ড° শৰ্মাই ঘোষণা কৰে। তেওঁ কয় যে এতিয়াৰ পৰা প্ৰত্যেক মাহৰ ১০ তাৰিখে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীয়ে নিজৰ বেংক একাউণ্টত ১২৫০ টকা লাভ কৰিব। মহানগৰীৰ কণ কণ ল'ৰা-ছোৱালীৰ কাৰণে খেলা-ধূলা কৰিবলৈ, অলপ মুকলি ঠাইৰ প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে সিদ্ধান্ত লৈছে যে মহানগৰীৰ বেতকুছিত তিনিটা ১১ মহলীয়া বিল্ডিং নিৰ্মাণ কৰা হ'ব যাতে ৰাজধানী চহৰৰ বিভিন্ন প্ৰান্তত সিচৰতি হৈ থকা চৰকাৰী কাৰ্যালয়সমূহ তালৈ স্থানান্তৰ কৰিব পাৰি। তেওঁ কয়, 'অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়, আৰক্ষী থানা আৰু হাস্পতালসমূহৰ বাহিৰে বাকী সকলো চৰকাৰী কাৰ্যালয় এই ১১ মহলীয়া বিল্ডিঙলৈ স্থানান্তৰ কৰা হ'ব যাতে চৰকাৰী কাৰ্যালয়ৰ খালী ঠাইসমূহত ল'ৰা-ছোৱালীহঁতৰ কাৰণে পাৰ্ক নিৰ্মাণ কৰিব পাৰো।'

অহা পাঁচ বছৰৰ ভিতৰত প্ৰতিটো ৱাৰ্ডত একোখনকৈ ভাল পাৰ্ক আৰু একোখন ভাল হাস্পতাল নিৰ্মাণ কৰা হ'ব বুলিও আজি মুখ্যমন্ত্ৰীজনে ঘোষণা কৰে। সম্প্ৰতি ৬০ টা ৱাৰ্ডৰ বিপৰীতে মাত্ৰ ১০ৰ পৰা ১২ খনহে হাস্পতাল আছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'অহা পাঁচ বছৰত আমি চেষ্টা কৰিম যাতে প্ৰতিখন ৱাৰ্ডত নহ'লেও অন্ততঃ দুটা ৱাৰ্ডৰ মাজত এখন ভাল হাস্পতাল নিৰ্মাণ কৰিব পাৰো। পৰৱৰ্তী সময়ত আমি প্ৰতিটো ৱাৰ্ডত একোখনকৈ ভাল হাস্পতাল নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিম।'

আজিৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়ত ২০২১ৰ জানুৱাৰী-ফেব্ৰুৱাৰীৰ তুলনাত ২০২২ৰ জানুৱাৰী-ফেব্ৰুৱাৰীত ৩৯ শতাংশ অপৰাধৰ সংখ্যা কমি আহিছে বুলিও আজি ড° শৰ্মাই ৰাজহুৱা কৰে। তেওঁ কয়, 'আমাৰ এটাই উদ্দেশ্য আৰু আপ্ৰাণ চেষ্টা, মহানগৰীক অপৰাধমুক্ত কৰা যাতে কোনো মহিলাই নিশা দুই বজাতো মুক্তমনে ঘৰৰ পৰা ওলাই আহি মহানগৰীত ঘূৰিব পাৰে।'

মূল্যবান খয়ৰ কাঠৰ বৃহৎ চোৰাং

এক পৃষ্ঠাৰ পৰা চক্ৰ জড়িত হৈ আছে। অৰুণাচলৰ পৰা উত্তৰ ভাৰতৰ কে'বাখনো ৰাজ্যলৈ বিয়পি থকা চক্ৰটোতে অসমৰ একাংশ আৰক্ষী আৰু বন বিভাগৰ লোক প্ৰত্যক্ষভাৱে জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। এই দুষ্ট চক্ৰটোৰ সহযোগতে অসমৰ পৰা নিৰ্বিঘ্নে পশ্চিমবংগত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে চোৰাং খয়ৰ কাঠ পৰিবাহী বাহন। বন বিভাগৰ সূত্ৰটোৱে উল্লেখ কৰে যে বিগত ২০১৯ত কমেও তিনি লাখ টকাৰ খয়ৰ কাঠ ন-শদিয়া আৰক্ষী চকীৰ আৰক্ষী আৰু বন বিভাগৰ দলে শদিয়াত জব্দ কৰিছিল। খয়ৰ কাঠক লৈ চলি অহা চোৰাং ব্যৱসায়ৰ তথ্য সেয়াই প্ৰথম আনুষ্ঠানিকভাৱে পোহৰলৈ আহিছিল। তাৰ পাছৰ পৰাই এই বিধ মূল্যবান কাঠৰ চোৰাং ব্যৱসায় চলি অহাৰ খবৰ উদ্ধাৰ হৈ আহিছে যদিও জব্দৰ পৰিমাণ অতি কম হৈ আছে। সংগঠিত চক্ৰ জড়িত এই চোৰাং ব্যৱসায় নদীপথেৰেও চলা বুলি সূত্ৰটোৱে জনায়। অৰুণাচলৰ পৰা বৈ অহা লোহিত নদীয়েদি জলপথ ব্যৱহাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। তাৰ পাছত ইখনৰ পৰা সিখন নদীৰ জলপথ ব্যৱহাৰ কৰি চোৰাং ব্যৱসায়ীয়ে অসমৰ বাহিৰলৈ খয়ৰ কাঠ প্ৰেৰণ কৰি আহিছে। সূত্ৰটোৱে উল্লেখ কৰা অনুসৰি, অৰুণাচলৰ সম্পদ হ'লেও খয়ৰ কাঠ প্ৰেৰণৰ গোটেই চোৰাং প্ৰক্ৰিয়াটো অসমতে চলে। সেয়েহে অৰুণাচলৰ পৰা অসমত অতি সহজে কাঠ প্ৰৱেশৰ পাছতে চোৰাং ব্যৱসায়ীৰ দীঘলীয়া চক্ৰটো সক্ৰিয় হৈ পৰে। উল্লেখ্য যে খয়ৰ কাঠ যথেষ্ট ঔষধি গুণ সম্পন্ন। তদুপৰি ইয়াৰ পৰা 'পাণ'ত ব্যৱহাৰ কৰা কাঠাও উৎপাদন হয়।

একেনিশাই দুটাকৈ অপহৰণ

এক পৃষ্ঠাৰ পৰা হাজোৰ কলিতাকুছিস্থিত এছবিআইৰ এটিমটোলৈ আহিছিল টকা উলিয়াবলৈ। যুৱকজনে টকা উলিয়াই ওলাই অহাৰ সময়তে এজন অচিনাকি যুৱকে কথা পতাৰ ছলেৰে ৰাহুলক এখন বগা ৰঙৰ বেলেন' বাহনৰ ওচৰলৈ লৈ যায়। তাৰ পাছত বাহনখনত পূৰ্বৰে পৰা বহি থকা দুজন যুৱকৰ এজনে অস্ত্ৰ দেখুৱাই ৰাহুলক বাহনখনত উঠাই লৈ গুৱাহাটীৰ দিশে যায়। গুৱাহাটীত উপস্থিত হোৱাৰ পাছত তিনিজনীয়া অপহৰণকাৰীৰ দলটোৱে ৰাহুলৰ চকুত ক'লা কাপোৰ বান্ধি এটা কোঠাত কিছু সময় ৰখাৰ পাছত মহানগৰীৰ বশিষ্ঠ চাৰিআলিৰ সমীপৰ এটা গলিত মোকলাই দিয়ে। অপহৰণকাৰীয়ে লৈ যায় ৰাহুলে এটিমৰ পৰা উলিওৱা নগদ ২০ হেজাৰ টকা। লগতে ৰাহুলৰ হাতত থকা আন এখন এটিএম কাৰ্ডৰ পিন কোড নোকোৱা বাবে তেওঁক চোকা অস্ত্ৰৰেও আক্ৰমণ কৰে।

আনহাতে, একে নিশাই হাজোৰ বৰুৱাবাৰীত সংঘটিত আন এক ডকাইতিৰ ঘটনা। বগা ৰঙৰ এখন অল্ট' বাহনত অহা তিনিজনীয়া দুৰ্বৃত্তৰ দলে চোকা অস্ত্ৰৰে আক্ৰমণ কৰি লুট কৰিলে ৰুবুল আলী নামৰ এজন যুৱকক। দুৰ্বৃত্তই ৰুবুলৰ পৰা লৈ গ'ল ম'বাইল ফোনৰ লগতে কিছু নগদ ধন। উল্লেখ্য যে জালুকবাৰীৰ পৰা হাজোৰ চৰাবৰীলৈ বুলি অল্ট' বাহনখনত ৰুবুলে যাত্ৰীৰূপে বহিছিল। সেই বাহনখনতে যাত্ৰীৰ ভেশত অহা তিনিজনীয়া দুৰ্বৃত্তৰ দলটোৱে ৰুবুলক অপহৰণ কৰি নি হাজোৰ বৰুৱাবাৰীৰ মথাউৰিত চোকা অস্ত্ৰৰে আক্ৰমণ কৰি লৈ টকা আৰু অন্যান্য সামগ্ৰী লুটি নিয়ে।

বৃহত্তৰ দিল্লী অঞ্চলত ১৫ দিনত

এক পৃষ্ঠাৰ পৰা আক্ৰান্ত হৈছে। জৰীপৰ সময়ত শিশুসকলকে ধৰি সকলো লোকক প্ৰশ্ন কৰা হৈছিল যে যোৱা ১৫ দিনত পৰিয়াল, বন্ধু, চুবুৰীয়া আৰু সহকৰ্মীৰ ভিতৰত কিমানৰ লগত তেওঁলোকৰ সামাজিক সম্পৰ্ক গঢ়ি উঠিছিল। কমেও ৭০ শতাংশ লোকে কাৰো লগত সামাজিক সম্পৰ্ক নোহোৱা বুলি প্ৰকাশ কৰে। ১১ শতাংশই এজনৰ পৰা দুজন আৰু আঠ শতাংশই তিনিৰ পৰা পাঁচজন লোকৰ লগত সম্পৰ্ক হোৱা বুলি সদৰী কৰে। ১১ শতাংশই কোনো উত্তৰ দিয়া নাছিল। যোৱা দুই এপ্ৰিলত মাত্ৰ তিনি শতাংশ বাসিন্দাই প্ৰকাশ কৰে যে ১৫ দিনৰ ভিতৰত যিসকলৰ লগত তেওঁলোকৰ ঘনিষ্ঠ সম্পৰ্ক আছে তেওঁলোক ক'ভিডত আক্ৰান্ত হৈছে। এনেদৰে জৰীপতে স্পষ্ট হয় যে দিল্লীত আকস্মিকভাৱে ক'ভিডৰ সংক্ৰমণে দ্ৰুত গতি লাভ কৰিছে। জৰীপত সহযোগিতা কৰা সকলৰ ৬৭ শতাংশ পুৰুষ আৰু ৩৩ শতাংশ মহিলা। কালিৰ দিনটোত দিল্লীত ৪৬১ জন লোকৰ শৰীৰত নতুনকৈ ক'ভিডত সংক্ৰমণ ধৰা পৰে। মহানগৰ স্বাস্থ্য বিভাগে সদৰী কৰা অনুসৰি এই সংখ্যা হ'ল মুঠ নমুনা পৰীক্ষাৰ ৫.৩৩ শতাংশ। কালি দুজন লোকৰ মৃত্যুও হয়। উল্লেখযোগ্য যে দেশত ক'ভিডৰ দ্বিতীয় ঢৌৰ অভিকেন্দ্ৰ দিল্লী আছিল। ইপিনে, চীনকে ধৰি বিশ্বৰ কে'বাখনো দেশত পুনৰ নতুনকৈ ক'ভিডৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। চীনৰ কে'বাখনো প্ৰদেশত তলাবন্ধও ঘোষণা কৰিছে দেশখনৰ চৰকাৰে।

মানুহে কি খাব আৰু নাখাব

এক পৃষ্ঠাৰ পৰা বহু লোক আহত হয়। ইয়াৰ পূৰ্বে দেশৰ তিনিখন ৰাজ্যত অনুৰূপ ঘটনা সংঘটিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ মন্ত্ৰীজনে কয় যে দেশত শান্তি আৰু সমৃদ্ধি হজম কৰিব নোৱাৰা একাংশ দুষ্কৃতিকাৰীয়ে দেশৰ সংস্কৃতি তথা অংগীকাৰলৈ দুৰ্নাম অনাৰ চেষ্টা চলাইছে। উল্লেখ্য যে শেহতীয়া সপ্তাহবোৰত হিন্দু অৰু মুছলমান সম্প্ৰদায়ৰ মাজত দেশৰ কিছুমান অংশৰ ধৰ্মীয় শোভাযাত্ৰাক লৈ সৰু সৰু পৰ্যায়ৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সূচনা হৈছে। দেশৰ অন্যতম জেএনইউ বিশ্ববিদ্যালয়ৰ চৌহদ পৰ্যন্ত চুইছে এনে সাম্প্ৰদায়িক ঘটনাই। ৰাম নৱমীত বিশ্ববিদ্যালয়ৰ চৌহদত নিৰামিষ আহাৰ পৰিৱেশনক লৈ ছাত্ৰসকলৰ মাজত সংঘৰ্ষ হয়। হিন্দু ধৰ্মাৱলম্বী লোকসকলে ৰাম নৱমী উদ্‌যাপনৰ সপ্তাহটো পবিত্ৰ বুলি গণ্য কৰা হয়। এই প্ৰসংগতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি নাকভিয়ে কয়, 'মানুহে কি খাব আৰু নাখাব সেই কথা কোৱাটো চৰকাৰৰ কাম নহয়। দেশৰ প্ৰতিজন নাগৰিকৰে নিজ পছন্দৰ খাদ্য গ্ৰহণৰ স্বাধীনতা আছে।'

দেশত শেহতীয়া সময়ত বিভিন্ন বিষয়ক লৈ বিতৰ্কৰ সূচনা হৈছে। অলপতে কৰ্ণাটকৰ মুছলমান ছাত্ৰীয়ে হিজাব পৰিধানক লৈও বিতৰ্কৰ সৃষ্টি হৈছে। এই প্ৰসংগতো নাকভিয়ে কয়, 'ভাৰতত হিজাব পৰিধানত কোনো নিষেধাজ্ঞা নাই। বজাৰ, হাট আৰু অন্যান্য স্থানত হিজাব পৰিধান কৰিব পাৰে। কিন্তু প্ৰতিখন কলেজ অথবা শিক্ষানুষ্ঠানৰ পোছাকৰ অভিন্নতা, শৃংখলাবদ্ধতা আৰু নিয়মানুবৰ্তিতা থাকে। এই কথা আমি গ্ৰহণ কৰিব লাগিব। আপুনি যদি এই কথা ভাল নাপায়, তেন্তে আপুনি ভিন্ন শিক্ষানুষ্ঠানলৈ যাব লাগিব।'

জিএছটিৰ নতুন কৰ গাঁথনি

এক পৃষ্ঠাৰ পৰা সূত্ৰত প্ৰকাশ যে ৰাজহৰ পৰিমাণ বৃদ্ধি কৰিবলৈ জিএছটি পৰিষদে পাঁচ শতাংশৰ ঢাপ সাত শতাংশ, আঠ শতাংশ আৰু ন শতাংশলৈ বৃদ্ধিৰ সম্ভাৱনা আছে। তদুপৰি সম্প্ৰতি কৰ আৰোপিত নোহোৱা কিছুমান সামগ্ৰী তিনি শতাংশ ঢাপৰ অধীনলৈ অনাৰো সম্ভাৱনা প্ৰকট হৈছে। হিচাপ-নিকাচ অনুসৰি পাঁচ শতাংশ ঢাপৰ প্ৰতিটো এক শতাংশ বৃদ্ধিয়ে বছৰি ৫০ হেজাৰ কোটি ৰাজহ ৰাজকোষলৈ আনিব। পাঁচ শতাংশ ঢাপত মূলতঃ আছে পেকেজড খাদ্য সামগ্ৰী। সূত্ৰত প্ৰকাশ যে সম্প্ৰতি পাঁচ শতাংশ কৰ আদায় দিবলগীয়া অধিকাংশ সামগ্ৰীৰ ক্ষেত্ৰতে কৰৰ পৰিমাণ আঠ শতাংশলৈ বৃদ্ধি পোৱা সম্ভাৱনা আছে। অৱশ্যে এনে বিভিন্ন বিষয় বিবেচনাধীন হৈ আছে। অহা মাহত সম্পন্ন হ'ব জিএছটি পৰিষদৰ বৈঠক। ইয়াৰ পূৰ্বে নানা সম্ভাৱনা প্ৰকট হৈছে। জিএছটিৰ অধীনত অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত কৰ ৰেহাই দিয়া হৈছে অথবা অতি সামান্য পৰিমাণৰ কৰ আৰোপ কৰা হৈছে। ইয়াৰ বিপৰীতে বিলাসী সামগ্ৰীৰ ক্ষেত্ৰত সৰ্বাধিক ২৮ শতাংশ জিএছটিৰ উপৰি উপ-কৰ আৰোপ কৰা হয়। জিএছটি প্ৰৱৰ্তন কৰাৰ ফলত ৰাজ্যসমূহে সন্মুখীন হোৱা ৰাজহ ক্ষতিৰ ব্যৱধান পূৰণৰ বাবে এই সংগৃহীত উপ-কৰ ব্যৱহাৰ কৰা হয়।

জিএছটিৰ এই ক্ষতিপূৰণৰ সময়ৰ ম্যাদ চলিত বৰ্ষত জুনত অন্ত পৰিব। সেয়েহে ৰাজ্যসমূহ আত্মনিৰ্ভৰশীল হোৱাটো অৱধাৰিত হৈ পৰিছে। জিএছটি সংগ্ৰহত সৃষ্টি হোৱা ৰাজহ ব্যৱধান নোহোৱা কৰিবলৈ অহা জুনৰ পৰা কেন্দ্ৰৰ ওপৰত ৰাজ্য নিৰ্ভৰশীল হ'ব নোৱাৰিব। বিগত বৰ্ষত কেন্দ্ৰীয় চৰকাৰে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বাসৱৰাজ বোম্মাইৰ নেতৃত্বত বিভিন্ন ৰাজ্যৰ মন্ত্ৰীসকলক লৈ এখন পেনেল প্ৰস্তুত কৰিছিল। কিদৰে কৰৰ হাৰ সমানুপাতিক কৰাৰ লগতে কৰ গাঁথনিত থকা ভুল-ত্ৰুটি শুধৰণিৰ বাবে এই পেনেলে পৰামৰ্শ আগবঢ়োৱাৰ বাবে দায়িত্বৰত। অহা মাহৰ আৰম্ভণিতে মন্ত্ৰীসকলে অনুমোদনসমূহৰ চূড়ান্ত ৰূপ দিয়াৰ কথা। মে'ৰ মধ্যভাগত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী বৈঠকত জিএছটি পৰিষদৰ সন্মুখত এই পৰামৰ্শাৱলী উপস্থাপন কৰা হ'ব। মন কৰিবলগীয়া যে ২০১৭ৰ এক জুলাইত দেশত জিএছটি প্ৰৱৰ্তন কৰা হৈছিল। সেই সময়ত ২০২২ৰ জুন পৰ্যন্ত পাঁচ বছৰ কাল ৰাজ্যসমূহক জিএছটিৰ ক্ষতিপূৰণ আদায় দিবলৈ সন্মত হৈছিল কেন্দ্ৰীয় চৰকাৰ। বিগত সময়ছোৱাত উদ্যোগ আৰু বাণিজ্য মহলৰ দাবী অনুসৰি পৰিষদে কৰৰ হাৰ হ্ৰাস পোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে ২৮ শতাংশ জিএছটি আৰোপিত হোৱা সামগ্ৰীৰ সংখ্যাৰ তালিকা এই বছৰবোৰত ২২৮ৰ পৰা হ্ৰাস হৈ ৩৫ হৈছে। এতিয়া কেন্দ্ৰীয় চৰকাৰে জিএছটিৰ ক্ষতিপূৰণ পাঁচ বছৰৰ অধিক বৃদ্ধি নকৰাৰ স্থিতি গ্ৰহণ কৰাত ৰাজ্যসমূহে অনুধাৱন কৰিছে যে কৰৰ হাৰ বৃদ্ধি কৰাৰ একমাত্ৰ উপায়। উল্লেখ্য যে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল নহ'বলৈ অধিকাংশ ৰাজ্যই ৰাজহ বৃদ্ধিৰ বাবে তৎপৰ হোৱাৰ সময়তে এই সম্ভাৱনাসমূহ প্ৰকট হৈছে।

ব্ৰহ্মপুত্ৰৰ চৰত গোপনে গৰু মজুত

এক পৃষ্ঠাৰ পৰা তথ্যও পোহৰলৈ আহিছে। নগাঁও আৰু মৰিগাঁও জিলাত আৰক্ষীয়ে অভিযান চলাই পৃথক স্থানৰ পৰা বিগত ২৪ ঘণ্টাত মুঠ ৪৫টা গৰু চোৰাং সৰবৰাহ কৰা অৱস্থাত জব্দ কৰে।

যোৱা নিশা নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু নগাঁও নগৰ আৰক্ষী চকীৰ উপ পৰিদৰ্শকৰ নেতৃত্বত আৰক্ষীয়ে এক অভিযান চলায়। এই অভিযানতে চহৰখনৰ পাৰ্শ্বৱৰ্তী উৰিয়াগাঁৱৰ পৰা এখন গৰু ভৰ্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত এএছ-০১ চিচি-৮২৬০ নম্বৰৰ ট্ৰাকখনৰ পৰা আৰক্ষীয়ে ২৪টা গৰু জব্দ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোক দুজন খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখৰ মেৰাজুল ইছলাম আৰু চামগুৰিৰ বাজিয়াগাঁৱৰ ছাইফুল ইছলাম বুলি আৰক্ষী সূত্ৰই জনাইছে।

ইপিনে, আজি লাহৰীঘাট আৰক্ষীয়ে বৰকুৰ চাপৰিৰ পৰা গো সৰবৰাহকাৰীয়ে আনি মজুত কৰি ৰখা অৱস্থাত ২১টাকৈ গৰু জব্দ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে এক গোপন সূত্ৰৰ পম খেদি এমএন-০৩- ২১৪৮ নম্বৰৰ ১০চকীয়া ট্ৰাকখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰে। পৰৱৰ্তী সময়ত চালকজনক সোধ-পোছ কৰাত তেওঁ দিয়া স্বীকাৰোক্তিৰ ভিত্তিত লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰকুৰ চাপৰিত ট্ৰাকখনে কঢ়িয়াই আনি মজুত কৰা ২১টা গৰু আৰক্ষীয়ে জব্দ কৰে। ইয়াৰ পাছতে চালকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত ট্ৰাক চালক ছফিকুল ইছলাম মৈৰাবাৰীৰ নিবাসী যদিও তেওঁ ধেমাজিৰ পৰা গৰুসমূহ কঢ়িয়াই আনিছিল। সম্প্ৰতি অধিক তথ্যৰ বাবে ছফিকুলক আৰক্ষীয়ে সোধ-পোছ কৰি আছে।

ৰাজ্যসভা নিৰ্বাচনত দলৰ প্ৰতাৰণাৰ

এক পৃষ্ঠাৰ পৰা ৰাজ্যসভাৰ নিৰ্বাচনত পৰাজিত হোৱাৰ পাছৰে পৰা বৰা এপিচিচিৰ নেতৃত্বৰ প্ৰতি ক্ষুণ্ন হৈ পৰিছিল। কংগ্ৰেছে যদিও বৰাৰ পৰাজয়ৰ বাবে এআইইউডিএফক জগৰীয়া কৰি আহিছে, ৰিপুন বৰাই তাৰ বিপৰীত তথ্যহে লাভ কৰিছিল। নিজৰ দল কংগ্ৰেছেই তেওঁৰ পৰাজয়ত মুখ্য ভূমিকা লয় বুলি বৰাই তথ্য লাভ কৰে। ছোনিয়া গান্ধীলৈ প্ৰেৰণ কৰা পত্ৰখনতো তেওঁ সেই বিষয়ে উল্লেখ কৰিছে। বৰাই উল্লেখ কৰিছে এনেদৰে, 'ৰাজ্যসভা নিৰ্বাচনত মোক দ্বিতীয়বাৰলৈ প্ৰাৰ্থী মনোনীত কৰা বাবে মই আপোনাৰ প্ৰতি কৃতজ্ঞ। কিন্তু এয়া অতি দুৰ্ভাগ্যজনক যে মোৰ দলৰ একাংশ নেতাই এনে ভূমিকা পালন কৰে যাৰ বাবে বিজেপিয়ে দুয়োখন আসনত জয়লাভৰ পথ প্ৰশস্ত হয়। মই আপোনাক দুখেৰে জনাও অসমত এইটো আৰু গোপন হৈ থকা নাই যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আটাইতকৈ জ্যেষ্ঠ একাংশ নেতাই মুখ্যমন্ত্ৰীক মুখ্য কৰি বিজেপি চৰকাৰৰ লগত গোপন বুজাবুজি ৰক্ষা কৰি আহিছে।' এই যুক্তিৰে বৰাই পত্ৰখনত উল্লেখ কৰে যে একাংশ নেতাই ন্যস্তস্বাৰ্থ পূৰণৰ বাবে কংগ্ৰেছৰ নীতি-আদৰ্শৰ লগত আপোচ কৰাটোৱে তেওঁ দলত থকাটোক সজ্ঞানে অনুমতি দিয়া নাই।

পদত্যাগ পত্ৰখনত বৰাই এই কথাও উল্লেখ কৰে যে বিজেপি হ'ল সাম্প্ৰদায়িকতা আৰু বিভাজনৰ প্ৰতীক। বিজেপিয়ে ভাৰতৰ গণতন্ত্ৰ, সংবিধান, ধৰ্মনিৰপেক্ষতা আৰু অৰ্থনীতিৰ প্ৰতি গভীৰ ভাবুকি আনিছে। কিন্তু ইয়াৰ বাবে বিজেপিক প্ৰতিহত কৰাৰ বিপৰীতে কংগ্ৰেছৰ বিভিন্ন স্তৰৰ নেতাসকলে ন্যস্তস্বাৰ্থ পূৰণৰ বাবে নিজৰ মাজতেই যুঁজবাগৰ কৰি আছে। ইয়াৰ ফলত দেশজুৰি থকা দলৰ কৰ্মীসকল হতাশ হৈছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়।

টি এম চিত যোগদান

ছোনিয়া গান্ধীলৈ পত্ৰ প্ৰেৰণ কৰিয়েই বিয়লি পত্নী, পুত্ৰসহ কলকাতাত উপস্থিত হয় ৰিপুন বৰা। ইয়াৰ পাছতে তেওঁ তৃণমূল কংগ্ৰেছত টি এম চি যোগ দিয়ে। দলৰ সাধাৰণ সম্পাদক অভিষেক বন্দোপাধ্যায়ে পত্নী মণিকা বৰাসহ ৰিপুন বৰাক দলীয় মাফলাৰ ডিঙিত পিন্ধাই টি এম চিলৈ আদৰণি জনায়। এই বিষয়ে টি এম চিয়ে দলৰ টুইটাৰত উল্লেখ কৰে যে দলে অসমৰ প্ৰাক্তন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী আৰু ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ আৰু অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতিক স্বাগতম জনাইছে। তেওঁ আজি অভিষেক বন্দোপাধ্যায়ৰ উপস্থিতিত তৃণমূলত যোগ দিয়ে।

ৰিপুন বৰাৰ তৃণমূলত যোগদানক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে আজি ইয়াত সাংবাদিকৰ আগত কয় যে 'ৰিপুন বৰাই দল এৰা সিদ্ধান্ত সম্পূৰ্ণৰূপে কংগ্ৰেছৰ আভ্যন্তৰীণ বিষয়। তথাপি এটা কথা ক'ব পাৰি যে যোৱা ৰাজ্যসভা নিৰ্বাচনত কংগ্ৰেছৰ বিধায়কেই ৰিপুন বৰাক ভোট নিদিলে।' তদুপৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যসভাৰ নিৰ্বাচনৰ দুদিন পূৰ্বে কংগ্ৰেছে যিখন সংবাদমেল অনুষ্ঠিত কৰিছিল সেইখনৰ পাছতে ৰিপুন বৰাই দল এৰাটো অস্বাভাৱিক নহয় বুলি তেওঁ ভাবে।

ইপিনে, বৰাৰ দল ত্যাগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়াই কয় যে ৰিপুন বৰাই কংগ্ৰেছ দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰাটো দুৰ্ভাগ্যজনক। ইয়াৰ দ্বাৰা তেওঁ নিজৰ সুবিধাবাদী চৰিত্ৰহে উদঙাই দিলে। শইকীয়াই লগতে কয়, 'আমাৰ কংগ্ৰেছ দলৰ অৱস্থা বৰ্তমান ভাল নহয়। এই সময়ত তেওঁৰ দৰে জ্যেষ্ঠ নেতাই কংগ্ৰেছক শক্তিশালী কৰাৰ বাবে দলৰ সাংগঠনিক দিশত সহায় কৰিব লাগিছিল। তাৰ পৰিৱৰ্তে নিজৰ লাভালাভৰ বাবে কংগ্ৰেছ এৰি তৃণমূল কংগ্ৰেছলৈ গ'ল। কংগ্ৰেছে ৰিপুন বৰাক বহুত দিছে। সেইবোৰকো উপেক্ষা কৰি তেওঁ আজি নিজৰ লাভালাভৰ অংকতহে লিপ্ত হ'ল। বৰাৰ লগতে তেওঁৰ পত্নীকো আমাৰ দলে প্ৰাৰ্থিত্ব দিয়াত বিধায়িকা হৈছিল।'

সাম্প্ৰদায়িক সংঘৰ্ষৰ ৰেহ-ৰূপ

এক পৃষ্ঠাৰ পৰা পৰিৱেশ সৃষ্টিত ইন্ধন যোগাই আহিছে। ফলস্বৰূপে আগন্তুক সময়ছোৱাত এনে ধৰণৰ অধিক সাম্প্ৰদায়িক সংঘৰ্ষৰ আশংকা নুই কৰিব নোৱাৰি। অৱশ্যে ভাৰতত সাম্প্ৰদায়িক হিংসা কোনো নতুন ঘটনা নহয়। ঔপনিৱেশিক শাসনকালৰ পৰাই দেশত সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈ আহিছে। বিশেষকৈ দেশ বিভাজনৰ সময়ছোৱাৰ ঘটনাৱলী ইতিহাসৰ এক ক'লা অধ্যায়ৰূপে চিহ্নিত হৈছে। পৰৱৰ্তী সময়ছোৱাতো চৰকাৰৰ উপৰি বিভিন্ন সংস্থা-সংগঠন তথা শুভবুদ্ধিসম্পন্ন নাগৰিকৰ প্ৰচেষ্টা সত্ত্বেও সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰাটো সম্ভৱ হোৱা নাই। স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতিত সাম্প্ৰদায়িক হিংসা এক সংজ্ঞায়িত বৈশিষ্ট্যৰূপেই চিহ্নিত হৈ আহিছে। ঘাইকৈ হিন্দু-মুছলমানৰ সংঘৰ্ষই অধিক যদিও অন্যান্য ধৰ্মাৱলম্বী যেনে— খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু সংখ্যালঘুৰূপে পৰিচিত ৰাজ্যসমূহত হিন্দুৰ বিৰুদ্ধেও হিংসাৰ ঘটনা তেনেই কম নহয়। পাছলৈ ই অধিক সংগঠিত ৰূপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। নিজৰ ক্ষমতা সুৰক্ষিত কৰাৰ চক্ৰান্তৰে ব্ৰিটিছে বীজ ৰোপণ কৰি থৈ যোৱা হিন্দু-মুছলমানৰ বিভাজনেই ভাৰতৰ এনে সাম্প্ৰদায়িক উত্তেজনাৰ বাবে দায়ী বুলি বিভিন্ন মহলে মত পোষণ কৰি আহিছে। পৰৱৰ্তী পৰ্যায়ত ভাৰতীয় ৰাজনৈতিক দলসমূহে ক্ষমতাৰ স্বাৰ্থত সেই ধৰ্মীয় বিভাজনৰেই ৰণকৌশল ৰূপায়ণ কৰি আহিছে— কেতিয়াবা সংখ্যালঘুৰ নামত আৰু কেতিয়াবা সংখ্যাগুৰুৰ নামত।

যোৱা দেওবাৰে ৰাম নৱমীৰ শোভাযাত্ৰা উলিওৱাৰ সময়ত গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থানকে ধৰি কমেও পাঁচখন ৰাজ্যত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত ঘটে। লক্ষ্যণীয় যে প্ৰায় সকলোতে একে ধৰণৰে কাণ্ড। ৰাম নৱমীৰ ধৰ্মীয় সমদলে সংখ্যালঘু অধ্যুষিত অঞ্চলেদি আগবঢ়াৰ সময়ত উচটনিমূলক শ্লʼগান আৰু গীত, তাৰ পাছত শিলবৰ্ষণ তথা আক্ৰমণৰ ফলত বহু লোক হতাহত হয়। আহতসকলৰ ভিতৰত আৰক্ষী বিষয়াও আছে। তাৰ পাছতে পৰস্পৰৰ বিৰুদ্ধে অশান্তি সৃষ্টিৰ অভিযোগ উত্থাপন কৰে উভয় সম্প্ৰদায়ে। হিন্দুসকলৰ অভিযোগ— শোভাযাত্ৰাকাৰীলৈ শিলবৰ্ষণ কৰি আক্ৰমণ কৰা হয়। আনহাতে, মুছলমানসকলে অভিযোগ কৰে যে অশান্তি সৃষ্টিৰ উদ্দেশ্যে পূৰ্বপৰিকল্পিতভাৱে এনেদৰে হিংসাত্মক পৰিস্থিতিৰ সূচনা কৰা হৈছে। পবিত্ৰ ৰমজানৰ সময়ছোৱাতে মছজিদৰ সমুখত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টিকাৰী শ্লʼগান দিয়া হৈছে। এই ঘটনাৰ পাছতে সমদলকাৰীক আক্ৰমণৰ ঘটনাত অভিযুক্তৰূপে চিহ্নিত কৰি একাংশ ইছলামধৰ্মী লোকৰ ব্যৱসায়িক প্ৰতিষ্ঠান তথা বাসগৃহ মধ্যপ্ৰদেশ চৰকাৰে বুলডজাৰ লগাই ভাঙি পেলোৱাত আন এক বিতৰ্কৰ সূত্ৰপাত হয়। ইছলামধৰ্মীক লক্ষ্য কৰিয়ে আইন-আদালতৰ দ্বাৰা দোষী প্ৰমাণিত হোৱাৰ পূৰ্বেই এইদৰে কেৱল সন্দেহৰ ভিত্তিত চৰকাৰে অবৈধ পদক্ষেপ গ্ৰহণ কৰা বুলি সমালোচনাৰ জোৱাৰ উঠিছে। সংঘৰ্ষত জড়িত আনসকলৰ বিৰুদ্ধে কিয় একে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নহ'ল বুলি প্ৰশ্ন উত্থাপিত হৈছে। লক্ষ্যণীয় যে কেৱল বিজেপি শাসিত গুজৰাট-মধ্যপ্ৰদেশতে নহয়, কংগ্ৰেছ শাসিত ৰাজস্থান, তৃণমূল কংগ্ৰেছ শাসনাধীন পশ্চিমবংগ আৰু জেএমএম-কংগ্ৰেছ শাসিত ঝাৰখণ্ডতো একেদিনাই এনে ধৰণৰে সাম্প্ৰদায়িক হিংসাৰ সূত্ৰপাত ঘটে। ইয়াকে লৈ উত্তেজনা মাৰ নৌযাওঁতেই শনিবাৰে দিল্লীৰ জাহাংগীৰপুৰীত হনুমান জয়ন্তী উপলক্ষে উলিওৱা শোভাযাত্ৰাতো একে ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হয়। কেন্দ্ৰীয় গৃহ দপ্তৰৰ অধীনত থকা ৰাজধানী দিল্লীৰ আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণহীন হৈ পৰা এই ঘটনাত আৰক্ষীসহ দুয়ো পক্ষৰ বহুলোক আহত হোৱাৰ উপৰি ব্যক্তিগত আৰু ৰাজহুৱা সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হয়।

পৰিৱেশ যে দেশৰ কোনো এটি অঞ্চলতে স্বাভাৱিক নহয়, সেয়া শেহতীয়া ঘটনাৱলীয়েই উদঙাই দিছে। ২০০৫ৰ পৰা ২০১৭ লৈ উপলব্ধ এক তথ্য অনুসৰি ভাৰতত প্ৰতিবছৰে ছশৰ পৰা চাৰে নশ পৰ্যন্ত সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনা সংঘটিত হৈছে। প্ৰতিবছৰে এনে ঘটনাত ৯০জনৰ পৰা ১৩৩ জন পৰ্যন্ত লোকে প্ৰাণ হেৰুৱাইছে। তদুপৰি একে সময়ছোৱাত বছৰি আহত হৈছে দুই সহস্ৰাধিক লোক।

শেহতীয়া সংঘৰ্ষৰ পূৰ্বেই কেতবোৰ মহলে যে এক উত্তেজনাৰ পৰিৱেশ সৃষ্টিৰ চেষ্টা চলাই আহিছে, সেই কথা লুকাই থকা নাই। হিজাবক কেন্দ্ৰ কৰি কে'বাখনো ৰাজ্যত উত্তপ্ত পৰিস্থিতিৰ পাছত আমিষ আহাৰ গ্ৰহণক লৈও বিতৰ্কৰ সূত্ৰপাত হোৱাটো লক্ষ্যণীয়। ইয়াৰ উপৰি একাংশ ধৰ্মগুৰু তথা ৰাজনৈতিক নেতাৰ ভাষ্যই পৰিস্থিতি অধিক জটিল কৰি তুলিছে। ন্যায়ালয়ৰ হস্তক্ষেপত হিজাব বিতৰ্কৰ যেনিবা সামৰণি পৰিল। কিন্তু সম্প্ৰতি মছজিদৰ আজান দিয়াৰ ক্ষেত্ৰত মাইকৰ ব্যৱহাৰৰ বিৰোধ কৰা হৈছে কে'বাখনো ৰাজ্যত। মাইকযোগে আজান দিয়া কাৰ্য বন্ধ কৰা নহ'লে মছজিদৰ সমুখত মাইকযোগে হনুমান চালিচা পাঠ কৰা হ'ব বুলি হুংকাৰ দিয়া হৈছে। এই ক্ষেত্ৰত শীঘ্ৰে এক মীমাংসা নহ'লে পৰিস্থিতি জটিল হৈ পৰাৰ আশংকা নুই কৰিব নোৱাৰি। কিয়নো একাংশ ৰাজনৈতিক নেতাৰ জৰিয়তে এই দাবী উত্থাপিত হৈছে। তেওঁলোকৰ যুক্তি— ইয়াৰ ফলত আন ধৰ্মাৱলম্বী লোকৰ শান্তি বিঘ্নিত হৈছে আৰু কামত ক্ষতি হৈছে। এনে পৰিপ্ৰেক্ষিতত সমাজৰ শুভবুদ্ধি সম্পন্নসকল আগবাঢ়ি অহাটো বাঞ্ছনীয়। এনেবোৰ বিষয় ৰাজনীতিকৰ হাতলৈ এৰি দিয়াৰ পৰিৱৰ্তে নাগৰিক সমাজে মীমাংসা কৰিবলৈ আগবাঢ়ি আহিব লাগিব। সংবিধানে ভাৰতীয় নাগৰিকক নিজস্ব ধৰ্ম পালনৰ সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰিছে; কিন্তু কোনো ধৰ্ম পালনে যাতে আন ধৰ্ম অনুসৰণকাৰীৰ বাবে অসুবিধাৰ সৃষ্টি নকৰে তাৰ প্ৰতিও সচেষ্ট হ'ব লাগিব। গতিকে যিবোৰ বিষয় পৰিহাৰ কৰিলে ধৰ্মপালনত কোনো হীন-ডেঢ়ি নঘটে সেইবোৰ চলাই নিয়াৰ বাবে দৃঢ় হৈ পৰিস্থিতি জটিল নকৰাটোৱে কাম্য। এখন সুশৃংখলিত সমাজ গঢ়িবলৈ ইয়াৰ অংশীদাৰ প্ৰতিটো গোটৰে সহযোগিতাৰ একান্ত প্ৰয়োজন।

সম্প্ৰতি কেন্দ্ৰৰ উপৰি অধিকাংশ ৰাজ্যতে শাসনাধিষ্ঠিত হৈ থকা হেতুকে সাম্প্ৰতিক পৰিস্থিতিক লৈ বিজেপি সৰ্বাধিক জবাবদিহি হ'ব লাগিব। তদুপৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ দায়িত্বৰ পৰাও সাৰি যাব নোৱাৰিব; কিন্তু এই কথাও ঠিক যে দেশত সাম্প্ৰদায়িক সংঘৰ্ষ বিজেপিয়েই সৃষ্টি কৰা নাই। ইয়াৰ আঁৰৰ ইতিহাস আৰু জটিলতা যথেষ্ট গভীৰ। প্ৰায় প্ৰতিটো দলৰে শাসনকালত দেশৰ প্ৰান্তে প্ৰান্তে সাম্প্ৰদায়িক হিংসা সংঘটিত হৈছে। গতিকে দল নিৰ্বিশেষে প্ৰতিখন ৰাজ্য চৰকাৰৰে প্ৰাথমিক দায়িত্ব হৈছে ক্ষিপ্ৰ আৰু কঠোৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণ তথা আইনভংগকাৰীক শাস্তি প্ৰদান নিশ্চিত কৰাটো। কিন্তু বিজেপিৰ সংখ্যাগৰিষ্ঠৰ আধিপত্যবাদৰ সাহসতে যে শেহতীয়া উত্তেজনাৰ সৃষ্টি হৈছে তাক অস্বীকাৰ কৰিব নোৱাৰি। সেয়েহে সুশাসন আৰু কৰ্মঠ চৰকাৰৰ শ্লʼগান দিয়া বিজেপি চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনি প্ৰমাণ কৰিব লাগিব দৰাচলতে তেওঁলোকে কোন দিশে গতি কৰিব বিচাৰে? ৰাজনৈতিক ক্ষেত্ৰত ইতিমধ্যে একাধিপত্য প্ৰমাণ কৰিবলৈ সক্ষম হোৱা বিজেপিয়ে নিশ্চয় এনেবোৰ ঘটনাৰ হেঁচাত নিজৰ লক্ষ্য-উদ্দেশ্যৰ পৰা আঁতৰি নাযাব। এই কথাৰ ব্যাখ্যা নিষ্প্ৰয়োজন যে দেশৰ ভিন্ন সম্প্ৰদায়ৰ মাজত সংঘাতৰ পৰিৱেশ সৃষ্টি কৰি বিকাশৰ শ্লʼগান দিয়াটো অৰ্থহীন। অথচ এফালে বিজেপিৰ একাংশ নেতা-মন্ত্ৰীয়ে অবাঞ্চিত বক্তব্য প্ৰকাশ কৰি পৰিৱেশ জটিল কৰিছে আৰু আনফালে প্ৰধানমন্ত্ৰী প্ৰমুখ্যে শীৰ্ষতম নেতাসকলে নীৰৱতাক আঁকোৱালি লৈছে। ফলস্বৰূপে সমাজত বিভেদ সৃষ্টিকাৰীসকল উৎসাহিত হোৱাটোৱে স্বাভাৱিক। সেই বাবেই শেহতীয়া সাম্প্ৰদায়িক হিংসাৰ ঘটনাৱলীৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীৰৱতাক লৈ বিৰোধী সৰৱ হৈছে। কংগ্ৰেছৰ উপৰি বিভিন্ন ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি বিৰোধী প্ৰায় আটাইবোৰ দলৰ শীৰ্ষ নেতৃত্বক সামৰি ১৩টাকৈ দলে এই শনিবাৰে এক যুটীয়া বিবৃতি প্ৰকাশ কৰিছে। শান্তি-সম্প্ৰীতি বজাই ৰাখিবলৈ দেশবাসীক আহ্বান জনাই বিবৃতিত এই হিংসাত জড়িতসকলৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰীৰ নীৰৱতাত গভীৰ ক্ষোভ প্ৰকাশ কৰা হৈছে। খাদ্য, পোছাক, ধৰ্মীয় বিশ্বাস, উৎসৱ আৰু ভাষাক লৈ সমাজত মেৰুকৰণ কৰিবলৈ শাসক পক্ষই প্ৰচেষ্টা চলাই অহা বুলি উদ্বেগ প্ৰকাশ কৰিছে বিৰোধী নেতৃত্বই। কেৱল দেশতেই নহয়, এনেবোৰ সাম্প্ৰদায়িক উত্তেজনাক লৈ আন্তৰ্জাতিক মহলতো সময়ে সময়ে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছে মোদী চৰকাৰ। যোৱা সপ্তাহত মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন আৰু প্ৰধানমন্ত্ৰী মোদীৰ মাজত ভাৰ্চুৱেল দ্বিপাক্ষিক আলোচনাৰ পাছতে বৈদেশিক সচিব এন্টনী ব্লিংকেনে মানৱাধিকাৰৰ ক্ষেত্ৰত ভাৰতক কঠোৰভাৱে সমালোচনা কৰে। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ উপস্থিতিতে মাৰ্কিন সচিবজনৰ এনে ভাষ্য দেশৰ বাবে অপমানজনকৰূপেই গণ্য কৰা হৈছে। লক্ষ্যণীয়ভাৱে ব্লিংকেনৰ এনে সমালোচনাৰ প্ৰত্যুত্তৰত দুয়োজন ভাৰতীয় মন্ত্ৰী নীৰৱে থকা পৰিলক্ষিত হয়। যোৱা মঙলবাৰে মাৰ্কিন বৈদেশিক পৰিক্ৰমা দপ্তৰে প্ৰকাশ কৰা বাৰ্ষিক প্ৰতিবেদনত কোৱা হয় যে ভাৰতত মুছলমানসকল সাম্প্ৰদায়িক হিংসা আৰু বঞ্চনাৰ বলি হৈছে। উক্ত প্ৰতিবেদনৰ মতে ভাৰতত সংখ্যালঘুসকল বিভিন্ন ধৰণে হাৰাশাস্তিৰ বলি হ'বলগীয়া হৈছে। এনে ধৰণৰ অভিযোগ ভাৰত চৰকাৰে কিদৰে খণ্ডন কৰে তাকে লৈ দেশৰ সচেতন মহলে উৎকণ্ঠাৰে বাট চাইছে।

ফোন ঃ ৯৪৩৫০১০৬৭৩

■ ৰেলপথত চলা দুৰ্নীতি সম্পৰ্কে ৰেল ব'ৰ্ডক স্মাৰকপত্ৰ প্ৰদান কৰিব আছুৱে

ডিব্ৰু-শদিয়া ৰেলসেৱা বন্ধৰ ষড়যন্ত্ৰৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

তালাপ, ১৭ এপ্ৰিল ঃ বিভিন্ন পক্ষৰ প্ৰচেষ্টাৰ ফলস্বৰূপে উত্তৰ-পূৰ সীমান্ত ৰেল কৰ্তৃপক্ষই যোৱা ১২ এপ্ৰিলৰ পৰা ডাঙৰীৰ পৰা মাকুম ৰেল জংচনলৈকে ডিব্ৰু-শদিয়া ৰেলপথত ডে'ম ৰেল সেৱা মুকলি কৰে। কিন্তু সম্পূৰ্ণ অপৰিকল্পিতভাৱে ৰেল সেৱা প্ৰদান কৰা কাৰ্যই সকলো পক্ষকে 'কণা হাঁহক পতান' দিয়াৰ দৰে ফুচুলাই ৰখাৰ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন কৰিছে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই। আঞ্চলিক সমিতিখনৰ সভাপতি সীমান্ত সোণোৱাল, সম্পাদক থানেশ্বৰ তেলী আৰু উপদেষ্টা পুহেশ্বৰ সোণোৱালে এক বিবৃতিত ৰেল সেৱা মুকলি কৰাৰ সমান্তৰালভাৱে ৰেল যাত্ৰীৰ নিৰাপত্তা, ৰেলপথত দুৰ্ঘটনা ৰোধ, ৰেল যাত্ৰীৰ বাবে প্লেটফৰ্ম, টিকট সংগ্ৰহ কক্ষ, জিৰণি ঘৰ, বিশুদ্ধ খোৱা পানী ব্যৱস্থা, শৌচালয় আদি কৰি ন্যুনতম কোনো ধৰণৰ সুবিধা প্ৰদান নকৰাকৈ উত্তৰ-পূৰ সীমান্ত ৰেল কৰ্তৃপক্ষই নিজ খেয়ালখুচি মতে ষ্টেচনবোৰ হাবি-জংঘলেৰে আগুৰি ৰখা অৱস্থাত ডিব্ৰু-শদিয়া ৰেলপথৰ ছয়টা ৰেল ষ্টেছনৰ মাজত বিপদসংকুল অৱস্থাত অপৰিকল্পিতভাৱে ডে'ম ৰেল সেৱা মুকলি কৰি ৰেল বিভাগৰ পুঁজি অপব্যয় কৰিবলৈ উঠিপৰি লাগিছে বুলি উল্লেখ কৰে। বিবৃতিটোত ডিব্ৰু-শদিয়া ৰেলপথত ডাঙৰী আৰু মাকুমৰ মাজত যাত্ৰীৰ সুবিধা-অসুবিধাৰ প্ৰতি সম্পূৰ্ণভাৱে আওকাণ কৰি ডে'ম ৰেল সেৱা প্ৰৱৰ্তন কৰি উত্তৰ-পূৰ সীমান্ত ৰেল প্ৰশাসনে ৰেল যাত্ৰীৰ অভাৱ দেখুৱাই ৰেলপথটোত চিৰদিনৰ বাবে ৰেল সেৱা বন্ধ কৰি দিয়াৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগ উত্থাপন কৰিছে। শীঘ্ৰেই যাত্ৰীৰ ৰেলপথত মেৰামতিৰ নামত সংঘটিত কোটি কোটি টকা কেলেংকাৰি আৰু দুৰ্নীতি ঢাকিবলৈ উত্তৰ-পূৰ সীমান্ত ৰেল প্ৰশাসনৰ দুৰ্নীতিগ্ৰস্ত ৰেল অভিযন্তাই ঐতিহাসিক ৰেলপথটোত চিৰদিনৰ বাবে ৰেল সেৱা বন্ধ কৰি দিয়াৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। উল্লেখ্য যে যোৱা ১৬ মাৰ্চত ভাৰতীয় ৰে'লৱে ব'ৰ্ডে উত্তৰ-পূৰ সীমান্ত ৰেল প্ৰশাসনৰ মুখ্য কাৰ্যালয়ক ডিব্ৰু-শদিয়া ৰেলপথত পুনৰ ৰেল সেৱা মুকলি কৰিবলৈ নিৰ্দেশ দিছিল। ৰে'লৱে ব'ৰ্ডৰ নিৰ্দেশনাটো পোৱাৰ পাছতে উত্তৰ-পূৰ সীমান্ত ৰেল কৰ্তৃপক্ষই বাধ্য হৈ যোৱা পাঁচ এপ্ৰিলত এক সময়সূচী ঘোষণা কৰি তিনিচুকীয়াৰ পুৰণি ৰেল জংচন-ডাঙৰী ৰেল ষ্টেছনৰ মাজত ডিব্ৰু-শদিয়া ৰেলপথত ১২ এপ্ৰিলৰ পৰা ০৭৯০৪-০৭৯০৫ ডে'ম ৰেল সেৱা মুকলি কৰিব বুলি উল্লেখ কৰাৰ তিনিদিনৰ পাছতে তিনিচুকীয়া সংমণ্ডল কাৰ্যালয়ে উক্ত সময়সূচী বাতিল কৰি যোৱা আঠ এপ্ৰিলত নতুন সময়সূচী ঘোষণা কৰি ডাঙৰীৰ পৰা মাকুম জংচনৰ মাজতহে ডে'ম ৰেল সেৱা সীমিত কৰে। উল্লেখ্য যে ডাঙৰীৰ পৰা ৫-৩০ বজাত মাকুম জংচনলৈ যাত্ৰা কৰাৰ পূৰ্বে ডে'ম ৰেলখন অনাহকত তিনিচুকীয়াৰ পৰা ডাঙৰীলৈ অতিৰিক্ত যাত্ৰা কৰিব লগা হৈছে। ইফালে নিশা ৭-৪৫ বজাত মাকুম জংচনৰ পৰা যাত্ৰা কৰি নিশা ৯-৪৫ বজাত ডাঙৰী ৰেল ষ্টেছনত যাত্ৰী নামি যোৱাৰ পাছত ডাঙৰীৰ পৰা অনাহকত দ্বিতীয়বাৰ তিনিচুকীয়ালৈ নিশা ৰাওনা হ'ব লগা হৈছে। ডাঙৰীত ৰেল টাৰ্মিনাছ নোহোৱাৰ বাবে ডাঙৰীত দিন বা নিশাৰ ভাগত যিকোনো ৰেল গাড়ী অৱস্থানৰ ব্যৱস্থা নাই। উত্তৰ-পূৰ সীমান্ত ৰেল প্ৰশাসনৰ বিভাগীয় অভিযন্তাই ডিব্ৰু-শদিয়া ৰেলপথ মেৰামতি আৰু ৰেল সেৱাৰ নামত সংঘটিত কৰা দুৰ্নীতিৰ বিশদ তথ্য দাঙি ধৰি ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই অহা ১৮ এপ্ৰিলত কেন্দ্ৰীয় ৰেলমন্ত্ৰী, ৰে'লৱে ব'ৰ্ডৰ অধ্যক্ষ, অসমৰ মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰিব বুলিও উল্লেখ কৰিছে।

গোৱালপাৰাত ধুমুহাত বিস্তৰ ক্ষতিসাধন।

পহিলা ব'হাগত 'হেঁপাহৰ দিন' উদ্‌যাপন দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ

বিশেষ সংবাদদাতা

মঙলদৈ, ১৭ এপ্ৰিল ঃ সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিৰ উদ্যোগত প্ৰথমবাৰৰ বাবে এইবেলি পহিলা ব'হাগৰ দিনাখন 'হেপাহৰ দিন' কাৰ্যসূচী দৰং জিলাৰ অন্তৰ্ভুক্ত আঞ্চলিক সমিতিসমূহৰ জৰিয়তে ৰূপায়ণ কৰা হয়। আঞ্চলিকৰ অন্তৰ্গত ৬০ বছৰ ঊৰ্ধ্বৰ সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, কৃষি, শৈক্ষিক, শিল্প কলা, বাণিজ্য আৰু সাহিত্যৰ ক্ষেত্ৰত কৃতিত্বৰে উজ্জ্বলি উঠা বিশিষ্ট ব্যক্তিসকলক ঘৰে ঘৰে গৈ ওলগনি জনোৱা হয়। জিলা সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে জনোৱা অনুযায়ী ঔতলা, ভূড়াৰগড়, ৰামহৰি, দলগাঁও, নগৰবাহী, মঙলদৈ সদৰ আদি ২০টাৰো অধিক আঞ্চলিকে এই কাৰ্যসূচী ৰূপায়ণ কৰে। কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, সভাপতি, আমানুল্লা পাছা, জিলা সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ আৰু উপ-সভাপতি মইনুল হক শইকীয়া, ঔতলা আঞ্চলিকৰ সভাপতি গনিৰুদ্দিন আহমেদ, কাৰ্যকৰী সভাপতি ইক্ৰামুল মজিদ, সম্পাদক আব্দুল আলী, সহকাৰী সম্পাদক ইমৰান হুছেইন আদিয়ে এই ব্যতিক্ৰমী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ঔতলা আঞ্চলিকত নেওগপাৰা গাঁৱৰ আটাইতকৈ জ্যেষ্ঠ ব্যক্তি ৰহমাতুল্লা হক, বেছিমাৰী গাঁৱৰ আটাইতকৈ জ্যেষ্ঠ ব্যক্তি মহবুব হক আৰু কপিলীসত্ৰৰ আটাইতকৈ জ্যেষ্ঠ ব্যক্তি উজিৰ আলী, বেংগাবড়া গাঁৱৰ প্ৰবীণ শিক্ষাবিদ অৱসৰী শিক্ষক ধনী ডেকাসহ কে'বাজন ব্যক্তিক ওলগ জ্ঞাপন কৰা হয়। ইফালে অসমীয়া সামাজিক সুৰক্ষা ন্যাস 'প্ৰত্যয়'ৰ সহযোগত জিলা সমিতিয়ে দৰঙৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে নগেন্দ্ৰ নাথ শৰ্মা, ফুলেন্দ্ৰ নাথ চহৰীয়া, অধ্যাপক ইদ্ৰিছ আলী আৰু মংগলদৈ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুকুট কাকতি, বিদায়ী আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাক ওলগ জনায়।

সোণাপুৰত ২০ সংখ্যক 'দ'মাহী ৰং আজে' উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ১৭ এপ্ৰিল ঃ ভৈয়াম কাৰ্বিসকলৰ ২০ সংখ্যক 'দ'মাহী ৰং আজে' উৎসৱ এইবেলিও ব্যাপক উলহ-মালহেৰে চামতাৰ এক নৈসৰ্গিক পৰিৱেশত কাৰ্বি সাংস্কৃতিক প্ৰকল্প ফংআৰিত অনুষ্ঠিত হ'ব। কাৰ্বি কালচাৰেল ছ'চাইটি কামৰূপৰ উদ্যোগত আৰু অভ্যৰ্থনা সমিতিৰ সহযোগত অহা ২৯ আৰু ৩০ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যসূচীৰে হ'বলগীয়া উৎসৱৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলিছে। যোৱা ১৬ এপ্ৰিলত ফংআৰিত অনুষ্ঠিত এক সংবাদমেলত এইকথা প্ৰকাশ কৰি প্ৰস্তুতি সমিতিয়ে উৎসৱত মূলতঃ কাৰ্বি জনগোষ্ঠীৰ হেৰাই যাব ধৰা কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ, ৰীতি-নীতি, অধুনালুপ্ত খেল-ধেমালি, স্বকীয় সাজ-পাৰ আদি প্ৰদৰ্শন কৰা হ'ব বুলি সাংবাদিকক অৱগত কৰে। তদুপৰি এইবেলি উৎসৱত অকল কাৰ্বি জনগোষ্ঠীতেই আবদ্ধ নাৰাখি অন্যান্য জাতি-জনগোষ্ঠীৰো থলুৱা কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ দিহা কৰা হৈছে বুলি উৎসৱ প্ৰস্তুতি সমিতিৰ অন্যতম কৰ্মকৰ্তা হৰেশ্বৰ ৰাহাং আৰু ধীৰেন ইংতিয়ে প্ৰকাশ কৰে। উৎসৱত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কাৰ্বি জনগোষ্ঠীৰ কাণ্ডাৰীসকলৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মেঘালয়ৰ খাচী ৰজায়ো অংশগ্ৰহণ কৰিব। এই উপলক্ষে উৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। সংবাদমেলত কাৰ্বি বাংঠে আছেমৰ সভাপতি নবীনচন ক্ৰ, অভ্যৰ্থনা সমিতিৰ সম্পাদক ভবেশ কাঠাৰ, মহন্ত টুমুং, নন্দিতা ৰংহাংপি প্ৰমুখ্যে অন্যান্যসকল উপস্থিত থাকে।

বৰভাগত ঘৰে ঘৰে গৈ সম্বৰ্ধনা যুৱ-ছাত্ৰ পৰিষদৰ

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৭ এপ্ৰিল ঃ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ আঞ্চলিক সমিতিয়ে পহিলা ব'হাগৰ দিনা বিহুৱান আৰু ওলগনি পত্ৰৰে বৰভাগৰ সাংবাদিক, শিল্পী আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে আশিস কামনা কৰে। সংগঠনটোৱে বিশিষ্ট ঢোলবাদক মুকুল চক্ৰৱৰ্তী, বিশিষ্ট চিত্ৰশিল্পী ৰাজীৱ আহমেদ, প্ৰাক্তন অধ্যক্ষ শশীন শৰ্মা, বৰভাগৰ সাংবাদিক ক্ৰমে ৰমেন তালুকদাৰ, হিমজ্যোতি ভূঞা, দণ্ডীৰাম দাস, আব্দুল কাদেৰ আহমেদ, গণেশ নমশুদ্ৰ, অৰবিন্দ চক্ৰৱৰ্তী, পংকজ কলিতা, নৰেন শৰ্মা, পংকজ কুমাৰ লহকৰক একোখনকৈ ফুলাম গামোচা আৰু এখন শুভেচ্ছা পত্ৰৰে অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ আঞ্চলিক সমিতিৰ সভাপতি ময়ূৰ ৰহমান, যুটীয়া সম্পাদক চাজিদ আহমেদ, উপদেষ্টা তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাংস্কৃতিক সম্পাদক ধীৰাজ কলিতাৰ নেতৃত্বত যোৱা যুৱ-ছাত্ৰ পৰিষদৰ সঁজাতী দলটোৱে পৰিয়ালসমূহৰ বাসগৃহলৈ গৈ বিহুৰ ওলগ জনোৱাৰ লগতে বিহুত জ্যেষ্ঠজনৰ আশিস কামনা কৰে।

তিতাবৰত ত্ৰয়োবিংশতি সংখ্যক ৰঙালী বিহু উদ্‌যাপন

তিতাবৰ, ১৭ এপ্ৰিল ঃ তিতাবৰ বিহু উদ্‌যাপন সমিতিৰ ত্ৰয়োবিংশতি সংখ্যক ৰঙালী বিহু এই বছৰো পহিলা ব'হাগতে উলহ-মালহেৰে উদ্‌যাপন কৰে। তিতাবৰ টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ৰঙালী বিহু সন্মিলনৰ পুৰা পতাকা উত্তোলন কৰে বিহু উদ্‌যাপন সমিতিৰ সভাপতি গুণীন শৰ্মাই। ইয়াৰ পাছতে বিহু উদ্‌যাপন সমিতিখনৰ জন্মলগ্নৰ এগৰাকী বিষয়ববীয়া প্ৰয়াত দেৱেন্দ্ৰচৰণ বৰবৰুৱাৰ স্মৃতিত বিহুতলীত উপস্থিত সকলে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। বিহু উদ্‌যাপনৰ নামত বাহ্যিক ৰং-ধেমালিতকৈ পৰম্পৰাগতভাৱে বিহু উদ্‌যাপনত গুৰুত্ব দি চেমনীয়াসকলৰ মাজত কণীখেল প্ৰতিযোগিতা, বিহুৱতীৰ বিহুৰ যোজনা আৰু বিহুনাম প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰে। কোনো ধৰণৰ চান্দা বৰঙণি সংগ্ৰহ নকৰাকৈ সমিতিখনৰ নিজৰ সদস্যসকলৰ অৰিহণাৰে আয়োজন কৰা বিহু উদ্‌যাপনথলীত আমন্ত্ৰিত বিহু দলৰ দ্বাৰা মহিলাৰ জেংবিহু আৰু হুঁচৰিও প্ৰদৰ্শন কৰে। বিহুথলীতে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অসীম চন্দ্ৰ ফুকনক ৰাজহুৱাকৈ ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। উদ্‌যাপন সমিতিৰ সভাপতি গুণীন শৰ্মাই জানিবলৈ দিয়া মতে, অসমৰ লগতে তিতাবৰৰ বিভিন্ন ঠাইত অনুষ্ঠিত ৰঙালী উৎসৱতকৈ এইখন বিহুৰ বহুযোজন পাৰ্থক্য আছে। অতি সীমিত বাজেটেৰে অনুষ্ঠিত কৰা বিহুখন অতি আন্তৰিকতাৰে অনুষ্ঠিত কৰি আহিছে যদিও কোনোদিনেই সমিতিয়ে ঘাটিৰ সন্মুখীন হোৱা নাই। বৰঞ্চ সমিতিখনৰ অন্তৰ্গত সদস্যসকলৰ নিজা দান-বৰঙণিৰ জৰিয়তে অনুষ্ঠিত কৰা ৰঙালী উৎসৱৰ শেষত ৰাহি ধনহে থাকি যায়। বিগত দুটা বছৰত ক'ভিডজনিত পৰিস্থিতিৰ বাবে বিহু উদ্‌যাপন কৰিব নোৱাৰিলে যদিও এইবাৰ অতি উলহ-মালহেৰে ৰঙালী উৎসৱত আনন্দত মতলীয়া হোৱা বুলি উল্লেখ কৰে।

পহিলা ব'হাগত সম্বৰ্ধনা হাজো সাংবাদিক সন্থাৰ

অগ্ৰদূত বাৰ্তা

হাজো, ১৭ এপ্ৰিল ঃ পহিলা ব'হাগত হাজো সাংবাদিক সন্থাই ৰূপায়ণ কৰিলে ব্যতিক্ৰমী কাৰ্যসূচী। সন্থাই পহিলা ব'হাগৰ দিনটোত দুই বিশিষ্ট ব্যক্তি ক্ৰমে হাজো-বৰদধিৰ দূৰদৰ্শন আৰু অনাতাঁৰ কেন্দ্ৰৰ বাতৰি বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক, ১৯৮৩ৰ আই আই এছ তথা সমাজকৰ্মী ৰমণী মালাকাৰ আৰু হাজো-নকুছিৰ বিশিষ্ট উদ্যোগপতি, বনমালী শৰ্মাক ঘৰে ঘৰে গৈ ৰঙালী বিহু আৰু অসমীয়া নতুন বছৰৰ ওলগ জনাই এখন মানপত্ৰ, এটি ফুলাম জাপি, এখন চেলেং চাদৰ আৰু অসমীয়াৰ স্বাভিমান বিহুৱানেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰে হাজো সাংবাদিক সন্থাৰ সভাপতি গোবিন্দ দাস, সম্পাদক আব্দুল গনিখান চৌধুৰী, উপদেষ্টাদ্বয় ছাহজাহান ইছলাম আৰু কমলা কান্ত দাস, উপ-সভাপতি জীতেন শইকীয়া, সদস্য মেছেৰ আলী, ধীৰাজ দাস, অনামিকা কলিতা, নৰেশ্বৰ ৰাজবংশী আৰু চিন্টু আলীয়ে।

আমত'লা সত্ৰৰ জেজেৰা পাৰ্টিয়ে মুগ্ধ কৰিলে গঞাক

ছয়গাঁও, ১৭ এপ্ৰিল ঃ হেৰাই যাব ধৰা লুপ্তপ্ৰায় সংস্কৃতি ধৰি ৰখাৰ প্ৰয়াস কৰিছে দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ আমত'লা সত্ৰৰ ৰাইজে। অতীজৰে পৰা প্ৰচলিত হৈ থকা দক্ষিণ কামৰূপৰ 'জেজেৰা পাৰ্টি' আজি পাহৰণিৰ গৰ্ভত। পিছে দীৰ্ঘ বিৰতিৰ অন্তত আমত'লা সত্ৰৰ জ্যেষ্ঠ-কনিষ্ঠ লোকসকলে একত্ৰিত হৈ যোৱা ১৬ এপ্ৰিলত গোসাঁই বিহুৰ দিনা মানুহৰ ঘৰে ঘৰে 'জেজেৰা পাৰ্টি'ৰ দলটোৱে নৃত্য প্ৰদৰ্শন কৰে। যি দৃশ্যই সকলোকে আপ্লুত কৰি অতীতলৈ মনত পেলাই দিয়ে। কোনো আৰ্থিক লাভালাভৰ বাবে এই নৃত্য নকৰি নৱ-প্ৰজন্মক কৃষ্টিটো সম্পৰ্কে জ্ঞান দিবলৈ আৰু ৰাইজক মনোৰঞ্জন দিবলৈ এই কৃষ্টি প্ৰদৰ্শন কৰা বুলি জানিবলৈ দিয়ে নৃত্য শিল্পীসকলে।

হাজৰিকাপাৰা সাহিত্য সভাৰ 'নিজৰ দিন' পালন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৭ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ নিৰ্দেশ অনুসৰি আন আন বছৰৰ দৰে এইবেলিও অসমীয়া নৱবৰ্ষৰ পহিলা ব'হাগৰ দিনটোত ৭০ উৰ্দ্ধৰ বিভিন্ন শিতানৰ বিশিষ্ট ব্যক্তিক হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি শিৱপ্ৰসাদ শৰ্মা, সম্পাদক কল্যাণ কুমাৰ গোস্বামী, উপ-সভাপতি শান্তিৰাম ডেকা, সহকাৰী সম্পাদক মুকেশ ডেকা, প্ৰাক্তন সভাপতি ঘনকান্ত মেধি, ৰশ্মিকান্ত বণিয়া, ন্যাসদাতা ৰমণীকান্ত বৰুৱা, তৰুণ শৰ্মা, সদস্য অনন্ত বৰুৱা, মানসজ্যোতি বৰুৱাই ঘৰে ঘৰে গৈ এখন গামোচা, গ্ৰন্থৰ টোপোলা, ওলগনি পত্ৰৰে অৱসৰপ্ৰাপ্ত শিক্ষক বাবুল শৰ্মা বৰুৱা, ৰশ্মিকান্ত বণিয়া, প্ৰফুল্ল চন্দ্ৰ ডেকা, চন্দ্ৰকান্ত বৰুৱা, চন্দ্ৰধৰ শৰ্মা শাস্ত্ৰী, কুমুদ কলিতা, ধনেশ্বৰ ডেকা, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী থানেশ্বৰ ডেকা, হৰেশ্বৰ চহৰীয়া, দামোদৰ দেৱ গোস্বামী, সমাজসেৱিকা শশীপ্ৰভা দেৱী, ননী দেৱী, শিল্পী বাপুতি কলিতা, কণ্ঠিৰাম কলিতা, লয়ন কলিতা, সমাজকৰ্মী ধৰনী ডেকাক নিজৰ দিনৰ ওলগ জনায় আৰু লগতে তেওঁলোকৰ অনুভৱসমূহ ব্যক্ত কৰে। নিজৰ দিন অনুষ্ঠানৰ কাৰ্যসূচীত দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে অংশগ্ৰহণ কৰে।

যোৰহাট সাহিত্য সভাৰ 'নিজৰ দিন' পালন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৭ এপ্ৰিল ঃ অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণ, বিকাশ আৰু সমৃদ্ধিশালী কৰি তোলাৰ ক্ষেত্ৰত বিশেষ বৰঙণি আৰু সেৱা আগবঢ়াই অহা কে'বাজনো বিশিষ্ট ব্যক্তিক নিজৰ দিন উপলক্ষে যোৰহাট সাহিত্য সভাই বিহুৰ ওলগ জ্ঞাপন কৰে। যোৰহাট সাহিত্য সভাৰ সভাপতি ড° দিপালী খাৰঘৰীয়া কলিতা, উপ-সভাপতি উত্তম কুমাৰ হাজৰিকা, উপদেষ্টাদ্বয় মল্লিকা ৰহমান, ধীৰেন্দ্ৰ কুমাৰ গগৈ আৰু সম্পাদক অজন্ত কুমাৰ বৰাসহ সভাৰ এটি প্ৰতিনিধি দলে সদৌ অসম মইনা পাৰিজাতৰ প্ৰাক্তন সভাপতি, শিশুবন্ধু ভৱেন্দ্ৰ নাথ দত্ত, বিশিষ্ট অনুবাদক চন্দ্ৰপ্ৰভা ভট্টাচাৰ্য, বিশিষ্ট শিল্পী তথা ৰাজ্য চৰকাৰৰ বিষ্ণু ৰাভা বঁটা প্ৰাপক চালেহা আহমেদ, বিশিষ্ট লেখক দেৱকমল বৰুৱাক এখন বিহুৱান, এটি স্মাৰক, এখন ওলগনি পত্ৰ আৰু গ্ৰন্থৰ টোপালাসহ ঘৰে ঘৰে গৈ বিহুৰ ওলগ জ্ঞাপন কৰে। আনহাতে, পুৰা সভাৰ প্ৰতিনিধি দলটোৱে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীকো সাক্ষাৎ কৰি সভাৰ বহুকেইটা সমস্যাৰ বিষয়ে অৱগত কৰে। তদুপৰি এখন বিহুৱান, এটি স্মাৰকৰে বিধায়কজনকো বিহুৰ ওলগ জ্ঞাপন কৰে। কাৰ্যসূচীৰ সামৰণি পৰে দেৱকমল বৰুৱাৰ বাসগৃহত। অনুষ্ঠানৰ সামৰণি উপলক্ষে সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সভাৰ সভাপতি ড° দিপালী খাৰঘৰীয়া কলিতাই। মাধৱদেৱৰ এটি ঘোষাৰে সাহিত্য সভাৰ প্ৰতিনিধি দলটোক আদৰণি জনায় নৰ্মাল স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বীণাপাণি মহন্তই। উত্তম কুমাৰ হাজৰিকাই কবিতা পাঠ কৰা অনুষ্ঠানত যোৰহাট সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ সম্পাদকীয় আৰু সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ ভাষণাৱলীৰ কিছু অংশ পাঠ কৰে ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। সম্বৰ্ধিত ব্যক্তিসকলেও সভাৰ প্ৰতিনিধি দলটোক বিহুৰ জলপানেৰে আপ্যায়ন কৰাৰ লগতে একোখনকৈ ফুলাম গামোচাৰে ওলগ জনায়। নিজৰ দিনৰ সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে সম্পাদক অজন্ত কুমাৰ বৰাই।

তেজপুৰত ভাগৱত পাঠ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৭ এপ্ৰিল ঃ গোসাঁই বিহু উপলক্ষে তেজপুৰৰ বিভিন্ন নামঘৰত নাম প্ৰসংগৰে সৃষ্টি হয় এক অনন্য পৰিৱেশৰ। ভাগৱত যাত্ৰা, ভাগৱত পাঠৰে অসমীয়া নৱবৰ্ষটো সকলোৰে বাবেই মংগলময় হোৱাৰ কামনাৰে আজি পুৱাৰে পৰা তেজপুৰৰ নামঘৰসমূহত ৰাইজে সেৱা আগবঢ়ায়। ইয়াৰে অংশ ৰূপে মাজগাঁওস্থিত বাসন্তীপুৰ নামঘৰতো দিনজোৰা কাৰ্যসূচীৰে দশম বাৰ্ষিক ভাগৱত পাঠ অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা নামঘৰীয়া ইন্দ্ৰেশ্বৰ নাথে উষা কীৰ্তন কৰাৰ পাছতে ৰুদ্ৰপুৰ নামঘৰৰ নামঘৰীয়া কৃষ্ণ গায়নে ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পাছতে অঞ্চলটোত ৰাইজে ভাগৱত ভ্ৰমণ কৰে। শ্ৰীশ্ৰীনিকামুল সত্ৰৰ বৰ বায়ন শ্ৰীকুমাৰ বৰুৱাৰ পৰিচালনাত ভাগৱত পাঠ কৰা হয়। বহুসংখ্যক ৰাইজে পুৱাৰে পৰা নামঘৰত বন্তি প্ৰজ্বলন কৰি সেৱা জনোৱাৰ লগতে সন্ধিয়া বাসন্তীপুৰ নামঘৰৰে জড়িত প্ৰতি ঘৰৰ পদুলি সকলোৱে বন্তি প্ৰজ্বলন কৰে।

ছমৰীয়াৰ কাহিবাড়ীত ভাৰতৰত্ন ড° আম্বেদকাৰৰ জন্মজয়ন্তী পালন

অগ্ৰদূত বাৰ্তা

সোণতলী, ১৭ এপ্ৰিল ঃ সংবিধান প্ৰণেতা, ভাৰতৰত্ন ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ ১৩১ সংখ্যক জন্মজয়ন্তী সমাৰোহ উপলক্ষে ছমৰীয়াৰ কাহিবাড়ীত যোৱা ১৪ এপ্ৰিলত জন্ম দিৱস পালন কৰা হয়। ছমৰীয়া মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি সঞ্জয় সৰকাৰে আঁত ধৰা অনুষ্ঠানত বৃক্ষৰোপণ কাৰ্যসূচীৰে জন্মজয়ন্তীৰ কাৰ্যসূচী আৰম্ভ কৰি ড° ভীমৰাও আম্বেদকাৰ, শ্যামা প্ৰসাদ মুখাৰ্জী আৰু দীন দয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰে। জন্মজয়ন্তীত ছমৰীয়া মণ্ডল বিজেপিৰ সভাপতি ৰাজেশ মজুমদাৰ, প্ৰাক্তন সভাপতি, দিপু বায়ন, সুধীৰ চৌধুৰী, বিজেপিৰ ছমৰীয়া মণ্ডলৰ সম্পাদক মৃদুল মণ্ডল, ছমৰীয়া মণ্ডল বিজেপিৰ অনুসূচিত জাতি যুৱ মৰ্চাৰ সভাপতি সঞ্জয় মণ্ডল, সম্পাদক প্ৰণৱ মণ্ডলকে ধৰি ভালে সংখ্যক বিজেপিৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰে।

সৃষ্টিশীলতাৰ পৃথিৱীৰ 'কামলাং'ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৭ এপ্ৰিল ঃ প্ৰকৃতিপ্ৰেমী আৰু সৃষ্টিশীলতাৰ পৃথিৱী 'কামলাং' নামৰ এটি প্ৰাকৃতিক চিত্ৰকলা, পৰিৱেশ সংৰক্ষণ, পক্ষী নিৰীক্ষণ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ লক্ষ্য আৰু উদ্দেশ্যৰে নলবাৰী জিলাৰ বৰমুৰিকোনাত স্থাপিত উক্ত অনুষ্ঠান ১৬ এপ্ৰিলত উদ্বোধন কৰা হয়। এই উপলক্ষে পৰিৱেশ সংৰক্ষণৰ লগত জড়িত ৰাজেশ দত্ত বৰুৱাৰ পিচালনাত আয়োজিত অনুষ্ঠানত উত্তৰ লখিমপুৰৰ পক্ষী নিৰীক্ষক তথা সংৰক্ষক যুগল বৰা, সাহিত্যসেৱী জিমীৰেখা শৰ্মা, সাংবাদিক শশাংক শৰ্মা, গ্ৰামীণ বিকাশ সংস্থাৰ সচিব তথা প্ৰাক্তন ছাত্ৰ নেতা ৰঞ্জিত দাস আদিয়ে প্ৰকৃতিৰ বন্যপ্ৰাণী তথা পৰিৱেশ সংৰক্ষণৰ ওপৰত ভাষণ দিয়ে। 'কামলাং'ৰ পৰিচালক গগন বেজবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত প্ৰাক্তন ছাত্ৰনেতা অমূল্য চক্ৰৱৰ্তী, সমাজকৰ্মী মঞ্জু বৈশ্য উপস্থিত থাকি শুভেচ্ছা জনায়।

ঘগ্ৰাপাৰত ভাৰতৰত্ন ড° ভীমৰাও আম্বেদকাৰ জন্মজয়ন্তী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৭ এপ্ৰিল ঃ বিজেপিৰ অসম প্ৰদেশৰ নিৰ্দেশ মৰ্মেই বড়িগোগ বনভাগ মণ্ডল সমিতিৰ উদ্যোগত আৰু অনুসূচিত জনজাতি মৰ্চাৰ সহযোগত ঘগ্ৰাপাৰত যোৱা ১৪ এপ্ৰিলত ভাৰতৰত্ন ড° ভীমৰাও আম্বেদকাৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। ঘগ্ৰাপাৰৰ নিজখগটাৰ (বিজেপি বুথৰ) স্থানীয় গোপাল মন্দিৰ প্ৰাংগণত আয়োজিত আম্বেদকাৰ জন্মজয়ন্তী সভাখনত সভাপতিত্ব কৰে বড়িগোগ বনভাগ অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি অৰুণ দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ উপ-সভাপতি বিনোদ তালুকদাৰে। সভাত পৰ্যবেক্ষক হিচাপে বড়িগোগ বনভাগ মণ্ডল সমিতিৰ সম্পাদক কনক ভৰালীয়ে ভাৰতৰত্ন ড° ভীমৰাও আম্বেদকাৰৰ স্মৃতি ৰোমাছন কৰে। সভাত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ কোষাধ্যক্ষ জয়ন্ত তালুকদাৰ, মণ্ডল কিষাণ মৰ্চাৰ সম্পাদক সঞ্জয় কুমাৰ দাস, নিজখগটা বুথ বিজেপিৰ সভাপতি দিগন্ত তালুকদাৰ, মৰ্চাৰ বিষয়ববীয়াসকলৰ লগতে নিজখগটা গাঁৱৰ ভালেসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে। সভাত ইয়াৰ পূৰ্বে ভাৰত মাতাৰ ওচৰত বন্তি প্ৰজ্বলন, আম্বেদকাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ আৰু বৃক্ষৰোপণ কৰা হয়।

কবি সন্মিলনৰ ব'হাগী বৰণ কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৭ এপ্ৰিল ঃ সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী ব'হাগী বৰণৰ অংশ হিচাপে উত্তৰ- পশ্চিম যোৰহাট কবি সন্মিলনে অঞ্চলটোৰ বহুকেইজন বিশিষ্ট ব্যক্তিক নিজাগৃহতে সম্বৰ্ধনা জনায়। সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক অজন্ত কুমাৰ বৰা আৰু উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক অশান্ত ৰাতুল দত্তসহ এটি প্ৰতিনিধি দলে অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী গংগাধৰ দত্ত, নিযুত দত্ত, শিক্ষক বিপুল হাজৰিকা, ধৰ্মপ্ৰাণা মহিলা নুমলী বৰা আৰু ডাঃ কৃপাল কুমাৰ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি সম্বৰ্ধিত ব্যক্তিসকলে নিজৰ অনুভৱ ব্যক্ত কৰে।

দৰঙৰ বৰদৌলগুৰিত তিনিদিনীয়াকৈ বিষ্ণুপূজা দেউল উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ১৭ এপ্ৰিল ঃ দশম-একাদশ শতিকাৰ পৰাই পহিলা ব'হাগত পালিত হোৱা বিষ্ণুপূজা দেউল উৎসৱ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১৩, ১৪ আৰু ১৫ এপ্ৰিলত শাস্ত্ৰীয় বিধি আৰু লোকপৰম্পৰাৰে উদ্‌যাপন কৰা হয়। স্মৰ্তব্য যে দশম-একাদশ শতিকামানত ধৰ্ম দেৱ বিপ্ৰ ভূঞাই পহিলা ব'হাগত বিষ্ণুপূজা, হোমযজ্ঞাদিৰে দেউল উৎসৱৰ পাতনি মেলিছিল। পোৱাসত্ৰৰ ঈশান কোণত এক প্ৰকাণ্ড দেউল নিৰ্মাণ কৰি বিষ্ণুপূজাৰ আৰম্ভণি কৰিছিল। দেউলৰ দক্ষিণ দিশত সাগৰ সংকাশ পুখুৰী খন্দাই ৰাইজৰ কল্যাণ সাধন কৰিছিল ধৰ্মজ্ঞ ধৰ্ম দেৱ বিপ্ৰ ভূঞাই। আৰু পুখুৰী খন্দা মাটিৰে প্ৰকাণ্ড দৌল নিৰ্মাণ কৰি বিষ্ণুপূজাৰ আৰম্ভ কৰিছিল। মল্লিকৰ সুঁৱৰি গড় পথাৰত পোৱা বিষ্ণুবিগ্ৰহ শালগ্ৰাম পহিলা ব'হাগত প্ৰতিষ্ঠা কৰি বিষ্ণু পূজা কৰিছিল। তাহানিৰ 'বৰাবাৰী গ্ৰাম'ত বৰদৌল প্ৰতিষ্ঠা কৰাৰ বাবেই পৰৱৰ্তীকালত অঞ্চলটো বৰদৌলগুৰি নামেৰে পৰিচিত হৈছিল। উল্লেখ্য যে পহিলা ব'হাগৰ বৰ দেউলৰ পৰাই দৰঙৰ বিভিন্ন ঠাইত বিষ্ণুপূজা দেউল উৎসৱ অনুষ্ঠিত হৈ আহিছে। দশম-একাদশ শতিকাৰ এই ধৰ্মীয় উৎসৱ দৰঙী কোচ বংশীয় শেষৰ জনা ৰজাই বৰদৌলগুৰিৰ ৰাজমেধি পৰিয়ালক দায়িত্ব দিছিল। তেতিয়াৰ পৰাই বৰদৌলগুৰিৰ ৰাজমেধি পৰিয়ালৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে দৰঙৰ এই দেউল উৎসৱ। এইবাৰ স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ বিশেষ তৎপৰতাত আৰু আঞ্চলিক ৰাইজৰ সহযোগত প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাৱে বিষ্ণু পূজা দেউল উৎসৱ পালন কৰা হয়। এই উপলক্ষে ২৯ চ'তত পাচতি উৎসৱ, ৩০ চ'তত সন্ধিয়া অধিবাস, ব্যাসৰ ওজাপালিৰ মালচি গীত, গোন্ধৰ গীত, পহিলা ব'হাগত পুৱা দৌলৰ ভিঠিত মগৰ প্ৰতিষ্ঠা, বাঁহপূজা, চন্দ্ৰতাপ নিৰ্মাণ আৰু সুঁৱৰী অনুষ্ঠান, গড়ভাঙা অনুষ্ঠানৰ পাছত দৌলৰ ভিঠি সাতবাৰ প্ৰদৰ্শন কৰি একেবাৰেই মূধচত বিষ্ণু বিগ্ৰহ শালগ্ৰাম প্ৰতিষ্ঠা আৰু বিষ্ণুহোম অৰ্চনাৰ পাছত সমূহীয়া নিৰ্মালি গ্ৰহণ। বিয়লি দিলীপ বৰুৱা দলৰ চেওচাপৰি নাম, বিপিন ডেকা দলৰ ঢেপাচুলীয়া কৃষ্টি প্ৰদৰ্শন আৰু ভাস্কৰ খুলীয়া ভাৱৰীয়াৰ দলৰ লংকাচন নাট প্ৰদৰ্শন কৰে। ইয়াৰ আগেয়ে বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে বৰদৌলগুৰিৰ বৰদেউলৰ আন্তঃগাথনিৰ প্ৰতিকী উন্মোচন কৰে। বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ এনে জনমুখী আঁচনিৰ ৰাইজে শলাগ লয়।

৩৩৮ বছৰীয়া পৰম্পৰাৰে গুপ্তকাশী বিশ্বনাথঘাটত গোসাঁই ফুৰোৱা উৎসৱ

অগ্ৰদূত বাৰ্তা
বিশ্বনাথ চাৰিআলি, ১৭ এপ্ৰিল ঃ গোসাঁই বিহুৰ দিনটোত কালি গুপ্তকাশী বিশ্বনাথঘাটত গোসাঁই ফুৰোৱা উৎসৱ অনুষ্ঠিত হয়। উল্লেখ্য যে আজিৰ পৰা প্ৰায় ৩৩৮ বছৰ পূৰ্বে আহোম যুগৰ পৰা এই পৰম্পৰা চলি আহিছে। মঠ-মন্দিৰ, দেৱালয় সমৃদ্ধ তথা বুৰঞ্জী প্ৰসিদ্ধ ঐতিহাসিক গুপ্তকাশী বিশ্বনাথঘাটে পৰ্যটনৰ লগতে তীৰ্থ নগৰীৰূপে এক সুকীয়া পৰিচয় দাঙি ধৰি আহিছে। সমান্তৰালকৈ এই গুপ্তকাশী বিশ্বনাথ ঘাটৰ প্ৰায় ২৭ খন দেৱালয়ৰ ভিতৰত অন্যতম প্ৰধান বিশ্বনাথ দেৱালয়ত গোসাঁই বিহুৰ দিনাখন বিশ্বনাথৰ বিভিন্ন প্ৰান্তৰ অগণন ভক্তৰ সমাগম হয়। গোসাঁই বিহুৰ দিনটোত বিশ্বনাথ দেৱালয়ৰ পৰা গোসাঁইক গুপ্তকাশী বিশ্বনাথঘাটৰ উত্তৰ দিশে অৱস্থিত ভিৰগাঁৱত ৩৩৭ বছৰৰ চলি অহা পৰম্পৰা অনুসৰি গোসাঁইক দোলাত বহাই অস্থায়ী উপাসনাস্থলীলৈ লৈ যোৱা হয়। নিশাৰ ভাগত পুনৰ গোসাঁইক পূৰ্বৰ স্থান অৰ্থাৎ বিশ্বনাথ দেৱালয়লৈ দোলাত খোজকাঢ়ি লৈ অনা হয়। এই সময়ছোৱাত গোসাঁইক ঢোল, তাল আৰু ভক্তিৰসেৰে হেজাৰ হেজাৰ ভক্তই সমবেত হৈ আনন্দ উল্লাস কৰে।

বিশ্বনাথৰ পাভৈত আৰম্ভ চড়ক পূজা

বিশ্বনাথৰ পাভৈত মহা আড়ম্বৰে আৰম্ভ হৈছে চড়ক পূজা

ইফালে, দেহৰ বিভিন্ন অংগত লোৰ শলাৰে ফুটাই দিয়া শিহৰণকাৰী দৃশ্য প্ৰত্যক্ষ কৰিবলৈ সহস্ৰ লোকৰ ভিৰ হয়। গৰু বিহুৰ দিনা সমগ্ৰ ৰাজ্যত বিহুক লৈ উখল-মাখল পৰিৱেশৰ সৃষ্টি হোৱাৰ পাছত সমান্তৰালভাৱে গৰু বিহুৰ দিনটোতে চাহ জনজাতিৰ লোকসকলে উদ্‌যাপন কৰে চড়ক পূজা। যাৰ বাবে বিশ্বনাথৰ পাভৈত চাহ জনজাতিৰ লোকসকলে উদ্‌যাপন কৰিছে চড়ক পূজা। চড়ক পূজা উপলক্ষে একাংশ ভক্তই লোৰ শলাৰে ডিঙি, জিভা, পিঠি ফুটাই পাভৈ পাঁচআলিৰ মাজেৰে ১৩ পৃষ্ঠাত চাওক

অৱসৰপ্ৰাপ্ত অধ্যাপিকা-সুলেখিকা স্বৰ্ণ ঢেকিয়াল ফুকনৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
লখিমপুৰ, ১৭ এপ্ৰিল ঃ নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা-লেখিকা লখিমপুৰ নগৰৰ সমীপৰ কোঁৱৰগাঁৱৰ নিবাসী স্বৰ্ণ ঢেকিয়াল ফুকন (৯০)ৰ কালি দিনৰ ২-২০ বজাত নিজ বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা লেখিকাগৰাকী কিছুদিনৰ পূৰ্বে ৰক্তহীনতা ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখ্য যে শিক্ষকতাৰ উপৰি তেওঁ সাহিত্য-বৌদ্ধিক ক্ষেত্ৰখনলৈও বিশেষ বৰঙণি আগবঢ়াইছে। কবিতা পুথি অনুভূতিৰ থুপি, শিশু উপযোগী গ্ৰন্থ অকণিৰ কথা কাহিনী, শুনা শুনা নাতিহঁত আইতাৰ কাহিনীৰ কথা, প্ৰবন্ধ সংকলন ভিন্ন ক্ষণ ভিন্ন ভাব আৰু জীৱনৰ বিয়লি বেলাত লিখা মন মুকুৰত বিয়লিৰ কূজন আদি গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। তদুপৰি লেখিকা সমাৰোহ সমিতি অসম সাহিত্য সভাৰ স'তে জড়িত হোৱাৰ উপৰি পূৰ্বাঞ্চল সাহিত্য সভাৰ আজীৱন সদস্য আছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, দুগৰাকী কন্যা এৰি যায়।

গেলেকী নাগৰিক সমাজৰ ১৬জনক সম্বৰ্ধনা

বিশেষ সংবাদদাতা
শিৱসাগৰ, ১৭ এপ্ৰিল ঃ গেলেকী নাগৰিক সমাজে নাজিৰাৰ আঠখেল মৌজাৰ অন্তৰ্গত আইদেউবাৰী, দোলাখৰীয়া, জাপিসজীয়া, নপাম বাৰোতীয়া, দেওপানী গোসাইগাঁও, গেলেকী চাৰিআলিকে ধৰি বিভিন্ন স্থানত ১৬গৰাকী লোকক অজি ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰে আৰু ব'হাগ বিহুৰ ওলগনি জনায়। নাগৰিক সমাজৰ সভাপতি সুৰেশ চেতিয়া, সম্পাদক বাণীকান্ত গগৈৰ নেতৃত্বত যোৱা আঠজনীয়া প্ৰতিনিধিৰ দলটোৱে আইদেউবাৰীত মুক্তিযোদ্ধা হলিৰাম দুৱৰা তেওঁৰ পত্নী পদুমী দুৱৰা, দোলাখৰীয়া গাঁৱত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক প্ৰাক্তন শিক্ষক তথা সমাজকৰ্মী টুপীধৰ গগৈ, তেওঁৰ পত্নী পূৰ্ণিমা গগৈ, জাপি সজীয়া গাঁৱত সুদক্ষ অভিনেতা, প্ৰাক্তন কৃতী ফুটবলাৰ তথা প্ৰাক্তন কৃতী শিক্ষক লক্ষেশ্বৰ গগৈ, তেওঁৰ পত্নী দেৱবালা গগৈ, প্ৰাক্তন শিক্ষক, শংকৰী কলাকৃষ্টি সাধক হেম গগৈ আৰু তেওঁৰ পত্নীক সম্বৰ্ধনাপত্ৰ প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি চাৰিআলিত বৈষ্ণৱ পণ্ডিত, প্ৰাক্তন শিক্ষক লক্ষী গগৈ, তেওঁৰ পত্নী, প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী অনু বলিমৰা, নপাম বাৰোতিয়া গাঁৱত প্ৰাক্তন সামৰিক বিষয়া ত্ৰৈলক্য গগৈ আৰু তেওঁৰ পত্নী, গণশিল্পী, গীতিকাৰ তথা প্ৰাক্তন শিক্ষক দেৰেন গগৈ আৰু দেওপানী গোসাঁইগাঁৱত সমাজবাদৰ আদৰ্শ নেতা গণেশ গগৈ আৰু পত্নীক মানপত্ৰ, গামোচা, দিনপঞ্জী, ধৰ্মীয় গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। নাগৰিক সমাজৰ প্ৰতিনিধি দলটোত মুখ্য সমন্বয়ক সাংবাদিক অনুজ ৰাজখোৱা, উপদেষ্টা ৰবীন বৰঠাকুৰ, সহকাৰী সম্পাদক ৰাম নায়ক, সাংবাদিক জিতু গগৈ, শিল্পী নৃপেন চেতিয়া, প্ৰণৱ গগৈয়ে উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

চিৰাঙত ৰংজালী বৈশাগু উৎসৱৰ লাংদাং বৈশাগু উদ্‌যাপন

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ১৭ এপ্ৰিল ঃ চিৰাং জিলাৰ ডাংতল আদৰ্শ গাঁৱত অৱস্থিত ৯৪৯ নম্বৰ ডাংতল প্ৰাথমিক প্ৰতিষ্ঠাৰ ৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে উল্লিখিত বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ লগতে ৪১ সংখ্যক ৰংজালী বৈশাগু উৎসৱ পহিলা ব'হাগৰ পৰা আৰম্ভ হৈছে। দ্বিতীয় দিনৰ কাৰ্যসূচী হিচাপে মুকলি বিহু তথা লাংদাং বৈশাগু অনুষ্ঠিত হয়। চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মাই এই লাংদাং বৈশাগু পৰ্ব ফিটা কাটি মুকলি কৰি দিয়া ভাষণত ডাংতল আদৰ্শ গাঁৱৰ পুৰুষ-মহিলা উভয়ে জনগোষ্ঠীয় সাজ-পোছাক পিন্ধি

ৰাজহুৱা খেলপথাৰত একেলগে নাচিবলৈ ওলাই অহাৰ বাবে এই এনাজৰী দেখি অভিভূত হৈ পৰে। গাঁওখনৰ ৯৪৯ নম্বৰ প্ৰাথমিক বিদ্যালয়খনে সোণালী জয়ন্তী উৎসৱ পালন কৰিবলৈ লোৱা কাৰ্যৰ তেওঁ শলাগ লৈ ভৱিষ্যতে এই বিদ্যালয়ৰ পৰা চিকিৎসক, অভিযন্তা, ৰাজনীতিক, সমাজকৰ্মী ওলাব বুলি তেওঁ আশা ব্যক্ত কৰে। ডাংতল আদৰ্শ গাঁৱত দীৰ্ঘদিনৰ পৰা ৰংজালী বৈশাগু উৎসৱৰ সময়ত গাঁওখনৰ আবাল বৃদ্ধ বনিতাই একেখন ১৩ পৃষ্ঠাত চাওক

পকোৱাত শিৱ মন্দিৰত দুষ্কৃতিকাৰীয়ে ভাঙিলে মূৰ্তি

অগ্ৰদূত বাৰ্তা
নলবাৰী, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ পশ্চিম ককয়াৰ দাস চুবুৰীত পহিলা ব'হাগৰ নিশা ৰাজহুৱা শিৱ মন্দিৰত প্ৰতিষ্ঠিত শিৱ মূৰ্তিটো দুষ্কৃতিকাৰীয়ে ভাঙি পেলোৱাৰ লগতে ভঙা শিৱ মূৰ্তিটোৰ ওপৰত নিমখ সানি দিয়ে। কালি পুৱা উক্ত ঘটনাটোৰ খবৰ বিয়পি পৰাৰ লগে লগে স্থানীয় ৰাইজৰ লগতে হিন্দু সুৰক্ষা সেনাৰ ৰাজ্যিক সভাপতি জয়দেৱ হাজৰিকা, জিলা সম্পাদক পাৰ্থপ্ৰতিম শৰ্মা, সমাজ সংগঠক নিৰ্মল চন্দ্ৰ নাথ, আন্তৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ নেতা বিকি দাস ঘটনাস্থলীত উপস্থিত হয়। স্থানীয় শতাধিক ৰাইজ আৰু নেতাকেইজনে ককয়া ধকুৱাবন্ধা ফিল্ডত সমবেত হৈ এনে ঘটনাক গৰিহণা দিয়ে। ঘটনা সন্দৰ্ভত হিন্দু সুৰক্ষা সেনাৰ কেন্দ্ৰীয় নেতা হাজৰিকাই কয় যে বিহুৰ সময়ত হিন্দুৰ উপাসনা কৰা ভগৱান শিৱৰ মূৰ্তি ভাঙি পেলোৱাটো এক অসহ্যকৰ বিষয়। এনে দুষ্কাৰ্য ৰোধৰ বাবে জিলা প্ৰশাসনৰ লগতে ৰাজ্য চৰকাৰক অধিক কঠোৰ হ'বলৈ আহ্বান জনোৱাৰ লগতে দোষীক বিচাৰি উচিত শাস্তি দিবলৈ তেওঁ দাবী জনায়।

ডিফলুত পথৰ দাঁতিত মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা
নগাঁও, ১৭ এপ্ৰিল ঃ নগাঁও নলতলি ৰাজ্যিক ঘাইপথৰ ডিফলুত পথৰ দাঁতিত এটি মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো পথৰ দাঁতিত তলমূৰকৈ পৰি আছিল। আজি পুৱা পথেৰে যোৱা লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে তীব্ৰবেগী গাড়ীৰ খুন্দাত লোকজনৰ মৃত্যু হোৱা বুলি সন্দেহ কৰিছে।

কুমাৰীকাটাত লোহিত ভড়ালীৰ 'উপন্যাস সমগ্ৰ' গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা
তামুলপুৰ, ১৭ এপ্ৰিল ঃ তামুলপুৰ জিলাৰ অন্তৰ্গত কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, সাহিত্যিক পেঞ্চনাৰ প্ৰয়াত লোহিত ভড়ালীৰ লেখাসমূহৰ এক সংকলনৰ প্ৰথম খণ্ড 'লোহিত ভড়ালীৰ উপন্যাস সমগ্ৰ' দক্ষিণ কুমাৰীকাটা পুথিভঁৰাল প্ৰাংগণত উন্মোচন কৰা হয়। লোহিত ভড়ালীৰ উপন্যাস সমগ্ৰ গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক ভৰত টুডুৱে। গ্ৰন্থখন উন্মোচন কৰি টুডুৱে কয় যে এগৰাকী কৃতী শিক্ষক লোহিত ভড়ালী আছিল এজন বহুল প্ৰতিভাধৰ লোক। এগৰাকী গৱেষক। শিক্ষকতাৰ সমান্তৰালভাৱে তেওঁ সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল। তেওঁ আছিল পৰিশ্ৰমী লোক। পৰিশ্ৰমৰ মাজেৰে তেওঁ বিভিন্ন জনগোষ্ঠীৰ পৰা সমল সংগ্ৰহ কৰি সাহিত্য সৃষ্টি কৰিছিল। সদৌ ১৩ পৃষ্ঠাত চাওক

নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত কুমাৰ ভাস্কৰ বৰ্মা দিৱস পালন

অগ্ৰদূত বাৰ্তা
নলবাৰী, ১৭ এপ্ৰিল ঃ নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত পহিলা ব'হাগৰ দিনটোত 'কুমাৰ ভাস্কৰ বৰ্মা দিৱস' আৰু 'নিজৰ দিন' পালন কৰা হয়। এই উপলক্ষে নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয় সুভদ্ৰা চৌধুৰী ভৱনৰ নন্দনতাত্ত্বিক ত্ৰৈলোক্যনাথ গোস্বামী পুথিভঁৰালত আয়োজিত এখন সভাত বিশিষ্ট অতিথিৰূপে নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° সুশান্ত কুমাৰ কাশ্যপ আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জ্যোতিপ্ৰসাদ দাসে ভাগ লৈ দিয়া ভাষণত কুমাৰ ভাস্কৰ বৰ্মাই অসমীয়া জাতি আৰু অসমীয়া ভাষাক নতুন ৰূপ দিয়া বুলি দোহাৰে। দুয়োজন বক্তাই কুমাৰ ভাস্কৰ বৰ্মাৰ জীৱন-কৰ্ম আৰু দৰ্শনৰ বিষয়ে গৱেষণা কৰাৰ প্ৰয়োজন বুলি উল্লেখ কৰে নৱীনসকলক এই বিষয়ত বিশেষভাৱে মনোনিৱেশ কৰিবলৈ আহ্বান কৰে। সভাখনত পৌৰোহিত্য কৰে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। উক্ত সভাত নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰমানাথ বৰুৱা আৰু গোলক পাঠক, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোৱিন্দ কলিতা, সংবাদিক ৰমেন কলিতা, দেৱীৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নগেন ১৩ পৃষ্ঠাত চাওক

গৰৈমাৰীৰ আচলপাৰাৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন প্ৰাক্তন বিধায়কৰ

অগ্ৰদূত বাৰ্তা
সোণতলী, ১৭ এপ্ৰিল ঃ কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ পূব ছমৰীয়া মৌজাৰ অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে। যোৱা কিছুদিন ধৰি নৈপৰীয়া অঞ্চলত অব্যাহত থকা এই খহনীয়াই ৰাইজৰ নিদ্ৰাহৰণ কৰিছে। প্ৰায় ডেৰ কিলোমিটাৰ জুৰি চলি থকা এই খহনীয়াৰ কবলত পৰি ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে শ শ বিঘা কৃষি ভূমিৰ লগতে বহু পৰিয়ালৰ বাসগৃহ। এনে পৰিস্থিতিত আজি ছয়গাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ কমলাকান্ত কলিতাই পৰিদৰ্শন কৰে। নৈপৰীয়া ৰাইজৰ পৰিস্থিতিৰ বুজ লয়। ইয়াৰ প্ৰাক্তন বিধায়কজনে খহনীয়াগ্ৰস্ত অঞ্চলৰ বাবে এডিপিৰ আঁচনি ইতিমধ্যে অনুমোদন হৈছে বুলি কয়। এডিপিৰ ধনেৰে বাৰিষাৰ পাছত কাম আৰম্ভ হ'ব বুলি সদৰী কৰে। পৰিভ্ৰমণ কালত প্ৰাক্তন বিধায়ক ডাঃ কলিতাই ৰাইজক বাৰিষাৰ সময়ছোৱাত অস্থায়ী প্ৰতিৰোধৰ কাম চলিব বুলি কয়।

জামুগুৰিহাটত জীয়া ভৰলীত কিশোৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
নদুৱাৰ, ১৭ এপ্ৰিল ঃ জামুগুৰিহাটৰ গতাইমাৰীৰ এগৰাকী কিশোৰীৰ জীয়া ভৰলী নদীত গা ধুবলৈ গৈ আজি সলিত সমাধি ঘটে। গতাইমাৰীৰ ছাবিনা খাতুন (১১) নামৰ কিশোৰীগৰাকীয়ে সমনীয়াৰ স'তে পুৱা ১১ বজাত নদীত গা ধুই থাকোতে নদীৰ সোঁতে যুৱতীক উটুৱাই নিয়ে। পাছত সমনীয়াসকলে এই সম্পৰ্কে ৰাইজক অৱগত কৰাত স্থানীয় একাংশ লোকে অভিযান চলাই নদীৰ বুকুৰ পৰা মৃতদেহ উদ্ধাৰ কৰে।

ঘগ্ৰাপাৰৰ বিলপাৰত ৪৩ সংখ্যক ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা
ঘগ্ৰাপাৰ, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ বাসুদেৱ গোসাঁই ঘৰ প্ৰাংগণত ৪৩ সংখ্যক বিলপাৰ-নাৰিকুছি-নিজখগটা (উত্তৰ অংশ) আঞ্চলিক ৰঙালী বিহু সন্মিলনখন আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভণি হৈছে। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী পাতনি মেলে বিহু উদ্‌যাপন সমিতিৰ সভাপতি চন্দন ডেকাই। ইয়াৰ পাছতে ছহিদ তৰ্পণ, মাল্যাৰ্পণ কৰে সাংবাদিক দ্বিজেন ডেকাই। ইপিনে, পুৱা আঠ বজাত স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কৰে ক্ৰমে ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা আৰু পূব বনভাগ মৌজাৰ মৌজাদাৰ প্ৰশান্ত দত্ত চৌধুৰীয়ে। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰে ক্ৰমে শিক্ষাবিদ মহেশ্বৰ ডেকা, অনিল ডেকা, জয়ন্ত চৌধুৰী, প্ৰদীপ বৈশ্য, জুনু দেৱী, বিজেপি নেতা তথা কাউন্সিলৰ মনেশ্বৰ ভৰালী, বিজেপি নেতা গৌতম ১৩ পৃষ্ঠাত চাওক

কোকৰাঝাৰত বিষুৱা উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
চিথিলা, ১৭ এপ্ৰিল ঃ কোকৰাঝাৰৰ ৰাস মেলা পথাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিষুৱা উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকি বিধায়ক লৰেঞ্চ ইছলাৰীয়ে কয় যে কোকৰাঝাৰত প্ৰতিকূল বতৰকো নেওচি বিহু, বিষুৱা, বৈশাগু অনুষ্ঠিত হৈ চৰকাৰী অনুদানৰ পৰা বাদ পৰা বিহু সমিতিসমূহৰ বাবে নতুনকৈ তালিকা প্ৰস্তুত কৰা বুলিও তেওঁ কয়। উক্ত অনুষ্ঠানত বিধায়কজনৰ স'তে উপস্থিত থাকে কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকাৰ লগতে বিষুৱা উদযাপন সমিতিৰ সভাপতি লক্ষীন্দ্ৰ ৰায়, অপূৰ্ব বৰ্মন, দ্বীপপুঞ্জ ৰায় আদি। বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সমন্বয় গঢ়ি তোলাৰ লক্ষৰে বিষুৱা উদ্‌যাপন কৰি আছে বুলি সভাপতি লক্ষীন্দ্ৰ ৰায়ে কয়।

দেওমৰনৈ সাহিত্য সভাৰ 'নিজৰ দিন' পালন

অগ্ৰদূত বাৰ্তা
দেওমৰনৈ, ১৭ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ অন্যতম শাখা দেওমৰনৈ সাহিত্য সভাই বিগত বছৰ কেইটিৰ দৰে এইবেলিও তিনিজন বিশিষ্ট ব্যক্তিক পহিলা ব'হাগত অসমীয়া নতুন বছৰৰ পহিলা দিনটোত নিজ নিজ বাসগৃহত গৈ সাহিত্য সভাৰ তৰফৰ পৰা অসমীয়া নৱবৰ্ষৰ ওলগ জনায়। দেওমৰনৈৰ বাঘৰবাৰী গাঁও নিবাসী ব্যাসৰ ওজা তথা সমাজকৰ্মী ঘনশ্যাম বৰুৱাক পুৱা গৈ দেওমৰনৈ সাহিত্য সভাৰ পৰা ফুলাম গামোচা, গছপুলি, গ্ৰন্থ, ফুলৰ থোপাৰ লগতে সম্বৰ্ধনা পত্ৰৰে বিহুৰ ওলগ জনোৱা হয়। আন এজন ব্যক্তি পাতিদৰং গাঁও নিবাসী তথা বিশিষ্ট সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী কান্তিৰাম শইকীয়াক নিজ বাসগৃহত গৈ দেওমৰনৈ সাহিত্য সভাৰ তৰফৰ পৰা একেদৰে বিহুৰ ওলগ জনোৱা হয়। বড়িগাঁও নিবাসী তথা অৱসৰপ্ৰাপ্ত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী আৰু বিশিষ্ট ব্যক্তিক দেওমৰনৈ সাহিত্য সভাৰ তৰফৰ পৰা পহিলা ব'হাগত ওলগ জনাই নিজৰ দিন পালন কৰা কাৰ্যসূচীত দেওমৰনৈ সাহিত্য সভাৰ সভাপতি দেৱেন্দ্ৰ কুমাৰ ১৩ পৃষ্ঠাত চাওক

টিহুৰ পিপলিবাৰীত 'অতুল্য প্ৰজ্ঞা' উন্মোচন

অগ্ৰদূত বাৰ্তা
টিহু, ১৭ এপ্ৰিল ঃ টিহুৰ পিপলিবাৰী নিবাসী অৱসৰী কৃতি শিক্ষক, অসম সাহিত্য সভাৰ আজীৱন সদস্য, শিক্ষাসেৱী-সমাজকৰ্মী প্ৰয়াত অতুলকৃষ্ণ গোস্বামীৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে ~~১৬ এপ্ৰিলত~~ পিপলিবাৰীত সোঁৱৰণী গ্ৰন্থ 'অতুল্য প্ৰজ্ঞা' উন্মোচন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত অতুলকৃষ্ণ গোস্বামীৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে তেওঁৰ সহধৰ্মিণী কল্যাণী গোস্বামীয়ে। আনহাতে, মাল্যাৰ্পণ কৰে একমাত্ৰ পুত্ৰ নয়ন জ্যোতি গোস্বামীয়ে। ইয়াৰ পাছত বন্তি প্ৰজ্বলন কৰে মাধিবাহী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দুৰ্গেশ্বৰ গোস্বামীয়ে। ১৩ পৃষ্ঠাত চাওক

ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ 'নিজৰ দিন' উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
শিঙৰী, ১৭ এপ্ৰিল ঃ অসম সাহিত্য সভাৰ আহ্বান মৰ্মে কালি ঢেকিয়াজুলি শাখা সাহিত্য সভাই নিজৰ দিন পালন কৰে। ঢেকিয়াজুলি শাখা সাহিত্য সভাই 'নিজৰ দিন' উপলক্ষে ঢেকিয়াজুলি অঞ্চলৰ পাঁচগৰাকী জ্যেষ্ঠলোকক সম্বৰ্ধনা জনায়। এই কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰফুল্ল দাস, সমাজকৰ্মী খগেন ভূঞা, অৱসৰপ্ৰাপ্ত শিক্ষক বাবুল মজুমদাৰ, পৃথ্বীশ দে আৰু চন্দন বোথ্ৰাক সম্বৰ্ধনা জনোৱা হয়। ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱ ভূষণ মহন্ত আৰু সম্পাদক ড° হৰি প্ৰসাদ বৰুৱাৰ লগতে শাখাৰ বিষয়ববীয়াসকলে সম্বৰ্ধিত ব্যক্তি পাঁচজনক বিহুৱান আৰু অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদক স্বাক্ষৰিত ওলগণি পত্ৰ প্ৰদান কৰে।

টেঙাইগাঁৱত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা

অগ্ৰদূত বাৰ্তা
গৰুভাষা, ১৭ এপ্ৰিল ঃ ৰাজ্যত সমাজ কল্যাণ বিভাগে বিভিন্ন সমষ্টিত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰূপে বিবেচিত হোৱা কেন্দ্ৰ নিৰ্মাণৰ বাবে চৰকাৰে ২৫ লাখ টকা আবণ্টন দিছে। এই আঁচনিৰ জৰিয়তে বঙাইগাঁও জিলাৰ ডাংতল গাঁও পঞ্চায়তৰ অন্তৰ্গত টেঙাইগাঁৱৰ কুমৰপাৰাত আজি বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে এটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি বিধায়ক চৌধুৰীয়ে কয় যে কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে শিশুসকলৰ শাৰীৰিক-মানসিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা আগবঢ়াব। উক্ত অনুষ্ঠানত নিৰ্মাণ কমিটীৰ সভাপতি অনিল কুমাৰ সিংহ, সদস্য শশীভূষণ মেধি আৰু অভিযন্তা নৰেশ চন্দ্ৰ ৰাভা উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি টেঙাইগাঁৱৰ কুমৰপাৰা গাঁও উন্নয়ন কমিটীয়ে এখন সম্বৰ্ধনা সভা আয়োজন কৰে।

হোজাইত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
হোজাই, ১৭ এপ্ৰিল ঃ হোজাইৰ মোৰঝাৰ থানাৰ অন্তৰ্গত দক্ষিণ চাৰাজপুৰৰ বাসিন্দা আব্দুছ ছাত্তা (৬২)ৰ নামৰ লোকজন মোৰঝাৰ বজাৰৰ পৰা যোৱা ১৬ এপ্ৰিলৰ নিশা ৭-২০ বজাত চাইকেলেৰে ঘৰলৈ অহাৰ সময়ত মোৰাঝাৰ-নীলবাগান সংযোগী গড়কাপ্তানী পথত দ্ৰুতবেগী মটৰ চাইকেলৰ খুন্দাত থিতাতে নিহত হয়। ঘটনাৰ পাছতে মটৰ চাইকেল চালক হোজাই চহৰৰ কালীবাড়ীৰ বাসিন্দা ৰোহিত বনিক আৰু তেওঁৰ সহযোগী যাত্ৰী ভাস্কৰ সিঙক ৰাইজৰ সহযোগত মোৰাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে পাছত দুৰ্ঘটনা সংঘটিত কৰা এএছ ৩১ এ ৪১৬৬ নম্বৰৰ আৰক্ষীয়ে জব্দ কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়।

বিহুৰ ঐতিহ্যৰ বৰভেটিটোক নৱ প্ৰজন্মই ধৰি ৰাখিব লাগিব

অগ্ৰদূত বাৰ্তা
বেৰেজীয়া,১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চকলাঘাট শাখা সাহিত্য সভা, চকলাঘাট আঞ্চলিক ক্ৰীড়া সন্থা আৰু চকলাঘাট ৰাস মন্দিৰৰ যৌথ উদ্যোগত পহিলা ব'হাগৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয় কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ। এই উৎসৱৰ প্ৰথমদিনাখন বিহুৰ পৰম্পৰাগত বিভিন্নধৰণৰ খেল-ধেমালি অনুষ্ঠিত হোৱাৰ অন্তত কালি পুৱা ভেশচন প্ৰতিযোগিতা আৰু বিয়লি মুকলি বিহু অনুষ্ঠিত হয়। চকলাঘাটত সদ্যসমাপ্ত বিহু নাচ কৰ্মশালাত অংশ লোৱা দুই শতাধিক প্ৰশিক্ষাৰ্থীক লৈ কালি বিয়লি অনুষ্ঠিত এই মুকলি বিহু উদ্বোধন কৰি ডিমৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা লেখক মোহিনী মোহন ডেকাই কয় যে বিহুৰ ঐতিহ্যৰ বৰভেটিটোক নৱ প্ৰজন্মই ধৰি ৰাখিব লাগিব।



ইয়াৰ বাবে নৱ প্ৰজন্মই যথেষ্ট অনুশীলন কৰিব লগা আছে। দুই প্ৰশিক্ষক বৰবিহুৱা বীৰেণ ডেকা আৰু বৰ বিহুৱতী জাগৃতি কলিতা, বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱা, গায়িকা কৃৰ্তী কৃষ্টি বৰা, অভিনেত্ৰী দিক্ষীতা বৰা, শিশু কণ্ঠ শিল্পী কৃষ্টি কন্যা শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পাছতে খেলপথাৰৰ আঁহতৰ তলত বৰ বিহুৱা বীৰেণ ডেকা আৰু বৰবিহুৱতী জাগৃতি কলিতাৰ নেতৃত্বত কৰ্মশালাত প্ৰশিক্ষণ লোৱা দুই শতাধিক নাচনী-ঢুলীয়াই মুকলি বিহু প্ৰদৰ্শন কৰি ঢোল-পেপাঁৰ ৰজনজননিত চৌদিশ মুখৰিত কৰে।

বৰপেটাত প্ৰাক্তন সতীৰ্থ মঞ্চ গঠন-পুথিভঁৰাল উদ্বোধন

বিশেষ সংবাদদাতা
বৰপেটা, ১৭ এপ্ৰিল ঃ অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোতে বৰপেটা জিলাৰ কৰ্মচাৰী পৰিষদে গ্ৰহণ কৰে এক ব্যতিক্ৰমী কাৰ্যসূচী। জিলাখনৰ প্ৰাক্তন কৰ্মচাৰী সতীৰ্থসকলক জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্যালয় বাকৰিলৈ আমন্ত্ৰণ কৰি শ্ৰদ্ধা সহকাৰে ৰঙালী বিহুৰ শুভেচ্ছা জনোৱাৰ লগতে বিহুৱান প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত প্ৰাক্তন সতীৰ্থসকলৰ উপস্থিতিত প্ৰাক্তন সতীৰ্থ মঞ্চ গঠন কৰা হয়। এই অনুষ্ঠানতে উদীয়মান লেখক তথা বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্মচাৰী সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসে পিতৃৰ নামত এটি পুথিভঁৰাল দান কৰে। পুথিভঁৰালটো উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই।

চিনামৰাত পোনা দত্তৰ স্মৃতিচাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
চিনামৰা, ১৭ এপ্ৰিল ঃ যোৰহাটৰ নৈচুক গাঁৱৰ নিবাসী, অৱসৰপ্ৰাপ্ত আৰক্ষী, ধৰ্মপ্ৰাণ পোনা দত্তৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি নিজ বাসভৱনত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই উপলক্ষে তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে যোৰহাট জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি বুদ্ধীন্দ্ৰনাথ বৰঠাকুৰে। আনহাতে, মাল্য অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বেণীমাধৱ শৰ্মাই। ইপিনে, শ্ৰদ্ধাঞ্জলি তৰ্পণ কাৰ্যসূচীৰ আৰম্ভ কৰে অৱসৰী প্ৰধান শিক্ষক লক্ষীৰাম দত্তই। উক্ত সভাত দত্তৰ জীৱন আৰু কৰ্মৰ আলোকপাত কৰে সাংবাদিক সন্থাৰ সভাপতি বৰঠাকুৰ আৰু বৰপুত্ৰ মৃদুল প্ৰৱন জোনে। উত্তৰ পশ্চিম যোৰহাট কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক অশান্ত ৰাতুল দত্তই এটি স্বৰচিত কবিতা পাঠ কৰি দত্তলৈ শ্ৰদ্ধা নিবেদন কৰে। স্মৃতিচাৰণ সভাখনৰ আঁত ধৰে যোৰহাট সাহিত্য সভাৰ সম্পাদক অজন্ত কুমাৰ বৰাই। উল্লেখ্য যে সাহসী হাবিলদাৰ হিচাপে সকলোৰে মাজত পৰিচিত পোনা দত্তই নিজৰ সাহসী গুণ আৰু কৰ্তব্যপৰায়ণতাৰ বাবে কিছুদিন কোকৰাঝাৰ জিলাৰ শালবাৰী আৰক্ষী চকীত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিচাপে কৰ্মৰত হৈ আছিল। তদুপৰি নুমলীগড় শোধনাগাৰ স্থাপনৰ সময়ত আট বিশেষ আৰক্ষী হিচাপে পালন কৰিছিল। তেওঁ কৃষি কাৰ্য আৰু গো পালনৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সবল কৰাটো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ধুমুহাত অসম-বংগ সীমান্তত বিস্তৰ ক্ষতি

তামাৰহাট, ১৭ এপ্ৰিল ঃ যোৱা নিশা হোৱা ধুমুহাই অসমৰ অসম-বংগ সীমান্তৱৰ্তী অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰে। উক্ত ধুমুহা বতাহত অঞ্চলটোৰ বিস্তৰ ক্ষতি সাধন হোৱাৰ লগতে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ডিংডিংগা গাঁওস্থিত 'ডায়মণ্ড ক্লাব'টোৰ ক্ষতিসাধন হয়। যোৱা নিশা ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ গছ গছনি উভালি পেলাই ঘৰ-বাৰীৰ ক্ষতি সাধন হয়। ডাঙৰ ডাঙৰ গছ-গছনি উভালি পৰাত বিদ্যুতৰ খুঁটা আৰু তাঁৰ চিগিগৈ অঞ্চলটোত বিদ্যুতৰ সংযোগ বিচ্ছিন্ন কৰিছে। উল্লেখ্য যে কে'বাদিন ধইৰ হোৱা ধুমুহা-শীলাবৃষ্টিয়ে অসম-বংগ সীমান্তৱৰ্তী ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত তাণ্ডৱ চলাই থকাৰ সময়তে যোৱা নিশাও এজাক বতাহ বৰষুণে থানবান কৰিলে বৃহত্তৰ তামাৰহাট অঞ্চল। গছ-গছনি উভালি পৰাৰ উপৰি উৰুৱাই নিলে ঘৰৰ টিনপাত, ছিঙিলে বিদ্যুতৰ তাঁৰ, গৃহৰ টিনপাতৰ চাল উৰুৱাই নিয়াত কেঁবাটাও পৰিয়াল গৃহহীনহৈ হৈছে।

ডিগবৈত প্ৰাকৃতিক দুৰ্যোগত নিহত পৰিয়াললৈ আৰ্থিক অনুদান প্ৰদান

ডিগবৈ, ১৭ এপ্ৰিল ঃ অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ আনন্দ-স্ফূৰ্তিৰ মাজতে পহিলা ব'হাগৰ দিনাই আবেলি প্ৰায় তিনি বজাত অহা প্ৰচণ্ড বতাহ-ধুমুহাত ডিগবৈৰ পাৰ্শ্বৱৰ্তী ভীমপথাৰৰ নিবাসী টুখেশ্বৰ সোণোৱাল (৫০)-এ অকাল মৃত্যুক সাবটিব লগাত পৰে। প্ৰচণ্ড জোৰেৰে অহা বতাহ-ধুমুহাজাকত জনসাধাৰণৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে মাৰ্ঘেৰিটা মহকুমাটোত তিনিজন লোকে মৃত্যুক সাবটিব লগাত পৰে। মৃত আটাইকেইজন লোকৰ বাসগৃহত দুৰ্যোগ প্ৰশমন বিভাগৰ তৰফৰ পৰা শোকসন্তপ্ত পৰিয়ালবৰ্গৰ কাষত মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতি পলাশ ৰঞ্জন আহোমৰ স'তে এটি সঁজাতী দলে সমবেদনা জ্ঞাপন কৰে। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক দুৰ্যোগ প্ৰশমন বিভাগৰ তৰফৰ পৰা এককালীন সাহায্য প্ৰদান কৰে। ডিগবৈ ভীমপথাৰৰ নিবাসী সোণোৱালৰ বাসগৃহত মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতি পলাশ ৰঞ্জন আহোমসহ বিধায়ক সুৰেন ফুকনৰ পত্নী তথা চামডাং জিলা পৰিষদৰ সদস্য মল্লিকা ফুকন উপস্থিত হৈ চাৰি লাখ টকাৰ এককালীন চেক প্ৰদান কৰে। লগতে ভৱিষ্যৎ দিনত আহিব লগা যিকোনো আপদ-বিপদত সহায়ৰ হাত আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

পলাশবাৰীৰ সাতপখলীত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
পলাশবাৰী, ১৭ এপ্ৰিল ঃ পলাশবাৰীৰ বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত সাতপখলী গাঁৰৰ মাজৰচুবা মৰাসুঁতীত পৰহি এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ হয়। ক'লা টি-চাৰ্ট আৰু ক'লা লংপেণ্ট পৰিহিত প্ৰায় ৪০ বছৰীয়া লোকজনৰ মৃতদেহ স্থানীয় লোকে প্ৰত্যক্ষ কৰি বিজয়নগৰ আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

চিৰাঙত ৰংজালী বৈশাগু উৎসৱৰ

১২ পৃষ্ঠাৰ পৰা পথাৰত লাংদাং বৈশাগু পৰ্বত অংশ লৈ আহিছে। ডাংতল ৰাজহুৱা পথাৰত ৰংজালী বৈশাগু উৎসৱ উপলক্ষে আদৰ্শ গাঁওখনৰ শিশু ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰী, ডেকা-গাভৰু, বিবাহিতা মহিলা, বয়োজ্যেষ্ঠ পুৰুষ আৰু মহিলাই জাতীয় সাজ-পোছাক পৰিধান কৰি একেলগে গীতৰ তালে তালে নৃত্য কৰি গাঁওখনৰ একতাৰ চানেকি দাঙি ধৰে। উল্লেখ্য যে লাংদাং বৈশাগু উৎসৱৰ এই দলত ডাংতলৰ ৰাভাপাৰাৰ পৰাও স্বকীয় সাজ-পোছাকেৰে অংশগ্ৰহণ কৰে।

৩৩৮ বছৰীয়া পৰম্পৰাৰে গুপ্তকাশী

১২ পৃষ্ঠাৰ পৰা শোভাযাত্ৰা কৰি মৰব থানৰ শিৱ মন্দিৰত উপস্থিত হৈ শিৱমন্দিৰত পূজা-অৰ্চনা কৰাৰ পাছত লোৰ শলা খুলি নীতি-নিয়ম কৰে ভক্তবৃন্দই। উল্লেখ্য যে প্ৰায় এমাহ উপবাসে থকাৰ পাছত পাভৈ নদীৰ পানী যুঁৱলিত লোৰ শলাৰে ডিঙি, জিভা, পিঠি ফুটুৱা শিহৰণকাৰী অলৌকিক দৃশ্য চাবলৈ অঞ্চলটোৰ ৰাইজৰ সমাগম ঘটে। এই উপলক্ষে পাভৈত এখন মেলা অনুষ্ঠিত হয়। এনেদৰে উপবাসৰ অন্তত লোৰ শলাৰে ডিঙি, জিভা পিঠি ফুটালে বছৰটোৰ কাৰণে মংগল হয় বুলি বিশ্বাস কৰা হয়।

ঘগ্ৰাপাৰৰ বিলপাৰত ৪৩ সংখ্যক ৰঙালী

১২ পৃষ্ঠাৰ পৰা কাকতি, প্ৰতাপ লহকৰ, ৰাতুল বৰ্মন, মনোৰঞ্জন ডেকা, ব্যৱসায়ী ধীৰেন কলিতা আদিয়ে। পুৱা ১১ বজাত খেল-ধেমালি উদ্বোধন কৰে ঘগ্ৰাপাৰ হাইস্কুলৰ সহ শিক্ষক কন্দৰ্প কলিতাই। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে নাচ-গান প্ৰতিযোগিতা উদ্বোধন কৰিব বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই। কাইলৈ পুৱা চাফাই অভিযান, ভেশছন প্ৰতিযোগিতা, কুইজ, চিত্ৰাংকন আদি বহু কেইটা প্ৰতিযোগিতা অনুষ্ঠানৰ পাছত আবেলি বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব।

কুমাৰীকাটাত লোহিত ভড়ালীৰ

১২ পৃষ্ঠাৰ পৰা বাগ্সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিৎ দাসে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব বহন কৰা লেখিকা ড° অমিয়া মহন্তই প্ৰয়াত সাহিত্যিকজনৰ সান্নিধ্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। গ্ৰন্থ উন্মোচনী সভাত দক্ষিণ কুমাৰীকাটা পুথিভঁৰালৰ সভাপতি সুবোধ দত্ত, বিটিচিৰ দৰংগাজুলি সমষ্টিৰ এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী, কুমাৰীকাটা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গোপেন মজুমদাৰ, কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বায়ন, মনমোহন দাস, বাসুদেৱ উপাধ্যায়, দীপক চৌধুৰী, ৰজনী দেৱী, প্ৰদীপ বায়ন আৰু পুত্ৰ প্ৰিয়ব্ৰত ভড়ালীয়ে প্ৰয়াত সাহিত্যিকজনৰ স্মৃতিচাৰণ কৰে।

দেওমৰনৈ সাহিত্য সভাৰ নিজৰ দিন

১২ পৃষ্ঠাৰ পৰা মহন্ত, সম্পাদক হিৰণ্য কুমাৰ কাশ্যপ, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী, দেওমৰনৈ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন্দ্ৰ নাথ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দিৰাম ডেকা, অৱসৰপ্ৰাপ্ত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী তথা দেওমৰনৈ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ ৰাজবংশী, অৱসৰপ্ৰাপ্ত শিক্ষক সৰ্বানন্দ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক গিৰীশ চমুৱা, শিক্ষক বিনয় শৰ্মা, জ্যেষ্ঠ সমাজকৰ্মী প্ৰফুল্ল কলিতা, দেওমৰনৈ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হেমচন্দ্ৰ বৰুৱা, দেওমৰনৈ উন্নয়ন সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মা, দেওমৰনৈ সাহিত্য সভাৰ উপ-সভাপতি ভূপেন শৰ্মা, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মা, সাহিত্য সভাৰ কৰ্মকৰ্তা প্ৰমোদ কুমাৰৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা দত্ত, নলবাৰী জিলা সাহিত্য সভাৰ উপ সভাপতি অতুল চন্দ্ৰ শৰ্মা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট লোকে অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত নলবাৰী জিলা সাহিত্য সভাৰ পুথিভঁৰাললৈ প্ৰখ্যাত সাহিত্যিক-শিক্ষাবিদ দেৱেন্দ্ৰনাথ ভট্টাচাৰ্যৰ বহুকেইখন অমূল্য পুথি লেখকগৰাকীৰ নাতিনীয়েক চন্দনা শৰ্মাই আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উক্ত অনুষ্ঠানৰ পূৰ্বে নলবাৰী জিলা সাহিত্য সভাৰ এটি প্ৰতিনিধি দলে কামৰূপ মহাবিদ্যালয়ৰ অৱসৰীয়া অধ্যক্ষ ড° গিৰীশ ডেকা, চান্দকুছিৰ বিশিষ্ট সমাজকৰ্মী ৰমাপতি শৰ্মা, বিশিষ্ট শিক্ষাব্ৰতী থানুৰাম ডেকা আৰু হেমন্ত কুমাৰ শৰ্মা, সাহিত্যব্ৰতী নীৰা বৰুৱা আৰু অৱসৰীয়া মহকুমা কৃষি বিষয়া ভূপেন দত্তৰ ঘৰলৈ গৈ বিশিষ্ট লোককেইগৰাকীক সাদৰ সম্বৰ্ধনাৰে নৱ বৰ্ষৰ ওলগ জ্ঞাপন কৰে। উল্লেখ্য যে নলবাৰী জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখা সাহিত্য সভাবোৰৰ দ্বাৰা জিলাখনৰ বিভিন্ন প্ৰান্তৰ দুশগৰাকীৰো অধিক বিশিষ্ট আৰু জ্যেষ্ঠ লোকক ঘৰে ঘৰে গৈ 'নিজৰ দিন' পালন উপলক্ষে নৱবৰ্ষৰ ওলগ জ্ঞাপন কৰা হয়।

টিহুৰ পিপলিবাৰীত 'অতুল্য প্ৰজ্ঞা'

১২ পৃষ্ঠাৰ পৰা সাংবাদিক কিশোৰজ্যোতি শৰ্মাই আঁতধৰা উক্ত অনুষ্ঠানত প্ৰয়াত শিক্ষাবিদ অতুলকৃষ্ণ গোস্বামীৰ স্মাৰক গ্ৰন্থ 'অতুল্য প্ৰজ্ঞা' উন্মোচন কৰে টিহু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° জ্যোতিষ ভাগৱতীয়ে। উক্ত অনুষ্ঠানটোত বৰপেটা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা খগেন্দ্ৰ বল্লভ দেৱ চৌধুৰী, গড়কাপ্তানী বিভাগৰ অৱসৰী কৰ্মচাৰী অহীন্দ্ৰ চৌধুৰী, গীতুমনি চৌধুৰী, সঞ্জীৱ ঠাকুৰীয়া, মাখিবাহা শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিপুল কুমাৰ ভট্টাচাৰ্য আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ১৯৩৯ৰ চাৰি ছেপ্তেম্বৰত টিহুৰ পিপলিবাৰী গাঁওত জন্মগ্ৰহণ কৰা অতুলকৃষ্ণ গোস্বামীয়ে টিহু হাইস্কুলৰ পৰা ১৯৫৮ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ডিব্ৰুগড় জিলাৰ কানৈ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু ১৯৬৪ত স্নাতক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰিভিয়াচ পৰীক্ষা উত্তীৰ্ণ হয় যদিও ঘৰুৱা অসুবিধাৰ বাবে স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হয়। গোস্বামীয়ে পাছলৈ হিন্দীৰ বিশাৰদ আৰু সংস্কৃতৰ মধ্যমা ডিগ্ৰীও লাভ কৰে। অতুলকৃষ্ণ গোস্বামীয়ে বাগ্সা জিলাৰ খাগ্ৰাবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰি পাছলৈ ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলি হয় আৰু ২০০০ত ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা চাকৰি জীৱনৰ অৱসৰ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ আজীৱন সদস্য অতুলকৃষ্ণ গোস্বামীয়ে ১৪ টাকৈ ভাষা কব আৰু লিখিব জানিছিল। গ্ৰন্থ অধ্যয়নত আছিল গোস্বামীৰ প্ৰবল নিচা। গোস্বামীৰ বাসগৃহৰ ব্যক্তিগত পুথিভঁৰালত ১০ হেজাৰোধিক মূল্যবান গ্ৰন্থ এতিয়াও সংৰক্ষণ হৈ আছে। ফুলৰ প্ৰতি গোস্বামীৰ আছিল অগাধ মৰম, যাৰ বাবে ঘৰৰ চৌদিশে নিজ হাতেৰে ৰোপণ কৰিছিল বিভিন্ন ধৰণৰ ফুল। আনহাতে ঘৰৰ চৌদিশে গোস্বামীয়ে ৰোপণ কৰা অতি মূল্যৱান বনৌষধি গছ এতিয়া বৃহদাকাৰ ৰূপ লৈছে।

যোৰহাট কল্যাণীত ৰঙালী বিহু উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
লাহদৈগড়, ১৭ এপ্ৰিল ঃ উত্তৰ যোৰহাটৰ কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ সৌজন্যত আজি কল্যাণী ৰংগমঞ্চত দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। পুৱা বিহুৱান উত্তোলন কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ত্ৰিলোক বৰাই আৰু স্মৃতি তৰ্পণ অনুষ্ঠানৰ আৰম্ভ কৰে সমাজ কল্যাণী কেন্দ্ৰৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অশোক বৰাই। জ্যেষ্ঠ বিহুৱাসকলক সম্বৰ্ধনা জনোৱাৰ পাছত প্ৰতিযোগিতা উদ্বোধন কৰে যোৰহাট পশ্চিম ৰাজহ চক্ৰ বিষয়া পল্লৱজ্যোতি দাসে। ইয়াৰ পাছতেই প্ৰতিযোগিতাসমূহ আৰম্ভ হয়। প্ৰতিযোগিতাৰ ভিতৰত ক্ৰমে (নিম্নশাখাৰ) বিহুৱতী, উচ্চ শাখাৰ পিঠা-পনা, গামোচা আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বঁটা প্ৰদান আৰু আমন্ত্ৰিত শিল্পীৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়।

শ্ৰীশ্ৰীন-ৰোৱা কুজীসত্ৰৰ প্ৰতিষ্ঠা দিৱস, মহাপালনাম কীৰ্তন আয়োজন

অগ্ৰদূত বাৰ্তা
বেবেজীয়া, ১৭ এপ্ৰিল ঃ নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰত অৱস্থিত শ্ৰীশ্ৰীন-ৰোৱা কুজিসত্ৰৰ ৩৭২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ৩৭১ সংখ্যক শ্ৰীশ্ৰীমহাপালনাম কীৰ্তন মহোৎসৱ আৰু শ্ৰীশ্ৰীমহাভাগৱত অবিৰত পাঠ অনুষ্ঠান অহা ১৯ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব বুলি সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে সদৰী কৰিছে। কাৰ্যসূচী অনুসৰি ১৯ এপ্ৰিলত শ্ৰীশ্ৰীগোবিন্দ মহাপ্ৰভুৰ শ্ৰীচৰণত ভোগ চৰোৱা, ধৰ্মধ্বজা উত্তোলন, আইসকলৰ নাম প্ৰসংগ, খোল প্ৰসংগ, শ্ৰীশ্ৰীন-ৰোৱা বালিসত্ৰৰ ডেকা সত্ৰীয়া ৰাজু দেৱ গোস্বামীৰদ্বাৰা কীৰ্তন প্ৰসংগ, কুজিসত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীৰ লগতে দীননাথ হাজৰিকা, গুণাৰাম হাজৰিকা, তৰুণ হাজৰিকাৰদ্বাৰা শ্ৰীমদ্ভাগৱত অবিৰত পাঠৰ আৰম্ভণি, ভক্তি প্ৰদীপ প্ৰজ্বলন, পৰম্পৰাগত বাট নামকীৰ্তন অনুষ্ঠিত হ'ব। অহা ২০ আৰু ২১ এপ্ৰিলত শ্ৰীশ্ৰীমহাভাগৱত অবিৰত পাঠ, ভক্তি প্ৰদীপ প্ৰজ্বলন, বাট নাম কীৰ্তন, ২২ এপ্ৰিলত শ্ৰীশ্ৰীমহাভাগৱত অবিৰত পাঠৰ সামৰণি, শ্ৰীশ্ৰীমহাভাগৱত গ্ৰাম্য ভ্ৰমণ, বাট নাম কীৰ্তন, ২৩ এপ্ৰিলত আইসকলৰ নাম, ভক্তি তত্ত্ব কথাত যুৱ সমাজৰ গুৰুত্ব, ধৰ্মালোচনা সভা ভকত আদৰণি, শ্ৰীশ্ৰীমহাপাল নামকীৰ্তন মহোৎসৱৰ আৰম্ভ, বাট নাম কীৰ্তনৰ সামৰণি আৰু গন্ধোৎসৱ অনুষ্ঠিত হ'ব। আনহাতে, ২৪ এপ্ৰিলত আইনাম, খোল প্ৰসংগ, শ্ৰীশ্ৰীমহাপালনাম কীৰ্তন মহোৎসৱৰ সামৰণি পৰ্ব, কীৰ্তন মহোৎসৱ, আমন্ত্ৰিত ভকত বৈষ্ণৱৰ বিদায় সম্ভাষণ আৰু ধৰ্মধ্বজা অৱনমন কৰা হ'ব।

বেজেৰাত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন

অগ্ৰদূত বাৰ্তা
দুমুনিচকী, ১৭ এপ্ৰিল ঃ বিগত বছৰবোৰৰ দৰে এইবেলিও অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবলৈ কামৰূপ জিলাৰ বেজেৰাত বেজেৰা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন আয়োজন কৰিছে। অহা ছয় আৰু সাত ব'হাগত আয়োজন কৰা বিহু সন্মিলনখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জমিৰুৰ ৰহমানক মুখ্য সভাপতি, দণ্ডধৰ ভূঞাক কাৰ্যকৰী সভাপতি, সাংবাদিক ৰাতুল কুমাৰ ডেকা আৰু বেদান্ত বৰুৱাক যুটীয়া সম্পাদক হিচাপে লৈ কে'বাখনো উপ-সমিতিসহ এটি ৮১জনীয়া সমিতি গঠন কৰা হৈছে। বেজেৰা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ অন্যতম সম্পাদক তথা সাংবাদিক ৰাতুল ডেকাই অৱগত কৰা মতে, ৰঙালী বিহু সন্মিলনীৰ কাৰ্যসূচী অনুসৰি ২০ এপ্ৰিলৰ পুৱা আয়োজন কৰিবলগীয়া এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত উপস্থিত থাকিব 'ঐ খাপলা'ৰ 'চেনী' খ্যাত মোহময়ী অভিনেত্ৰী ৰেখাশ্ৰুতি নাথ। সন্ধিয়া অনুষ্ঠিত হ'ব বিহু হুঁচৰি আৰু বিহু কুঁৱৰী প্ৰতিযোগিতা। আনহাতে, ২১ এপ্ৰিলত মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ পৰামৰ্শদাতা কালীচান্দ সেনে উন্মোচন কৰিব স্মৃতিগ্ৰন্থ 'কপৌপাহি'। সন্ধিয়াৰ অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সুবাসনা দত্তৰ সংগীতানুষ্ঠানৰ লগতে বাৰেৰহণীয়া জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শিত হ'ব। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী। বিহু সন্মিলনখন সাফল্যমণ্ডিত কৰিবলৈ, সাংস্কৃতিক সম্পাদকদ্বয় কুশল ডেকা আৰু প্ৰাণজিৎ ডেকাই সকলো ৰাইজলৈ আহ্বান জনাইছে।

কাইলৈৰপৰা ভৱানীপুৰ কলবাৰীত ৰঙালী বিহু

বিশেষ সংবাদদাতা
পাঠশালা, ১৭ এপ্ৰিল ঃ ভৱানীপুৰৰ নিকটৱৰ্তী কৃষ্টি-সংস্কৃতিৰ চৰ্চা আৰু পৰিৱেশনেৰে সমৃদ্ধ ঐতিহাসিক কলবাৰী গাঁৱত কলবাৰী সমাজ কল্যাণ সংঘৰ উদ্যোগত অহা ১৯ আৰু ২০ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। কলবাৰী ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি মাণিক দাস, কাৰ্যকৰী সভাপতি কৌশিক দাস আৰু সম্পাদক থুলেশ্বৰ কলিতাই কয় যে কলবাৰী প্ৰাথমিক বিদ্যালয়ৰ বাকৰিত ৰঙালী বিহুৰ দুয়োটা কাৰ্যসূচীত অসমৰ বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শিত হ'ব। লগতে ভিন্ন কাৰ্যসূচী ৰূপায়িত হ'ব। কাৰ্যক্ৰমণিকা অনুসৰি ১৯ এপ্ৰিলত বিহু পতাকা উত্তোলন স্মৃতি তৰ্পণ আৰু ছহিদ তৰ্পণৰ, পাছত থলুৱা খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লিৰ পৰা হ'বলগীয়া মুকলি বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব বিশিষ্ট লেখক তথা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই। কাৰ্যসূচীত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী নীলকান্ত ৰহাঙৰ পৰিচালিত 'নীল প্ৰতিভা সাংস্কৃতিক গোষ্ঠী'ৰ শিল্পীবৃন্দই ভিন্ন জনগোষ্ঠীয় সংস্কৃতি পৰিৱেশন কৰাৰ লগতে কে'বাটাও নিমন্ত্ৰিত বিহু দলে মুকলি বিহু, জেং বিহু পৰিৱেশন কৰিব। সন্ধিয়া মঞ্চ মুকলি কৰাৰ পাছতে অসমীয়া গীতৰ আধাৰিত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২০ এপ্ৰিলত স্বচ্ছতা অভিযান, ভেশছন আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠানৰ পাছতে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। সাংস্কৃতিক সন্ধিয়াত নিমন্ত্ৰিত শিল্পীদ্বয় নীতুনীল কাশ্যপ, জুৰিমা যুমনৰ লগতে কে'বাগৰাকীও স্থানীয় শিল্পীয়ে গীত পৰিৱেশন কৰিব।

বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ অধিৱেশন

ৰঞ্জিত কুমাৰ দাসক বৃহত্তৰ বৰপেটাৰোড বাণিজ্যিক গৌৰৱ বঁটা

অগ্ৰদূত বাৰ্তা
বৰপেটাৰোড, ১৭ এপ্ৰিল ঃ বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাই আজি অনুষ্ঠিত কৰে ১৭ সংখ্যক বাৰ্ষিক অধিৱেশন। এই অধিৱেশন উপলক্ষে আজি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক ব্যৱসায়ী সন্থাটোৱে বৰপেটাৰোড বাণিজ্যিক গৌৰৱ বঁটা প্ৰদান কৰে। বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ বাৰ্ষিক অধিৱেশন উপলক্ষে মন্ত্ৰী দাসক গৃহ চহৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাই এই বঁটা প্ৰদান কৰে। উক্ত বঁটা গ্ৰহণ কৰি মন্ত্ৰী দাসে চান্দাৰ নামত হাৰাশাস্তি সহ্য কৰা নহ'ব বুলি কয়। আনকি বিহুৰ চান্দাৰ নামত কোনো ব্যৱসায়ীক হাৰাশাস্তি কৰিলে ২৪ ঘণ্টাৰ ভিতৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ কয়। আনকি কোনো দল-সংগঠন বা ব্যক্তিয়েই নহয়, কোনো চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকলকো চান্দা সংগ্ৰহ নকৰিবলৈ তেওঁ সকীয়াই দিয়ে। এই অধিৱেশন উপলক্ষে আজি বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি ৰূপম গোস্বামী আৰু ব্যৱসায়ী কাৰ্তিক শৰ্মাকো বঁটা প্ৰদান কৰে ব্যৱসায়ী সন্থাটোৱে।

নাওবৈচা গ্ৰাম্য চিকিৎসালয়ত বিনামূলীয়া স্বাস্থ্য মেলা

অগ্ৰদূত বাৰ্তা
লখিমপুৰ, ১৭ এপ্ৰিল ঃ নাওবৈচা গ্ৰাম্য চিকিৎসালয়ত কাইলৈ এখন স্বাস্থ্যমেলা অনুষ্ঠিত হ'ব। বিনামূলীয়াকৈ স্বাস্থ্য সেৱা আগবঢ়োৱা উক্ত স্বাস্থ্যমেলাত লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু অসামৰিক চিকিৎসালয়ৰ বিশেষজ্ঞসকলে ৰোগীসকলক সেৱা আগবঢ়াব। তদুপৰি অনুষ্ঠানটোত বৰ্তমানলৈকে যিসকল হিতাধিকাৰীয়ে আয়ুষ্মান কাৰ্ড লাভ কৰা নাই আৰু নবীকৰণ কৰা নাই সেইসকল হিতাধিকাৰীক স্বাস্থ্যমেলাত সুবিধা প্ৰদান কৰা হ'ব।

মুদৈজান ভৰলুৱা গাঁৱত তাঁত বিহু উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
লাহদৈগড়, ১৭ এপ্ৰিল ঃ আজি ব'হাগৰ তৃতীয় দিন সমগ্ৰ ৰাজ্যবাসীয়ে আজিৰ এই বিশেষ দিনটো তাঁত বিহুৰূপে উদ্‌যাপন কৰে। সাত বিহুৰ পৰম্পৰা ৰক্ষা কৰি টীয়কৰ মুদৈজান ভৰলুৱা গাঁৱৰ একাংশ শিপিনী গোট খাই উদ্‌যাপন কৰিছে চেনেহৰ এই বিহুটি। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলাসকলৰ বাবে এই বিহুৰ তাৎপৰ্য অধিক। কিয়নো তাঁতখনতেই অসমীয়া সমাজৰ মহিলাই অনাগত দিনবোৰৰ ৰঙীন সপোন দেখে, বিশেষকৈ ব'হাগৰ আগমনৰ লগে লগে আপোনজনলৈ বুলি বিহুৱান ৰুমাল আদি নিজ হাতেৰে বৈ উপহাৰ প্ৰদান কৰে। সেয়ে এই দিনটোত এইসকল শিপিনীয়ে পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি পুৱাই এইদৰে গোট খাই তাঁতশালখন চাফ-চিকুণ কৰি এগছি বন্তি ধূপ জ্বলাই অনাগত দিনবোৰ যেন সকলোৰে কুশল মংগল হয় তাৰ কামনা কৰিছে। উল্লেখ্য যে অসমীয়া সমাজত তাঁত ব'ব নজনাটো মহিলাসকলৰ বাবে লজ্জাজনক বুলি অভিহিত কৰি এইসকল মহিলাই নিজ হাতেৰে আজি বছৰ বছৰ ধৰি চাদৰ, গামোচা, ৰুমালকে ধৰি বিভিন্ন প্ৰয়োজনীয় বস্ত্ৰ বৈ আহিছে আৰু সময় সাপেক্ষে বজাৰলৈও উলিয়াই দিছে যদিও বৰ্তমান বজাৰত উপলব্ধ বহিৰাগত গামোচা তথা বস্ত্ৰই এইসকল পৰম্পৰা ৰক্ষা কৰা তথা তাঁতশালখনকে স্বাৱলম্বিতাৰ পথ হিচাপে লোৱা মহিলাৰ স্বাভিমানত আঘাত হানিছে। সেয়ে আজিৰ এই বিশেষ দিনটোতে এই ক্ষেত্ৰত চৰকাৰৰ এক ইতিবাচক পদক্ষেপ বিচাৰিছে শিপিনীসকলে।

কৰ্মক্ষেত্ৰ আগুৱাই নিবলৈ সকলোৱে সহযোগিতা কৰক ঃ মন্ত্ৰী দাস

■ **টিহু সাহিত্য সভাৰ 'ব'হাগৰ পদূলিত কবিতাৰ এবেলি' শীৰ্ষক অনুষ্ঠান**

অগ্ৰদূত বাৰ্তা
টিহু, ১৭ এপ্ৰিল ঃ 'এতিয়া কৰ্মযজ্ঞৰ সময়, কৰ্মক্ষেত্ৰখন আগুৱাই নিবলৈ সকলোৱে সহযোগিতা কৰক।' টিহু সাহিত্য সভাৰ 'ব'হাগৰ পদূলিত কবিতাৰ এবেলি' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি আজি এইদৰে কয় পঞ্চায়ত, গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য আৰু অসামৰিক যোগান আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত তথা সম্পাদক হেমেন ৰাজবংশী আৰু আলোচনী সম্পাদক অজিত কুমাৰ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানত টিহু ৰাজহ চক্ৰ বিষয়া অৰূপ চৌধুৰীয়ে কয় যে কবিতা লিখো বুলি লিখা বস্তু নহয়, কবিতা নিজে নিজে মনৰ অনুভূতিৰে সৃষ্টি হয়। চৌধুৰীয়ে নীলমণি ফুকনৰ কবিতা এটি আবৃত্তি কৰি সকলোকে আপ্লুত কৰে। টিহুৰ নতুন ৱাৰ্ড কমিচনাৰসকল উপস্থিত থকা অনুষ্ঠানত টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰ আৰু উপ-পৌৰপতি ড° সুৰজিত বৰ্মনে শুভেচ্ছামূলক বক্তব্য ৰখাৰ উপৰি কবিতা পাঠ কৰে। শিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰৰ গীতেৰে আৰম্ভ কৰা কাব্যানুষ্ঠানত জয়মতী তালুকদাৰ, জুনু গোস্বামী, নিতু শৰ্মা, প্ৰণৱ ভৰালী, অনিল বৰ্মন, শিবাংগী কাশ্যপ, দীপাঞ্জলি পাঠক, মীনা তালুকদাৰ, ৰাহুল মজুমদাৰ, ভায়োলীনা কলিতা, গোকুল তালুকদাৰ, হেমেন ৰাজবংশী, মিনতি বৰ্মন, কনিকা বৰ্মন, জিতেন শৰ্মা, অলকা বেজবৰুৱা, কনিকা শৰ্মা, প্ৰমোদ ডেকা, অলকানন্দ ঠাকুৰীয়া প্ৰমুখ্যে ন পুৰণি কবিয়ে কবিতা পাঠ কৰে।

বদলা-ৰাংগাপানী বজাৰত চুৰি

আলোপতি, ১৭ এপ্ৰিল ঃ বকো সমষ্টিৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত বদলা-ৰাংগাপানী বজাৰত যোৱা নিশা পাঁচখনকৈ দোকানত চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। বজাৰখনৰ ব্যৱসায়ী তাহেৰ উল্লাহ, ৰবিউল হুছেইন, আজমল হক, মিজানুৰ ৰহমান আৰু তছেৰ আলীৰ ক্ৰমে গেলামাল আৰু জুৱেলাৰী দোকানৰ তলা ভাঙি নিশা চোৰে চাফাই অভিযান চলায়। চোৰে দোকানকেইখনৰ পৰা নগদ ধন, আ-অলংকাৰ, বিভিন্ন সা-সামগ্ৰী লুটি নিয়ে। একে নিশাই বজাৰখনৰ পাঁচখনকৈ দোকানত সংঘটিত চুৰিকাণ্ডই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে চুৰিকাণ্ড সন্দৰ্ভত টুপামাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ঘটনাৰ বুজ লৈ তদন্ত অব্যাহত ৰাখিছে যদিও চোৰৰ কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে দোকানকেইখনৰ পৰা চোৰে প্ৰায় সাত লক্ষাধিক টকাৰ সা-সামগ্ৰী চুৰি কৰি নিয়ে।

বৰভাগৰ পাণ্ডুলাত শ্ৰীশ্ৰীদেৱদামোদৰ গুৰুৰ তিৰোভাৱ মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা
বৰভাগ, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ পাণ্ডুলাস্থিত ঐতিহ্যমণ্ডিত দামোদৰ ধামত শ্ৰীশ্ৰী দেৱদামোদৰ গুৰুৰ তিৰোভাৱ তিথি আৰু ১০৬সংখ্যক ধৰ্ম প্ৰচাৰিণী সভা আৰু মহাবিষ্ণু যজ্ঞৰ আয়োজন কৰা হৈছে। অহা ১৯ এপ্ৰিলৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিতব্য তিৰোভাৱ তিথিৰ কাৰ্যসূচী অনুসৰি প্ৰথমদিনা আবেলি অন্তিম কাৰ্যনিৰ্বাহক বৈঠক আৰু অধিবাস, দ্বিতীয়দিনা পুৱা ধাম পৰিচালনা সমিতিৰ সভাপতি নাৰায়ণ ডেকাই ধৰ্মীয় ধ্বজা উত্তোলন কৰাৰ পাছতে বৃক্ষৰোপণ, ভাগৱত পাঠ, আবেলি নাৰায়ণ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব ধৰ্ম প্ৰচাৰিণী সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব কামৰূপ জিলাৰ দেৱ দামোদৰ সংঘৰ উপদেষ্টা ধীৰেন ডেকাই। আনহাতে, নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব সিদ্ধি শৰ্মা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বীৰেন্দ্ৰ নাথ শৰ্মাই। সন্ধিয়া আৰিয়া প্ৰজ্বলন। তৃতীয় দিনা পুৱা শ্ৰীশ্ৰী দেৱদামোদৰ গুৰুৰ বাৰ্ষিক শ্ৰাদ্ধ, যুগল কীৰ্তন, সন্ধিয়া নাগাৰা নাম প্ৰদৰ্শন কৰা হ'ব। চতুৰ্থ-পঞ্চম দিনা মহাবিষ্ণু যজ্ঞ আৰম্ভ, আয়তীৰ নাম-প্ৰসংগৰ লগতে অন্তিমদিনা যজ্ঞৰ পূৰ্ণাহুতি দিয়া হ'ব।

ঘগ্ৰাপাৰৰ ভানুকুছি-গুৱাকুছিত ৰঙালী বিহু সন্মিলনীৰ সামৰণি

অগ্ৰদূত বাৰ্তা
ঘগ্ৰাপাৰ, ১৭ এপ্ৰিল ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভানুকুছি-গুৱাকুছিৰ বৃহত্তৰ অঞ্চলটোৰ এটি অগ্ৰণী অনুষ্ঠান মৃণ্ময় যুৱক সংঘ (ভানুকুছি, গাতিয়ান, গুৱাকুছি)ৰ উদ্যোগত পহিলা ব'হাগত দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু সন্মিলন অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা ৰঙালী বিহুৰ পতাকা উত্তোলন কৰে মৃণ্ময় যুৱক সংঘৰ সভাপতি হেমচন্দ্ৰ কলিতাই। ছহিদ তৰ্পণ কৰে শিক্ষক হেমন্ত বৈশ্যই। বৃক্ষৰোপণ কৰে শিক্ষক গপেশ বড়ো আৰু ব্যৱসায়ী অঞ্জন দাসে। ভেশছন প্ৰতিযোগিতা উদ্বোধন কৰে কাউন্সিলৰ মনেশ্বৰ ভৰালীয়ে আৰু বিচাৰকৰূপে উপস্থিত থাকে শিক্ষয়িত্ৰী বিচিত্ৰা বৰ্মন আৰু শিক্ষক ভবেশ বৈশ্যই। দুপৰীয়া সুকুমাৰ কলা প্ৰতিযোগিতা উদ্বোধন কৰে শিক্ষক ফণীধৰ কলিতাই। বিয়লি কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত হয়। সন্ধিয়া ৰঙালী বিহু মঞ্চ মুকলি অনুষ্ঠান উদ্বোধন কৰে কুমুদ তালুকদাৰে। অনুষ্ঠানত মৃণ্ময় যুৱক সংঘৰ বিহু মঞ্চৰ ভূমিদাতা হৰেশ্বৰ দাসক সম্বৰ্ধনা জনোৱা হয়। বিহু কুঁৱৰী প্ৰতিযোগিতা উদ্বোধন কৰে কনিষ্ঠ অভিযন্তা ৰত্নেশ্বৰ বৰ্মনে আৰু বিহু হুঁচৰি প্ৰদৰ্শন উদ্বোধন কৰে উমেশ কলিতাই। নিশা আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে সমাজকৰ্মী ডাঃ নগেন কলিতাই। প্ৰতিযোগিতাৰ শেষত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে যুৱ সমাজকৰ্মী ডিম্বেশ্বৰ বেজবৰুৱাই।

অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৭ এপ্ৰিল ঃ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ গুৰুজনাৰ ৫৩৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে প্ৰয়াত ফটিক চন্দ্ৰ দাস সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰী শংকৰদেৱৰ মন্দিৰ শুৱালকুছিৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতা হাইস্কুল আৰু মহাবিদ্যালয় পৰ্যায়ত অনুষ্ঠিত হ'ব। হাইস্কুল পৰ্যায়ত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৰচনাৰ বিষয়বস্তু 'মাধৱদেৱৰ ৰচনাত শিশু কৃষ্ণ' আৰু নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'গুৰুধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত মাধৱদেৱপ অৱদান। মহাবিদ্যালয় পৰ্যায়ৰ ৰচনাৰ বিষয়বস্তু নামঘোষা সৌন্দৰ্য আৰু ভক্তি তাৎপৰ্য।' ৰচনাসমূহ নিজৰ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দ্বাৰা প্ৰত্যায়িত কৰি অহা দুই মে'ৰ ভিতৰত সভাপতি/সম্পাদক, মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰ শুৱালকুছি, পিন-৭৮১১০৩ ঠিকনাত পঠিয়াবলৈ অনুৰোধ জনাইছে। বিজয়ী প্ৰতিযোগীসকলক ১৭ মে'ৰ ধৰ্মালোচনী সভাত বঁটা প্ৰদান কৰা হ'ব।

বৰুৱা গাঁৱৰ বিহুৱাক সম্বৰ্ধনা বিহু সুৰক্ষা সমিতিৰ

খুমটাই, ১৭ এপ্ৰিল ঃ গোলাঘাট জিলাৰ বৰুৱাগাঁও অঞ্চলৰ একালৰ বৰবিহুৱা, বৰুৱাগাঁও হৰি মন্দিৰ হুচৰি দলৰ গুৰি ধৰোতা সমাজসেৱক চন্দ্ৰ গগৈক আজি তেওঁৰ বাসগৃহ বিহু সুৰক্ষা সমিতি গোলাঘাট জিলা সমিতিয়ে সম্বৰ্ধনা পত্ৰই সম্বৰ্ধনা জনায়। আজি গোলাঘাট জিলাৰ বিহু সুৰক্ষা সমিতিৰ এটি সজাতি দল চন্দ্ৰ গগৈৰ বৰুৱাগাঁওস্থিত বাসগৃহত উপস্থিত হৈ বিহুৱা শিল্পীজনৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে সম্বৰ্ধনা জনায়। আনহাতে, একে গাঁৱৰে বুঢ়া ভকত মহেন ডেকাক বিশেষভাৱে বিহু সুৰক্ষা সমিতিৰ দলটোৱে সম্বৰ্ধনা জনায়।

গোৱালপাৰাত ধুমুহা-শিলাবৃষ্টিত বিস্তৰ ক্ষতিসাধন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৭ এপ্ৰিল ঃ বিহুৰ আনন্দ উল্লাসৰ মাজতে যোৱা নিশা হোৱা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিত গোৱালপাৰা চহৰকে ধৰি শোলমাৰী, আগিয়া, বৰদামাল, বলবলা, মাটিয়া, সূৰ্য গিৰী, ডুবাপাৰা, ফৰেষ্টগেট আদিকে ধৰি ভিন্ন প্ৰান্তত বিস্তৰ ক্ষতিসাধন হয়। ধুমুহাই তাণ্ডৱলীলা চলাই বহু লোকৰ ঘৰ-দুৱাৰ উৰুৱাই লৈ যায়। ইফালে, ঠায়ে প্ৰকাণ্ড গছ উভালি পৰাৰ লগতে বৈদ্যুতিক খুঁটা ভাঙি পৰি যোৱাত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰিছে। ইপিনে, বৰদামালৰ ছাৰাপাৰাত দুখীৰাম ৰাভাৰ ২২ বিঘা কল খেতিও ধুমুহা আৰু শিলাবৃষ্টিত বিস্তৰ ক্ষতিসাধন হয়।

জোপাদোঙত দুষ্প্ৰাপ্য কাছ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ১৭ এপ্ৰিল ঃ বাগ্‌সা জিলাৰ সুৱণখাটাত আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাই দুষ্প্ৰাপ্য প্ৰজাতিৰ কাছ উদ্ধাৰ কৰি প্ৰকৃতিপ্ৰেমী সংগঠনৰ হাতত গতাই দিয়ে। ভাৰত-ভূটান সীমান্তৰ সুৱণখাটাত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সুৱণখাটা আঞ্চলিক সমিতিৰ বিষয়ববীয়া খেমৰাজ পৰিয়ালে ওচৰেৰে বৈ যোৱা জোপাদোঙত হাত-ভৰি ধুবলৈ যোৱাৰ সময়ত কাছটো দেখা পাই কাৰ্যালয়লৈ আনে। পাছত গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে স্থানীয় স্বেচ্ছাসেৱী সংগঠন মানাস চৌকী ইক' ট্যুৰিজিম ছ'চাইটিক কাছটো অৰ্পণ কৰে। স্বেচ্ছাসেৱী সংগঠনটোৰ কৰ্মকৰ্তাসকলে কাছটো সুৱণখাটা সংৰক্ষিত বনাঞ্চলত এৰি দিয়ে। স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মকৰ্তাসকলে সকলোকে প্ৰকৃতি সংৰক্ষণত গুৰুত্ব দিবলৈ আহ্বান জনায়।

গোসাঁইগাঁৱত ধুমুহাত বিধ্বস্ত পৰিয়ালক ত্ৰিপাল বিতৰণ

দলগাঁও, অন্থাইবাৰী, সাতবিল গাঁও সাহায্যৰ পৰা বঞ্চিতৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

দোতমা, ১৭ এপ্ৰিল ঃ গোসাঁইগাঁৱত যোৱা বৃহস্পতিবাৰে প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত বিস্তৰ ক্ষতিসাধন হয়। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চৰকাৰৰ পৰা ত্ৰিপাল বিতৰণ কৰে। আজি গোসাঁইগাঁও মহকুমাৰ টকেয়ামাৰীত ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালক অন্থাইবাৰী ভিচিডিচিৰ অধ্যক্ষ আব্দুল জলিল খানৰ উপস্থিতিত ত্ৰিপাল বিতৰণ কৰা হয়। ত্ৰিপাল বিতৰণ কৰি অধ্যক্ষগৰাকীয়ে কয় যে বিটিচিৰ গুমা সমষ্টিৰ অন্থাইবাৰী ভিচিডিচিৰ পাঁচখন গাঁও ধুমুহাত

বিস্তৰ ক্ষতিসাধন হয় যদিও দুখন গাঁৱৰ লোকেহে চৰকাৰী সাহায্য পাইছে। বাকী তিনিখন গাঁও ক্ৰমে দলগাঁও, অন্থাইবাৰী আৰু সাতবিল গাঁৱৰ ক্ষতিগ্ৰস্ত পৰিয়ালে সাহায্যৰ পৰা বঞ্চিত হৈ পৰে। উক্ত গাঁও তিনিখনত ধুমুহাত ক্ষতি হোৱাৰ বিষয়ে কৰ্তৃপক্ষক অৱগত কৰাৰ পাছতো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ কৰ্তৃপক্ষই পৰিদৰ্শন নকৰাৰ বাবে চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হোৱা বুলি অভিযোগ উত্থাপন কৰে। সাতবিল গাঁৱৰ গাঁওবুঢ়া বাহাজুদ্দিন সৰকাৰে চৰকাৰী কৰ্তৃপক্ষক পুনৰ উক্ত তিনিখন গাঁৱত ক্ষয়-ক্ষতি পৰিদৰ্শন কৰি সাহায্য প্ৰদান কৰিবলৈ দাবী জনায়।

অৰুণজ্যোতি কৃষ্টি সংঘৰ ৰঙালী বিহু আদৰণি বয়োজ্যেষ্ঠক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ১৭ এপ্ৰিল ঃ লখিমপুৰৰ সাহিত্য-সংস্কৃতি অনুষ্ঠান চাবতিস্থিত অৰুণজ্যোতি কৃষ্টি সংঘই পহিলা ব'হাগত ৰঙালী বিহু আদৰণি অনুষ্ঠান অনুষ্ঠিত কৰে। সংঘৰ স্থায়ী প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত অনুষ্ঠানত পুৱা বিহু পতাকা উত্তোলন কৰে সংঘৰ সভাপতি পুষ্পনাথ দস্তিদাৰে। উক্ত অনুষ্ঠানটোত অঞ্চলটোৰ ১০গৰাকী বয়োজ্যেষ্ঠ লোকক বিহুৱান আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি সপ্তাহজোৰা প্ৰশিক্ষণৰ অন্তত বিহুনাচ আৰু ঢোলবাদন প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰে।

ঢেকিয়াজুলিত সুকুমাৰ কলা পৰিষদৰ প্ৰশ্ন ভাণ্ডাৰ উন্মোচন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৭ এপ্ৰিল ঃ ন আলি ঢেকিয়াজুলিস্থিত সুকুমাৰ কলা পৰিষদৰ মুখ্য কাৰ্যালয় তথা অনুভৱ কলা কেন্দ্ৰ বিদ্যালয়ত তিতাবৰৰ সুকুমাৰ কলা পৰিষদৰ অন্তৰ্গত সকলো চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষক শিক্ষয়িত্ৰীৰ উপস্থিতিত কালি বাৰ্ষিক পৰীক্ষাৰ বহী মূল্যায়ন কাৰ্যসূচী সম্পন্ন কৰাৰ লগতে ২০২১বৰ্ষৰ প্ৰশ্ন ভাণ্ডাৰ উন্মোচন কৰে। এই সম্পৰ্কে অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সুকুমাৰ কলা পৰিষদৰ উপ-সঞ্চালক পদ্মেশ্বৰ গায়নে। পৰিষদৰ মুখ্য সচিব তথা শিক্ষক পৰাণ দত্তই আঁতধৰা অনুষ্ঠানত পৰিষদৰ শিক্ষা সচিব তথা বিশিষ্ট চিত্ৰ শিল্পী ভূপেন কুমাৰ বৰুৱাই পৰিষদৰ বিভিন্ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰাৰ লগতে সুকুমাৰ কলা পৰিষদৰ যোগেদি অনাগত দিনত পুতলা নাচৰ এক কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে আলোকপাত কৰে। উক্ত সভাত বিশিষ্ট সমাজকৰ্মী পদ্মেশ্বৰ গায়নে সুকুমাৰ কলা পৰিষদৰ ২০২১বৰ্ষৰ প্ৰশ্ন ভাণ্ডাৰ উন্মোচন কৰি বক্তব্য আগবঢ়ায়। সভাত তিতাবৰ কলাতীৰ্থ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সাংবাদিক প্ৰকাশ বৰদলৈৰ লগতে তিতাবৰ টাউন সংগীত আৰু শিল্প কলা মহাবিদ্যালয়, বগাৰগাঁৱৰ কৃশলয় চিত্ৰকলা বিদ্যালয়, শ্ৰীগুৰু চিত্ৰকলা বিদ্যালয়, মূৰ্ছনা সংগীত আৰু চিত্ৰকলা বিদ্যালয় আদি বহুকেইখন চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

মেধিপাৰাত ৰঙালী বিহু উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা

আলোপতি, ১৭ এপ্ৰিল ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ মেধিপাৰাতো তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হেঁপাহৰ ৰঙালী বিহু উদ্‌যাপন কৰা হয়। মেধিপাৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত ৪০ সংখ্যক ৰঙালী বিহুৰ কাৰ্যসূচীৰ আজি অন্তিম দিনা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমীয়া সমাজ জীৱনৰ কলা-কৃষ্টিসমূহক প্ৰতীকী ৰূপত প্ৰদৰ্শন কৰি উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত বৃহত্তৰ অঞ্চলটোৰ সকলো ৰাইজে অংশগ্ৰহণ কৰে। তদুপৰি সন্ধিয়াৰ ভাগত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

নগাঁৱত 'তহঁত আহিবিচোন' কাব্যগ্ৰন্থ উন্মোচন

মানুহৰ জীৱনটোৱেই কবিতা ঃ ড° বৰকটকী

বিশেষ সংবাদদাতা

নগাঁও, ১৭ এপ্ৰিল ঃ নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোডী ভৱনত লেখিকা অনিমা বৰুৱা শৰ্মাৰ 'তহঁত আহিবিচোন' নামৰ কাব্য গ্ৰন্থখন উন্মোচন কৰা হয়।

নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক সমালোচক উপেন্দ্ৰ বৰকটকীয়ে কয়, 'কবিতা অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। নিজৰ অতি চমু ভাষণত উপেন্দ্ৰ বৰকটকীয়ে কবিতাৰ বিভিন্ন দিশ ব্যাখ্যা কৰি কয়, 'কবিতা লিখা সহজ কথা নহয়। ইয়াৰ বাবে লাগিব সাধনা। এটা শব্দৰ বাবেও সাধনা লাগিব। তিলক প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট কবি ড° শৰৎ বৰকটকীয়ে গ্ৰন্থখনৰ বিষয়ে আৰু কবিতাৰ বিভিন্ন দিশ ব্যাখ্যা কৰি এক মননশীল বক্তব্য প্ৰদান কৰে। ভাষণত ড° বৰকটকীয়ে কয়, 'সাম্প্ৰতিক সময়ত আমাৰ সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে। এই পৰিৱৰ্তনৰ লগত আমি খোজ মিলাব লাগিব। গ্ৰন্থ হৈছে মানুহৰ মাজত সংযোগ ঘটোৱাৰ এক শক্তিশালী মাধ্যম। তেওঁ কয় যে গ্ৰন্থৰ জৰিয়তে মানুহৰ চিন্তাক লিখিত ৰূপত ধৰি ৰাখিব পাৰি। মানুহৰ জীৱনটোৱেই কবিতা বুলি উল্লেখ কৰি ড° বৰকটকীয়ে কয়, 'কবিতাই মানুহক অনাবিল আনন্দ দিব পাৰে।' কাকলি শইকীয়াৰ বৰগীতেৰে আৰম্ভ হোৱা সভাখনত সাহিত্যিক থগিত মহন্ত, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকা, কলংপাৰৰ মুখ্য সম্পাদক গুৰমাইল সিং, শিক্ষাবিদ প্ৰেমেশ্বৰ দাস, সাংবাদিক কনক হাজৰিকা, সমাজ কৰ্মী টংকেশ্বৰ দাস, আবুল হুছেইন, মুকুট ভূঞা, ৰঞ্জিত কুমাৰ তামুলী ফুকনকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সহকাৰী সম্পাদক খগেন নাথে আঁত ধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে তিলক প্ৰকাশনৰ স্বত্বাধিকাৰ বল্লদেৱ শৰ্মাই। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে সাহিত্যিক ৰতিমোহন নাথে। সভাত গীত পৰিৱেশন কৰে শিল্পী চন্দনা বেজবৰুৱাই। উক্ত সভাতেই নগাঁৱৰ অৰ্ধশতাধিক বিশিষ্ট লোকক সম্বৰ্ধনা জনোৱা হয়।

আজি বেলশৰ শান্তি ভূমিত প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৭ এপ্ৰিল ঃ প্ৰাক্তন মুখ্যমন্ত্ৰী, জননেতা, প্ৰবীণ ৰাজনীতিক, সুচিকিৎসক ডাঃ ভূমিধৰ বৰ্মনৰ আৱক্ষ মূৰ্তি কাইলৈ নলবাৰী জিলাৰ বেলশৰৰ সমীপৰ ভকতৰ পুখুৰী পাৰৰ 'শান্তিভূমি'ত স্থাপন কৰা হ'ব। প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰবৰ্মনৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে তেওঁৰ সজল স্মৃতিত কাইলৈ এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। ভকতৰাম বৰ্মন স্মাৰক ন্যাসৰ উদ্যোগত আৰু পৰিয়ালবৰ্গৰ সহযোগত অনুষ্ঠিতব্য অনুষ্ঠানত আৱক্ষ মূৰ্তি উন্মোচন কৰিব সাহিত্যিক, বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠকে। এই উপলক্ষে অনুষ্ঠিত সভাত সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰিব প্ৰবীণ সাংবাদিক হাইদৰ হুছেইনে। উক্ত অনুষ্ঠানত ৰাজ্যৰ কে'বাগৰাকী ৰাজনীতিকৰ লগতে বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি ভকতৰাম বৰ্মন স্মাৰক ন্যাসৰ সভাপতি দিগন্ত বৰ্মন আৰু সম্পাদক অৰূপ ৰঞ্জন বৰ্মনে সদৰী কৰিছে। উক্ত অনুষ্ঠান উপলক্ষে কাইলৈ পুৱা ন বজাত সৰ্বধৰ্ম প্ৰাৰ্থনা, পুৱা ৯-৪৫ বজাত জননেতা ডাঃ ভূমিধৰ বৰ্মনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, পুৱা ১০-১৫ বজাত ডাঃ ভূমিধ বৰ্মনৰ এটি আৱক্ষ মূৰ্তি উন্মোচন, পুৱা ১০-৪৫ বজাত বন্তি প্ৰজ্বলন, পুৱা ১১ বজাত স্মৃতিচাৰণ সভা আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হ'ব।

শ্ৰেষ্ঠ নাচনীৰ সন্মান ভাস্বতী গোস্বামীলৈ

অংকুৰ সংঘত দুদিনীয়া ৰঙালী বিহুৰ সামৰণি

অগ্ৰদূত বাৰ্তা

হোজাই, ১৭ এপ্ৰিল ঃ হোজাইৰ বিষ্ণুপল্লীৰ অংকুৰ সংঘত কালিৰে পৰা দুদিনীয়াকৈ আৰম্ভ হোৱা ৰঙালী বিহুৰ আজি সামৰণি পৰে। কাৰ্যসূচী অনুসৰি কালি পুৱা বিহুৰ পতাকা উত্তোলন কৰে সংঘৰ প্ৰতিষ্ঠাপক সদস্য বীৰেন বৰকটকীয়ে আৰু সংঘৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি বিপুল শৰ্মাই। সংঘৰ বাকৰিত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণি কৰে সাহিত্যিক-শিক্ষাবিদ ড° সাৰদানন্দ দেৱগোস্বামী আৰু শিক্ষাবিদ মাঘিৰাম শইকীয়াই। বিহুৰ স'তে সংগতি ৰাখি সংঘৰ কনিষ্ঠ সদস্যসকলে আজি জ্যেষ্ঠজনক ফুলাম বিহুৱান, জাপিৰে বিহুৰ সেৱা জনায়। ইয়াৰ পাছত কণ কণ শিশু আৰু মহিলাসকলৰ মাজত খেল-ধেমালি প্ৰতিযোগিতা আৰু বিয়লি জিলা ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি বিহু প্ৰতিযোগিতাৰ মাজে মাজে পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতাৰ বঁটা প্ৰদান কৰা হয়। মুকলি বিহু প্ৰতিযোগিতা জয়ন্ত ভাগৱতীয়ে প্ৰদান কৰিছে নিনা ভাগৱতী সোঁৱৰণী আৰু নজমুল ইছলামে প্ৰদান কৰা প্ৰথম আৰু দ্বিতীয় বঁটা লাভ কৰে ক্ৰমে শংকৰদেৱ নগৰৰ শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ বিহুৱা দল আৰু কাকীৰ মিলনজ্যোতি বিহুৱা দলে। ইয়াৰ উপৰি শ্ৰেষ্ঠ নাচনী আৰু শ্ৰেষ্ঠ ঢুলীয়াৰ বঁটা লাভ কৰে ক্ৰমে ভাস্বতী গোস্বামী আৰু ৰঞ্জিত হাজৰিকাই।

দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত সুঁৱৰি উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৭ এপ্ৰিল ঃ দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত সুঁৱৰি উৎসৱ অনুষ্ঠিত হয়। আজি আজাৰা অঞ্চলৰ বৰবৰী ৰাইজ গয়ৰহৰ উদ্যোগত বৰবৰী খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে সুঁৱৰি উৎসৱ উদ্‌যাপন কৰা হয়। পুৱা সুঁৱৰি উৎসৱত অংশগ্ৰহণকাৰী কৃষ্ণ-বলোৰাম আদি কৰি দলটোত অংশগ্ৰহণকাৰীসকলক লৈ অঞ্চলটো পৰিভ্ৰমণ কৰা হয়। ইয়াৰ পাছতে উৎসৱ উদ্‌যাপনস্থলীত অস্থায়ীভাৱে নিৰ্মিত ৰভাস্থলীত অংশগ্ৰহণকাৰী দলটোৱে নাটিকা প্ৰদৰ্শন কৰে। ইপিনে, অংশগ্ৰহণকাৰী দলটোত থকা শিশু কৃষ্ণ আৰু বলোৰামৰ ভাও লোৱাৰ লগতে গোপালৰ ভাও লোৱা শিশু শিল্পীসকলৰ ওচৰলৈ গৈ অঞ্চলটোৰ লোকসকলে সেৱা জনায়।

জুলুকীৰ বিহুত সাংস্কৃতিক শোভাযাত্ৰা

বৰমা, ১৭ এপ্ৰিল ঃ ইয়াৰ ওচৰৰ নিজ জুলুকী গাঁৱৰ ৫২ সংখ্যক নিজ জুলুকী ৰঙালী বিহু সন্মিলনৰ আজিৰ কাৰ্যসূচীত বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত শোভাযাত্ৰাত নয়নতৰা বিহুৱা দলৰ ঢোল, পেঁপা, গগনাৰ শব্দ, বড়ো জনগোষ্ঠীৰ খেৰাইৰ লগতে ৰাভা জনগোষ্ঠীৰ বিহু নৃত্য, শৰণীয়া জনগোষ্ঠীৰ বাঁহ গোসাঁইৰ নৃত্য, মদাহী জনগোষ্ঠীৰ বিহু নৃত্য, আদিবাসী, নেপালী সাংস্কৃতিক গোষ্ঠীয়ে অংশগ্ৰহণ কৰে। উক্ত শোভাযাত্ৰা উদ্বোধন কৰে ড° সুনীল চন্দ্ৰ শৰ্মাই।

বান্দৰদেৱাত তিনি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

বান্দৰদেৱা, ১৭ এপ্ৰিল ঃ লখিমপুৰ জিলাৰ অৰুণাচল সীমাৰ বান্দৰদেৱাত পুনৰ তিনি ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আজি বিহপুৰীয়া আৰু বান্দৰদেৱা আৰক্ষীৰ অভিযানত দুই নম্বৰ পাৰ্বতীপুৰৰ খৰিকা বড়ীৰ পুত্ৰ ডেনিয়েল বড়ী (২৫), হাৰমতিৰ কাঠনিৰ বৃন্দাৱন ব্ৰহ্ম (৩২) আৰু অৰুণাচল প্ৰদেশৰ কাৰাডিদি জিলাৰ কলৰিঙৰ টাম তালঙৰ পুত্ৰ টাম টাদে (২২)ক আৰক্ষীয়ে হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে। আজি বিহপুৰীয়াৰ আৰক্ষী আৰু বান্দৰদেৱা আৰক্ষীয়ে অভিযান চলায়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজনৰ পৰা আৰক্ষীয়ে ১.১০ গ্ৰাম হেৰ'ইনৰ পাঁচটা কণ্টেইনাৰ আৰু নিচাজাতীয় টেবলেট জব্দ কৰে।

লাহৰীঘাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ দুই

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ১৭ এপ্ৰিল ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত যোৱা নিশা আৰু আজি বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আজি লাহৰীঘাট আৰু মৰিগাঁও আৰক্ষীৰ যৌথ অভিযানত কছাৰীবড়ীৰ পৰা ড্ৰাগছসহ আব্দুল বাদসা নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজনৰ পৰা ১৯ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ আৰু নগদ ২৫০০ টকা জব্দ কৰে। আনহাতে, যোৱা নিশা আৰক্ষীয়ে বৰছলা আৰক্ষী চকীৰ অন্তৰ্গত ডাঙৰীয়া গাঁৱৰ পৰা ২০ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ ফকৰ উদ্দিন নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰে।

ফুটকিবাৰীত বিষুৱা উৎসৱৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

দোতমা, ১৭ এপ্ৰিল ঃ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা আয়োজিত আৰু ফুটকীবাৰী আঞ্চলিক বিষুৱা উৎসৱ উদ্‌যাপন সমিতিৰ সহযোগত অহা ২৪ এপ্ৰিলৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ধুবুৰী জিলাৰ উত্তৰ ফুটকীবাৰী এম ই বিদ্যালয় প্ৰাংগণত বিষুৱা উৎসৱ উদ্‌যাপন কৰা হ'ব। আজি বিষুৱা উৎসৱৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰসেনজিৎ ৰায়ে। আনহাতে, লাইখুঁটা স্থাপন কৰে কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে, লগতে কাৰ্যালয় মুকলি কৰে কেএচিৰ ই এম সুধীৰ চন্দ্ৰ ৰায়ে। তদুপৰি বিষুৱা উৎসৱৰ লগত সংগতি ৰাখি আজি হাফ মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতা মুকলি কৰে বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিৰানীয়ে। তদুপৰি আৰ্চাৰী মুকলি কৰে কেএচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ই এম জীৱেশ ৰায়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে স্থানীয় গাঁও পঞ্চায়তৰ সভানেত্ৰী মীৰা ৰায়, প্ৰবক্তা সুৰজিৎ চৌধুৰী, সমাজকৰ্মী গিৰেন ৰায় আদি।

বৰদৈচিলাৰ তাণ্ডৱলীলাত অৰ্ধ শতাধিক পৰিয়াল গৃহহীন

পালহাজী, ১৭ এপ্ৰিল ঃ যোৱা বৃহস্পতিবাৰে নিশা প্ৰায় ৮-৩০ বজাত বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে দক্ষিণ বৰপেটাৰ বৃহত্তৰ পালহাজী অঞ্চল আৰু ইয়াৰ দাঁতি-কাষৰীয়া মাইলকুছি ধকুৱা, তেমূৰা দংৰা, বামুণ দংৰা, পাহাৰপুৰ, যাদৱপুৰ, কাঞ্চনপুৰ, চকাবাউসী, গৰেমাৰী পাথাৰ, গৰেমাৰী হাবি, বেলৰটাৰী, পাজাৰভাঙা, ডক্ৰেশ্বৰ, সুহা, সুহাবিলদলনী আদি গাঁৱত শিলাবৃষ্টি আৰু প্ৰচণ্ড ধুমুহাই তাণ্ডৱলীলা চলায়। শিলাবৃষ্টি আৰু প্ৰচণ্ড ধুমুহাৰ তাণ্ডৱত গৃহহীন হৈ পৰে অৰ্ধ শতাধিক পৰিয়াল। মৃত্যুমুখত মুখত কৰে বহু পশুধন। নিশাৰ বৰদৈচিলাজাকে থানবান কৰে বৃহত্তৰ দক্ষিণ বৰপেটাৰ অঞ্চলসমূহ। ধুমুহা-বৰষুণত উভালি পৰে প্ৰকাণ্ড প্ৰকাণ্ড গছ। উৰুৱাই নিয়ে ঘৰৰ টিনপাত ছিঙি পেলায় বিদ্যুতৰ তাঁৰ। গৃহৰ চাল উৰুৱাই নিয়াত পালহাজী অঞ্চলতে বেছি সংখ্যক গৃহহীন হৈ পৰে। ঘৰৰ ভিতৰত থকা ধান-চাউল, অন্যান্য শস্যকে ধৰি বয়বস্তুৰ লগতে কাপোৰ-কানি, কিতাপ-পত্ৰ আদিৰ অনিষ্ট হয়। বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ টিনাপাত নিখোঁজ হয়। পালহাজী গাঁৱৰ দুই গাঁওবুঢ়া ক্ৰমে একাব্বৰ আলী আৰু নুৰুল ইছলামে দিনজোৰা কাৰ্যসূচীৰে মানুহৰ ঘৰে ঘৰে গৈ খবৰ লয়। ইফালে, শিলাবৃষ্টিয়ে পথাৰত ৰোৱা জিকা, তিতা কেৰেলা, তিয়হ, ভেণ্ডি খেতিবোৰ তচনচ কৰি পেলায়। শ শ বিঘা ইৰি খেতি এফালৰ পৰা চূৰ্ণ-বিচূৰ্ণ কৰি পেলায়। এফালে, গৃহহীন অৱস্থা, আনহাতে, পথাৰৰ শস্যডৰাৰ তচনচ পৰিস্থিতিত খেতিয়কসকলে মূৰে কপালে হাত দিবলগীয়া হৈছে। চৰকাৰ, জিলা প্ৰশাসন আৰু বিভাগীয় কৰ্তৃপক্ষই ক্ষতিগ্ৰস্ত পৰিয়াল আৰু লোকসকলক ক্ষিপ্ৰতাৰে উপযুক্ত সকাহ দিয়াৰ ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে ভুক্তভোগীয়ে।

পঞ্জাৰ কিংছৰ বিৰুদ্ধে জয় অৰ্জন কৰি শীৰ্ষ চাৰিলৈ উত্তৰণ হায়দৰাবাদ দল

চাৰিখন মেচত অপৰাজেয় ছানৰাইজাৰ্ছ

মুম্বাই, ১৭ এপ্ৰিল ঃ ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে চলিত আই পি এলত ক্ৰমাগত চতুৰ্থখন মেচত জয়ী হৈ শীৰ্ষ চাৰিত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজি হোৱা দুখন মেচৰ প্ৰথমনত পঞ্জাৰ কিংছৰ মুখামুখি হয় ছানৰাইজাৰ্ছ হায়দৰাবাদ। একপক্ষীয় মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদে সহজে সাত উইকেটত পৰাস্ত কৰে পঞ্জাৰ কিংছ দলক। পোনতে বেটিং কৰা পঞ্জাৰ কিংছে ১৫১ ৰাণত ইনিংছ সামৰে। দলৰ হৈ লিভিংষ্টনে ৬০ ৰাণ কৰে। ইফালে, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ উমৰান মালিকে চাৰিটা আৰু ভুৱনেশ্বৰ কুমাৰে তিনিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮.৫ অভাৰতে তিনিটা উইকেট হেৰুৱাই ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে। দলৰ হৈ মাৰ্কৰামে ৪১, প'ৰানে ৩৫ আৰু ৰাহুল ত্ৰিপাঠীয়ে ৩৪ ৰাণ কৰে। আজিৰ মেচৰ পূৰ্বে চলিত আই পি এলত জয়ৰ হেট্ৰিক অৰ্জন কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। যোৱা মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি কলকাতা নাইট ৰাইডাৰ্ছ দলে আঠ উইকেটত ১৭৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৭.৫ অভাৰত তিনি উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বৰ খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৯.১ অভাৰত দুই উইকেটত ১৬৮ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। আনহাতে, অন্য এখন মেচত চেন্নাই ছুপাৰ কিংছ দলক আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে সাত উইকেটত ১৫৪ ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে ১৭.৪ অভাৰত দুই উইকেটত ১৫৫ ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। ইফালে, পঞ্জাৰ কিংছ দলে অন্তিম মেচত মুখামুখি হৈছিল মুম্বাই ইণ্ডিয়ানছৰ। মেচখনত পঞ্জাৰ কিংছ দলে ১২ ৰাণত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা পঞ্জাৰ কিংছ দলে পাঁচ উইকেটত ১৯৮ ৰাণ কৰাৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছ দলে ন উইকেটত ১৮৬ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

চপাইত সদৌ অসম ভিত্তিত মাৰাথন দৌৰ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৭ এপ্ৰিল ঃ চপাই যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে চপাই আঞ্চলিক ৰঙালী বিহু উদযাপনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে ২৩ এপ্ৰিলৰ দিনা পুৱা ৪.৩০ বজাত জনাৰামচৌকাৰ পৰা চপাই নেহৰু ময়দানলৈ অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত মাৰাথন দৌৰ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠক বঁটা আৰু নগদ ৫০০১ টকা, দ্বিতীয়ক ৰজত বৰুৱা সোঁৱৰণী ট্ৰফী আৰু নগদ ৪০০১ টকা, তৃতীয়ক গ্ল'ৰিয়াছ একাডেমী ট্ৰফী আৰু নগদ ৩০০১ টকা, চতুৰ্থক বিনোদ বিহাৰী দত্ত আৰু অনু দত্ত সোঁৱৰণী ট্ৰফী আৰু নগদ ২০০১ টকা আৰু পঞ্চমক ক'লাৰাম নাথ সোঁৱৰণী ট্ৰফী আৰু ১০০১ টকা প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগীক ৭০০২৭২১৩৭৫ নম্বৰত যোগাযোগ কৰিবলৈ সম্পাদক হিৰেণ চন্দ্ৰ ডেকাই জনাইছে।

দিল্লী কেপিটেলছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ জয়লাভ

মুম্বাই, ১৭ এপ্ৰিল ঃ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে চলিত আই পি এলত পুনৰ জয়ৰ ছন্দলৈ উভতি আহিছে। যোৱানিশাৰ দ্বিতীয়খন মেচত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ১৬ ৰাণত পৰাস্ত কৰে দিল্লী কেপিটেলছ দলক। এয়া ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলৰ ছখন মেচৰ পাছত চতুৰ্থ জয়। উল্লেখ্য যে দলে পৰাজয়ৰে অভিযান আৰম্ভ কৰাৰ পাছত ক্ৰমাগত তিনিখন মেচত বিপক্ষক হৰুৱাই জয়ৰ হেট্ৰিক অৰ্জন কৰিছিল। কিন্তু অন্তিম মেচত চেন্নাই ছুপাৰ কিংছ দলে ২৩ ৰাণত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে ২০ অভাৰত চাৰি উইকেট হেৰুৱাই ২১৬ ৰাণ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ২০ অভাৰত ন উইকেট হেৰুৱাই ১৯৩ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। সেই ব্যৰ্থতাৰ পাছত যোৱানিশা পুনৰ খেলপথাৰত নমা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ১৬ ৰাণত দিল্লী কেপিটেলছ দলক হৰুৱাই দলীয় আত্মবিশ্বাস ঘুৰাই আনিছে। পোনতে বেটিং কৰা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে পাঁচ উইকেটত ১৮৯ ৰাণ কৰে। দলৰ হৈ দিনেশ কাৰ্তিকে ৬৬ আৰু গ্লেন মেক্সৱেলে ৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, দিল্লী কেপিটেলছ দলে সাত উইকেটত ১৭৩ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ডেভিদ বাৰ্নাৰে কৰে ৬৬ ৰাণ। উল্লেখ্য যে ইতিমধ্যে পাঁচখন মেচ খেলা দিল্লী

কেপিটেলছ দলে তিনিখনত পৰাস্ত হৈছে। ইয়াৰ পূৰ্বৰ আৰ চি বি দলে মুম্বাইৰ বিৰুদ্ধে জয়ী হৈছিল। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা মুম্বাই ইণ্ডিয়ানছ দলে ছয় উইকেটত ১৫১ ৰাণ কৰাৰ প্ৰত্যুত্তৰত আৰ চি বিয়ে তিনি উইকেটত ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে।

উপেন্দ্ৰ কলিতা প্ৰাইজমানি মাৰাথন দৌৰ

অগ্ৰদূতবাৰ্তা

শুৱালকুছি , ১৭ এপ্ৰিল ঃ কামৰূপ জিলাৰ শ্ৰীশ্ৰীহাটী শ্যামৰায় পুথিভঁৰাল আৰু তৰুণ সংঘৰ সৌজন্যত ৪০ সংখ্যক বহাগী উৎসৱ উপলক্ষে উপেন্দ্ৰ কলিতা সোৱৰণী প্ৰাইজমাণি মাৰাথন দৌৰ প্ৰতিযোগিতা খনি অহা ২০ এপ্ৰিলত শিঙিমাৰীৰ পৰা শ্ৰীহাটীলৈ অনুষ্ঠিত হ'ব। পুৱা চাৰি বজাত হ'বলগীয়া খেল খনৰ প্ৰথম পুৰস্কাৰ সাত হাজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ পাঁচ হাজাৰ এক টকা আৰু তৃতীয় পুৰস্কাৰ তিনি হাজাৰ এক টকা, ইচ্ছুক প্ৰতিযোগীক ৯৮৫৪৩৯২৩৭২, ৭০০২৩০০৫৩৭ নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ আয়োজকে আহ্বান জনাইছে।

আই পি এলত আজি কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছ

মুম্বাই, ১৭ এপ্ৰিল ঃ চলিত আই পি এলৰ কাইলৈ হ'বলগা একমাত্ৰ মেচত কলকাতা নাইট ৰাইডাৰ্ছ দলে খেলিব ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে। উল্লেখ্য যে উভয় দলে নিজৰ অন্তিম মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। সেয়ে কাইলৈৰ মেচত জয়ৰ লক্ষ্যৰে নামিব। অন্তিম মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি কলকাতা নাইট ৰাইডাৰ্ছ দলে আঠ উইকেটত ১৭৫ ৰাণ কৰে। দলৰ হৈ নীতিশ ৰানাই ৫৪ আৰু আন্দ্ৰে ৰাছেলে ৪৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদে

১৭.৫ অভাৰত তিনি উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰি জয় অৰ্জন কৰে। ইফালে, অন্তিম মেচত গুজৰাট টাইটান দলে ৩৭ ৰাণত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা গুজৰাট টাইটান দলে চাৰি উইকেটত ১৯২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছ দলে ন উইকেটত ১৫৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰাজস্থান ৰয়েলছে তিনিখন মেচত জয়ী হৈ ছয় পইণ্ট লাভ কৰিছে যদিও কে কে আৰে ছয়খন মেচ খেলাৰ বিপৰীতে এখন মেচ কমকৈ খেলিছে আৰ আৰে।

ঐতিহাসিক সফলতাৰে বিশ্ব ফাইনেললৈও যোগ্যতা

প্ৰথমবাৰৰ বাবে জুনিয়ৰ ডেভিছ কাপৰ এছিয়া-ওচেনিয়াৰ চেম্পিয়ন হ'ল ভাৰত

নতুন দিল্লী, ১৭ এপ্ৰিল ঃ ভাৰতে ইতিহাস গঢ়ি জুনিয়ৰ ডেভিছ কাপ টেনিছৰ এছিয়া-ওচেনিয়া গ্ৰুপৰ চেম্পিয়ন হৈছে। উল্লেখ্য যে এই গৌৰৱময় সফলতাৰে ভাৰতে ডেভিছ কাপ টেনিছৰ বিশ্ব ফাইনেললৈও যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীৰ আৰ কে খান্না টেনিছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ডেভিছ কাপ টেনিছৰ এছিয়া-ওচেনিয়া গ্ৰুপৰ ফাইনেলত ভাৰতৰ জুনিয়ৰ দলে পাৰাস্ত কৰে জাপানক। খিতাপ জয়ৰ মেচত ভাৰতৰ জয়ৰ ব্যৱধান হ'ল ২-১ঙ্গ উল্লেখ্য যে প্ৰথমখন একক শাখাৰ মেচত ভাৰতৰ বুছান হাওৱামে জাপানৰ নাওয়া হ'গুৱাৰ বিৰুদ্ধে খেলি ৩-৬, ৬-৩, ২-৬ ৰ ব্যৱধানত পৰাস্ত হয় যদিও ভাৰতক প্ৰত্যাৱৰ্তন কৰায় ৰুছিল খোছলাই। একক শাখাৰ দ্বিতীয়খন মেচত ৰুছিলে ৬-৩, ৩-৬, ৬-০ ৰ ব্যৱধানত পৰাস্ত কৰে জাপানৰ য়ুটা ট'মিডাক। আনহাতে, ডাবলছ শাখাৰ মেচত ভাৰতীয় যুটিটোৱে জাপানক ৬-৩, ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰি ইতিহাস গঢ়ি প্ৰথমবাৰৰ বাবে জুনিয়ৰ ডেভিছ কাপ টেনিছৰ এছিয়া-ওচেনিয়া গ্ৰুপৰ চেম্পিয়ন ট্ৰফী লাভ কৰে।

ৰাষ্ট্ৰীয় পদকজয়ী খেলুৱৈক সম্বৰ্ধনা

ছয়গাঁও, ১৭ এপ্ৰিল ঃ ছয়গাঁও থানা এলেকাৰ নতুন সাপৰটাৰী গাঁৱৰ ৰাজহুৱা খেলপথাত গৰু বিহুৰ দিনা পৰম্পৰাগত ক্ৰীড়া-কৃষ্টিৰ প্ৰদৰ্শনৰ লগতে ৰাষ্ট্ৰীয় নাওখেল প্ৰতিযোগিতাত পদকপ্ৰাপ্ত খেলুৱৈসকলক ৰাজহুৱাভাবে সম্বৰ্ধনা জনোৱা হয় । নতুন সাপৰটাৰী যুৱক সংঘৰ উদ্যোগত এথলেটিকছৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে অনুষ্ঠিত হয় পৰম্পৰাগত খেল কাণিমুণি, কুকুৰাযুজ, পুৰুষ মহিলাৰ ৰছী টনা। অনুষ্ঠানত কেৰেলাত নবম ৰাষ্ট্ৰীয় নাও খেল প্ৰতিযোগিতাত ৰূপ-ব্ৰঞ্জ পদক প্ৰাপ্তিৰে উক্ত দিনা স্বগৃহত উপস্থিত হোৱা ছয়গাঁৱৰ ২৮ গৰাকী খেলুৱৈ কৰ্মকৰ্তাক সম্বৰ্ধনা জনোৱা হয় । পৰম্পৰাগত ক্ৰীড়াৰ সমাৰোহ অনুষ্ঠানত শৰৎ দাস, দেৱজিৎ কলিতা, প্ৰীতিৰেখা বৰুৱা, ধীৰেন দাস, ফণীন্দ্ৰ কলিতা, অৰূপ কুমাৰ মেধি, চন্দ্ৰকান্ত কলিতা, অমৃত মেধি, মাধৱ কলিতা; সুৰেশ মেধি, পংকজ কলিতা , সুকুমাৰ মেধি, লালন তালুকদাৰ, পিংকু কলিতা আদিক সম্বৰ্ধনা জনোৱা হয়।

ই পি এলত হেট্ৰিক অৰ্জনৰ পাছত সতীৰ্থৰ লগত ৰোনাল্ডো।

ৰাষ্ট্ৰীয় দবাত উজলিল মৃণ্ময়

গুৱাহাটী, ১৭ এপ্ৰিল ঃ কৰ্ণাটকৰ মহীশূৰত অনুষ্ঠিত হোৱা অনুৰ্ধ্ব ১২ বছৰ ৰাষ্ট্ৰীয় দবাত অসমৰ মৃণ্ময় ৰাজখোৱাই ৮.৫ পইণ্ট সংগ্ৰহ কৰি ষষ্ঠ স্থান অধিকাৰ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। মৃণ্ময়ে ১১ ৰাউণ্ডৰ পৰা ৮.৫ পইণ্ট অৰ্জন কৰে। কেৰেলাৰ গৌতম কৃষ্ণই ৯.৫ পইণ্ট সংগ্ৰহ কৰি খিতাপ অৰ্জন কৰে। আনহাতে তেলেংগানাৰ অৰ্জুন আৰু গোৱাৰ ইঠান ভাজে ৯ পইণ্টকৈ অৰ্জন কৰি ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। মহাৰাষ্ট্ৰৰ ভিভান বিজয় ছাৰাউগী, বিহাৰৰ ৰেয়ান আৰু অসমৰ মৃণ্ময় ৰাজখোৱাই ৮.৫ পইণ্টকৈ সংগ্ৰহ কৰি ক্ৰমে চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থান অধিকাৰ কৰে। অসমৰে তন্ময় ৰাজবংশীয়ে ৮ পইণ্ট সংগ্ৰহ কৰি পঞ্চদশ স্থান অধিকাৰ। মৃণ্ময় ৰাজখোৱাই নগদ ২৫০০০ টকা আৰু তন্ময় ৰাজবংসীয়ে ৬০০০ টকা পুৰস্কাৰ হিচাপে লাভ কৰে। মৃণ্ময় আৰু তন্ময়ক এই সাফল্যৰ বাবে সদৌ অসম দবা সন্থাই অভিনন্দন জনাইছে।

হাদুগুড়ু খেলত ধনমণি চেম্পিয়ন

ছয়গাঁও, ১৭ এপ্ৰিল ঃ ছয়গাঁৱৰ দলৈপাৰা গাঁৱত সৰি উৎসৱৰ লগত সংগতি ৰাখি আয়োজিত হাদুগুড়ু খেলত পলাশবাৰীৰ ধনমণি কুমাৰ চেম্পিয়ন হৈছে । দলৈপাৰা ৰঙালী বিহু সন্মিলনত আয়োজিত দক্ষিণ কামৰূপৰ পৰম্পৰাগত খেলৰ প্ৰতিযোগিতাখনত ২৬ গৰাকী মালে অংশ গ্ৰহণ কৰিছিল । প্ৰতিযোগিতাৰ ফাইনেল ঘূৰণ তিনিগৰাকীৰ মাজত অনুষ্ঠিত হয় । ধনমণিৰ বিপৰীতে দলৈপাৰাৰে মুনীন্দ্ৰ দাস প্ৰথম ৰাণাৰ্চ আৰু অৰণী দাস দ্বিতীয় ৰাণাৰ্চ হয় । খেলখনৰ পৰিচালনাত

মুখ্য বিচাৰক ৰূপে আছিল বাবুল কলিতা আৰু সহযোগী সোণ কলিতা । চেম্পিয়ণ সূত্ৰে ধনমণিয়ে নগদ পাঁচ হেজাৰ টকা সহিতে লোহিত ডাকুৱা সোঁৱৰণী শ্বিল্ড আৰু মুনীন্দ্ৰই নগদ তিনি হেজাৰ টকা সহিতে অশ্চিনী কুমাৰ শালৈ সোঁৱৰণী শ্বিল্ড লাভ কৰে । প্ৰতিযোগিতাৰ অন্তত বঁটা সমূহ বিতৰণ কৰে বঁটাৰ দাতা বিপুল ডাকুৱা-জীতুল শালৈ আৰু হাইগুড়ুৰ প্ৰাক্তন মাল নৰেন শালৈ, অৱসৰী শিক্ষক ৰজনী গোস্বামী আৰু লোকশিল্পী সুকুমাৰ মেধিয়ে।

মহিলাৰ যোগাসন ক্ৰীড়াশৈলী প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৭ এপ্ৰিল ঃ নগাঁও নেহৰু যুৱ কেন্দ্ৰস্থিত 'নিৰ্বাণ' ৰাজ্যিক যোগ কেন্দ্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগাসন ক্ৰীড়াৰ খেলুৱৈ ৰ'জি দেৱী ফুকনৰ ৫০ সংখ্যক ওপজা দিন উপলক্ষে কেন্দ্ৰটোৰ নিয়মীয়া অনুশীলনৰত খেলুৱৈসকলৰ মাজত এখনি মহিলা যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যোগগুৰু প্ৰভাত চন্দ্ৰ বৰাৰ উপস্থিতিত ৰাষ্ট্ৰীয় ৰেফাৰী হিৰণ্য গোহাঁই আৰু বিচিত্ৰৰঞ্জন বৰাই বিচাৰকৰূপে থাকি পাৰদৰ্শী মহিলা খেলুৱৈসকলক বাছনি কৰে। তাৰ পিছতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ ডেৰকুৰিৰো অধিক মহিলাৰদ্বাৰা যোগাসন ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত ভাগ লয় নগাঁও জিলা খো খো সন্থাৰ সম্পাদক সমীৰ হাজৰিকায়ো।

মংগল সিঙৰ শ্ৰেষ্ঠত্ব অৰ্জন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৭ এপ্ৰিল ঃ নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া কুজাৰবড়ি যুৱক সংঘ আৰু নৱজ্যোতি পুথিভড়ালৰ উদ্যোগত ৰঙালী বিহু উৎসৱ উপলক্ষে বিভিন্নধৰণৰ অনুষ্ঠানৰ লগতে আজি পুৱা অনুষ্ঠিত হয় প্ৰাইজমাণি মাৰাথন দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে জামুগুৰিৰ মংগল সিঙে প্ৰথমস্থান দখলৰে অতুল বৰাই আগবঢ়োৱা তৰবৰী বৰা সোঁৱৰণী পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে কটহগুৰিৰ আদিত্য গাঁওখোৱাই দ্বিতীয় স্থানৰে জিষ্ণু কুমাৰ বৰাই আগবঢ়োৱা ৰাধাকান্ত বৰা সোঁৱৰণী পুৰস্কাৰ লাভ কৰিছে। আয়োজক সমিতিৰ অন্যতম সহকাৰী সম্পাদক ৰঞ্জনজ্যোতি বৰুৱাই জানিবলৈ দিয়ামতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ মুঠ ২৭ গৰাকী খেলুৱৈয়ে যোগদান কৰা প্ৰতিযোগিতাখনত ধেমাজিৰ কুণ্ডিলপ্ৰতিম শইকীয়াই তৃতীয়, শেতালিৰ বিকাশ বৰদলৈয়ে চতুৰ্থ, বেবেজীয়াৰ অমৰজ্যোতি হাজৰিকাই পঞ্চম আৰু ধ্ৰুৱজ্যোতি ডেকাই ষষ্ঠ, ধেমাজিৰ হেমন্ত নাথে সপ্তম, কুজাৰবড়িৰ নিকু বৰাই অষ্টম, ৰাজীৱ ক্ৰ'ই নৱম আৰু আঁহতগুৰিৰ নয়নমণি দাসে দশমস্থান অধিকাৰ কৰিছে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজ সংগঠক যোগেন বৰাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই মাৰাথন দৌৰত পোন্ধৰ গৰাকী খেলুৱৈয়ে নিজৰ নিৰ্ধাৰিত দৌৰ সম্পূৰ্ণ কৰে।

মাৰাথনত পুৰুষৰ শ্ৰেষ্ঠ সঞ্জয়, মহিলাত ৰূপালীৰ খিতাপ

ডিগবৈ ,১৭ এপ্ৰিল ঃ ডিগবৈ ৰঙালী বিহু উৎসৱ পালন সমিতিৰ উদ্যোগত আয়োজন কৰা অসম ভিত্তিত ব'হাগী মাৰাথন প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত হৈ যায়। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হোৱা ব'হাগী মাৰাথন প্ৰতিযোগিতাখনিত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে । মাকুম বেটেলিয়নৰ পৰা আৰম্ভ হৈ ডিগবৈ বিহুতলীত সমাপ্ত হোৱা ছ২৫ কিলোমিটাৰৰ পুৰুষ শাখাৰ দৌৰ প্ৰতিযোগিতা প্ৰথম স্থান লাভ কৰে মাৰ্ঘেৰিটাৰ সঞ্জয় ভূমিজে। লগতে টিংবাই বজাৰৰ পৰা আৰম্ভ হৈ ডিগবৈ বিহুতলীত সমাপ্ত হোৱা ১০ কিলোমিটাৰৰ মহিলা শাখাত প্ৰথম স্থান লাভ কৰে ৰূপালী মুণ্ডাই। সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা বহাগী মাৰাথন প্ৰতিযোগিতাৰ ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে ভাৰতীয় সেনা বাহিনীৰ ১৮ নং গাৰোৱাল ৰেজিমেন্টৰ কেপ্টেইন আদিত্য ৰাজ সিঙ আৰু প্ৰবীণ এথেলেটিছ খেলুৱৈ প্ৰবীণ হাজৰিকাই। পুৰুষ শাখাৰ দ্বিতীয় স্থান দখল কৰে তীখেশ্বৰ কুৰ্মীয়ে আৰু তৃতীয় স্থান বিপীন মুণ্ডাই দখল কৰিবলৈ সক্ষম হয়। আনহাতে মহিলা শাখাত দ্বিতীয় স্থান দখল কৰে লক্ষী ভূমিজে আৰু তৃতীয় স্থান দখল কৰে পিংকী মাঝিয়ে। প্ৰতিযোগিতাৰ অন্তত বঁটাসমূহ বিতৰণ কৰে ডিগবৈ ৰঙালী বিহু উৎসৱ পালন সমিতিৰ বিষয়ববীয়াৰ লগতে বঁটাৰ দাতাসকলে।

বিলাসনন্দন চৰা



ৰঙালী গ্লোবেল হ'ল

এইবাৰ মানুহবোৰে তামাম বিহু চালে। দুবছৰ বিহু চোৱা নাছিল। এটা সাংঘাতিক ক্ষতি হৈছিল। এইবাৰ যেন তাৰেই ক্ষতিপূৰণ কৰা হ'ল। এইবাৰেই বুজা গ'ল যে ৰঙালী আৰু লোকেল হৈ থকা নাই, ই গ্লোবেল হৈ গৈছে। গ্লোবেল নোহোৱাহেঁতেন কামাল হাছানৰ জীয়েকেও ৰঙালীৰ ৰঙেৰে ৰাঙলী হ'বলৈ আহেনে? দিছপুৰে দিয়া ডেৰ লাখ টকাৰে বিহু পাতি আঠ-১০ লাখটকীয়া শিল্পীক কেনেকৈ ষ্টেজত খাড়া কৰাব পাৰে? একমাত্ৰ ৰঙালী গ্লোবেল হোৱা কাৰণেই এয়া সম্ভৱ হৈছে। পুৰণি গানকেইটাকে চিএৰি চিএৰি গাই কেনেকৈ আঠ-১০ লাখ টকা নিব পাৰে? নিব পাৰে এই কাৰণেই যে ৰঙালী গ্লোবেল হৈছে। গ্লোবেল হোৱা কাৰণেই আজি ডিঙিৰ গামোচাখন ৰাজস্থানত তৈয়াৰ কৰা হৈছে। নাচনীয়ে পিন্ধা কাপোৰযোৰ মাইচ'ৰত বোৱা হৈছে। খোপাত ওলমি থকা কপৌ ফুলখিনি মহাৰাষ্ট্ৰৰ প্লাষ্টিক ফেক্টৰীত তৈয়াৰ কৰা হৈছে। হাতৰ গাম খাড়ু দুপাত বনাই অনা হৈছে কৰ্ণাটকৰ পৰা। এইবোৰ কেনেকৈ হ'বলৈ পাইছে? ৰঙালী গ্লোবেল হোৱা কাৰণে হ'বলৈ পাইছে।

ৰঙালী যে গ্লোবেল হ'বলৈ আৰম্ভ কৰিছে, তাৰ প্ৰমাণ ৰঙালী চাবলৈ যোৱা ডেকা-গাভৰুৰ ড্ৰেছ আৰু বিহেভিয়াৰৰ পৰাও বহুখিনি ধৰিব পাৰি। ৰঙালী চাবলৈ গ'লেও কোনেও পাট-মুগা পিন্ধি ৰঙালী চাবলৈ ওলাই অহা নাই। ধুমুহা-বৰষুণত তিতিলেও যাতে বিনষ্ট নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এনে কিছুমান ড্ৰেছ পিন্ধি লোৱা হৈছে যিবোৰে গাটো ঢাকিব পাৰক বা নোৱাৰক, জ্যেষ্ঠসকলক চকুবোৰ ঢাকি ৰাখিবলৈ কিন্তু বাধ্য কৰাই দিয়ে। দুই-এজন জ্যেষ্ঠই গৈ এনে দুজনীমান ৰঙীন গ্লোবেল গাভৰুক উপযাচি মাতি আনি কৈছেও হেনো— 'মাইনাহঁতো! যেতিয়া এৰিবৰ মন যায়, ৰুমালকেইখন পেলাই নিদিবি। আমাকে দি যাবি। থুতৰিৰে বৈ অহা তামোলৰ পিক মচিবলৈ সুবিধা হ'ব!' গ্লোবেল গাভৰুকেইজনীয়ে হতবাক হৈ সোধে— 'ৰুমাল! আমাৰ হাততো ৰুমাল নাই।'

জ্যেষ্ঠকেইজনে বুজাই দিয়ে— 'হাতত নাথাকিলে কি হ'ল? গাত আছে নহয়। গাত পিন্ধি থকাকেইখনৰ কথাকে কৈছো।' বান্ধৱীয়ে বান্ধৱীৰ লগত ফোনত কথা পাতে— 'অ'ই! আজি তহঁতৰ তাত কোন আছে?'

ঃ জুবিন আছে!
ঃ আমাৰ ইয়াত পাপন আছে।
ঃ চাবলৈ যাবি নেকি?
ঃ নাযাওঁ। তই যাবি?
ঃ ময়ো নাযাওঁ। আজি বিটিএছৰ লাইভ শ্বো আছে নহয়।
ঃ তাকেই! বিটিএছ এৰি যাব নোৱাৰো দেই।
ঃ আমাৰ এই প্ৰগ্ৰেমবোৰত বিটিএছক কিয় নামাতেনো?
ঃ নমতা কাৰণে ভালেই হৈছে।
ঃ কিয়?
ঃ আমাৰ ইয়াত ইমান হট ৰেভাৰ! বিটিএছৰ আটাইকেইটা হেণ্ডচাম ব্লেক হৈ যাব পাই। এই গ্লোবেল ল'ৰা-ছোৱালীবোৰৰ পপুলেছন যিমানে বাঢ়িব, সিমানে ৰঙালী গ্লোবেল হৈ গৈ থাকিব। ডেকাবোৰকতো ক'বই নালাগে। আজি-কালি ৰঙালীত কেৱল বতৰে ধুমুহাক নানে, বাইকৰ স্পীডেও ধুমুহা আনে। ধুমুহা গতিৰে এখনৰ পাছত এখনকৈ বাইকবোৰে যেনেকৈহে পাৰ হৈ যায়, সেইবোৰ দেখিলে ধৰিবই নোৱাৰি বৰদৈচিলা আহিছে নে ধুমদৈচিলা আহিছে। বাপেকে পুতেকক মানা কৰে—
ঃ বোপা অ'।'
ঃ কি হ'ল?
ঃ কালি তোক বাইক চলোৱা দেখিলো।
ঃ দেখিলা যদি দেখিলা? তাতে কি হ'ল?
ঃ একো হোৱা নাই। ঠিকেই চলাইছ তই; কিন্তু স্পীডটো অলপ বেছি হৈছে নেকি?
ঃ স্পীড লাগিবই। স্পীডত বাইক চলাবলৈ কলিজা লাগিব।
ঃ পিছে কলিজাটো উফৰি গৈ ডিভাইডাৰত পৰি জঁপিয়াই থাকিলে বৰ ডাঙৰ কথা হ'ব অ'।

বাপেকবোৰৰ এই ভয়ক পুতেকবোৰে কিন্তু বৰ বেছি পাত্তা নিদিয়ে। বিহু-পূজা এইবোৰতে যদি বাইকত স্পীড নিদিয়ে, কেতিয়া দিব? স্কুল-কলেজবোৰৰ পৰীক্ষাততো শ্লু'ৰে মাৰে। এদিন এই ল'ৰা-ছোৱালীবোৰৰ বয়স হ'ব, সিহঁতেই একো একোখন বিহু কমিটী হ'ব, সিহঁতৰ ইচ্ছাতেই বিহুৰ আয়োজন চলিব। তেতিয়া এই ৰঙালী কিমান গ্লোবেল হ'ব ভাবি চাওকচোন। আৰু ইহঁতৰ হাতত ধৰি যদি ৰঙালী গ্লোবেল হয়, তেন্তে অসমীয়া কালচাৰ অসমীয়া কালচাৰ বুলি চিএৰি থকা লোকেলবোৰৰ কি হ'ব? ৰামবেল!

বিধ্বস্ত বাট-পথৰ বাবে ঘোঁৰা গাড়ীৰে চিকিৎসালয়লৈ নিলে বৃদ্ধাক

আলোপতি, ১৭ এপ্ৰিল ঃ বিধ্বস্ত বাট-পথে বাঘবৰৰ চৰাঞ্চলৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ পুনৰ উন্মোচিত কৰিছে। বাট-পথৰ দুৰৱস্থাৰ বাবেই আজি সমষ্টিটোৰ মাজৰচৰ গাঁৱৰ এগৰাকী বৃদ্ধা ৰোগীক পৰিয়ালৰ লোকে ঘোঁৰা গাড়ীৰে চিকিৎসালয়লৈ নিবলগীয়া হয়। গাঁওখনৰ কুলছুন নেছা (৬০) নামৰ বৃদ্ধাগৰাকী অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাললৈ নিবলগীয়া হয়। আলোপতি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এম্বুলেন্স আছে যদিও বাট-পথ বিধ্বস্ত হোৱা বাবে বহু অঞ্চলৰ লগতে বৃদ্ধাগৰাকীৰ বাসগৃহতো এম্বুলেন্স যোৱাৰ কোনো সুবিধা নথকাত পৰিয়ালৰ লোকে এখন ঘোঁৰা গাড়ীৰে নগৰবেৰা-মাজৰচৰ পাৰঘাটলৈ আনে। পৰিয়ালৰ লোকে মহিলাগৰাকীক দাং কোলাকৈ লৈ নাওত উঠাই নদী পাৰ হৈ পুনৰ

বাঘবৰৰ চৰাঞ্চলত উন্নয়নৰ ফোঁপোলা স্বৰূপ

এখন ই-ৰিক্সাৰে নগৰবেৰালৈ আনে। নগৰবেৰাৰ পৰা এখন চাৰিচকীয়া বাহনেৰে জিএমচি হাস্পতাল অভিমুখে লৈ যায়। মহিলাগৰাকীৰ ঘৰৰ পৰা নগৰবেৰাৰ দূৰত্ব মাত্ৰ চাৰি কিলোমিটাৰ যদিও এইখিনি বাট আহিবলৈ সময় লাগে প্ৰায় দুঘন্টা। স্থানীয় লোকে ব্যক্ত কৰা মতে প্ৰায়েই বাঘবৰৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ পৰা এনেদৰে ঘোঁৰা গাড়ী, সাঙী, ঠেলা অথবা ই-ৰিক্সাৰে ৰোগী কঢ়িয়াব লগীয়া হয়। একপ্ৰকাৰ নৰক যন্ত্ৰণা ভোগ কৰি আহিছে অঞ্চলটোৰ অৰ্ধ লক্ষাধিক লোকে। চৰকাৰ তথা জনপ্ৰতিনিধিসকলে উন্নয়নৰ ফটা ঢোল বজালেও এনে ঘটনাই উন্মোচিত কৰিছে অঞ্চলটোৰ উন্নয়নৰ বাস্তৱ স্বৰূপ। শীঘ্ৰে মাজৰচৰৰ পৰা কালাইৰদিয়া হৈ বাঘমাৰাচৰ সংযোগী মূল পথটো পকীকৰণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদক দাবী জনাইছে।

মাজুলীৰ অফলামুখ ফেৰীঘাটত অৰাজকতা অব্যাহত

অগ্ৰদূত বাৰ্তা
কমলাবাৰী, ১৭ এপ্ৰিল ঃ চৰকাৰে যিমানেই নীতি-নিয়ম বান্ধি নিদিয়ক বিভাগীয় কৰ্মচাৰী সততা আৰু সময় নিষ্ঠা নহ'লে কোনো কামেই সফল ৰূপায়ণ নহয়। তাৰ জ্বলন্ত প্ৰমাণ মাজুলীৰ ফেৰী ঘাটসমূহৰ পাৰাপাৰ ব্যৱস্থা। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ অধীনস্থ মাজুলী-নিমাতী ফেৰী ঘাটসমূহৰ ফেৰী চলাচলৰ সমস্যা দিনক দিনে বৃদ্ধি পাইছে। দৈনিক বাতৰিৰ শিৰোনামা দখল কৰা অফলামুখ আৰু কমলাবাৰী ঘাটত কৰ্মৰত বিষয়া-কৰ্মচাৰী, ব্যক্তিগত নাৱৰ লেছীসকলক কিন্তু কোনো ঘটনাই আজি পৰ্যন্ত গা লৰাব পৰা নাই। কালি পুৱা অফলামুখ ফেৰীঘাটেৰে পাৰ হ'ব লগা যাত্ৰীসকল হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ অভিযোগ উঠিছে। প্ৰাপ্ত অভিযোগ অনুসৰি পুৱা ৭.৩০ বজাত নিমাতীঘাটলৈ যাবলগা যাত্ৰীসকলে ছয় বজাৰ পৰাই ফেৰীঘাটত দীঘলীয়া শাৰী পাতি টিকট সংগ্ৰহ কৰে যদিও ৭.৩০ বাজি যোৱাৰ পাছতো নাওখন নিৰ্দিষ্ট চালামিত উপস্থিত নোহোৱাত যাত্ৰীসকল বিবুধিত পৰে। পাছত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্মচাৰীক যাত্ৰীসকলে খবৰ কৰি জানিব পৰামতে, নিশা ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে চালামিত পাৰি থোৱা তক্তাকেইখন পানীত ওপঙি থকাৰ বাবে নাওখন চালামিটোত চপাব পৰা নাই আৰু তক্তাকেইখন উঠাওঁতে কিছুসময়ৰ প্ৰয়োজন হ'ব। যাত্ৰীসকলৰ অভিযোগ অনুসৰি, যিটো কাম কৰিবলৈ সাধাৰণ দুজন লোকৰ ১০ মিনিটৰ প্ৰয়োজন হয়, সেই একেটা কামৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ কৰ্মচাৰীৰ আধা ঘন্টাৰো অধিক সময়ৰ প্ৰয়োজন হোৱাৰ যুক্তি ক'ত? কেৱল কামৰ প্ৰতি অৱহেলাৰ বাবেই যাত্ৰীসকলে আধাঘন্টাৰো অধিক সময় অবাবত নষ্ট কৰিব লগা হয়। ইফালে, অতি গুৰুত্বপূৰ্ণ ঘাটটোত দুটা স্থায়ী চালামি নিৰ্মাণ নকৰাটো বিভাগটোৰ বিষয়াৰ চক্ৰান্ত বুলি যাত্ৰীসকলে অভিযোগ কৰিছে। কাৰণ ঘাটসমূহত স্থায়ী চালামি নিৰ্মাণ কৰিলে বিভাগটোৰ বিষয়াসকলৰ বছৰি চালামিৰ নামত লাখ লাখ টকা ঘটাৰ পথ বন্ধ হ'ব বুলি যাত্ৰীসকলে সদৰী কৰিছে। পুৱাৰ প্ৰথমখন নাৱৰ যাত্ৰা পলমকৈ আৰম্ভ হোৱাৰ বাবেই পৰৱৰ্তী আঠ বজাৰ ৰ'পেক্স জাহাজখনৰ যাত্ৰা ৮.৩০ বজাতহে আৰম্ভ হয়। বৰ্তমান বিহুৰ বতৰত মাজুলীলৈ অহা যাত্ৰীসকলৰ আজিৰ পৰা ওভতনি যাত্ৰা আৰম্ভ হোৱাত ঘাটটোত যাত্ৰীৰ সংখ্যা লক্ষ্যণীয়ভাৱে বৃদ্ধি হৈছে। এনে পৰিস্থিতিত ঘাটটোত বিভাগীয় অৰাজকতাই যাত্ৰীসকলৰ সুগম যাত্ৰাত হেঙাৰ হৈ থিয় দিছে।

পুৱা ৭.৩০ বজাৰ ফেৰীৰ যাত্ৰাৰম্ভ হয় ৮.১৫ বজাত যাত্ৰীৰ হাৰাশাস্তিৰ অভিযোগ

মূৰে-কপালে হাত দিলে আঠ নিবনুৱা যুৱকে

কলাইগাঁৱত বৰষুণত গেলিপচি গ'ল ২০০ বিঘাৰ তৰমুজৰ খেতি

অগ্ৰদূত বাৰ্তা
কলাইগাঁও, ১৭ এপ্ৰিল ঃ নেৰানেপেৰা বৰষুণত বিধ্বস্ত হোৱা খেতি পথাৰলৈ চাই হুমুনিয়াহ কাঢ়িছে কলাইগাঁৱৰ কৃষকসকলে। উল্লেখ্য যে কৰ'না ভাইৰাছে জুৰুলা কৰা কলাইগাঁৱৰ কৃষকসকলে এইবেলি কঁকালত টঙালি বান্ধি নতুন উদ্যমৰে খেতি কৰাৰ মানসৰে ওলাই আহিছিল। কলাইগাঁৱৰ নিকটৱৰ্তী উত্তৰ বৰপুখুৰী, কবিৰালি আৰু পুথিমাৰিৰ আঠজন নিবনুৱা যুৱকে ৰৌতাত তৰমুজ খেতিৰ প্ৰশিক্ষণ লৈ উক্ত অঞ্চলৰ প্ৰায় ২০০বিঘা মাটিত তৰমুজৰ খেতি আৰম্ভ কৰে। উৎসাহী কৃষকসকলৰ আপডালৰ ফলত লহপহকৈ বাঢ়ি অহা তৰমুজৰ খেতিডৰাত ফল লাগিবলৈ আৰম্ভ কৰে। কিন্তু চ'ত মাহৰ নেৰানেপেৰা বৰষুণে বিনষ্ট কৰি পেলায় তৰমুজ খেতি। খেতি পথাৰত পানী জমা হৈ অপৈণত তৰমুজবোৰ পথাৰতে গেলিপচি যায়। যাৰ ফলত মূৰে-কপালে হাত দিছে উৎসাহী কৃষকসকলে। প্ৰতি বিঘা মাটিত তৰমুজ খেতি কৰিবলৈ বিশ হেজাৰ টকাৰ প্ৰয়োজন হোৱাৰ বাবে কৃষকসকলে ধাৰ-ঋণ লৈ দুশ বিঘা মাটিত খেতি কৰিছিল। প্ৰতি বিঘাত ৮০ কুইন্টল তৰমুজ উৎপাদন কৰাৰ মানসেৰে কৃষকসকলে এই খেতি আৰম্ভ কৰিছিল। লগতে অসমৰ শিলচৰ, গুৱাহাটী, ডিব্ৰুগড়, মানকাচৰ, আগৰতলা, তিনিচুকীয়া, হাইলাকান্দি আদি অঞ্চলৰ ব্যৱসায়ীসকলে কৃষকসকলৰ স'তে ইতিমধ্যে যোগাযোগ কৰিছিল যদিও উৎপাদিত ফচল গেলিপচি যোৱাত হতাশাত ভাঙি পৰিছে। ব'হাগৰ সময়তে বজাৰলৈ আহিবলগীয়া তৰমুজৰ প্ৰতিকিলোত ১২ টকাৰ পৰা ২০ টকা পৰ্যন্ত বিক্ৰী হয় বুলি কৃষকসকলে সদৰী কৰিছে। ইতিমধ্যে তৰমুজ কৃষক কানাইলাল চৌহান, নিৰ্মল বৰা, ছাইনুৰ হক, মহিবুল হক, চন্দন চৌহান, ধৰমলাল চৌহান, তাইজুদ্দিন আহমেদ আৰু জ্যোতিময় মেধিয়ে কৃষি বিভাগৰ স'তে যোগাযোগ কৰে যদিও কিদৰে কৃষকসকলক সহায় কৰিব সেই বিষয়ে এতিয়াও জ্ঞাত হোৱা নাই। আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ মানসেৰে তৰমুজৰ খেতি কৰা নিবনুৱা কৃষক এতিয়া ধাৰৰ বোজা মূৰত লৈ দিনতে অন্ধকাৰ দেখিছে। হতাশাত ভোগা কৃষকসকলে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত সহায়ৰ হাত বিচাৰিছে।

ডিব্ৰুগড়ত সোণোৱাল কছাৰীৰ বিহু উদ্‌যাপন, দেওবাৰে।

ওদালগুৰিত পদ্মশ্ৰী বিৰুৱালা ৰাভা, হিমা দাসৰ জীৱন্ত প্ৰতিৰূপ প্ৰদৰ্শন

বিশেষ সংবাদদাতা
ওদালগুৰি, ১৭ এপ্ৰিল ঃ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰে আজি উজলি উঠিল ওদালগুৰিৰ ৰাজপথ। পাঁচদিনীয়া কাৰ্যসূচীৰে যোৱা ১৪ এপ্ৰিলৰ পৰা ওদালগুৰি বিষ্ণু ৰাভা কৃষ্টি সংঘ প্ৰাংগণত অনুষ্ঠিত ৬৫ সংখ্যক সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনৰ আজি চতুৰ্থ দিনৰ কাৰ্যসূচী অনুসৰি উলিওৱা হয় এক বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা। অসমৰ চলচিত্ৰ জগতৰ অভিনেত্ৰী ভ্ৰান্তি মেধিয়ে উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে। ওদালগুৰি চহৰখনৰ মাজেৰে পৰিভ্ৰমণ কৰা শোভাযাত্ৰাত অসমীয়া বিহু, ৰাভা, চাওঁতালী, নেপালী, ঝুমুৰ নৃত্যকে আদি কৰি ভাওনা দলে অংশগ্ৰহণ কৰে। উক্ত শোভাযাত্ৰাতে অসমীয়া পৰম্পাৰাৰে বিৱাহ অনুষ্ঠান, অসমৰ চাহ বাগান অঞ্চলৰ পৰিৱেশ, জেং বিহু প্ৰদৰ্শন কৰে। আন একাংশ মহিলাই ডাইনী হত্যা ৰোধ তথা সমাজৰ কুসংস্কাৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা পদ্মশ্ৰী বিৰুৱালা ৰাভা, আৰক্ষী বিষয়া ভায়'লেট বৰুৱা, অসম গৌৰৱ হিমা দাসৰ প্ৰতিৰূপ প্ৰদৰ্শন কৰে। যোৱা ১৪ এপ্ৰিলত পুৱা বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পনৰ পাছত বিহু পৰিৱেশন, বিহু পিঠা বিতৰণ আৰু ভেশচন প্ৰতিযোগিতাৰ লগতে কণ কণ ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা বিহু সন্মিলনৰ তৰফৰ পৰা তিনি বিশেষ ব্যক্তিলৈ সম্বৰ্ধনা জ্ঞাপন কৰে। তাৰ পাছত ক্ৰমে চিত্ৰাংকন-কুইজ প্ৰতিযোগিতাৰ লগতে সন্ধিয়া সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হয়। শনিবাৰে তৃতীয় দিনৰ কাৰ্যসূচী অনুসৰি সদৌ অসম ভিত্তিত মুকলি বিহু অনুষ্ঠিত হৈ যায়। আনহাতে, কাইলৈ অন্তিম দিনটোৰ কাৰ্যসূচী অনুসৰি সন্ধিয়া সাত বজাত সাংস্কৃতিক মঞ্চ উদ্বোধনৰ পাছতে ৭-৩০ বজাত বটা বিতৰণী অনুষ্ঠান আৰু বিহু নৃত্য প্ৰদৰ্শনৰ লগতে নিশা আঠ বজাত কণ্ঠশিল্পী ৰাকেশ বিয়ানৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com